গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত


জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

একাদশ বছৰ ■ সংখ্যা ২৯৪ ■ গুৱাহাটী ■ বৃহস্পতিবাৰ, ৩ জুন', ২০২১, ১৯ জেঠ, ১৯৪৩ শক ■ RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ৭.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. 11 ISSUE NO. 294 Dainandin Barta ■ Guwahati, Thursday ■ 3 June 2021 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 7.00 Only





## বিকৃত মানসিকতাৰ পৰিৱৰ্তন কেতিয়া হ'ব ?

■ ৰিপণ জামান

কিমান আৰু গৰিহণা দিম, কিমান ধিক্কাৰ দিম, কিমান আৰু প্ৰতিবাদ জনাম, ভাষা আমাৰ হেৰাই গৈছে। প্ৰতিবাদ জনাই জনাই ভাগৰি গৈছো যদিও মনোবল আমাৰ এতিয়াও অটুট আছে। প্ৰতিবাদ আমি জনায়ে থাকিম এই বিকৃত মানসিকতাৰ পৰিৱৰ্তন নহয় মানে। চৰকাৰে ইয়াৰ উচিত ব্যৱস্থা নলয় মানে। এই পাষণ্ডসকলক এই কু-কৰ্মৰ বাবে আচলতে ■ ৮ পৃষ্ঠাত

## কৰ'না নিৰ্মূলৰ বাবে মহাৰাষ্ট্ৰ চৰকাৰৰ নতুন পদক্ষেপ

## ৫০ লাখটকীয়া পুৰস্কাৰেৰে 'কৰ'নামুক্ত গাঁও' প্ৰতিযোগিতা

**মুম্বাই, ২ জুন ঃ** বিশ্বজুৰি কৰ'নাই মহামাৰী ৰূপ ধাৰণ কৰাৰ ফলত বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে ভাৰতৰো বিভিন্ন ঠাই বিভিন্ন কৰ্মসূচী তথা স্বাভাৱিক জীৱন-যাপনৰ ক্ষেত্ৰত স্থবিৰতা আহি পৰিছে। ইয়াৰ পৰা পৰিত্ৰাণ পাবৰ বাবে কেন্দ্ৰীয়-ৰাজ্য চৰকাৰে মিলি যৎপৰোনাস্তি চেষ্টা চলোৱাৰ লগতে প্ৰথম কৰ'না ■ ৮ পৃষ্ঠাত



মৰলে বেৰিলে সূৰ্য্যক— সৌৰজাগতিক পৰিঘটনাৰ চাক্ষুস সাক্ষী হৈ ৰ'ল হায়দৰাবাদবাসী




'নৰ'ক বৰ্জন ঃ মানুহৰ পৰা হাত সাৰিবলৈ বিপদাপন্ন প্ৰজাতিৰ একমাত্ৰ পক্ষী আলপাইন ভাটৌৱে এৰিলে পাহাৰ

## সলনা-সলনি কৰি ল'ব নোৱাৰিব ক'ভিশ্বিল্ড আৰু ক'ভাশ্বিন

**প্ৰথম আৰু দ্বিতীয় পালি একেটা ভেকচিনকে ল'বলৈ নিৰ্দেশ নিতি আয়োগৰ স্বাস্থ্য বিভাগৰ সদস্য ভি কে পালৰ**

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ২ জুন ঃ** ক'ভিড ভাইৰাছ প্ৰতিৰোধী ভেকচিনৰ প্ৰথম আৰু দ্বিতীয় ড'জ সালসলনি কৰি ল'ব নোৱাৰিব। অৰ্থাৎ যিটো ভেকচিন প্ৰথম পালিত গ্ৰহণ কৰে, সেই একেটা ■ ৮ পৃষ্ঠাত



নতুন দিল্লীত বুধবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰিছে অসমৰ নতুন মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই

### লংকাৰ ফুলতলী ক'ভিড চিকিৎসালয়ত কৰ্মৰত অৱস্থাত চিকিৎসক প্ৰহৃত

# চিকিৎসক প্ৰহাৰ কাণ্ডক দেশজুৰি ধিক্কাৰ

**আক্ৰমণকাৰীয়ে লোহাৰ ৰ'ড, লাঠী, চৰিয়াৰে আক্ৰমণ চলাইছিল ডাঃ সেউজ কুমাৰ সেনাপতিক**



## চিকিৎসক অথবা স্বাস্থ্যকৰ্মীৰ গাৰ নোম এডালতো যদি কোনোবাই হাত দিয়ে তেন্তে কথা বিষম হ'ব ঃ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২ জুন ঃ** 'কৰ্মৰত চিকিৎসক অথবা স্বাস্থ্যকৰ্মীক আক্ৰমণ কৰাটো বাদেই তেওঁলোকৰ গাৰ নোম এডালতো যদি কোনোবাই হাত দিয়ে তেন্তে কথা বিষম হ'ব। এনে ঘটনাক কোনো কাৰণতে সহ্য কৰা নহ'ব। হোজাই জিলাৰ লংকাৰ ফুলতলী ক'ভিড চিকিৎসালয়ত কৰ্মৰত অৱস্থাত চিকিৎসক প্ৰহৃত হোৱাৰ ঘটনাৰ ৰিজাল্ট আজি ৰাতিৰ ভিতৰতে পাব।' কালি নিশা নগাঁৱত উপস্থিত হৈ চিকিৎসকক প্ৰহাৰ কৰা দুষ্কৃতিকাৰীক এনেদৰে কঠোৰ সকীয়নী দিয়ে ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই। কালি নিশা নগাঁৱৰ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত উপস্থিত হৈ স্বাস্থ্যমন্ত্ৰী মহন্তই হোজাই জিলাৰ লংকাৰ ফুলতলী ক'ভিড চিকিৎসালয়ত ■ ৮ পৃষ্ঠাত

### চৰকাৰী নাটকৰ যৱনিকা ঃ জাগীৰোড-কাছাৰ কাগজ কলৰ কফিনত শেষ গজাল

## ৩০ জুনত নিলামত বিক্ৰী হ'ব অসমৰ স্বাভিমানৰ প্ৰতীক কাগজ কল

১৮০০ কৰ্মচাৰীৰ ভৱিষ্যত অন্ধকাৰ ■ জাগীৰোড কাগজ কলত কৰুণ পৰিৱেশ, হুকহুকাই কান্দিলে দুৰ্ভগীয়া কৰ্মচাৰীয়ে ■ ৪ বছৰে কৰ্মচাৰীয়ে নাপালে দৰমহা ■ ৪ বছৰত ৮৭জন কৰ্মচাৰীৰ চিকিৎসা অবিহনে মৃত্যু-চাৰিজনৰ আত্মহত্যা ■ মুখ্যমন্ত্ৰীৰ হস্তক্ষেপৰ দাবী— কাগজ কল ইউনিয়ন ছাত্ৰ সন্থাৰ প্ৰতিবাদী কাৰ্যসূচী ঘোষণা




**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও, ২জুন ঃ** দীৰ্ঘদিন ধৰি চলি থকা চৰকাৰী নাটকখনৰ যৱনিকা পেলাই অৱশেষত কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনৰ সৰ্ববৃহৎ দুটাকৈ কাগজ কল জাগীৰোডস্থিত নগাঁও কাগজ কল আৰু কাছাৰ কাগজ কলৰ বিক্ৰীৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছে। ইতিমধ্যে নগাঁও আৰু কাছাৰ কাগজ কল দুটাক নিলাম কৰাৰ বাবে ■ ৮ পৃষ্ঠাত

**ঘটনা প্ৰত্যক্ষভাৱে পৰ্যবেক্ষণ কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই**

### চিকিৎসক প্ৰহাৰৰ ঘটনাৰ বুজ ল'বলৈ লংকাত আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্ত

**৭ অভিযুক্তক আৰক্ষীৰ জিম্মালৈ**

## ঘটনাৰ তদন্ত কৰিব চিআইডিৰ বিষয়া বিবেকানন্দ দাসে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ২ জুন ঃ** ১ জুনত লংকাৰ ফুলতলীত থকা ক'ভিড কেয়াৰ কেন্দ্ৰত এগৰাকী কৰ্তব্যৰত চিকিৎসকৰ ওপৰত সংঘটিত বৰ্বৰ আক্ৰমণৰ ঘটনাৰ বুজ ল'বলৈ আজি ঘটনাস্থলীত উপস্থিত হয় অসম আৰক্ষীৰ ডিজিপি ভাস্কৰজ্যোতি মহন্ত। অসম আৰক্ষীৰ শীৰ্ষ বিষয়াগৰাকীয়ে কয়— এই বৰ্বৰ কাণ্ডৰ সৈতে জড়িত কোনো অপৰাধীকে ৰেহাই দিয়া নহ'ব। এন আই এৰ প্ৰাক্তন বিষয়া তথা বৰ্তমান ■ ৮ পৃষ্ঠাত




## ৰাজ্যজুৰি চিকিৎসকৰ প্ৰতিবাদ

**দল-সংগঠনৰ গৰিহণা**

তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসক-চিকিৎসা কৰ্মীৰ অৱস্থান ধৰ্মঘট ■ দোষীক দৃষ্টান্তমূলক শাস্তি আৰু চিকিৎসকৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ দাবী ■ দুৰ্বৃত্তৰ আক্ৰমণৰ বলি ডাঃ সেউজ কুমাৰ সেনাপতি আছিল তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ ছাত্ৰ ■ পি পি কিট পৰিধান কৰি অভিনৱ প্ৰতিবাদ পৰোৱা ক'ভিড হাস্পতালত ■ তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয়তো প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২ জুন ঃ** কৰ্তব্যৰত চিকিৎসকক অমানুষিক বৰ্বৰ আক্ৰমণ কৰা ঘটনাক লৈ এতিয়া সৰ্বত্ৰে ধিক্কাৰ-গৰিহণা দিয়াৰ লগতে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। যিগৰাকী চিকিৎসকক লংকাৰ উদালিত নৃশংসভাৱে পিশাচৰ দলে আক্ৰমণ চলাইছিল, সেইগৰাকী চিকিৎসক তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ ছাত্ৰ আছিল। ■ ৭ পৃষ্ঠাত




### দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিনামূলীয়া পাঠ্যপুথিৰ বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰিলে শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে

## দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষা হ'ব

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২ জুন ঃ** অসমৰ শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে আজি দশম শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিনামূলীয়া পাঠ্যপুথি বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। নিৰ্দিষ্ট স্থানলৈ নিবৰ বাবে পতাকা জোকাৰি বিনামূলীয়া ■ ৮ পৃষ্ঠাত

**স্বাস্থ্যমন্ত্ৰীৰ সমষ্টিতে স্বাস্থ্যকেন্দ্ৰত অস্বাস্থ্যকৰ পৰিৱেশ ঃ উদালীত চিকিৎসক নিগ্ৰহৰ ঘটনায়েও ক্ৰিয়া কৰা নাই এচাম চিকিৎসকক**

## চিকিৎসা সেৱাৰ অসহযোগৰ দিনাই চলিল কলিয়াবৰৰ পানীগাঁও ৰাজ্যিক চিকিৎসালয়ত বৰভোজ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ২ জুন ঃ** উদালীত চিকিৎসক নিগ্ৰহৰ ঘটনায়েও ক্ৰিয়া কৰা নাই এচাম চিকিৎসকক। চিকিৎসক-চিকিৎসাকৰ্মীৰ অসহযোগৰ দিনাই চলিল কলিয়াবৰৰ পানীগাঁও ৰাজ্যিক চিকিৎসালয়ত বৰভোজৰ। এই লজ্জাজনক কাণ্ড সংঘটিত হৈছে ৰাজ্যৰ স্বয়ং স্বাস্থ্যমন্ত্ৰীৰ ■ ৮ পৃষ্ঠাত




**ৰাষ্ট্ৰীয় মানৱ অধিকাৰ কমিছন**

## নতুন অধ্যক্ষ উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন বিচাৰপতি অৰ্জুন কুমাৰ মিশ্ৰ

**নতুন দিল্লী, ২ জুন ঃ** উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন বিচাৰপতি অৰুণ মিশ্ৰই আজি ৰাষ্ট্ৰীয় মানৱ অধিকাৰ কমিছনৰ অধ্যক্ষ হিচাপে দায়িত্বভাৰ ■ ৮ পৃষ্ঠাত

## স্পষ্টীকৰণ



অসমৰ বহুলভাৱে সম্প্ৰচাৰিত 'প্ৰাগ নিউজ' নামৰ ব্যক্তিগত টিভি চেনেলত সম্প্ৰচাৰ হোৱা 'ধুবুৰীত তৎপৰ কয়লা ছিণ্ডিকেট' শীৰ্ষক বাতৰিটো মোৰ দৃষ্টিগোচৰ হৈছে। উক্ত বাতৰি সন্দৰ্ভত মই সমূহ অসমবাসী ৰাইজক বাতৰি কাকতত বিজ্ঞাপনৰ জৰিয়তে মোৰ স্পষ্টীকৰণ ৰাজহুৱা কৰিব বিচাৰিছে। উক্ত বাতৰি সন্দৰ্ভত ক'বলগীয়া এয়ে যে, বাতৰিটোত সম্প্ৰচাৰ কৰা মোৰ বিৰুদ্ধে প্ৰত্যেকটো অভিযোগ ভিত্তিহীন, মনেসজা তথা গোকাট মিছা কথা। বাতৰিত উল্লেখ কৰা দৰে মই সোনাহাট আন্তৰ্জাতিক বাণিজ্য কেন্দ্ৰত চলি থকা তথাকথিত ছিণ্ডিকেটত কোনো ধৰণে জড়িত নহয়।

আন্তৰ্জাতিক বাণিজ্য কেন্দ্ৰটো স্থাপনৰ দিনৰে পৰা মই সম্পূৰ্ণ বিভাগীয় নীতি-নিয়ম মানি চলি বাংলাদেশৰ সৈতে শিল ৰপ্তানি কাৰ্যত জড়িত হোৱাৰ লগতে বিভিন্ন ৰপ্তানিকাৰকক মোৰ নিজা ট্ৰাক ভাড়াত দি আছো আৰু এই ব্যৱসায়ৰ দ্বাৰাই মই মোৰ পৰিয়ালক প্ৰতিপালন কৰি আছো। কিন্তু একাংশ দুষ্টচক্ৰই মোক জনমানসত হেয় প্ৰতিপন্ন কৰিবলৈ উঠিপৰি লাগিছে আৰু মোৰ বিৰুদ্ধে ৰচনা কৰি গৈছে এটাৰ পিছত আনটো ষড়যন্ত্ৰ। মই লক্ষীমাৰী ট্ৰাক মালিক সন্থাৰ সভাপতিৰ পদত অধিষ্ঠিত হোৱা দিনৰ পৰাই স্থানীয় এক দুষ্টচক্ৰই মোক পদচ্যুত কৰিবলৈ নিকৃষ্ট ৰাজনীতিত লিপ্ত হৈছে। মোৰ ধাৰণা হৈছে উক্ত দুষ্টচক্ৰই মোৰ বিৰুদ্ধে কিছু মনেসজা তথ্য সংবাদ মাধ্যমত যুগুত কৰি সন্মানীয় সাংবাদিক বন্ধুসকলক বিপথে পৰিচালনা কৰাৰ অপচেষ্টা কৰিছে। সেয়েহে মই সন্মানীয় প্ৰাগ নিউজক মোৰ বিৰুদ্ধে এনেধৰণৰ ভিত্তিহীন বাতৰি সম্প্ৰচাৰ নকৰিবলৈ কৰযোৰে অনুৰোধ কৰিলো।

**তপন কুমাৰ ৰায়**
সভাপতি, লক্ষীমাৰী ট্ৰাক মালিক সন্থা



# সুদীৰ্ঘ ১৩ বছৰৰ মূৰত বাগচেৰ সংৰক্ষিত বনাঞ্চল কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষক হস্তান্তৰ

## কাজিৰঙাত মুখ্যমন্ত্ৰীয়ে কথা দি ৰাখিলে কথা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাজিৰঙা, ২ জুন ঃ** কাজিৰঙাত ৰাজ্যখনৰ নৱনিৰ্বাচিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দিয়া কথা আখৰে আখৰে পালন কৰিলে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ কাষতে নগাঁও বন সংমণ্ডলৰ অধীনত থকা বাগচেৰ সংৰক্ষিত বনাঞ্চল সংৰক্ষণৰ দায়িত্ব আনুষ্ঠানিকভাৱে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষক হস্তান্তৰ কৰে নগাঁও বন সংমণ্ডল বিষয়াই। এতিয়াৰ পৰা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্য প্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হ'ব কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ। উল্লেখযোগ্য যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বুঢ়াপাহাৰ বনাঞ্চলৰ দক্ষিণ দিশে থকা ৩,৩৬৭ হেক্টৰ ভূমি আগুৰি আছে বাগচেৰ সংৰক্ষিত বনাঞ্চল। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানক ৰাষ্ট্ৰীয় ব্যাঘ্ৰ সংৰক্ষণ প্ৰাধিকৰণে ২০০৭ বৰ্ষত কাজিৰঙাক টাইগাৰ ৰিজাৰ্ভ হিচাপে ঘোষণা কৰোঁতে উক্ত সংৰক্ষিত বনাঞ্চলখনো কাজিৰঙা টাইগাৰ ৰিজাৰ্ভৰ অন্তৰ্গত বুলি ঘোষণা কৰিছিল। অতি পৰিতাপৰ কথা যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্য প্ৰাণীৰ বিচৰণ ভূমি তথা সংৰক্ষণ কৰাত সুবিধা থকা উক্ত সংৰক্ষিত বনাঞ্চলখন ৰাষ্ট্ৰীয় উদ্যানখনৰ কেইবাজনো সঞ্চালকৰ পৰা আৰম্ভ কৰি ৰাষ্ট্ৰীয় ব্যাঘ্ৰ




সংৰক্ষণ প্ৰাধিকৰণেও ৰাজ্যৰ বন বিভাগৰ মুৰব্বীক কেইবাবাৰো পত্ৰ লিখাৰ পিছতো নগাঁও বন সংমণ্ডলে ৰহস্যজনকভাৱে কাজিৰঙাৰ কৰ্তৃপক্ষক বাগচেৰ সংৰক্ষিত বনাঞ্চলখন হস্তান্তৰ কৰা নাছিল। সুদীৰ্ঘ ১৩ বছৰৰ পিছত অৰ্থাৎ ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কথাত ৩১ মে'ত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষক বিভাগীয়ভাৱে হস্তান্তৰ কৰে। জানিব পৰা মতে, ২৭ মে'ত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান সম্পৰ্কে এখন সভাত ৰাষ্ট্ৰীয় উদ্যানখনৰ সমস্যা, সংৰক্ষণ, চোৰাং চিকাৰী ৰোধ আদি সম্পৰ্কে কেইবাজনো মন্ত্ৰী, বিধায়ক, উপায়ুক্ত, আৰক্ষী অধীক্ষকৰ উপৰি বন বিভাগৰ উচ্চপদস্থ বিষয়াৰ সৈতে আলোচনাত মিলিত হৈছিল। এই আলোচনাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান সুৰক্ষাৰ স্বাৰ্থত কোনো কাম যাতে পৰি থাকিব নালাগে বুলি বিষয়াসকলক নিৰ্দেশ দিছিল। মুখ্যমন্ত্ৰীয়ে দিয়া নিৰ্দেশৰ মাত্ৰ তিনিদিন পিছতেই ১৩ বছৰৰ পৰা অৱহেলিত হৈ পৰি থকা কাম সম্পূৰ্ণ হ'ল অৰ্থাৎ বাগচেৰ সংৰক্ষিত বনাঞ্চলখন কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষক হস্তান্তৰ কৰে। বিভাগীয় সূত্ৰে জানিব পৰা মতে, মুখ্যমন্ত্ৰীৰ তৎপৰতাত ২৯ মে'ত ৰাজ্যখনৰ প্ৰধান সচিবে নগাঁও বন সংমণ্ডল বিষয়াক নিৰ্দেশ দিয়াৰ পিছত ৩১ মে'ত নগাঁও বন সংমণ্ডল বিষয়াই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালক পি শিৱকুমাৰ, বন বিষয়া প্ৰদীপ কুমাৰ গোস্বামী, নেপাল চন্দ্ৰ মণ্ডল আদিৰ উপস্থিতিত কাজিৰঙাৰ বন সংমণ্ডল বিষয়াক আনুষ্ঠানিকভাৱে উক্ত সংৰক্ষিত বনাঞ্চল হস্তান্তৰ কৰিবলৈ বাধ্য হয়। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালক পি শিৱকুমাৰে বাগচেৰ সংৰক্ষিত বনাঞ্চলখন কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষক হস্তান্তৰ কৰাৰ ক্ষেত্ৰত বিভাগীয়ভাৱে ধাৰাবাহিক পত্ৰ লিখি আছিল। অন্যহাতে, বোকাখাতৰ যুৱ পৰিৱেশ কৰ্মী ৰোহিত চৌধুৰী, কাজিৰঙাৰ জ্যেষ্ঠ সাংবাদিক স্বপন নাথ আদিয়ে এই ক্ষেত্ৰত প্ৰচেষ্টা চলাই আছিল। ইফালে সঞ্চালকে জানিবলৈ দিয়া মতে, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা বিশেষকৈ বানপানীৰ সময়ত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ অতিক্ৰম কৰি বন্য প্ৰাণীবোৰে উক্ত সংৰক্ষিত বনাঞ্চলত আশ্ৰয় লয়। বৰ্তমান উক্ত সংৰক্ষিত বনাঞ্চলত মেনচাং আৰু দেওচুৰ দুটা বন শিবিৰ আছে পূৰ্বে কোনো ঘটনা সংঘটিত হলে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ অধীনত নথকাৰ বাবে বিধিগতভাৱে কাম কৰাত ভীষণ সমস্যাৰ সৃষ্টি হৈছিল। নিৰাপত্তাৰ দুৰ্বলতাৰ সুবিধা লৈ কাৰ্বি পাহাৰৰ দিশৰ পৰাও চোৰাং চিকাৰী উক্ত সংৰক্ষিত বনাঞ্চলৰ মাজেদি কাজিৰঙাত প্ৰৱেশ কৰি গড় নিধন কৰি আছিল। অতি গুৰুত্বপূৰ্ণ যে বাগচেৰ সংৰক্ষিত বনাঞ্চল কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্য প্ৰাণীৰ কাৰণে প্ৰাকৃতিক হাইলেণ্ড হিচাপে ব্যৱহাৰ হৈ আছিল। এতিয়াৰ পৰা কাজিৰঙাৰ বাঘ গণনাৰ ক্ষেত্ৰত উক্ত এলেকা ব্যৱহাৰ কৰিব পৰা যাব বুলিও সঞ্চালকে মত প্ৰকাশ কৰে।

## শ্ৰদ্ধাঞ্জলি

### কঠোৰ অধ্যৱসায়ৰ নিপুণ চানেকি

### অভিযন্তা দেবেন্দ্ৰ নাথ মহন্তৰ জীৱন আৰু কৃতী



তিতাবৰ এলেঙী চাৰি আলিৰ কাষৰে চকিয়াল গাঁৱৰ এটা চিনাকি নাম দেবেন্দ্ৰনাথ মহন্ত। গজলা সত্ৰৰ উত্তৰাধিকাৰী পঞ্চ বিভূতিৰ দ্বিতীয় মহীয়ান দেবেন্দ্ৰনাথ মহন্ত এজন অধিকাৰী সৰৱৰহী আৰু গুণগ্ৰাহী ব্যক্তি। সদৰ গোসাঁই নামেৰে খ্যাত গজলা সত্ৰৰ উত্তৰাধিকাৰী ডিম্বেশ্বৰ মহন্তৰ সুযোগ্য সন্তান দেবেন্দ্ৰনাথ মহন্ত ১৯৩৮ চনত জন্ম গ্ৰহণ কৰিছিল। প্ৰাক স্বাধীনতাৰ কালত এলেঙী চাৰি আলি অথবা চকিয়াল গাঁৱৰ ভৌগলিক পৰিৱেশ আৰু সামাজিক পৰিৱেশ দুৰ্গম আছিল। বাট পথৰ যোগাযোগ আৰু যাতায়াত অতি বিপদ সংকুল আছিল। ঘৰৰ চোতালতে বাঘৰ গোজৰণি নিতৌ শুনিবলৈ পোৱা গৈছিল। সন্ধিয়াতে দুৱাৰ দাং মাৰি ভিতৰ সোমাব লাগে গৃহস্থ। সেই দুৰ্গম পৰিৱেশত ৩৫৪ নং এলেঙী কাছজান প্ৰাথমিক বিদ্যালয়ত পাঠশালা শিক্ষা গ্ৰহণ কৰিছিল দেবেন্দ্ৰনাথ মহন্তই। খোজ কাঢ়ি চকিং মিঃ বাট বাটকুৰি বাই তিতাবৰ মিহিৰাম শইকীয়া হাইস্কুলত হাইস্কুলৰ শিক্ষা গ্ৰহণ কৰিছিল। কলেজীয়া শিক্ষা গ্ৰহণ কৰিছিল যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়। সুখ্যাতিৰে বি এছ চি পৰীক্ষাত উত্তীৰ্ণ হৈ যোৰহাটৰ ইঞ্জিনিয়াৰিং কলেজৰ পৰা বি ই ডিগ্ৰী লৈ গুৱাহাটী অভিযান্ত্ৰিক মহাবিদ্যালয়ত চাকৰি কৰে। আৰু পৰৱৰ্তী সময়ত খৰগপুৰৰ পৰা এম টেক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ যোৰহাটৰ অভিযান্ত্ৰিক মহাবিদ্যালয়ত প্ৰফেছৰ হিচাপে কাৰ্যনিৰ্বাহ কৰে। এলেঙীৰ মাধৱদেৱ চেমিনাৰীত ৩ মাহ আৰু তিতাবৰ মিহিৰাম শইকীয়া হাইস্কুলত ৬ মাহ শিক্ষকতা কৰিছিল। মহানুভৱতাৰ পৰিচয় দিবলৈ সক্ষম হোৱা দেবেন্দ্ৰনাথ মহন্তই এলেঙী অঞ্চলটোৰ সাংস্কৃতিক জীৱনৰ উত্তৰণ বিচাৰি সামাজিক সাংস্কৃতিক কাৰ্যসূচীত নিষ্ঠাৰে কৰ্তব্য পালন কৰিছিল। দেবেন্দ্ৰনাথ মহন্তৰ জ্যেষ্ঠ ভাতৃ মহেন্দ্ৰ নাথ মহন্ত এলেঙী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক আছিল। আজিও মহেন্দ্ৰ নাথ মহন্তই গজলা সত্ৰৰ উত্তৰাধিকাৰী হিচাপে সাংস্কৃতিক জীৱনৰ গুৰি ধৰি আছে। তেওঁৰ ভাতৃ প্ৰয়াত গোবিন্দ চন্দ্ৰ মহন্ত ও সমাজ প্ৰিয় আছিল। বৰ্তমান তেওঁৰ আন এজন ভাতৃ জগত চন্দ্ৰ মহন্ত বৰ্তমান গুৱাহাটীৰ বাসিন্দা। তেওঁ অভিযন্তা হিচাপে অৱসৰ গ্ৰহণ কৰিলে। তেওঁৰ ভাতৃ প্ৰয়াত দেৱকুমাৰ মহন্ত তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ উচ্চ পদস্থ বিষয়া আছিল আৰু সমাজৰ হিতাকাঙ্খী ব্যক্তি আছিল। এটা কথা নকলে মন নুজুৰাব যে গজলা সত্ৰৰ প্ৰত্যেক জন উত্তৰাধিকাৰীৰ সতি সন্ততি সুযোগ্য পিতৃৰ সুযোগ্য সন্তান। মনে নমনাকৈয়ে চলিত বৰ্ষৰ ২১ মে'ত সমাজ হিতৈষী দেবেন্দ্ৰনাথ মহন্তৰ প্ৰজ্ঞাৰ সাধনাক অসমৰ এগৰাকী উচ্চ পদস্থ প্ৰশাসনিক বিষয়া আৰু ৰাষ্ট্ৰদূত সত্যেন্দ্ৰনাথ বৰকটকীয়ে প্ৰশংসা কৰিছিল। নিযুক্তিৰ সাক্ষাৎকাৰত মহীৰূহ পণ্ডিত সত্যেন্দ্ৰনাথ বৰকটকীয়ে দেবেন্দ্ৰনাথ মহন্তক বিনা দ্বিধাই নিযুক্তিৰ আহ্বান জনোৱা বিৰল দৃষ্টান্ত। যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পৰা প্ৰফেছৰ হিচাপে ২০০০ চনত দেবেন্দ্ৰনাথ মহন্তই অৱসৰ গ্ৰহণ কৰে। এলেঙী চাৰি আলিত থকা ৫০ ৰ দশকৰ দীপাৱলি সংঘৰ সাংস্কৃতিক যাত্ৰাৰ সোণালী দিনৰ সাৰথি সকলৰ অন্যতম সদৰ গোসাঁইৰ পৰিয়ালটো। অভিনয় আৰু পুথি অধ্যয়ন দীপাৱলি সংঘৰ এটা যুগমীয়া ইতিহাস আছিল। সদৰ গোসাঁই কেৱল গজলা সত্ৰৰ উত্তৰাধিকাৰী নহয় আৰ্থ সামাজিক দিশতো প্ৰভাৱশালী আছিল। প্ৰয়াত দেবেন্দ্ৰনাথ মহন্তৰ ফুটবল খেলৰ প্ৰতিও ধাউতি আছিল। খেল পথাৰ নিৰ্মাণ কৰাৰ কাৰণে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। পুথিভঁৰাল, ক্লাব গঠন কৰাত গুৰুত্ব আৰোপ কৰিছিল। নতুন প্ৰজন্মৰ অধ্যয়নৰ প্ৰতি, আধুনিক যুগৰ লগত খাপ খুৱাই আত্ম নিৰ্ভৰশীল হোৱা বিষয়টোত তেওঁ গুৰুত্ব দিছিল। গজলা সত্ৰৰ উত্তৰাধিকাৰী সদৰ গোসাঁইৰ বংশ লতা ঐতিহ্যমণ্ডিত। বন্দন দেউৰ উত্তৰাধিকাৰী যথাক্ৰমে মোহদানন্দ, শোভচন্দ্ৰ,চানমাইদেউ, ভানুচন্দ্ৰ, তুলসীৰাম (সদৰ গোসাঁই), ধৰ্মেশ্বৰ আৰু ডিম্বেশ্বৰ। সদ্য প্ৰয়াত দেবেন্দ্ৰনাথ মহন্ত সদৰ গোসাঁইৰ তৃতীয় পুৰুষৰ দ্বিতীয় সন্তান আৰু তেওঁৰ মাতৃ পদ্মকান্তি আইৰ পঞ্চ পুত্ৰৰ অন্যতম সুযোগ্য সন্তান। ২,৩ আৰু ৪ জুনত আয়োজন কৰা আদ্য শ্ৰাদ্ধৰ পৰম পবিত্ৰ দিনত পৰলোকগামী বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰাৰ লগতে পৰিয়ালৰ সকলো ব্যক্তিলৈ মোৰ সমবেদনা জ্ঞাপন কৰিলো।

■ বিমান শইকীয়া

## দুধনৈত ড্ৰাগছসহ দুজন যুৱকক আটক কৰিলে আৰক্ষীয়ে

**দৈনন্দিন বাৰ্তাৰ সেৱা, দুধনৈ, ২ জুন ঃ** ৰাজ্যজুৰি ড্ৰাগছৰ বিৰুদ্ধে চলিছে আৰক্ষীৰ তীব্ৰ অভিযান। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গোৱালপাৰা জিলাৰ দুধনৈতো ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই আছে আৰক্ষীয়ে। দুধনৈ আৰক্ষীয়ে দুধনৈ অঞ্চলত যোৱা কালি অবৈধ ড্ৰাগছ সৰবৰাহকাৰীৰ বিৰুদ্ধে অভিযান চলাই দুজন ড্ৰাগছ সৰবৰাহকাৰী যুৱকক আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে আটক কৰা ড্ৰাগছ সৰবৰাহকাৰী যুৱক দুজন হৈছে দুধনৈ কলেজ ৰোডৰ ধনজিৎ ব্ৰহ্ম ওৰফে লম্বু (২৭) আৰু নিউ দুধনৈৰ ৰাজু ভদ্ৰ (২৮)। লগতে যুৱক দুজনৰ পৰা প্ৰায় ১৪ গ্ৰাম ড্ৰাগছ (হেৰ'ইন), বহুকেইটা চিৰিঞ্জৰ লগতে নগদ ৭,৫০০ টকা, দুটা মোবাইল ফোন, কেবাটাও খালী কনটেইনাৰ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। গোৱালপাৰা জিলা উপ-আৰক্ষী অধীক্ষক ৰূপজ্যোতি কলিতা আৰু দুধনৈ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মুকুট কাকতিৰ নেতৃত্বত চলোৱা অভিযানত আটক কৰা দুয়োগৰাকী যুৱক ড্ৰাগছ আসক্ত বুলি জানিব পৰা গৈছে। দুধনৈ থানাৰ গোচৰ নং ৬৩/২১, ভাৰতীয় দণ্ডবিধি আইনৰ ২১(বি)/২৯ মাদক দ্ৰব্য আৰু সাইকেট্ৰপিক পদাৰ্থ আইনৰ অধীনত আটক কৰি যুৱক দুজনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে।

## নাগৰিকত্ব সংশোধনী আইন অসমত কাৰ্যকৰী নকৰিবলৈ আহ্বান 'কা' আন্দোলনৰ শ্বহীদ ঈশ্বৰ নায়কৰ পৰিয়ালবৰ্গৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ২ জুন ঃ** বৰ্তমান সময়ত বহু চৰ্চিত নাগৰিকত্ব সংশোধনী আইন বলৱৎ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় চৰকাৰ তথা গৃহ মন্ত্ৰালয়ে ৩০ মে'ত স্পষ্ট কৰি দিয়ে যে সংশোধিত আইনখনৰ অধীনত নাগৰিকত্ব দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হোৱা নাই। নাগৰিকত্ব আইন ১৯৫৫ আৰু ২০০৯ অনুসৰি, বিগত দিনবোৰত যিদৰে নিৰ্বাচিত লোকক ভাৰতৰ নাগৰিকত্ব প্ৰদান কৰা হৈছিল এয়া তাৰেই অংশ বুলি স্পষ্ট কৰে কেন্দ্ৰীয় চৰকাৰে। এইফালে কেন্দ্ৰীয় চৰকাৰে ভাৰতৰ বহুকেইখন ৰাজ্যত এই আইনখন কাৰ্যকৰী কৰিবলৈ তৎপৰতা আৰম্ভ কৰিছে বুলি প্ৰচাৰ চলিছে ৰাইজৰ মাজত। নাগৰিকত্ব সংশোধনী আইন বাতিলৰ বাবে এটা সময়ত অসমকে ধৰি ভাৰতৰ বহু ৰাজ্যত কা'ৰ বিৰুদ্ধে আন্দোলন হৈছিল। সেই আন্দোলনতে অসম চৰকাৰৰ আৰক্ষীয়ে জপিয়াই পৰিছিল ৫ জনকৈ ভূমি পুত্ৰ নিৰীহ অসম সন্তানৰ ওপৰত। বন্দুকৰ গুলীৰে বুকু ফাটি তেজৰ নৈ বৈছিল অসমৰ বুকুত। অসমে কেতিয়াও বিদেশীৰ বোজা ল'ব নোৱাৰে বুলি ৰাজপথ কপাঁই তুলিছিল আছু, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদকে ধৰি বহু দল, সংগঠন। পিছে কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে পাকিস্তান, বাংলাদেশ আৰু আফগানিস্তানত প্ৰতাৰিত অ-মুছলমান শৰণাৰ্থীসকলক ভাৰতত নিজৰ নাগৰিকত্ব বিচাৰি আবেদন কৰিবলৈ জাননী জাৰি কৰিছে বুলি প্ৰচাৰ চলিছে ৰাইজৰ মাজত। যাৰ ফলশ্ৰুতিত অসমৰ জনগণ শংকিত হোৱা পৰিলক্ষিত হৈছে। খিলঞ্জীয়া ৰাইজ পিছৰ পৰ্য্যায়ত অসমৰ নামটো ইয়াত অন্তৰ্ভূক্ত হোৱাৰ সম্ভাৱনা আছে বুলি শংকিত হোৱা পৰিলক্ষিত হৈছে। কা' আন্দোলনৰ শ্বহীদৰ পৰিয়ালবৰ্গই পিছে কি বিচাৰে? এই সন্দৰ্ভত কি কয় শ্বহীদৰ পৰিয়ালবৰ্গই। ৫ জনকৈ শ্বহীদ ভূমি পুত্ৰ নিৰীহ অসম সন্তানৰ ভিতৰত আছিল ওদালগুৰিৰ পানেৰী বিধান সভা সমষ্টিৰ অন্তৰ্গত মাজুলি চাহ বাগিচাৰ শ্বহীদ



ঈশ্বৰ নায়ক। দৰিদ্ৰ পিতৃ-মাতৃ তথা ককায়েকৰ আৱেগভৰা সময়খিনিত তেওঁলোকৰ চৰকাৰলৈ তথা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মালৈ এটাই আহ্বান, অসমখনক বিদেশীৰ পৰা বচাওক। নিবনুৱা সমস্যাই জনবিস্ফোৰণ ঘটোৱা আমাৰ ৰাজ্যখনত 'কা' বলৱৎ নকৰিবলৈ আহ্বান। অসমীয়া ভাষা সংস্কৃতি যদি এই নতুন চৰকাৰখনে বচাব বিচাৰে তেন্তে 'কা' অসমত কাৰ্যকৰী নকৰিবলৈ অনুৰোধ শ্বহীদ ঈশ্বৰ নায়কৰ পৰিয়ালবৰ্গৰ।

## মানকাচৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ চৰকাৰী কাৰ্যালয়ত ছেনিটাইজেশ্যন আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মানকাচৰ, ২ জুন ঃ** দঃ শালমাৰা মানকাচৰ জিলাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগ নেতৃত্বত আৰু জিলা খনৰ বহুকেইটা এন জি অৰ সহযোগত আজি ৮ দিন ধৰি জিলাখনৰ বিভিন্ন ঠাইত থকা সকলো বিভাগৰ চৰকাৰী কাৰ্যালয় আৰু চিকিৎসা কেন্দ্ৰসমূহত ছেনিটাইজেচনৰ কাম চলি আছে। জানিব পৰা মতে মানকাচৰ খণ্ড প্ৰাথমিক চিকিৎসালয়, কাকৰী পাৰা পশু চিকিৎসা কেন্দ্ৰ, কালাপানী ছাব চেণ্টাৰ, বাঘাপাৰা গাঁও পঞ্চায়তৰ কাৰ্যালয়, ফেকামাৰী ব্লক কাৰ্যালয়, হাটশিঙিমাৰী অসামৰিক চিকিৎসালয়, গজাৰী কান্দি খণ্ড প্ৰাথমিক চিকিৎসালয়, টুমনী ছি এইচ চি, দঃশালমাৰা খণ্ড প্ৰাথমিক চিকিৎসালয় কে ধৰি স্কুল কলেজসমূহত এছপ্ৰে মেচিনেৰে বিজ্ঞান সন্মতভাৱে কেমিকেল বনাই বিজানু মুক্ত কৰাৰ বাবে এনে কাম চলি আছে বুলি জানিব পৰা গৈছে। জিলাখনত থকা প্ৰায় ৩০ টা এন জি অৰ সহযোগত এনে কাম চলি আছে আৰু উক্ত ছেনিটাইজেচনৰ কামৰ চোৱাচিতাত জড়িত জন স্বাস্থ্য কাৰীকৰি বিভাগৰ বিভিন্ন পৰ্যায়ৰ বিষয়া-কৰ্মচাৰী।

## ৰৌতা, ওৰাং, ধনশ্ৰীঘাটৰ নৈশ বাছ সেৱাৰ টিকট কাউণ্টাৰৰ কৰ্মীৰ তথৈবচ অৱস্থা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰৌতা চাৰিআলি, ২ জুন ঃ** 'নাই মোমাইতকৈ কণা মোমাই সাৰ 'এই আপ্তবাক্য শাৰী প্ৰযোজ্য হৈছিল বিগত বছৰৰ মহামাৰী কৰ'নাৰ সময়ত। কিয়নো ৰাজ্য চৰকাৰে মহামাৰী ক'ভিডৰ লকডাউনৰ সময় চোৱাত প্ৰায় সংখ্যক লোকৰ একাউণ্টত ৫ শ টকা দিয়াৰ উপৰিও দৰিদ্ৰক বিনামূলীয়া খাদ্যৰ টোপোলা আৰু চৰকাৰী কৰ্মচাৰীসকলৰ পৰাও কিছু সাহায্য আগবঢ়োৱা হৈছিল। কিন্তু এইবেলি বিগত বছৰৰ তুলনাত বহু দৰিদ্ৰ সীমাৰেখাৰ তলৰ লোক সকলৰ মাজত খাদ্য সংকটে দেখা দিছে। বিশেষকৈ নৈশ বাছৰ টিকট কাডণ্টাৰত থকা যুৱক আৰু যুৱতীসকলৰ জীৱন আৰু জীৱিকাৰ প্ৰতি প্ৰচণ্ড ভাবুকি কঢ়িয়াই আনিছে। আজি ওৰাঙৰ নৈশ বাছ টিকট কাউণ্টাৰৰ সত্বাধিকাৰী মাধৱ চৌধুৰীৰ পৰা জনামতে-ৰৌতা, ধনশ্ৰীঘাট আৰু ওৰাঙত নৈশ বাছ সেৱাৰ টিকট কাউণ্টাৰ আছে। কাউণ্টাৰত টিকট বিক্ৰী নামত নিয়োজিত হৈ থকা যুৱক-যুৱতীয়ে ইয়াৰ পৰা কিছু অংশ লাভ কৰি পৰিয়ালক পোহ-পাল দি অহাৰ লগতে নিতৌ ব্যৱহাৰ্য সামগ্ৰী কিনি কোনোমতে জোৰা তাপলি মাৰি চলি আছিল যদিও এতিয়া দীৰ্ঘ দিন ধৰি নৈশ বাছ বন্ধ হৈ পৰাত তেওঁলোকৰ অৱস্থা পানীত হাঁহ নচৰা বিধৰ হৈ পৰিছে।

## মহামাৰী ক'ভিড-১৯ ভাইৰাছৰ সংক্ৰমণ ৰোধৰ ক্ষেত্ৰত 'বন্ধন-কোন্নগৰ'ৰ প্ৰচাৰ অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, টেঙাখাট, ২ জুন ঃ** ৰাজ্যত মহামাৰী ৰূপ ধাৰণ কৰা ক'ভিড ১৯ ভাইৰাছৰ সংহাৰী ৰূপ প্ৰতিহত কৰিবলৈ ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগে প্ৰচেষ্টা অব্যাহত ৰখাৰ সমান্তৰালভাৱে বহু দল-সংগঠনৰ তৰফৰ পৰাও সহযোগিতা আগবঢ়োৱা পৰিলক্ষিত হৈছে। এই ক্ষেত্ৰত অসমৰ অন্যতম বিত্তীয় প্ৰতিষ্ঠান বন্ধন বেংকৰ সহযোগী সংস্থা 'বন্ধন কোন্নগৰ'ৰ টেঙাখাত আৰু চাবুৱা টি এইচ পি শাখাৰ সৌজন্যত বিগত কেইবাদিন ধৰি চাবুৱাৰ বিভিন্ন স্থানৰ লগতে চাবুৱাৰ পৰা বৃহত্তৰ টেঙাখাত বজাৰ এলেকা, লেংৰাই, চুঙি, তিনিকুৰীয়া, ৰংচঙী, তিৰলীয়া আদি অঞ্চলত ক'ভিড -১৯ ভাইৰাচৰ সংক্ৰমন ৰোধৰ ক্ষেত্ৰত ল'বলগীয়া সাৱধানতা আৰু সচেতনতা সম্পৰ্কে মাইকযোগে ৰাইজৰ মাজত প্ৰচাৰ অভিযান সম্পন্ন কৰে। ইয়াৰ উপৰি ক'ভিড ১৯ ভাইৰাছ কি, ইয়াক প্ৰতিৰোধৰ ক্ষেত্ৰত লবলগীয়া সতৰ্কতাসমূহ, ঘৰত পালন কৰিবলগা নিয়ম, কেতিয়া চিকিৎসালয়ত ভৰ্ত্তি হ'ব লাগে আৰু জৰুৰীভাৱে দৰকাৰী ফোন নম্বৰ সন্নিৱিষ্ট কৰা বহু চপা প্ৰচাৰ পত্ৰ ৰাইজৰ মাজত বিতৰণ কৰা হয়। এই প্ৰচাৰ অভিযানত চাবুৱা 'কোন্নগৰ'ৰ সমন্বয়ক উমেশ বৈশ্যৰ নেতৃত্বত টেঙাখাত আৰু চাবুৱা টি এইচ পিৰ অনান্য বিষয়- ববীয়া কমল বড়ো, বিদ্যুৎ বৰুৱা, লক্ষ্যজ্যোতি গোঁহাই, লিপিকা ৰয়, হিমাংকু চাংমাই, প্ৰকাশ দাস, বিশ্বজিত ঘোষ, মাধৱ বৰা,ৰুমি গগৈ আৰু চিমা মেচে অংশ গ্ৰহণ কৰে।

## কোচ ৰাজবংশী সন্মিলনীৰ উপদেষ্টা-বিশিষ্ট নিবন্ধকাৰ বিপিন বৰ্মনৰ বিয়োগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ২ জুন ঃ** বিশিষ্ট লেখক, সাহিত্যিক, কবি, নিবন্ধকাৰ, সমালোচক, সদৌ অসম কোচ ৰাজবংশী সন্মলনীৰ উপদেষ্টা, সমাজকৰ্মী, কৃষি বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী বিপিন বৰ্মনৰ মৃত্যু হয়। যোৱা কালি সন্ধিয়া কোকৰাঝাৰ আৰ এন বি চিভিল হস্পিতালত ৭৮ বছৰ বয়সত মৃত্যুক আঁকোৱালি লয়। কিছু দিন আগতে ক'ভিড-১৯ত আক্ৰান্ত হোৱাত গুৱাহাটী জি এম চি চিকিৎসালয়ত চিকিৎসাধীন হৈ আৰোগ্য লাভ কৰে। যাৰ ফলত কোকৰাঝাৰ চহৰৰ নাৰাবাৰী নিজ ঘৰত আহে যদিও হঠাৎ স্বাস্থ্যৰ অৱনতি ঘটে। যাৰ ফলত কোকৰাঝাৰ ৰূপনাথ ব্ৰহ্ম হস্পিটালত ভৰ্তি কৰাব লগীয়া হয়। তাতে মৃত্যুক সাৱটি লয়। চাৰিও ফালে ক'ভিড-১৯ সংক্ৰমণ বৃদ্ধি পোৱালৈ লক্ষ্য কৰি আৰু মৃতকৰ পৰিয়ালৰ এলেকা কণ্টেইনমেন জন হিচাপে ঘোষিত হোৱাত আত্মীয়-কুটুম্বৰ দুই-এজনৰ বাদে কোনেও খবৰ ল'বলৈ যাব নোৱাৰিলে। আজি ৰাতিপুৱা কোকৰাঝাৰ চহৰৰ গৌৰাংনৈৰ পাৰৰ ৰাজহুৱা শ্মশানত শেষকৃত সম্পন্ন কৰা হয়। হস্পিতালৰ পৰা পোনে পোনে পৰিয়াল-আত্মীয়-কুটুম্বৰ সীমিত সংখ্যক লোকে মৃতদেহটো লৈ যাবলৈ ওলোৱাৰ মূহূৰ্তত কোঁচ ৰাজবংশী সমাজৰ বিশিষ্ট যুৱ তাত্বিক লেখক- চিন্তাবিদ উৎপল সিংহ শেষ শ্ৰদ্ধা জ্ঞাপন কৰি প্ৰয়াত বিশিষ্ট ব্যক্তিগৰাকীৰ আত্মাই যাতে চিৰশান্তি লাভ কৰে তাকে কামনা কৰে। কোঁচ ৰাজবংশী জাগুৱানী কবি সমাজৰ সভাপতি শচীন চৌধুৰী আৰু সম্পাদক উৎপল সিংহ, সদৌ কোঁচ ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু)ৰ তথ্য আৰু প্ৰচাৰ সম্পাদক হিৰণ্য পাটগিৰি, কোঁচৰাজবংশী কালচাৰেল চছাইটিৰ উপদেষ্টা দুৰ্বাসা ৰায় আদিয়ে ৰাজবংশী জাতিৰ বাবে আজীৱন যুঁজি অহা প্ৰয়াত বিপিন বৰ্বনৰ মৃত্যুত গভীৰ শোঁক প্ৰকাশ কৰি শোঁক প্ৰকাশ কৰে। লগতে তেওঁৰ ক্ষুৰধাৰ লিখনিয়ে কোচ ৰাজবংশী জাতিটোক বহুদূৰ আগুৱাই লৈ যোৱা বুলি উল্লেখ কৰি প্ৰকৃততে জাতীয় দুৰ্যোগৰ এই জটিল সন্ধিক্ষণত কোঁচ ৰাজবংশী জাতিয়ে এজন জাতীয় বীৰ যোদ্ধাক হেৰুৱা বুলি এক শোঁক বাৰ্তাত আক্ষেপ প্ৰকাশ কৰে। জাতীয় জীৱনলৈ আগবঢ়োৱা তেওঁৰ অৱিহণা আৰু কৰ্মৰাজি কোচ ৰাজবংশী জাতিয়ে সদায় স্মৰণ কৰিব। এইবুলি স্বাক্ষৰীত শোঁক বাৰ্তাত তেওঁৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰি পৰিয়াল বৰ্গলৈও গভীৰ সমবেদনা জ্ঞাপন কৰে।

## নাজিৰাত ৩ জন ক'ভিড আক্ৰান্তৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২ জুন ঃ** যোৱা ১৮ মে' ত ক'ভিড আক্ৰান্ত হৈ চিকিৎসালয়লৈ নিয়াৰ পাছতে মৃত্যু ঘটা নাজিৰা চণ্টক চাহ বাগিচাৰ বজাৰ এলেকাৰ বাসিন্দা চন্দন মল্লিকৰ (৪২) মৃত্যুৰ কৰুণ পৰিস্থিতিৰ মাজতে পৰিয়ালটোলৈ আহিল দ্বিতীয়টো মৃত্যুৰ খবৰ। চন্দনৰ সহোদৰ জ্যেষ্ঠ ভাতৃ প্ৰদীপ মল্লিক (৫০) ৰ আজি পুৱাৰ ভাগত ডিব্ৰুগড়স্থিত অসম মেডিকেল কলেজ হস্পিতালত ক'ভিড ৰোগত মৃত্যু হয়। জানিব পৰা মতে যোৰহাটত চাকৰিত থকাৰ সময়তে জ্বৰত আক্ৰান্ত হোৱা প্ৰদীপ মল্লিক ঘৰলৈ বুলি আহি কিছুদিন পূৰ্বৰেপৰা পৃথকীকৰণ হৈ ৰয় । ইয়াৰ মাজতে সৰু ভায়েক চন্দন আক্ৰান্ত হৈ ১৮ মে'ত মৃত্যু ঘটে। আনহাতে প্ৰদীপ মল্লিকৰ জ্বৰ আৰোগ্য নোহোৱাত ২১ মে'ত প্ৰথমে শিৱসাগৰ ক'ভিড হস্পিতাল আৰু পৰৱৰ্ত্তী ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হস্পিটেললৈ নিয়া হৈছিল। তেওঁৰ মৃতদেহ ডিব্ৰুগড়তে ক'ভিড বিধিৰে সম্পন্ন কৰা হয়। এই সংসাৰত তেওঁ পত্নীসহ এগৰাকী কন্যাক এৰি থৈ গৈছে। আনহাতে কালি পুৱা নাজিৰা চানবছাৰ নিবাসী অৱসৰপ্ৰাপ্ত উপ আৰক্ষী অধীক্ষক মুখেশ্বৰ বৰবৰুৱাৰ (৬১) ক'ভিড আক্ৰান্ত হৈ মৃত্যু ঘটে। এদিন পূৰ্বে কাঁহত আক্ৰান্ত হৈ আজি পুৱা নিজে আহাৰ গ্ৰহণ কৰি চিকিৎসালয়লৈ নিজা বাহনেৰে গতি কৰোঁতেই লিগিৰী পুখুৰী স্থিত মহকুমা অসামৰিক চিকিৎসালয়ৰ প্ৰাপ্তি স্থানতে তেওঁৰ মৃত্যু ঘটে । ক'ভিডত আক্ৰান্ত বুলি প্ৰমাণ হোৱাৰ পাছত নাজিৰাৰ প্ৰশাসনে তেওঁৰ মৃতদেহ বালিঘাট শ্মশানত সৎকাৰ কৰে । এই সংসাৰত তেওঁ পত্নী আৰু পুত্ৰ সহ বিবাহিত জীক এৰি থৈ গৈছে । সম্প্ৰতি পুত্ৰৰ শাৰীৰিক পৰীক্ষাত ক'ভিডৰ উপস্থিতি ধৰা পৰাত তেওঁক কোৱাৰেন্টাইন কৰা হৈছে । তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে । আনহাতে যোৱা নিশা নাজিৰা নগৰৰ ৩ নং ৱাৰ্ডৰ অ' এন জি চিৰ এজন অৱসৰপ্ৰাপ্ত কৰ্মচাৰী ক'ভিডত আক্ৰান্ত হৈ ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু ঘটে । পৰ্য্যন্ত চৰকাৰী হিচাপ মতে নাজিৰাত মৃত্যুৰ সংখ্যা ২৩ জন বুলি প্ৰকাশ কৰিলেও প্ৰকৃত সংখ্যা ২৮ জনৰ অধিক হ'ব বুলি জানিব পৰা গৈছে । আনহাতে আজিৰ দিনটোত নাজিৰাত নতুনকৈ আক্ৰান্তৰ সংখ্যা ২৮ জন আৰু সৰ্বমুঠ আক্ৰান্তৰ সংখ্য ৮৪৩ জন।

## ভূত বাংলাত পৰিণত হৈছে যোগীঘোপাৰ দুটা উপ-স্বাস্থ্যকেন্দ্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ২ জুন ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপাৰ কেইবাটাও অঞ্চলত বছৰ বছৰ ধৰি পৰিত্যক্ত অৱস্থাত পৰি আছে উপ স্বাস্থ্য কেন্দ্ৰসমূহ। ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ অধীনত ২০১৪-১৫ বিত্তীয় বৰ্ষত নিৰ্মাণ হোৱা উপ স্বাস্থ্য কেন্দ্ৰসমূহ হাবি-জংঘলে ঘেৰি ধৰিছে। সম্প্ৰতি ভূত বাংলাত পৰিণত হৈছে যোগীঘোপাৰ কাবাইটাৰীৰ মেহনপুৰ চৰ আৰু চটপাৰাৰ কৰেয়া পাহাৰত নিৰ্মাণ কৰা উপ স্বাস্থ্য কেন্দ্ৰ দুখন। স্থানীয় ৰাইজে অভিযোগ কৰা মতে, উপ স্বাস্থ্য কেন্দ্ৰ দুখন নিৰ্মাণ হোৱাৰ পিছত দুই এদিন স্বাস্থ্য কৰ্মী আহিছিল যদিও তাৰ পিছত আজিলৈকে দায়িত্বত থকা চিকিৎসক বা কোনো স্বাস্থ্য



কৰ্মীক দেখা পোৱা নগ'ল। ফলত এনেদৰে পৰি ৰ'ল লাখ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই উপ স্বাস্থ্য কেন্দ্ৰ দুখন। যোগীঘোপা অঞ্চলৰ চটপাৰা, ভাটিপাৰা, কৰেয়া পাহাৰ গাঁৱ, মোহনপুৰ আৰু বুৰিৰ চৰ গাঁৱৰ প্ৰায় সহাস্ৰাধিক মানুহ চিকিৎসাৰ বাবে যাব লাগে দহৰ পৰা পোন্ধৰো কিঃ মিঃ নিলগত থকা চলন্তাপাৰা, বঙাইগাঁও বা গোৱালপাৰা চিকিৎসালয় লৈ। কি কাৰণত এই উপ স্বাস্থ্য কেন্দ্ৰসমূহ বন্ধ কৰি ৰখা হৈছে ৰাইজৰ বাবে অবুজ সাঁথৰ। কেন্দ্ৰ দুখনৰ এনে অৱস্থা দেখি ক্ষোভিত হৈ পৰিছে স্থানীয় ৰাইজ। সমগ্ৰ দেশত কৰ'না মহামাৰীয়ে যি সংহাৰী ৰূপ লৈছে। এই মহামাৰীৰ পৰা হাত সাৰিবলৈ ৰাজ্য চৰকাৰে চহৰ অঞ্চলত মহাবিদ্যালয়, চিকিৎসা মহাবিদ্যালয়ৰ লগত বিলাসী হোটেলবোৰত কোভিড কেন্দ্ৰ বনাইছে। ঠিক একে দৰে এই উপ স্বাস্থ্য কেন্দ্ৰ দুখন চিকিৎসক আৰু নাৰ্ছ নিয়োগ কৰিলে অঞ্চলতটোৰ মানুহখিনিই চিকিৎসাৰ ক্ষেত্ৰত উপকৃত হ'লেহেঁতেন বুলি ৰাইজে মত পোষণ কৰিছে। উল্লেখ্য যে, বৃহত্তৰ যোগীঘোপা অঞ্চলৰ অধিকাংশ ৰাইজ দুখীয়া শ্ৰেণীৰ। চৰকাৰৰ কোনো আঁচনিয়েই ভালদৰে নাপায় এই অঞ্চলৰ ৰাইজে। দৰিদ্ৰ লোকসকলৰ চিকিৎসাৰ বাবে একমাত্ৰ ভৰষা এই উপ স্বাস্থ্য কেন্দ্ৰ দুখন বছৰ বছৰ ধৰি তলা বন্ধ হৈ থকা দেখা গৈছে। মুঠতে ঢাল নাই তৰোৱাল নাই নিধিৰাম সৰ্দাৰ। অতি পৰিতাপৰ বিষয় যে, এই উপ স্বাস্থ্য কেন্দ্ৰ দুখনত চকু দিয়াৰ সময় নাই জিলা স্বাস্থ্য বিভাগৰ। সেয়ে চৰকাৰ তথা জিলা প্ৰশাসনে এই দুখন উপ স্বাস্থ্য কেন্দ্ৰৰ প্ৰতি গুৰুত্ব প্ৰদান কৰিবলৈ অনুৰোধ জনাইছে স্থানীয় ৰাইজে। ডক্টৰ-নাৰ্চ অবিহনে ভূত বাংলাত পৰিণত হোৱা উপ স্বাস্থ্য কেন্দ্ৰ দুখন স্বাস্থ্য বিভাগে ব্যৱহাৰৰ উপযোগী কৰি তুলিবনে? এয়া আজিৰ তাৰিখত লাখ টকীয়া প্ৰশ্ন?

## ৰাশিফলত আজিৰ দিনটো

**১৯ জেঠ, বৃহস্পতিবাৰ, ৩ জুন, ১৪২৮ ভাস্কৰাব্দ**
**তিথি ঃ কৃষ্ণা অষ্টমী, নক্ষত্ৰ ঃ পূৰ্বভাদ্ৰপদ, জন্ম ৰাশি ঃ কুম্ভ**
**সূৰ্যোদয়- ৪-৪১-১১, সূৰ্যাস্ত- ৬-০-১৯**



■ **মেষ** ঃ ৰাইজৰ কামত ব্যস্ত ■ **বৃষ** ঃ সাহিত্য সেৱা ■ **মিথুন** ঃ আনৰ সহায় ■ **কৰ্কট** ঃ স্বাস্থ্য ভয় ■ **সিংহ** ঃ উকীলৰ সুনাম ■ **কন্যা** ঃ ভ্ৰমণ সফল ■ **তুলা** ঃ পৰীক্ষাত সফল ■ **বৃশ্চিক** ঃ গ্লানি ভয় ■ **ধনু** ঃ সমস্যাৰ সমাধান ■ **মকৰ** ঃ সম্পত্তি লাভ ■ **কুম্ভ** ঃ খেতিয়কৰ সমস্যা ■ **মীন** ঃ খৰছ বৃদ্ধি

জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা
৩ জুন, ২০২১ বৃহস্পতিবাৰ, গুৱাহাটী ১৯ জেঠ ১৯৪৩ শক




*হোজাইত চিকিৎসক নিগ্ৰহৰ প্ৰতিবাদ তেজপুৰ মেডিকেল কলেজৰ চিকিৎসকৰ, বুধবাৰে*

### বকোৰ সাংবাদিকৰ কাষত বিধায়ক ৰেকিবুদ্দিন আহমেদ

# ক'ভিড প্ৰট'কলৰ মানি লকডাউনত সাহায্য বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২ জুন ঃ** কৰ'না কালত চৌদিশে মিনি লকডাউন চলি থকা সময়চোৱাত দেশৰ গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ সেৱক সাংবাদিকসকলে কৰ'না যোদ্ধাৰ দৰে প্ৰশাসনৰ লগত সহযোগিতা কৰি বা বাতৰি প্ৰকাশ কৰি আহিছে। এই ক্ষেত্ৰত সাংবাদিকসকলে নিজৰ দায়িত্ব আৰু কৰ্তব্য সুচাৰুৰূপে পালন কৰি অহা অৱস্থাত মহানুভৱতাৰ পৰিচয় দাঙি ধৰি কামৰূপ জিলাৰ বকোত আজি উপস্থিত হয় অসম বিধানসভাৰ বিধায়ক ৰেকিবুদ্দিন আহমেদ। উল্লেখ্য যে ৭ নং গুৱাহাটী লোকসভা সমষ্টিৰ অন্যতম বিধানসভা সমষ্টি ছয়গাঁওৰ বিধায়ক ৰেকিবুদ্দিন আহমেদে মানৱতাৰ নিদৰ্শন দেখুৱাই আজি পুৱাৰ ভাগতে বৃহত্তৰ বকো আঞ্চলৰ সাংবাদিক সকলোৰ লগত এক সোহাদ্যপুৰ্ণ আলোচনাত মিলিত হয়। সম্প্ৰতি কৰ'না মহামাৰীৰ আতংকৰ বাবে চৌদিশে হোৱা অভাৱনীয় পৰিস্থিতি আৰু ইয়াৰ সজাগতা অনাত সাংবাদিকৰ দায়িত্ব আৰু কৰ্তব্য পালনত ব্যস্ত থকা বাবে ছয়গাঁও সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদে সাংবাদিক সকলোক শুভেচ্ছা জনায় আৰু কিছু পৰিমাণে খাদ্য-সামগ্ৰী বিতৰণ কৰে। ইফালে ছয়গাঁও সমষ্টিৰ বিধায়ক হৈও বকো বিধানসভা সমষ্টিৰ বকো প্ৰেছ ক্লাবৰ সাংবাদিক সকলোক সহায় আৰু সাহায্য আগবঢ়োৱাত বিধায়ক ৰেকিবুদ্দিনক শলাগ লয় বকোৰ বৌদ্ধিক সমাজে। সাহায্য বিতৰণ কৰি বিধায়ক ৰেকিবুদ্দিন আহমেদে সাংবাদিকৰ লগতে ৰাইজক সজাগ আৰু সচেতন হ'বলৈ আহ্বান জনায়।

## দৰং জিলা প্ৰি-ছিনিয়ৰ এম টেট উত্তীৰ্ণ সন্থাৰ

### শিক্ষামন্ত্ৰীলৈ স্মাৰক-পত্ৰ ঃ যোগ্যতাৰ ভিত্তিত নিযুক্তি দিয়ক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২ জুন ঃ** দৰং জিলা প্ৰি-ছিনিয়ৰ এম টেট উত্তীৰ্ণ সন্থাৰ শিক্ষামন্ত্ৰীলৈ স্মাৰকপত্ৰ-যোগ্যতাৰ ভিত্তিত নিযুক্তি দিয়াৰ দাবী জনাই আজি দৰং জিলাৰ উপায়ুক্তৰ জৰিয়তে ৰাজ্যৰ শিক্ষামন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰদান কৰিছে। সংগঠনটোৰ সভাপতি আফজুৰ ৰহমান, কাৰ্যকৰী সভাপতি অৰূপ কলিতা আৰু সম্পাদক কাকুমণি শৰ্মাৰ দ্বাৰা স্বাক্ষৰিত উক্ত স্মাৰকপত্ৰত বিগত ২০১৫ চনৰ জানুৱাৰী মাহত ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ অধীনত অনুষ্ঠিত কৰা এম টেট পৰীক্ষাত প্ৰায় বিশ হেজাৰ পৰীক্ষাৰ্থী উত্তীৰ্ণ হৈছিল। কিন্তু চৰকাৰে এনে এম টেট উত্তীৰ্ণ পৰীক্ষাৰ্থীসকলৰ নিযুক্তি নিদিয়াৰ লগতে তাৰ পৰৱৰ্তী সময়ত মাদ্ৰাছা শিক্ষা বোৰ্ড সাধাৰণকৰণ কৰাৰ পিছত ৰাজ্যৰ মাদ্ৰাছা শিক্ষা সঞ্চালকে মেমো নং-ডিএমই/এচপিএল-টেট/এআৰ-গ্ৰেডুৱেট টিচাৰ/৩৯৪/২০১৫২৩-এ তাৰিখ ০৪-১২-২০১৫ মৰ্মে এক প্ৰস্তাৱ অসমৰ তদানীন্তন মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী, শিক্ষা সচিব আদিলৈ প্ৰেৰণ কৰিছিল যত সাধাৰণ শিক্ষানুষ্ঠানসমূহত এম টেট পৰিক্ষাৰ্থীক নিযুক্তি দিয়াৰ পৰামৰ্শ দিছিল। আনহাতে বি টি চি শিক্ষা সঞ্চালকে গুৱাহাটী উচ্চ ন্যায়ালৰ লেখ আবেদনৰ ৰায়ৰ ভিত্তিত বি টি চি টেটত মাদ্ৰাছা টেট উত্তীৰ্ণ প্ৰাৰ্থীক আবেদন কৰিব দিয়ে যদিও বিটিএডিৰ বাহিৰে এম টেট উত্তীৰ্ণক আবেদন কৰিব নিদিয়াত সংগঠনটোৱে আক্ষেপ প্ৰকাশ কৰিছে। এম টেট উত্তীৰ্ণ পৰীক্ষাৰ্থীসকলক নিযুক্তিৰ সুবিধা কৰিবলৈ সংগঠনটোৱে শিক্ষা মন্ত্ৰীৰ ওচৰত অনুৰোধ জনাইছে।

### শিঙৰাৰ ছিগা অংশৰে পানী সোমাই এক হাহাকাৰ পৰিৱেশ

## মেনেহাত উটি যোৱা মৃতদেহ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাওবৈচা, ২ জুন ঃ** শিঙৰা নদীৰ প্ৰথমটো বানে শলমৰীয়া গাঁৱত এক অভাৱনীয় পৰিৱেশৰ সৃষ্টি কৰিছে। শিঙৰাৰ বানে চিঙি নিয়া চাইড বান্ধটো ইতিমধ্যে মেৰামতি কৰিছে যদিও ১ নং শলমৰীয়া গাঁৱত পানী সোমোৱাৰ পিছত ওলাই যাব নোৱাৰাত ৰাইজৰ মাজত হাহাকাৰময় পৰিবেশ সৃষ্টি হৈছে। আজি এই অঞ্চলটোৰ ৰাইজে এই প্ৰতিবেদকক জানিব দিয়ে যে পানী ওলাই নোযোৱাত খোৱা পানীৰ সমস্যাই দেখা দিছে। এতিয়াও ঠাই ঠায়ে এককাল পৰ্যন্ত পানী জমা হৈ আছে। অনতিপলমে এই পানীখিনি উলিয়াই নিদিলে বন্যাৰ্তৰ অৱস্থা আৰু তথৈবচ হৈ পৰিব। ইফালে নাওবৈচাৰ লালুক মেনেহা নৈৰ বানত মাছ ধৰিবলৈ যাওঁতে উটি যোৱা পদ মুণ্ডা (৬০)ৰ মৃতদেহ উদ্ধাৰ হৈছে। যোৱা সোমবাৰে লালুক মেনেহা নৈত মাছ ধৰিবলৈ গৈ নিখোজ হৈছিল লোকজন। যোৱা দুদিন ধৰি এছডিআৰএফৰ লোকে অভিযান চলাই লোকজনৰ শুংসূত্ৰ উলিয়াব পৰা নাছিল। আজি পুৱা পৰিয়ালৰ লোকে উদ্ধাৰ কৰে পদ মুণ্ডাৰ মৃতদেহ।

## ৰাজ্য চৰকাৰক ট্ৰেন্স এছিয়াৰ ১ কোটি টকাৰ অক্সিজেন যোগান মেচিন প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২ জুন ঃ** ক'ভিড অতিমাৰীৰ সময়ছোৱাত অসমৰ ৰাইজৰ স্বাস্থ্যসেৱা খণ্ডত সহায়ক হোৱাকৈ ট্ৰেন্সএছিয়া বায় মেডিকেল লিমিটেডে অলপতে ৰাজ্য চৰকাৰলৈ ৫টা বায়-পেপ মেচিন যোগান ধৰে। কোম্পানীটোৰ হৈ ইয়াৰ মাণ্ডলিক বিক্ৰী প্ৰবন্ধক মনোজ কুমাৰ সোমে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ আচায্য তথা অধীক্ষক ডাঃ অচ্যুত চন্দ্ৰ বৈশ্য আৰু ইউৰোলজী বিভাগৰ মুৰব্বী ডাঃ শশাংক বৰুৱাক এই মেচিনসমূহ গুৱাহাটী চিকৎসা মহাবিদ্যালয় হাস্পাটালত প্ৰদান কৰে। প্ৰসংগত ডাঃ বৈশ্যই ট্ৰেন্সএছিয়াৰ এই পদক্ষেপক আদৰণি জনায় আৰু অতিমাৰীৰ সময়ছোৱাত এই মেচিন সমুহে কভিড ১৯ নিৰাময়ত বিশেষ সহায়ক হ'ব বুলি মন্তব্য প্ৰদান কৰে। অন্যহাতে ট্ৰেন্স এছিয়াৰ প্ৰতিষ্ঠাপক অধ্যক্ষ সুৰেশ বাজিৰাণিয়ে এই সময়ছোৱাত স্বাস্থ্যখণ্ডত এনেধৰণৰ সহায় আগবঢ়াই যেৱাৰ বাবে আমি প্ৰতিশ্ৰুতিবদ্ধ বুলি মন্তব্য প্ৰদান কৰে। উল্লেখ্য যে কভিড ৰোগীসকলক অক্সিজেনৰ যোগান ধৰি তেওঁলোকক কভিড যুজঁখনৰ পৰা মুক্তি প্ৰদান কৰাৰ উদ্দেশ্যৰে ৰাজ্য চৰকাৰখনৰ স্বাস্থ্য সেৱালৈ আগবঢ়োৱা এই মেচিন সমুহৰ মুল্য প্ৰায় ১ কোটি টকা। কোম্পানীটোৱে ইতিমধ্যেই এনে মেচিন যোগানেৰে প্ৰায় ৩ কোটি টকাৰ অনুদান ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰলৈ আগবঢ়াইছে বুলি জানিব পৰা গৈছে।

### মুখ্যমন্ত্ৰীয়ে তৎপৰতাৰে কাম কৰিবলৈ সংকল্প লৈছে ঃ মন্ত্ৰী যোগেন মহন

# মেঘালয়ৰ পানীয়ে ছিঙি নিয়া ৰাখাল কিল্লাৰ দলং পৰিদৰ্শন

**দৈনন্দিন বাৰ্তাৰ সেৱা, লক্ষীপুৰ, ২ জুন ঃ** 'অসমৰ মুখ্যমন্ত্ৰী খুব তৎপৰতাৰে কাম কৰিবলৈ সংকল্প লৈছে। দীৰ্ঘ দিনীয়া সমস্যাত যাতে ভূগি থাকিব লগীয়া নহয়, তাৰ বাবে প্ৰশাসনৰ ফালৰ পৰা, চৰকাৰৰ ফালৰ পৰা যেনে ধৰণে কৰিব লাগে আমি তেনে ধৰণে কৰিম।' এই মন্তব্য অসমৰ ৰাজহ মন্ত্ৰী যোগেন মোহনৰ। কালি গোৱালপাৰা জিলাৰ জলেশ্বৰৰ ৰাখাল কিল্লাত মেঘালয়ৰ পানীয়ে উটুৱাই নিয়া এখন কাঠৰ দলং পৰিদৰ্শন কৰিবলৈ আহি এই মন্তব্য কৰে মন্ত্ৰীগৰাকীয়ে। উল্লেখ্য যে আজি কিছুদিন ধৰি নেৰা নেপেৰাকৈ পৰা বৰষুণৰ ফলত মেঘালয়ৰ পৰা তীব্ৰ বেগে নামি আহিব ধৰিছে বাঢ়নী পানী। মেঘালয়ৰ পৰা এনে তীব্ৰ বেগেৰে নামি অহা বাঢ়নী পানীয়ে চিগি লৈ গৈছিল জলেশ্বৰ সমষ্টিৰ ৰাখাল কিল্লাৰ এখন বৃহৎ আকাৰৰ কাঠৰ দলং। এই দলঙৰ বাবে সম্প্ৰতি বিস্তৃত এলেকাৰ যাতায়াত সম্পূৰ্ণৰূপে ব্যাহত হৈ পৰিছে। সম্প্ৰতি যাতায়ত কৰাৰ বাবে তাৎক্ষণিকভাৱে ইয়াত এখন বাহৰ দলঙৰ ব্যৱস্থা কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে মন্ত্ৰী গৰাকীয়ে। তেওঁ কয় — এই সম্পৰ্কত মুখ্য মন্ত্ৰীক জনাম আৰু বিভাগীয় কৰ্তৃপক্ষকৰ জৰিয়তে এই খিনি কাম তৎপৰতাৰে আগবঢ়াই লৈ যাম। ইয়াৰ উপৰিও ব্ৰহ্মপুত্ৰৰ গড়া খহনীয়াৰো নতুন পলিচি ল'ব বুলিও মন্তব্য কৰাৰ লগতে ৰাখাল কিল্লাৰ এই কাঠৰ দলংখন পকী দলঙলৈ উন্নীত কৰাৰ বাবে যাৱতীয় ব্যৱস্থা লব বুলিও ৰাইজৰ সমুখত সদৰি কৰে।



## ডক্টৰেট ডিগ্ৰী প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকপথাৰ, ২ জুন ঃ** তিনিচুকীয়া জিলাৰ কাকপথাৰ গন্ধেগুৰিৰ জোনাস্মিতা ভূএগক অসম বিশ্ববিদ্যালয়, শিলচৰে 'The Problem of Immaculate Perception in the Navya-Nyaya. A Critical Study' শীৰ্ষক গৱেষণা কৰ্মৰ বাবে ডক্টৰেট ডিগ্ৰী প্ৰদান কৰিছে। তেওঁ অসম বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগৰ প্ৰাধ্যাপক তথা Dean, Prof. Adarasupally Natarajuৰ তত্ত্বাৱধানত গৱেষণা কৰ্ম সম্পন্ন কৰে। জোনাস্মিতা ভূএগাই তিনিচুকীয়া জিলাৰ কাকপথাৰৰ নিবাসী প্ৰয়াত যোগেন্দ্ৰনাথ ভূএগা আৰু অল্পনা দলৈ ভূএগাৰ কনিষ্ঠা কন্যা। তেওঁ বৰ্তমান অসম বিশ্ববিদ্যালয়, শিলচৰৰ দৰ্শন বিভাগত Guest Faculty হিচাপে কৰ্মৰত।

### ৰহাত কণ্টেইনমেণ্ট জ'ন, ক'ভিড চেণ্টাৰত খাদ্যসামগ্ৰী বিতৰণ প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইন, বিধায়ক শশীকান্ত দাসৰ

## গ্ৰামাঞ্চল আৰু চাহ বাগিচাত কৰ'নাত আক্ৰান্ত আৰু মৃত্যুৰ প্ৰকৃত তথ্য ৰাজহুৱা কৰাৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ২ জুন ঃ** ৰহাৰ ক'ভিড আক্ৰান্ত আৰু কন্টেন'মেন জ'নত থকা লোকৰ মাজত আজি খাদ্য-সামগ্ৰী বিতৰণ কৰে প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইন, ৰহাৰ বিধায়ক শশীকান্ত দাস আৰু বটদ্ৰৱা সমষ্টিৰ বিধায়িকা শিবামণি বৰাই। দিনৰ ১০ বজাত ৰহাৰ টোপাকুছি ৪ নং আৰু ৬ নং ৱাৰ্ডৰ কন্টেন'মেন্ট জ'নত থকা ১০০ টা পৰিয়ালক চাউল, দাইল, মিঠাতেল, বিস্কুট আদিকে ধৰি খাদ্য-সামগ্ৰীৰ টোপোলা বিতৰণ কৰাৰ পিছত ৰহাৰ ৰজাগাঁৱৰ কন্টেনমেন জ'নত থকা ২২ টা নিম্ন আয়ৰ পৰিয়ালকো খাদ্য-সামগ্ৰী বিতৰণ কৰে প্ৰাক্তন মন্ত্ৰী আৰু বিধায়কদ্বয়ে। ইয়াৰ পিছতে চাপৰমুখৰ ক'ভিড কেয়াৰ চেণ্টাৰটোত উপস্থিত হৈ প্ৰাক্তন মন্ত্ৰী হুছেইন আৰু বিধায়ক দুগৰাকীয়ে উক্ত চেন্টাৰত থকা ৭০ জন কভিড ৰোগীৰ বাবে মাস্ক, চেনিটাইজাৰ আৰু ঔষধপাতিৰ এটাকৈ টোপোলা আগবঢ়ায়। ইপিনে ইয়াৰ পিছতে সাংবাদিকৰ আগত প্ৰাক্তন মন্ত্ৰীগৰাকীয়ে গ্ৰাম্যাঞ্চলত এইবাৰ কৰ'নাত সংক্ৰমণ উদ্বেগজনকভাৱে বৃদ্ধি পাইছে বুলি মন্তব্য কৰি গ্ৰামাঞ্চলৰ লগতে চাহবাগিছা অঞ্চলত সঠিকভাৱে কৰ'না টেষ্ট নোহোৱাৰ লগতে ভেকচিন বিচাৰি হাহাকাৰ কৰিবলগীয়া হোৱাটো দুৰ্ভাগ্যজনক বুলি কয়।এই অঞ্চলবোৰত প্ৰকৃতাৰ্থত কৰ'নাত কিমান আক্ৰান্ত হৈছে আৰু কিমানৰ মৃত্যু হৈছে সেই তথ্য সদৰি কৰাৰ বাবেও আজি চৰকাৰক দাবী জনায় হুছেইনে। আনহাতেদি কৰ'নাৰ এই দুৰ্যোগৰ বাবেই সকলোৱে উপাৰ্জনৰ পথ বন্ধ হৈ পৰাৰ সময়ত চৰকাৰে তৎকালীনভাৱে পেট্ৰ'ল, ডিজেলৰ লগতে অত্যাৱশ্যকীয় সকলো সামগ্ৰীৰ মূল্য হ্ৰাস কৰাৰো পদক্ষেপ গ্ৰহণৰ দাবী জনায় হুছেইনে। ইয়াৰোপৰি এই সময়ত ৰাজ্যৰ সাংবাদিকসকলৰ বাবেও বিশেষ পদক্ষেপ লোৱাৰ বাবেও চৰকাৰক দাবী জনায় প্ৰাক্তন মন্ত্ৰীগৰাকীয়ে। আজিৰ এই বিতৰণ কাৰ্যসূচীত ৰহা ব্লক কংগ্ৰেছ, যুৱ কংগ্ৰেছ আদিৰ বিষয়ববীয়া সকলো উপস্থিত থাকে।

## বোকাখাতৰ চিকিৎসালয়লৈ কমলা প্ৰসাদ আগৰৱালাৰ এশ আঁঠুৱা, ৫০ পি পি ই কিট, পানী ফিল্টাৰ প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত, ২ জুন ঃ** বোকাখাতৰ সমাজ জীৱনৰ পৰিধি অতিক্ৰম কৰি সমগ্ৰ জিলাখনতে অতি ওতঃপ্ৰোতভাৱে জড়িত বোকাখাতৰ বিশিষ্ট সমাজকৰ্মী তথা ব্যৱসায়ী মহাবীৰ প্ৰসাদ আগৰৱালাৰ পিতৃ কমলা প্ৰসাদ আগৰৱালাই আজি বোকাখাতৰ কমলা মিৰি মহকুমা অসামৰিক চিকিৎসালয়লৈ ১০০ খন আঁঠুৱা, ৫০ টা পি পি ই কিট আৰু এই পানী ফিল্টাৰ প্ৰদান কৰে। চিকিৎসালয় খনত উক্ত সামগ্ৰীখিনিৰ অভাৱ হোৱা বুলি জানিব পাৰি ৰোগীৰ সহায় হোৱাৰ বাবে আজি চিকিৎসালয় খনৰ অধীক্ষক অপূৰ্ব শৰ্মা আৰু মহকুমা চিকিৎসা বিষয়া ভাৰত ফুকনৰ হাতত অৰ্পন কৰে। উল্লেখযোগ্য যে তেখেতৰ পুত্ৰ মহাবীৰ প্ৰসাদ আগৰৱালাই ইতিমধ্যে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ২০ লাখ টকা আগবঢ়াইছে। কঁহৰাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হাতত সমাজকৰ্মী জনে উল্লিখিত ধনৰাশিৰ চেক প্ৰদান কৰে। সমাজকৰ্মীজনৰ এই বদন্যতাক ৰাইজে প্ৰশংসা কৰিছে।



## পানীদিহিং পক্ষী অভয়াৰণ্যক পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হিচাপে গঢ়ি তোলা হ'ব ঃ বিমল বৰা

### ডিমৌ ৰাজমাইত নিৰ্মাণ কৰি থকা ৩ কোটি ৯০ লাখটকীয়া পৰ্যটন গৃহ পৰিদৰ্শন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২ জুন ঃ** শিৱসাগৰ জিলাৰ ডিমৌত কেন্দ্ৰীয় পৰ্যটন বিভাগৰ স্বদেশ দৰ্শন আঁচনিৰ অধীনত নিৰ্মীয়মান অৱস্থাত থকা ডিমৌৰ ৰাজমাইত অৱস্থিত পৰ্যটন গৃহটি আজি পৰিদৰ্শন কৰে অসম চৰকাৰৰ পৰ্যটন মন্ত্ৰী বিমল বৰাই। ডিমৌৰ পৰা কিছু নিলগৰ ৰাজমাইত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত ৩ কোটি ৯০ লাখ টকাৰ ব্যয়সাপেক্ষে নিৰ্মাণকাৰ্য সম্পূৰ্ণ হ'লে সেই স্থানৰ পৰা ৫ কিলোমিটাৰ নিলগত চৰগুৱাত অৱস্থিত পানিদিহিং পক্ষী অভয়াৰণ্যলৈ অহা দেশী বিদেশী পৰ্যটকৰ দীৰ্ঘদিনীয়া সমস্যাৰ সমাধান হ'ব। পূৰ্বে প্ৰশান্তি হিচাপে পৰিচিত আৰু ইতিমধ্যে চাৰিলেনযুক্ত পথ নিৰ্মাণৰ বাবে অধিগ্ৰহণৰ পিচত অসম চৰকাৰৰ পৰ্যটন বিভাগে পুণৰ নিৰ্মাণ আৰম্ভ কৰে। সম্প্ৰসাৰিত ৰূপত পৰ্যটকৰ বাবে আকৰ্ষণীয় কেতবোৰ আন্তঃগাঁঠনি সমৃদ্ধ পৰ্যটন গৃহটি আগষ্ট মাহত সম্পূৰ্ণ কৰি তুলিবলৈ মন্ত্ৰী গৰাকীয়ে বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। উল্লেখ্য যে, পৰ্যটন গৃহটো মুকলি হ'লে দেশী বিদেশী সকলো পৰ্যটকে ইয়াতে থকা আৰু খোৱা কৰি পক্ষীকুলৰ ৰম্যভূমি পানীদিহিঙলৈ যাব পাৰিব ব্যক্ত কৰে মন্ত্ৰী গৰাকীয়ে ।মন্ত্ৰী বৰাই পানীদিহিং পক্ষী অভয়াৰণ্যখন পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হিচাপে গঢ়ি তোলা হব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে। একাধিক চৰকাৰৰ দিনত অৱহেলিত পানীদিহিং পক্ষী অভয়াৰণ্যখন পৰ্যটকৰ আকৰ্ষণক কেন্দ্ৰ বিন্দু হিচাপে এই চৰকাৰৰ দিনত গঢ়ি উঠিলে ৰাইজ তথা প্ৰকৃতিপ্ৰেমী সংগঠনসমূহৰ বহুদিনীয়া আশা পূৰণ হ'ব বুলি মত ব্যক্ত কৰিছে।


*পৰিৱেশ, বন, জলসম্পদ, কৃষি আৰু পশুপালন বিভাগৰ এখন সভাত মন্ত্ৰী অতুল বৰা, পীযূষ হাজৰিকা আৰু পৰিমল শুক্লবৈদ্য, গুৱাহাটীত বুধবাৰে*

## দুলীয়াজান ৰ'টাৰী ক্লাবত বিশেষভাৱে সক্ষম লোকক ক'ভিড ভেকচিন প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰডুবি, ২ জুন ঃ** তৈলনগৰী দুলীয়াজানত প্ৰতিদিনে উদ্বেগজনকভাৱে ক'ভিড পজিটিভ ৰোগীৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। ক'ভিডসৃষ্ট পৰিবেশৰ মাজতে দুলীয়াজান ৰ'টাৰী ক্লাবৰ উদ্যোগত অইল ইণ্ডিয়া হাস্পতালৰ সহযোগত আৰু জিলা স্বাস্থ্য বিভাগৰ তত্ত্বাৱধানত ক'ভিড ভেকচিন প্ৰদান কৰি থকা হৈছে। উল্লেখ্য যে যোৱা ১৯ মে' পৰা ১৮ বছৰ উৰ্ধৰ প্ৰতিদিনে ১০০ গৰাকীকৈ অনলাইন যোগে পঞ্জীয়নভূক্ত লোকক ক'ভিড ভেকচিন প্ৰদান কৰি আহিছে । সেইদৰে আজিৰ দিনটোত বিশেষভাৱে প্ৰায় ৮০ গৰাকী দিব্যাংগ লোকক ক'ভিড ভেকচিন প্ৰদান কৰা হয় । বৰ্তমানলৈকে ১১০০ গৰাকী ব্যক্তিক ৰ'টাৰী ক্লাবৰ উদ্যোগত ভেকচিন প্ৰদান কৰা হৈছে বুলি উল্লেখ কৰিছে ক্লাবৰ সভাপতি ৰাজুমণি গগৈয়ে । ক'ভিড-১৯ প্ৰতিৰোধৰ উদ্দেশ্যে ৰূপায়ণ কৰা এই ভেকচিনেচন কাৰ্যসূচীত অইল ইণ্ডিয়াৰ হাস্পতালৰ মহাপ্ৰবন্ধক ডাঃ অজয় কুমাৰ শৰ্মা, জ্যেষ্ঠ চিকিৎসক ডাঃ অভিজিৎ দত্ত, মহকুমা স্বাস্থ্য বিষয়া ডাঃ কুলেন চন্দ্ৰ গোঁহাই, ৰ'টাৰী ক্লাবৰ উপসভাপতি সুনীল বৰগোহাঁই, ৰ'টাৰীয়ান প্ৰবীণ শইকীয়া, যশপাল সিং, পূৰ্ণজ্যোতি ফুকন প্ৰমুখ্যে স্বাস্থ্যকৰ্মী কল্পনা দেউৰী, মানসী গগৈ, ভাগ্যশ্ৰী ফুকন, এলজিন তপ্নই সক্ৰিয়ভাৱে সহযোগ আগবঢ়ায়।

## লাহৰীঘাটত জুৱা মাফিয়াক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২ জুন ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট থানাৰ অন্তৰ্গত তিনিচুকীয়াৰ পৰা যোৱা নিশা লাহৰীঘাট আৰক্ষীয়ে গোপন সূত্ৰৰ পম খেদি তৈয়ব আলী নামৰ এগৰাকী জুৱা মাফিয়াক গ্ৰেপ্তাৰ কৰে। ধৃত তৈয়ব আলীৰ ঘৰ লাহৰীঘাটৰ জটিয়াবড়ীত বুলি জানিব পৰা গৈছে। ধৃত জুৱা মাফিয়া গৰাকীৰ বিৰুদ্ধে ৩০৫/২০২১/ ১৩/১৪ AGB Act ৰ অধীনত গোচৰ ৰুজু কৰি আজি মৰিগাঁও জেল হাজোতলৈ প্ৰেৰণ কৰে। উল্লেখ্য ধৃত জুৱা মাফিয়া গৰাকীৰ পৰা এটি তিৰপাল আৰু খেলৰ সামগ্ৰী তাচপাত উদ্ধাৰ কৰিবলৈ সক্ষম হয়। লাহৰীঘাট থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিয়য়া অদিত বড়োয়ে জনোৱা মতে, গোচৰটোৰ তদন্ত অব্যাহত আছে আৰু অবৈধ জুৱা খেলৰ লগত জড়িত বহু লোক যথাশীঘ্ৰে গ্ৰেপ্তাৰ হোৱাৰ সম্ভাৱনা আছে।

No. PHE-19/JJM/PB/2020-21/7128

**Short Notice Inviting Expression Of Interest**

**E.O.I No. 14 of 2021-22**

On behalf of Governor of Assam, the Chief Engineer, PHE (Water) Assam, Public Health Engineering Department invites Expression of Interest (EOI) from registered Class -I & Class-ll contractors of various works department of Govt. of Assam (except PHE department) and Govt. of India and different PSUs for "ADDITIONAL EMPANELMENT OF CONTRACTORS FROM OTHER DEPARTMENT (NON PHE) FOR DIFFERENT CONSTRUCTION WORKS OF PIPED WATER SUPPLY SCHEMES IN VARIOUS DISTRICTS OF ASSAM UNDER JAL JEEVAN MISSION". **The registered contractors of PHE Department and those who are already empanelled under JJM Assam or applied for empanelment under JJM Assam need not to apply.**

The detailed EOI document is available in the JJM Assam portal jjmassam.in from 03.06.2021.EOIs are to be submitted manually in sealed cover in the office of the Chief Engineer PHE Water Assam. There is no end date of bid submission since the EOI is kept open ended. All bids as and when received by the Department will be accepted for technical evaluation.

**Addl. Mission Director, JJM, Assam**
**Cum**
**Chief Engineer (PHE), Water, Assam**
**Hengrabari, Guwahati-36**

Janasanyog/C/707/21

Affordable Health Mission
GNRC
Quality • Value • Trust



Stay Safe, Stay Healthy
0361 23203 02
0361 23203 03
GNRC COVID-CARE CALL CENTRE

# চামগুৰিত সাংবাদিক দিগন্ত ভূএগাৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চামগুৰি, ২ জুন ঃ** নগাঁও জিলাৰ চামগুৰিৰ এগৰাকী সৎ, নিষ্ঠাৱান, পৰোপকাৰী, নিৰ্ভীক আৰু নিৰপেক্ষ সাংবাদিক দিগন্ত ভূএগাৰ আজি পুৱা অকাল মৃত্যু হোৱাত শোকস্তব্ধ হৈ পৰিছে, চামগুৰি, পুৰণিগুদাম, বঢ়হমপুৰৰ লগতে নগাঁও আৰু কলিয়াবৰৰ সমগ্ৰ সংবাদ ক্ষেত্ৰ। আজি পুৱা প্ৰায় ৭-৩০ মান বজাত সাংবাদিক দিগন্ত ভূএগায়ে প্ৰাতঃ ভ্ৰমণ কৰি অহাৰ পাছতেই নিজ বাসগৃহত হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। সাংবাদিক দিগন্ত ভূএগাৰ অকাল বিয়োগ হোৱাৰ খবৰ বিয়পি পৰাৰ লগে লগে চামগুৰি অঞ্চল বিভিন্ন লোকৰ লগতে অনুষ্ঠান, প্ৰতিষ্ঠানৰ বিষয়ববীয়াসকল তেওঁৰ বাসভৱনত উপস্থিত হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। সৰৱৰহী আৰু মৰমীয়াল দিগন্ত ভূএগাই জনমভূমি কাকতখনৰ জৰিয়তে সাংবাদিকতা জীৱন আৰম্ভ কৰি পৰৱৰ্তী সময়ত 'নিউজ টাইম অসম'ৰ চামগুৰিস্থিত সাংবাদিক হিচাপে দীৰ্ঘদিন ধৰি কৰ্মৰত আছিল। জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আসাম(জুৱা)ৰ কলিয়াবৰ জিলাৰ সাধাৰণ সম্পাদক হিচাপে দায়িত্ব ভাৰ গ্ৰহণ কৰা সাংবাদিক গৰাকীয়ে জুৱাৰ ৰাজ্যিক সমিতিৰ সাংগঠনিক সম্পাদক হিচাপেও সেৱা আগবঢ়াইছিল। সংযুক্ত সাংবাদিক সন্থা চামগুৰি ( উকাচ), চামগুৰি ইলেকট্ৰনিক মেডিয়া এছ'চিয়েশ্বনকে ধৰি বিভিন্ন সংগঠনৰ লগত জড়িত থকা সাংবাদিক গৰাকী পুৰণিগুদাম প্ৰেছ ক্লাবৰো সহকাৰী সাধাৰণ সম্পাদক আছিল। আজি পুৱা হঠাতে হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধহৈ মৃত্যু হোৱা সাংবাদিক গৰাকীৰ বাসভৱনত চামগুৰি প্ৰেছ ক্লাব, পুৰণিগুদাম প্ৰেছ ক্লাব, চামগুৰি ইলেকট্ৰ'নিক মেডিয়া এছ'চিয়েশ্যন, সংযুক্ত সাংবাদিক সন্থা চামগুৰি (উকাচ), জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আসামৰ কলিয়াবৰ জিলাৰ বিষয়ববীসকল উপস্থিত হৈ সাংবাদিকগৰাকীক শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। লগতে কলিয়াবৰ জিলা বিজেপিৰ সভাপতি অনিল শইকীয়া বাজিয়াগাওঁ মণ্ডল বিজেপিৰ সভাপতি প্ৰানজিৎ বৰাকে ধৰি বহুকেইজন গন্যমান্য লোক উপস্থিত হৈ সাংবাদিক গৰাকীক শেষ শ্ৰদ্ধা জ্ঞাপন কৰে । সাংবাদিক দিগন্ত ভূএগাৰ মৃত্যুত নিউজ টাইম আসামৰ পৰিয়াল বৰ্গ ,জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আসাম লগতে সংযুক্ত সাংবাদিক সন্থা চামগুৰি (উকাচ), চামগুৰি প্ৰেছ ক্লাৱ, পুৰণিগুদাম প্ৰেছক্লাৱ, চামগুৰি ইলে্ট্ৰ'নিক মেডিয়া এছ'চিয়েশ্যন, নগাঁও ইলে্ট্ৰ'নিক মিডিয়া এছ'চিয়েশ্যন, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, পুৰণিগুদাম আঞ্চলিক সমিতি, সাংবাদিক পৰিষদ অসমৰ নগাঁও জিলা সমিতি, নগাঁও জিলা বাৰ্তাজীৱি সংঘ, বঢ়মপুৰ প্ৰেছ ক্লাৱে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।আনহাতে চামগুৰি সমষ্টিৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইনে চামগুৰিস্থিত সাংবাদিক দিগন্ত ভূএগাৰ অকাল মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে সাংবাদিক গৰাকীৰ পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। আনহাতে কলিয়াবৰ জিলা বিজেপিৰ সভাপতি অনিল শইকীয়া আৰু বাজিয়াগাঁও মণ্ডল বিজেপিৰ সভাপতি প্ৰাণজিৎ বৰাই সাংবাদিক গৰাকীৰ অকাল মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগলে পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। অতিৰিক্ত উপায়ুক্ত বিতোপন নেওগ, চামগুৰিৰ ৰাজহ চক্ৰ বিষয়া প্ৰাঞ্জল বৰুৱা, ামগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া কৃষ্ণ কান্ত দলে, নগাঁও প্ৰেছ ক্লাবৰ সভাপতি কনক হাজৰিকা, সম্পাদকদ্বয় ভাস্কৰজ্যোতি মেধি, চন্দন জ্যোতি বৰা, বাৰ্তাজীৱি সংঘ, নগাঁৱৰ অখিল চন্দ্ৰ দাস, সম্পাদক মিজু বৰা প্ৰমুখ্যে অনেক গুণমুগ্ধই সাংবাদিক দিগন্ত ভূএগাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

৩ জুন ■ ২০২১ ■ ১৯ জেঠ ■ গুৱাহাটী

# অসমৰ চাহ উদ্যোগ আৰু চৰকাৰৰ কৰণীয়

অসমত উদ্যোগ বুলি ক'লেই নাম ল'ব লাগিব চাহ আৰু তেল। এই দুটা উদ্যোগৰ পৰাই ৰাজ্যখনত অৰ্থনৈতিক দিশলৈ ব্যাপক অৰিহণা যোগাই আহিছে। চাবলৈ গ'লে এই উদ্যোগে অৰ্থনীতিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। প্ৰায় হাজাৰৰ ওচৰা-ওচৰি চাহ বাগিচাই কমেও দহ লাখ বনুৱাক কৰ্মৰত কৰি ৰাখিছে। এইসমূহ চাহ বাগিচাই বছৰি ৮০০ ৰো অধিক নিযুত কিলোগ্ৰাম চাহ উৎপাদন কৰি আহিছে। এনেবোৰ কাৰণেই অসমৰ চাহ উদ্যোগক গুৰুত্ব দি আহিছো। মে' মাহৰ ২৮ তাৰিখে প্ৰতিবছৰে ৰাষ্ট্ৰসংঘৰ আহ্বানত আন্তঃৰাষ্ট্ৰীয় চাহ দিৱসৰূপে উদ্‌যাপিত কৰি অহা হৈছে। এই দিনটোত উদ্যোগটোৰে ইয়াৰ উদ্‌যাপন প্ৰক্ৰিয়াৰ ধাৰা আৰু উৎপাদন প্ৰক্ৰিয়া বহনক্ষম কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা সম্পৰ্কেও আলোচনা কৰে। এনেবোৰ আলোচনাত তথা সমীক্ষাত বিগত বছৰত ৰাজ্যখনৰ বাগিচাসমূহৰ উৎপাদন কিছু নিম্নগামী হৈছে। নিঃসন্দেহে ই উদ্যোগটোৰ বাবে শুভ লক্ষণ নহয়। লক্ষণীয় কথাটো হৈছে ক'ভিডসৃষ্ট পৰিৱেশ আৰু জলবায়ু সলনিৰ বাবে চাহ উদ্যোগত বিগত বছৰত উৎপাদনৰ সীমাবদ্ধতাও অন্যতম কাৰণ। জলবায়ুৰ ক্ষেত্ৰত নিৰ্দিষ্ট এটা সময়ত বৰষুণ আদিৰ পৰিৱৰ্তনে সালসলনি কৰাটো স্বাভাৱিক। যাৰ কাৰণে চাহ বাগিচাসমূহলৈ সংকট নামি আহিছে। কাৰণ উচিত সময়ত বৰষুণৰ অভাৱত উদ্যোগটো বিপদৰ সন্মুখীন হোৱা বুলিয়েই সমীক্ষা এটাত প্ৰকাশ। আটাইতকৈ চিন্তনীয় কথা হৈছে ক'ভিডৰ বাবে চাহ নিলাম কেন্দ্ৰসমূহ বন্ধ হৈ থকাৰ বাবে চাহ উদ্যোগটো বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। নতুন বছৰত বতৰৰ বাবে শেহতীয়াকৈ চাহ উদ্যোগসমূহ ঠন ধৰি উঠিব বুলিয়েই আশা কৰা হৈছে। ইয়াৰ বাবে উদ্যোগৰ মালিকসকলে আশা কৰাই নহয় উদ্যোগটোৰ পৰা লাভান্বিত হ'ব বুলিও বিশ্বাস। অসমৰ চাহ উদ্যোগত বুজনসংখ্যক ক্ষুদ্ৰ চাহ বাগিচা আছে যদিও শতকৰা ৫০ ভাগ চাহ উৎপাদন কৰি তেওঁলোকে ডাঙৰ কোম্পানীক কেঁচা চাহপাত বিক্ৰী কৰি ব্যৱসায় চলাই আহিছে। তেওঁলোকে এনেবোৰ চম্ভালি ক্ষতিৰ বোজা বঢ়াবলৈ ইচ্ছা নকৰে, ফলত ডাঙৰ কোম্পানীৰ আশা ভৰসাৰে এওঁলোকে চাহ উদ্যোগটো বৰ্তাই ৰাখিব বিচাৰে। সেয়েহে সময় আৰু পৰিস্থিতিত তেওঁলোকে অধিক বিপদৰ সন্মুখীন নোহোৱাকৈয়ে উদ্যোগ চলাই নিব বিচাৰে। উল্লেখযোগ্য যে ক্ষুদ্ৰ এই ব্যৱসায়ীসকলে বিভিন্ন শ্ৰমিকক সংস্থাপন দি আহিছে। চৰকাৰে এইক্ষেত্ৰত নতুন পদক্ষেপ লৈ শ্ৰমিকৰ মজুৰি বৃদ্ধিৰ কথা আনিছে যদিও এইসকল ক্ষুদ্ৰ ব্যৱসায়ীয়ে চৰকাৰী সাহায্য অবিহনে অপাৰগ প্ৰকাশ কৰাত নতুন সমস্যা এটাৰ উদ্ভৱ হৈছে যেতিয়া ক্ষুদ্ৰ ব্যৱসায়ীক সকাহ দিয়াৰ ব্যৱস্থা গঢ়ি তোলাৰ পিছতহে লগতে উদ্যোগটো জীয়াই ৰখাৰ স্বাৰ্থতে কাম কৰাৰহে সময়োচিত হ'ব।

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

# নিকৃষ্ট মানসিকতা নিৰাময়ৰ ভেকচিন পালি ক'ত?

এতিয়া সমগ্ৰ বিশ্ব মহামাৰী কৰ'নাৰ কবলত। সমস্ত শক্তি প্ৰয়োগ কৰি মানৱ জাতিয়ে ইয়াক পৰাস্ত কৰিবলৈ মৰণপণ যুঁজ অব্যাহত ৰাখিছে। ইতিমধ্যে দেশে দেশে কেইবাবিধো ভেকচিন প্ৰস্তুত হৈছে। মানুহৰ শৰীৰত প্ৰয়োগ কৰাত সফলতাৰ আশা দেখা গৈছে। সকলোতে এতিয়া ভেকচিন লোৱাৰ খদমদম। যিয়ে যিমান পাৰে আগতীয়াকৈ ভেকচিন লোৱাৰ বাবে লৰা-ঢপৰা কৰিছে। এক কথাত বিহুৰে-পূজাই নতুন কাপোৰ ল'বলৈ দোকানত যেনেদৰে হেতা-ওপৰা লাগে, ঠিক একেই পৰিস্থিতি এতিয়া ভেকচিন কেন্দ্ৰবোৰত। এনেদৰে এদিন নহয় এদিন জীৱশ্ৰেষ্ঠ মানৱে বল-বুদ্ধিৰে কৰ'নাক বশীভূত কৰিবলৈ সক্ষম হ'ব। পিছে আমাৰ মন-মগজুত কেতবোৰ ভাইৰাছে অনবৰতে কিলবিলাই আছে। ই সমগ্ৰ সমাজখনকে অস্থিৰ আৰু কলুষিত কৰি ৰাখিছে। নাৰীক দেৱীৰূপে পূজা কৰা সমাজখনত প্ৰতিনিয়ত নাৰী অপমানিত হৈছে। ঘৰ-বাহিৰ ক'তো তেওঁলোক সুৰক্ষিত নহয়। সমগ্ৰ বিশ্বৰ ভিতৰতে সভ্য বুলি নাম থকা দেশখন আজি লজ্জিত। মানৱক হিয়া উজাৰি সম্পদৰ ভোগ আগবঢ়াই দিয়া প্ৰকৃতিৰ বুকুত মানৱে চলাইছে কুঠাৰাঘাত। অহৰ্নিশে প্ৰকৃতি ধ্বংসযজ্ঞৰ ফলত সেউজী পৃথিৱী আজি প্ৰতিকূল পৰিস্থিতিলৈ গতি কৰিছে। ৰাজনীতিৰ মেৰপেচত গণতন্ত্ৰৰ অৱমাননা হৈছে, সৰ্বসাধাৰণ পণবন্দী হ'বলগীয়া হৈছে। ৰক্ষকে হৈ পৰিছে ভক্ষক। দুৰ্নীতি সমাজৰ এক অপৰিহাৰ্য অংগত পৰিণত হৈছে। ইয়াৰ কুফল কম-বেছি পৰিমাণে আমি আটায়ে ভোগ কৰিবলগীয়া হৈছে। সম্পৰ্কৰ মধুৰতা ম্লান হৈছে। প্ৰেমৰ নামত ব্যভিচাৰ চলিছে। নিজৰ জীৱনৰ সকলো সুখ-সন্তুষ্টি ত্যাগ কৰি সন্তানৰ জীৱন গঢ়া পিতৃ-মাতৃৰ শেষ ঠিকনা হৈছেগৈ বৃদ্ধাশ্ৰম। তাতেই তিলতিলকৈ জীৱনৰ অন্তিম ক্ষণ গণিছে। আধুনিকতাৰ নামত অপসংস্কৃতিক আঁকোৱালি লৈছে। নগ্নতাই ছানি ধৰিছে। দেশ এখনৰ মূল শক্তি যুৱ-প্ৰজন্মৰ এটা চাম নিচা-জুৱাৰ কবলত অবাটে গৈ নিজৰ লগতে সমাজ আৰু দেশৰ অগ্ৰগতিত হেঙাৰ হৈ পৰিছে। জ্ঞানৰ মন্দিৰ আৰু তাৰ পূজাৰীও কলংকিত হৈছে। বিশ্ববিদ্যালয়-মহাবিদ্যালয়ৰ ভিতৰচ'ৰাত বিভিন্ন কেলেংকাৰী, ব্যভিচাৰৰ নিত্য নতুন বাতৰি সুলভ হৈ পৰিছে। দুৰ্নীতিৰ বিহ গছডাল দিনক দিনে লহপহীয়া হৈ গৈ আছে। উচ্চ-নীচ, ধনী-দুখীয়া, ধৰ্মীয় উন্মাদনা, সাম্প্ৰদায়িকতা আদিয়ে ৰাজ্যৰ সাতামপুৰুষীয়া ঐক্য-সংহতিৰ ভেটি উছন কৰাৰ উপক্ৰম ঘটাইছে। ভায়ে ভায়ে মৰা-মৰি, কটা-কটিত লিপ্ত হৈছে। ধৰ্ম, ঈশ্বৰ আদিক লৈও ব্যৱসায় চলিছে। মানুহক মুক্তিৰ পথ দেখুওৱা, শান্তিৰ বাণী বিলোৱা সাধু, বাবা আদিৰ শেষ ঠিকনা হৈছেগৈ কাৰাগাৰ।

এনে ধৰণৰ উদাহৰণে গোটেই সমাজখন ক্ৰমাৎ গ্ৰাস কৰি আহিছে। নিতে এনে নেতিবাচক ঘটনা আমাৰ চৌপাশে বৃদ্ধি পাই আছে। ৰিপুক দমন কৰি সংযত,পৰিশীলিত জীৱন-যাপন কৰিব নোৱৰাৰ ফলতেই এনে পয়মাল ঘটি আছে। গতিকে কৰ'নাৰ সমান্তৰালকৈ এইবোৰ ভাইৰাছ নিৰ্মূলৰ বাবেও এপালি কাৰ্যকৰী ভেকচিনৰ তৎকালীনভাৱে প্ৰয়োজন হোৱা নাইনে? কোনে উলিয়াব সমাজ সংস্কাৰৰ বহু আকাংক্ষিত আৰু গুৰুত্বপূৰ্ণ সেইপালি ভেকচিন? শিক্ষা আৰু তাৰ দ্বাৰা অৰ্জন কৰা জ্ঞানকেই ইয়াৰ ভেকচিন বুলি মানিব পাৰি যদিও আজিকালি দেখোন শিক্ষিত তথা নামৰ পিছফালে দাঙিব নোৱৰাকৈ উচ্চ ডিগ্ৰীধাৰীসকলৰ কেলেংকাৰীৰ ভাৰখনো বেছি গধুৰ হৈ গৈ আছে। তেন্তে পৰিত্ৰাণৰ উপায় ক'ত? নহ'লে 'কাকনো বুলিবা ককা,আটাইৰে ডাঢ়ি-চুলি পকা' বুলি হুমুনিয়াহ কাঢ়ি 'আপোন ভালেই জগত ভাল' বুলি কৈ নিজকে সন্তুষ্টি দিয়াই ভাল।

■ অংশুমান ভূঞা

ফোন ঃ ৬০০২৯ ৯৪৯৮০

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**

'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

# চাইকেল চলাওক আৰু সু-স্বাস্থ্যৰ অধিকাৰী হওক

## ৩ জুন বিশ্ব চাইকেল দিৱস



চাইকেল চলোৱাত কিমান সুবিধা আছে কেতিয়াবা আপুনি ভাবি চাইছেনে? স্বাস্থ্যৰ পৰা আদি কৰি প্ৰদূষণ ৰোধলৈ চাইকেলৰ আছে বহু উপকাৰিতা। বিভিন্ন সময়ত চাইকেলৰ বিষয়ে বিভিন্ন সজাগতা আৰু ৰেলী অনুষ্ঠিত হৈ আহিছে। বৰ্তমান বিজ্ঞান প্ৰযুক্তিৰ আগ্ৰাসনে গাড়ী-মটৰৰ সংখ্যা বৃদ্ধি কৰিছে। এটা দশকত চাইকেলৰ আদৰ পূৰ্বতকৈ কমি গৈছিল। কিন্তু শেহতীয়াকৈ চাইকেলৰ প্ৰতি মানুহৰ আদৰ ক্ৰমাৎ বাঢ়িবলৈ লৈছে। উল্লেখ্য যে প্ৰতি বছৰে তিনি জুনৰ দিনটো বিশ্ব চাইক্লিং দিৱস হিচাপে উদ্‌যাপন কৰা হৈছে। ইয়াৰ ভিতৰত চীন, জাপান, আমেৰিকা অন্যতম।

■ ডাঃ দ্বীপজ্যোতি শৰ্মা

প্ৰাপ্ত সমীক্ষা অনুসৰি সমগ্ৰ ভাৰতত প্ৰত্যেকটো দিনত খৰচ হয় প্ৰায় ৩,৫৩,৬০,০০০ লিটাৰ পেট্ৰ'ল আৰু ডিজেল। খৰচ হয় প্ৰায় ৯,৮,৪০০,০০০ লিটাৰ। এই বৰ্ধিত যান-বাহনৰ ফলত খৰছেই নহয় প্ৰদূষণ আৰু ট্ৰেফিক জামৰো সৃষ্টি কৰে। বিশ্বৰ সৰ্বাধিক ট্ৰেফিক জাম হোৱা দহখন চহৰৰ ভিতৰত চাৰিখন ভাৰততে আছে। সেইকেইখন হ'ল - বাংগালুৰু, পুনে, মুম্বাই আৰু দিল্লী। ব্যাপক যান-জঁটৰ প্ৰতি লক্ষ্য ৰাখি শেহতীয়াকৈ ভাৰতৰ পুনে, উদয়পুৰ, বাংগালুৰু, পুডুচেৰীৰ দৰে ঠাইত চাইকেলৰ অধিক গুৰুত্ব প্ৰদান কৰা হৈছে। পুনে আৰু উদয়পুৰত চাইকেল যাত্ৰাৰ বাবে পৃথককৈ ট্ৰেক নিৰ্মাণৰ বাবে আঁচনি লৈছে। মুঠৰ ওপৰত ভাৰততো চাইকেলৰ জনপ্ৰিয়তা ক্ৰমান্বয়ে বৃদ্ধি পাইছে।

বিদেশৰ প্ৰায়বোৰ মুখ্য চহৰত অন্যান্য যান-বাহনৰ তুলনাত চাইকেলৰ প্ৰাধন্য বেছি। এই চহৰসমূহত চাইকেল আৰোহীৰ বাবে আছে সুকীয়া পথ। চাইকেল যাত্ৰাৰ বাবে বিশ্বৰ ভিতৰত সুন্দৰ আন্তঃগাঁথনি থকা চহৰখন হৈছে -Copenhayan। ডেনমাৰ্কৰ ৰাজধানী Copenhayanৰ ৬২ শতাংশ মানুহে অফিচ-কাছাৰীৰ বাবে ব্যৱহাৰ কৰে চাইকেল। তদুপৰি নেদাৰলেণ্ডৰ ৰাজধানী Amesterdamত ২০৩০চনৰ ভিতৰত চাইকেল যাত্ৰাৰ বাবে নতুন পথ নিৰ্মাণ কৰি যান-বাহনৰ সমস্যা একেবাৰে নিৰ্মূল কৰাৰ আঁচনি লৈছে। গতিকে পৰৱৰ্তিত সময়ৰ সৈতে খাপ খুৱাই থাকিবলৈ ভাৰতবাসীয়ে চীন, জাপানৰ পৰা সময় থাকোতেই কিছু উপায় অৱলম্বন কৰিব লাগিব। ভাৰতৰ কথাটো বাদেই, খোদ গুৱাহাটী মহানগৰীতে শেহতীয়াকৈ সৃষ্টি হোৱা ব্যাপক যান-জঁটৰ পৰা হাত সাৰিবলৈ অন্যতম আহিলা হৈছে এই চাইকেল। চাইকেলে অন্যান্য যাতায়ত ব্যৱস্থাবোৰৰ বিপৰীতে পৰিৱেশক বায়ু প্ৰদূষণৰ পৰা মুক্ত কৰি ৰাখে, কিয়নো চাইকেলৰ পৰা কোনো ধৰণৰ বিষাক্ত গেছ নিৰ্গত নহয়। তদুপৰি চাইকেলে মানুহৰ স্বাস্থ্য ভালে ৰখাত বহু পৰিমাণে সহায় কৰে। কাৰণ চাইকেল চলালে হৃদযন্ত্ৰ, হাওঁফাওঁৰ সমস্যা উপশম কৰে বা এই সমস্যা নহয়। লগতে তেজৰ চলাচল বৃদ্ধি কৰি চাইকেলে হাওঁফাওঁ আৰু হাৰ্ট সুস্থ ৰাখে। আনহাতে আমাৰ শৰীৰৰ জোৰাবোৰ শক্তিশালী কৰি ৰাখে। ফলত বিভিন্ন প্ৰকাৰৰ বিষ উপশম হয়। নিয়মিতভাৱে চাইকেল চলোৱা মানুহৰ মানসিক স্বাস্থ্য অধিক সুস্থ হৈ থাকে। তদুপৰি হাড় শক্তিশালী কৰি তুলি শৰীৰত জমা হোৱা প্ৰয়োজনীয় মেদ আঁতৰায়। ফলস্বৰূপে বিভিন্ন বেমাৰ কমি যোৱাৰ কাৰণে শৰীৰ আৰু মন দুয়োটা ভালে থাকে। সেয়ে আজিকালি ল'ৰা-ছোৱালী বা ছাত্ৰ-ছাত্ৰীয়ে চাইকেল চলাই নিজকে ফিট কৰি ৰখাটো অত্যন্ত জৰুৰী। প্ৰকৃততে, চাইকেল চলোৱাৰ বাবে প্ৰথম জনতা সচেতন হ'ব লাগিব আৰু ইয়াৰ দায়িত্ব বিভিন্ন সংস্থাৰ লগতে আমাৰো কৰণীয় আছে। দৈনন্দিন ব্যস্ত জীৱন শৈলীৰ মাজতে চাইকেল চলোৱাত অভ্যাস সকলোৰে মাজত আনিব পৰাটোহে প্ৰকৃতাৰ্থত আচল কথা।

*ফোন ঃ ৬০০০৩ ৪২৩৫৩*

# বিশ্ব চাইকেল দিৱস

চাইকেল হৈছে মানৱ সভ্যতাৰ অগ্ৰগতিৰ এক প্ৰতীক। কাৰণ মানৱ সমাজৰ ক্ৰমবিকাশৰ লগে লগে মানুহে নিজৰ প্ৰয়োজনসমূহ পূৰণ কৰিবলৈ সৃষ্টি কৰিছিল নতুনত্বৰ, তাৰে ভিতৰত চাইকেল অন্যতম। ৩জুনৰ দিনটোক বিশ্ব চাইকেল দিৱস হিচাপে পালন কৰা হয়, ১৮১৭ চনত জাৰ্মানীৰ কাৰ্ল ভন প্ৰাইছে চাইকেল উদ্ভাৱন কৰিছিল আৰু তেতিয়াৰ পৰাই চাইকেল এক এৰাব নোৱৰা সম্পদ হৈ পৰিল। যদিও চাইকেলৰ উদ্ভাৱন কাহানিবাই হৈছিল, কিন্তু চাইকেল দিৱস হিচাপে ২০১৮ চনৰ এপ্ৰিল মাহত ৰাষ্ট্ৰঃসংঘৰ সাধাৰণ সভাই ৩ জুনক বিশ্ব চাইকেল দিৱস হিচাপে উদ্‌যাপন কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰিছিল। প্ৰথমে আমেৰিকা যুক্তৰাষ্ট্ৰৰ অধ্যাপক লেছজেক চিবিলস্কিয়ে তেওঁৰ সমাজশাস্ত্ৰৰ শ্ৰেণীত তৃণমূল পৰ্যায়ত বিশ্ব চাইকেল দিৱসক ৰাষ্ট্ৰসংঘৰ স্বীকৃতিৰ বাবে এক অভিযান আৰম্ভ কৰিছিল। পিছলৈ এই অভিযানে ৫৬খন দেশৰ সমৰ্থন লাভ কৰে আৰু তেতিয়াৰ পৰাই ৩জুন তাৰিখ বিশ্ব চাইকেল দিৱস হিচাপে উদ্‌যাপন কৰা হয়। চাইকেলৰ ব্যৱহাৰৰ বহু উপকাৰিতা আছে। বৰ্তমান সময়ত বহু যান-জঁট, যানবাহন। যাৰ ফলত বায়ু প্ৰদূষণ আৰু শব্দ প্ৰদূষণ হৈছে আৰু বায়ু প্ৰদূষণৰ আটাইতকৈ প্ৰধান কাৰণটোৱে হৈছে অধিক হাৰত যান-বাহনৰ ব্যৱহাৰ। গতিকে চাইকেলৰ ব্যৱহাৰে পৰিৱেশ প্ৰদূষণ ৰোধ কৰাত একপ্ৰকাৰ চালিকা শক্তি হিচাপে কাম কৰিব বুলি ভাবো, আনহাতে চাইকেলৰ ব্যৱহাৰে মানুহৰ স্বাস্থ্য-মন প্ৰফুল্লিত কৰি ৰাখে। চাইকেলৰ ব্যৱহাৰে ওজন কমোৱা আৰু মধুমেহ ৰোগ নিয়ন্ত্ৰণ কৰাত সহায় কৰে আৰু সেয়েহে হয়তো আগৰ দিনৰ ব্যক্তিসকল সবল আৰু সুখী আছিল। বিশেষজ্ঞসকলৰ মতে এজন ব্যক্তিয়ে দৈনিক কমেও ২.৪৫ মিনিট সময় চাইকেল চলোৱাৰ অভ্যাস কৰাটো উচিত। সেয়েহে বৰ্তমান সময়ত পুনৰ চাইকেলৰ প্ৰয়োজনীয়তা আহি পৰিছে।

■ শোভাশ্ৰী বাৰিক

*ফোন ঃ ৬০০০০ ৩১৩১৯*

# বন্ধু বাহন চাইকেল এক চমু অৱলোকন

## ৩ জুন চাইকেল দিৱস উপলক্ষে

শাওন মাহৰ বোকাময় পিছল গাঁৱৰ ৰাস্তা। চাদৰ-মেখেলাযোৰ পিন্ধি লেডীজ হিৰো চাইকেলখনৰ ওপৰত উঠি তীব্ৰ গতিত মোৰ যাত্ৰা-কুৱালগুৰি উঃ মাঃ বিদ্যালয়লৈ। ধূলি, বালি, বোকা মোৰ চাইকেলে একো নামানে। গতি অপ্ৰতিৰোধ্য...। নতুবা ডিচেম্বৰ-জানুৱাৰী মাহৰ ডাঠ কুঁৱলী ফালি মুকলি নাহৰণী পথাৰখন নিমিষতে পাৰ হৈ ফেটাগাঁৱলৈ টিউচনৰ দীঘলীয়া বাট। আহি আকৌ স্কুল যাবলৈ লৰা-ঢপৰা। একেই তীব্ৰ গতি মোৰ হিৰো লেডীজ চাইকেলখনৰ...। সেয়া ১৯৯৪/৯৫চন মানৰ কথা।

কত যে স্মৃতি কত কাহিনী চাইকেলখনক লৈ আশী আৰু নব্বৈ দশকত গাঁও বা চহৰ অঞ্চলত ডাঙৰ হোৱা প্ৰত্যেকৰে বাবেই হয়তো চাইকেলখন জীৱনৰ এছোৱা সময়ৰ অবিচ্ছেদ্য অংগ অথবা বৰ্তমান সময়ৰ এক নষ্টালজিয়া। তাৰ আগৰছোৱা সময়ৰ কথা নকলোয়েইবা...। চাইকেলৰ চকা দুটাৰ অবিহনে যেন স্থবিৰ হৈ যায় আমাৰ জীৱন ৰথ। কেতিয়াবা একোখন হিৰো বা অন্য কোনোবা কোম্পানীৰ চাইকেলৰ ওপৰতেই শেষ হয় একোটা দীঘলীয়া শিক্ষা জীৱন বা কৰ্মময় জীৱন। গ্ৰাম্যাঞ্চলৰ কিছুমান মানুহেতো চাইকেলৰ বাহিৰে বেলেগ একো বাহনত যাতায়াত কৰাৰ অভিজ্ঞতা নোহোৱাকৈয়ে শেষ কৰে জীৱন।

আমাৰো ছাত্ৰ জীৱনৰ অভিন্ন সংগী আছিল চাইকেলখন। ষষ্ঠ শ্ৰেণীত থাকোতে দেউতাই কিনি দিয়া সৰু চাইকেলখনেৰে স্কুললৈ অহা-যোৱা কৰাৰ পিছত নৱম শ্ৰেণীত সেইখন সলাই এখন ডাঙৰ লেডীজ চাইকেল কিনি দিছিল, যিখনেৰে কলেজীয়া শিক্ষাও সাং কৰিছিলো। নাহৰণী-কুৱালগুৰি ৰাস্তাটোত কুৱালগুৰি উঃ মাঃ বিদ্যালয় আৰু দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়লৈ চাইকেল লৈ অহা-যোৱা কৰা জাক জাক ছাত্ৰ-ছাত্ৰীৰ মিছিলটোৰ ছবি আজিও পৰিষ্কাৰকৈ ভাঁহে।

সময় বাগৰিল। গাঁও নগৰ-চহৰ সকলোতে দৃশ্যপট সলনি হ'ল। চাইকেলৰ ঠাই ল'লে প্ৰধানতঃ স্কুটি আৰু বাইক বা মটৰ চাইকেলে। কিন্তু এইয়া আধুনিকতাৰ আলম লৈ গঢ়ি উঠা যোগাত্মক পৰিৱৰ্তন বুলি আমি গ্ৰহণ কৰিমনে? নে সময়ৰ আহ্বান বুলি গ্ৰহণ কৰিব লাগিব? নে বিলাসীতা? ইউৰোপৰ ধনী, অতি ধনী দেশবোৰে শাৰীৰিক-মানসিক স্বাস্থ্যৰ প্ৰতি গুৰুত্ব দি দৈনন্দিন জীৱনত অত্যাৱশ্যকীয় সামগ্ৰী হিচাপে চাইকেলখন সংযোজন ঘটাইছে আৰু আমি তৃতীয় বিশ্বৰ দেশ হৈও চাইকেলখন এলাগী কৰি স্কুটি বা অন্য মটৰ চাইকেলখন আদৰি লৈছো, য'ত নেকি বহুতো এনেবোৰ বাহন ব্যৱহাৰ কৰা যুৱক-যুৱতীৰ আনকি ইন্ধনৰ খৰচ বহন কৰাৰ ক্ষমতাও নাই। সুবিধা-অসুবিধা সকলোতে থাকে। কিন্তু আমি অসুবিধাৰ আলমত এলেহুৱা বা আৰামপ্ৰিয় হৈ গৈ থাকি চাইকেলখনৰ সলনি মটৰ চাইকেলখন ব্যৱহাৰো কৰিছো আৰু কোনো কোনো ক্ষেত্ৰত status syombol হিচাপেও গ্ৰহণ কৰিছো। চাৰিচকীয়াৰ কথা বাৰু আলোচনাৰ মজিয়ালৈ ননাকৈয়ে থাকক।

বিভিন্ন অসুবিধা, দূৰত্ব, সময় ইত্যাদিৰ দোহাই দি আমি চাইকেলখন আমাৰ দৈনন্দিন জীৱনৰ পৰা আঁতৰাই পঠাইছো। কিন্তু আমি বাৰু ভুল কৰিছোনে শুদ্ধ কৰিছো? কথাখিনি স্পষ্টকৈ আলোচনা কৰিবলৈ এটি সমীক্ষাৰ সহায় ল'লো। সমীক্ষাটোৰ বাবে মই লেখক শ্ৰদ্ধাৰ দেৱব্ৰত বৰগোহাঞি দেৱৰ 'সপোনৰ ডেউকাৰে ইউৰোপলৈ' ভ্ৰমণ কাহিনীখনিৰ সহায় লৈছো। প্ৰথমতে কেইটামান কথা গ্ৰন্থখনৰ পৰা মই হুবহু তুলি দিলো, 'পাঠকসকলৰ জ্ঞাতাৰ্থে পৃথিৱীৰ এনে দহখন দেশৰ এখন তালিকা দিব বিচাৰিছো, যিকেইখন দেশে পৃথিৱীৰ সৰ্বাধিক চাইকেল ব্যৱহাৰ কৰে। আপুনি যদি এই দেশসমূহৰ জীৱন কালৰ দৈৰ্ঘ্য বা আয়ুস চাই, তেন্তে দেখিব যে এই দেশকেইখনৰ নাগৰিক সকলৰ গড় আয়ুস ন্যূনতম ৮৪ বছৰৰ ওপৰত। ক্ৰমান্বয়ে সেইসমূহ দেশ হ'ল—১) নেদাৰলেণ্ড, ২) ডেনমাৰ্ক, ৩) জাৰ্মানী, ৪) ছুইডেন, ৫) নৰৱে, ৬) ফিনলেণ্ড, ৭) জাপান, ৮) ছুইজাৰলেণ্ড, ৯) বেলজিয়াম, ১০) চীন।'

■ শিখামণি দত্ত

নেদাৰলেণ্ডৰ প্ৰধানমন্ত্ৰীয়ে চাইকেল চলাই কাৰ্যালয়লৈ অহা ফটো আমি দুবছৰমান আগত বাতৰি কাকতত পাইছিলো। সেই দেশৰ জনতাৰ মুঠ ৩৬% মানুহে চাইকেল ব্যৱহাৰ কৰে আৰু দিনে দিনে এই দেশত চাইকেল ব্যৱহাৰকাৰীৰ সংখ্যা বাঢ়ি যাবলৈ আৰম্ভ কৰিছে।

শতাংশৰ হিচাপত যদি আমি কেইখনমান দেশৰ চাইকেল ব্যৱহাৰকাৰীৰ সংখ্যা চাওঁ তেনেহ'লে দেখা পাওঁ যে— ১) চীন ৩৭.২%, ২) বেলজিয়াম ৪৮%, ৩) চুইজাৰলেণ্ড ৪৮.৮%, ৪) জাপান ৫৬.৯%, ৫) ফিনলেণ্ড ৬০.৪%, ৬) নৰৱে ৬০.৭%, ৭) ছুইডেন ৬৩.৭%, ৮) জাৰ্মানী ৭৫.৮%, ৯) ডেনমাৰ্ক ৮০.১%, ১০) নেদাৰলেণ্ড ৯৯.১%।

আমাৰ চুবুৰীয়া চীন দেশত পৰম্পৰাগত ভাৱে চাইকেল জনপ্ৰিয় যদিও বৰ্তমান সময়ত বিভিন্ন কাৰণত দেশখনত চাইকেলৰ জনপ্ৰিয়তা অধিক বাঢ়ি অহা দৃষ্টিগোচৰ হৈছে। ইয়াৰ প্ৰধান কাৰণবোৰ হ'ল—১) ভয়াৱহ ট্ৰেফিক জাম ২) মাত্ৰাধিক প্ৰদূষণ ৩) স্বাস্থ্যসন্মত দিশ সমূহ ৪)খৰচী যাতায়াত ব্যৱস্থা ইত্যাদি।

এই কাৰণবোৰ যে কেৱল চীন দেশৰ ক্ষেত্ৰতহে প্ৰযোজ্য এনে নহয়। পৃথিৱীৰ ধনী দুখীয়া প্ৰায় আটাইবোৰ দেশতেই এই কাৰণসমূহ প্ৰযোজ্য।

চাইকেলে অন্যান্য যাতায়াত ব্যৱস্থা বোৰৰ বিপৰীতে পৰিৱেশক বায়ু প্ৰদূষণৰ পৰা মুক্ত কৰি ৰাখে, যিহেতু চাইকেলৰ পৰা কোনোধৰণৰ বিষাক্ত গেছ নিৰ্গমন নহয়। তদুপৰি চাইকেলে মানুহৰ স্বাস্থ্য ভালে ৰখাত বহু পৰিমাণে সহায় কৰে। কাৰণ চাইকেল চলালে হাৰ্ট, হাওঁফাওঁৰ সমস্যা উপশম হয় বা এই সমস্যা নহয়। কাৰণ তেজৰ চলাচল বৃদ্ধি কৰি চাইকেলে হাওঁফাওঁ আৰু হাৰ্ট সুস্থ ৰাখে ।আমাৰ শৰীৰৰ জোৰাবোৰ শক্তিশালী কৰি ৰাখে,যাৰ ফলত বিভিন্ন প্ৰকাৰৰ বিষ উপশম হয় ।নিয়মিত ভাৱে চাইকেল চলোৱা মানুহৰ মানসিক স্বাস্থ্য অধিক সুস্থ হৈ থাকে। কাৰণ চাইকেলে মানসিক চাপ কমায় ।হাড় শক্তিশালী কৰি তুলি শৰীৰত জমা হোৱা অদৰকাৰী মেদ আতৰায়। ফলত বিভিন্ন বেমাৰ কমি যোৱাৰ কাৰণে শৰীৰ আৰু মন দুয়োটা ভালে থাকে। বিশেষকৈ ল'ৰা-ছোৱালী বা ছাত্ৰ-ছাত্ৰীয়ে চাইকেল চলোৱাটো নিজকে ফিট কৰি ৰখাৰ কাৰণে অত্যন্ত জৰুৰী।

ইমানৰ পিছতো দেখা গৈছে যে আমাৰ তৃতীয় বিশ্বৰ দেশসমূহৰ সাধাৰণ নাগৰিকৰ কথা বাদেই দিলো, চৰকাৰৰো ৰাজনৈতিক অংকৰ বাহিৰে এনেবোৰ ক্ষেত্ৰত কোনো সদ ইচ্ছা দেখিবলৈ পোৱা নাযায় ।নহলেনো চৰকাৰে ৰাজ্য খনৰে ইমানবোৰ ছাত্ৰীৰ বাবে স্কুটিৰ ব্যৱস্থা কৰি 'সফলতা'ৰ ঢোল পিটিলেহেঁতেন নে? এই ছাত্ৰী সকলৰ একাংশই বাৰু অভিভাৱকৰ পৰা বাহনখনৰ মেৰামতিৰ বা ইন্ধনৰ খৰচ উলিয়াব, বাকী অধিকাংশৰ ক্ষেত্ৰত কি হ'ব? পৰিৱেশ, প্ৰদূষণৰ কথা নকলোয়েইবা উল্লেখযোগ্য যে অলপতে কলিকতাটো প্ৰায় তিনিকুৰিৰ ওপৰৰ প্ৰধান ৰাস্তা চাইকেল আৰোহীৰ বাবে বন্ধ কৰি দিয়া হৈছে। যিবোৰ কথা আমাৰ দৰে অনুন্নত দেশ সমূহতহে প্ৰযোজ্য। যুক্তিৰ খাতিৰত এটা কথা ক'বই লাগিব যে ইউৰোপৰ ধনী দেশবোৰৰ লগত আমাৰ নিচিনা দেশবোৰৰ তুলনা নহয়। কিন্তু দেশখনৰ মঙ্গলৰ হেতু কাম কৰিবলৈ ক্ষমতাত থকা এমুঠিমান মানুহৰো যদি আন্তৰিক ইচ্ছা, সু-পৰিকল্পনা থাকে, বিজ্ঞানসন্মত দীৰ্ঘম্যাদী আঁচনি থাকে, তেনেহ'লে যিকোনো কামতে সময় লাগিলেও সফল হ'বই হ'ব। অন্য এটা কথা আমি মানি লবই লাগিব যে প্ৰকৃতিৰ অনিষ্ট কৰা কামবোৰ কৰি আগবাঢ়ি যাব খোজাটোৱে আচলতে দুখোজ পিছুৱাই যোৱাটোহে সূচায়। তাৰ বাবেই হয়তো 'বহনক্ষম উন্নয়ন'ৰ ধাৰণাই (sustainable development) বহুল চৰ্চা লাভ কৰিছে আজিৰ সমাজত ।এই ক্ষেত্ৰত আৰু বহলাই লিখাৰ প্ৰয়োজন নাই।

আজিৰ এই কৰ'না কালছোৱাত, য'ত স্তব্ধ হৈ গৈছে জনজীৱন, চৌদিশে মাথোঁ হাঁহাকাৰ সকলো স্তৰৰ লোকৰ মাজত, এই দুঃসময়ত দুটা কথাই চৰ্চা লাভ কৰিছে এটা হ'ল স্বাস্থ্য। স্বাস্থ্যৰো আকৌ মানৱ দেহৰ অন্যতম প্ৰধান অংগ হাওঁফাওঁক লৈ। আৰু অন্য এটা বিষয় অক্সিজেন। এই দুটা ক্ষেত্ৰতে চাইকেলখন হ'ব পাৰে মানুহৰ অন্যতম বন্ধু কাৰণ দুয়ো ক্ষেত্ৰতে এই বাহন বিধৰ আছে প্ৰত্যক্ষ আৰু পৰোক্ষ প্ৰভাৱ। ওপৰত উল্লেখ কৰি আহিছো যে নিয়মিত চাইকেল চলোৱা মানুহৰ হাওঁফাওঁ যথেষ্ট শক্তিশালী হোৱাৰ উপৰি চাইকেলে অন্য বাহনৰ দৰে কোনো গেছ বা ৰাসায়নিক পদাৰ্থ নিৰ্গমন নকৰি বায়ুত থকা অক্সিজেনৰ মাত্ৰাত হীন-ডেঢ়ি নঘটাই, যিটো অন্যান্য বাহনৰ ক্ষেত্ৰত ভয়াৱহভাৱে তাৰতম্য ঘটা পৰিলক্ষিত হয়, যাৰ বাবে আজিৰ পৃথিৱীত মানুহৰ দেহটো হৈ পৰিছে নানান বেমাৰৰ বাহ।

চৌপাশৰ আঙুলিৰ মূৰত লিখিব পৰা কেইজনমান নিয়মীয়া চাইক্লিষ্টক লক্ষ্য কৰি অনুভৱ কৰিছো যে আজিকালি ডেকা-বুঢ়া সকলোৰে মাজত বহুল চৰ্চিত 'ফিটনেছ' বিষয়টোত চাইকেলে পেলাব পাৰে অভাৱনীয় প্ৰভাৱ। সেয়েহে আহক আমি অংগীকাৰ কৰো যে,অতিমাৰীৰ আজিৰ এই দুঃসময় পাৰ হৈ যেতিয়া সু-সময় আহিব তেতিয়া আমি সেই সুন্দৰ সময়খিনিক এখন চাইকেলেৰে স্বাগতম জনাম। আমি নিজেই নিজক বা পিছৰ প্ৰজন্মক চাইকেল চলোৱাৰ বাবে উৎসাহিত কৰিম। যিমানদূৰ সম্ভৱ বেলেগ ইন্ধনযুক্ত বাহনখন আতৰাই থৈ আমি বলে পৰা দূৰত্বত চাইকেলখনেই ব্যৱহাৰ কৰিম। ৩/৪ কিলোমিটাৰ দূৰত্বৰ ভিতৰত থকা শিক্ষানুষ্ঠানলৈ ছাত্ৰ-ছাত্ৰীক চাইকেল লৈ যাবলৈ উৎসাহিত কৰিম ইত্যাদি। এইয়াই হ'ব আমি আমাৰ শৰীৰটোক অথবা আমাৰ পৰিৱেশক দিব পৰা শ্ৰেষ্ঠতম উপহাৰ। এইখিনিতে অসমৰ পেৰা-চাইক্লিষ্ট ৰাকেশ বনিকক নতুন প্ৰজন্মক ভোটাধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰত ব্ৰেণ্ড এম্বেচাদৰ হিচাপে লোৱা বাবে অসম চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিলো আৰু ভৱিষ্যতেও তেনে পদক্ষেপ ল'বলৈ আহ্বান জনালো। শেষত এই লেখাৰ জৰিয়তে অসমৰ গুৱাহাটী মহানগৰীৰ ক্ষেত্ৰত ট্ৰেফিক পইণ্টত অনাগত দিনত অজস্ৰ চাইকেল দেখাৰ আশা পোষণ কৰিলো।

*ফোন ঃ ৯৮৬৪০১২২২৫*

# বিশ্ব ধঁপাতবিৰোধী দিৱস আৰু ইয়াৰ প্ৰাসংগিকতা

সমগ্ৰ বিশ্বতে ধূমপানৰ পৰা হ'ব পৰা কাহ আৰু ধঁপাতমুক্ত পৃথিৱী গঢ়িবলৈ ল'বলগীয়া সজাগতা সৃষ্টিৰ বাবে ১৯৮৭ চনৰ পৰাই ৩১ মে'ৰ দিনটো বিশ্ব ধঁপাতবিৰোধী দিৱস হিচাপে পালন কৰা হয়। সমীক্ষা অনুসৰি ধঁপাত সেৱনৰ ফলত বছৰি ৫.৪ নিযুত লোকৰ মৃত্যু হয়। ভাৰতবৰ্ষত ৫০শতাংশ পুৰুষ আৰু ১১শতাংশ মহিলাই ব্যাপক হাৰত ধঁপাত সেৱন কৰে। প্ৰতি বছৰে ভাৰতত কমেও ৮০ লাখ ব্যক্তিৰ ধঁপাত সেৱনৰ ফলত মৃত্যু হয়। মৃত্যুৰ এই হাৰ যক্ষ্মা, এইডছ আৰু মেলেৰীয়া ৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰা লোকৰ হাৰতকৈ বেছি। অসমতো প্ৰায় ৩৯ শতাংশ লোকে ধঁপাত সেৱন কৰে।

ভাৰতবৰ্ষত ব্যৱহাৰ হোৱা ধঁপাতমুক্ত সামগ্ৰীসমূহ ঃ ধোঁৱামুক্ত ধঁপাত কেইবিধমান হৈছে বিড়ি, চিগাৰেট, হোকা, চিলিম, চুৰট, ধুমটি, চিগাৰ ইত্যাদি। ধঁপাতত চাৰি হাজাৰতকৈ অধিক ৰাসায়নিক পদাৰ্থ, ২০০ বিষমুক্ত আৰু ৬০ বিধ কৰ্কটৰোগৰ কাৰক মজুত থাকে। তাৰে কেইবিধমান তলত উল্লেখ কৰা হ'ল।

| **ৰাসায়নিক দ্ৰব্য** | **কিছু আনুষংগিক তথ্য** |
|---|---|
| ক্ৰেচল | উদ্যোগত ব্যৱহৃত প্লাষ্টিক |
| আৰু | আঠাৰ প্ৰধান উপাদান |
| পাইৰিণ | কল তাঁৰৰ প্ৰধান উপাদান |
| ডিডিটি | এবিধ পেষ্টিচাইড |
| কাৰ্বন মন'প্ৰাইড | মটৰৰ পৰা নিৰ্গত প্ৰদূষিত ধোৱা |
| এম'নিয়া | পকাৰ পৰা মমজাতীয় দ্ৰব্য |
| আঁতৰোৱা দ্ৰব্য | |
| হাইড্ৰ'জেন ছায়েনাইড | আন্তঃৰাষ্ট্ৰীয়ভাৱে বৰ্জিত এবিধ বিহ |
| এচিটন | নন পলিছ ৰিম'ভাৰৰ প্ৰধান |
| উপাদান | |
| মিথান'ল | ৰকেটৰ ইন্ধন |
| নেফথেলিন | এবিধ গন্ধক |
| নাইট্ৰ'বেনজিন | পেট্ৰ'লজাতীয় দ্ৰব্য |
| ইছ'প্ৰিন | টায়াৰৰ ৰবৰৰ প্ৰাকৃতিক উৎস |
| ফৰ্মেলডিহাইড | এম্ব্ৰেমিং ফ্লুইড |
| নিকেল | ষ্টেইনলেচ ষ্টীল |
| কেডিয়াম | বেটাৰীত থাকে। |
| বেনজিন | ক্ৰিউড অয়লৰ প্ৰাকৃতিক উৎস, প্লাষ্টিক চিন্থেটিক ৰবৰ উৎপাদন |

**ধঁপাত সেৱনৰ ফলত সৃষ্টি হোৱা সমস্যাসমূহ ঃ**

**(ক) হ্ৰস্বকালীন ফলাফল ঃ** দুৰ্গন্ধময় উশাহ, দুৰ্গন্ধযুক্ত চুলি, কাপোৰ, হাত, মলিয়ন দাঁত আৰু আঙুলি, মুখমণ্ডলৰ চাপ, দন্তক্ষয়, উশাহ-নিশাহত কষ্ট, হাপানী ৰোগ।

**(খ) দীৰ্ঘকালীন ফলাফল ঃ** মুখ, হনু, ডিঙি, ওঠ, জিভা, হাওঁফাওঁ, খাদ্যনলী, অগ্নাশয়, মূত্ৰাশয়, জৰায়ু, মুখগহ্বৰত হোৱা কৰ্কট ৰোগ। হৃদৰোগ আৰু ৰক্তনলীত হোৱা ৰোগ, দীৰ্ঘদিন ধৰি হোৱা কাহ আৰু এমফিচিমা, প্ৰজননজনিত সমস্যা — পুৰুষত্বহীনতা, বন্ধ্যাত্ব, মৃত সন্তান প্ৰসৱ, নিজে নিজে হোৱা গৰ্ভপাত, প্ৰয়োজনতকৈ কম ওজনৰ শিশুৰ জন্ম। চকুত চামনি পৰা আৰু ৰেটিনাৰ বিভিন্ন ৰোগ, ধূমপান নকৰা ব্যক্তিৰ তুলনাত ধূমপান কৰা ব্যক্তিৰ যক্ষ্মা ৰোগ হোৱাৰ সম্ভাৱনা তিনিগুণ বেছি।

**ধঁপাত এৰাৰ কৌশল ঃ** দৃঢ়প্ৰতিজ্ঞ হওক, ত্যাগ কৰাৰ তাৰিখ নিৰ্ধাৰিত কৰক আৰু ইয়াৰ সলনি নকৰিব, ধঁপাত সেৱনত ব্যৱহাৰ হোৱা সামগ্ৰী যেনে লাইটাৰ, মেচ, চিগাৰেটদানী আদি দলিয়াই পেলাওক, আপোনাৰ এই সু-সিদ্ধান্তৰ কথা পৰিয়ালক জনাওক আৰু তেওঁলোকক উৎসাহিত কৰিব কওক, যিবোৰ পৰিৱেশত থাকিলে আপোনাৰ ধঁপাত সেৱন কৰিবলৈ মন যায় সেইবোৰ চিনাক্ত কৰক আৰু তাৰ পৰা আঁতৰত থাকক। উদাহৰণস্বৰূপে ধঁপাত বিক্ৰীকেন্দ্ৰ যেনে পাণ দোকান বা লগৰ বন্ধুৰ সৈতে ধঁপাত সেৱন কৰি থকা ঠাই, ধঁপাত এৰা দিনটোত আপুনি নিজকে ব্যস্ত ৰাখক। দৈনন্দিন ৰুটিনখন সলাই থাকক আৰু সাধাৰণতে কৰাৰ ধৰণে কামবোৰ নকৰিব যাতে ধঁপাতৰ কথা মনত নপৰে, যি ঠাইত ধূমপান নিষেধ তেনে ঠাইলৈ যাওঁক। নিজৰ বাবে কিবা খোৱা বস্তু কিনক বা উদ্‌যাপন কৰক, ধঁপাত এবাৰ পিছত প্ৰথম সপ্তাহত ধঁপাত সেৱনৰ ইচ্ছা প্ৰবল হ'ব। আপোনাৰ হয়তো ৰেপিড ফায়াৰ বা অতি তীব্ৰ ইচ্ছাও জাগিব পাৰে। দিন যোৱাৰ পিছত এনে ইচ্ছা কমি যাব। অতি বেছি ইচ্ছা যাব এৰাৰ ৬-১২ঘণ্টাৰ ভিতৰত। অতি তীব্ৰ ইচ্ছা ২-৩ দিনলৈ বা ৩-৪ সপ্তাহলৈ থাকিব পাৰে। তলত দিয়া ধৰণে ইয়াক চম্ভালিব পৰা যায়।

■ ডাঃ ৰিণিষা গৌতম

**দেৰি কৰক ঃ** ধঁপাতৰ ইচ্ছা জন্মাৰ লগে লগে সেৱন নকৰি অলপ দেৰি কৰক। লাহে লাহে আপোনাৰ ইচ্ছা নোহোৱা হৈ যাব।

লাহে লাহে উশাহ লওক। কমেও দহবাৰ এনেদৰে দীঘলকৈ উশাহ লওক। লাহে লাহে পানী খাওক। গিলাৰ পূৰ্বে কিছুসময় মুখত ৰাখক। আন কোনো ধৰণৰ খাদ্য যেনেঃ গাজৰ, আচাৰ, আপেল, আমলখি, চুইংগাম আদি খাওক, গৰম পানীৰে গা ধোৱক। টোপনি থকা বা বহু নিশালৈ শোৱাত অসুবিধা পালে দৈনিক শৰীৰ শিথিল হোৱা ব্যায়াম কৰক। বিয়লি ছয় বজাৰ পিছত চাহ, কফি আদি নাখাব। শুবলৈ সাজু হৈ বিছনাত উঠাৰ পূৰ্বে ১৫-৩০মিনিট মৌনভাৱে পাৰ কৰক। প্ৰতিটো পুৱাই দীঘল উশাহ লওক আৰু ডেৰ গিলাচ পানীৰে আৰম্ভ কৰক। ধঁপাত এৰাৰ পাছত আপুনি খিংখিঙীয়া বা খঙাল হ'ব পাৰে। তেনেক্ষেত্ৰত দৈনিক খোজ কাঢ়িবলৈ ওলাই যাওক। ব্যায়াম কৰক, কাফেইন ত্যাগ কৰক। আনন্দেৰে খাদ্যসমূহৰ জুতি লওক। গাড়ী চলাই যাওতে ধঁপাতৰ ইচ্ছা জাগিলে টেপত গান শুনি বা নিজেই গুণ গুণাওক চিগাৰেটৰ ছাইদানী, লাইটাৰ বা যিকোনো ধঁপাতৰ সামগ্ৰী গাড়ীৰ ভিতৰত নাৰাখিব। যিটো চেনেলৰ অনুষ্ঠানত ধঁপাত খোৱা দেখুৱাই বা যিটো অনুষ্ঠান চাই ধঁপাতৰ বাবে ইচ্ছা জাগে সেই চেনেলটো সলাই দিয়ক। ধঁপাত এৰাৰ আপোনাৰ সিদ্ধান্তত অটল থাকক। কোনোৱে আপোনাক ধূমপানৰ বাবে মাতিলে আপুনি বিনয়ীভাৱে ধন্যবাদেৰে প্ৰত্যাখ্যান কৰক।



**ধঁপাত এৰাত আপোনাক সহায় কৰা ঔষধ ঃ** অতিৰিক্তভাৱে নিকটিন ৰিপ্লেচমেণ্ট থেৰাপি, নিকটিন চুইংগামৰ লগত ভাৰফেনচিলিন, ৰিলমবেণ্ট, ছিলিজিলীন, ব্ৰনিডি আদি দৰব চিকিৎসকৰ পৰামৰ্শ মতে গ্ৰহণ কৰিব পাৰে। বিভাগীয় বিষয়াই আপোনাৰ সৈতে পৰামৰ্শমূলক আলোচনা বা কাউন্সেলিং কৰি ধঁপাত এৰাৰ পৰামৰ্শ দান কৰিব পাৰে।

**ধঁপাত ত্যাগ কৰাৰ সুফলসমূহ ঃ** ধঁপাত ত্যাগ কৰাৰ এঘণ্টাৰ ভিতৰতেই কিছু সুফল পোৱা যায়, কিয়নো ক্ষতিকাৰক বিষাক্ত পদাৰ্থবোৰ শৰীৰৰ পৰা ওলাই যাবলৈ আৰম্ভ কৰে। ১২ঘণ্টাৰ ভিতৰত শৰীৰৰ পৰা কাৰ্বন মন'ক্সাইড ওলাই যায় আৰু হাওফাওৰে সঠিকভাৱে কাম কৰিবলৈ আৰম্ভ কৰে। দুদিনত গোন্ধৰ অনুভূতি প্ৰখৰ হয়, শাৰীৰিকভাৱে কৰ্মক্ষম হয় আৰু অধিক পৰিমাণে বায়ু হাওঁফাওঁত প্ৰৱেশ কৰে। দুমাহ পিছত হাওঁফাওঁৱে আগতকৈ ভালদৰে কাম কৰে আৰু পেটৰ পৰা বিজল ওলাই যায়, লগতে শৰীৰৰ ৰক্ত সঞ্চালন প্ৰক্ৰিয়া উন্নত হয়। বাৰ মাহৰ পিছত হৃদৰোগৰ সম্ভাৱনা যথেষ্ট কমি যায় আৰু আমি ক'ব পাৰো যে ধঁপাত সেৱনকাৰী সকলতকৈ সম্ভাৱনা কমি আধা হৈ যায়। দহ বছৰৰ পিছত ধঁপাত সেৱনকাৰী সকলতকৈ কৰ্কটৰোগ হোৱাৰ সম্ভাৱনা আধাতকৈও কম হৈ যায়। পোন্ধৰ বছৰ পিছত ধঁপাতৰ বাবে হ'বলগীয়া হৃদৰোগ, ষ্ট্ৰোকৰ সম্ভাৱনা প্ৰায় নাইকীয়া হৈ যায়। অৰ্থাৎ ধঁপাত ত্যাগ কৰিলে জীৱনত আপুনি আৰু বহুত বছৰ পৰিয়ালৰ লগত কটাব পাৰিব। ধঁপাত এক মৃত্যুদূত। ই লাহে লাহে কিন্তু নিশ্চিতভাৱে মৃত্যু ঘটায়। আহক আমি সকলোৱে এটা ধঁপাতমুক্ত সুস্থ সবল আৰু সুখী জীৱন-যাপন কৰো আৰু আনৰ বাবেও এক আদৰ্শ হওঁ।

*ফোন ঃ ৮৬৩৮৮৯০৪১৪*

# ছিপাঝাৰত অনাময়ৰ ফিল্টাৰযুক্ত পানী আঁচনি ধোঁৱাচাঙত

## হিতাধিকাৰীয়ে কুঠাৰেৰে ঘঁপিয়াই ভাঙি পেলালে পৰিত্যক্ত ফিল্টাৰ, দমকল



**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ২ জুনঃ** মঙলদৈ সংমণ্ডল জনস্বাস্থ্য কাৰিকৰী বিভাগে জিলাখনৰ বিভিন্ন ঠাইত নিৰ্মাণ কৰা ফিল্টাৰযুক্ত দমকলসমূহ কাৰিকৰী বিজুতিৰ বাবে সম্পূৰ্ণৰূপে বিকল হৈ পৰাৰ পৰিপ্ৰেক্ষিতত আঁচনিখনৰ জৰিয়তে ৰাইজৰ কোনো উপকাৰ সাধন নোহোৱাৰ অভিযোগ উত্থাপিত হৈছে। জিলাখনৰ ছিপাঝাৰতো বিভাগৰ এই আঁচনিখন ধোঁৱাচাঙত উঠাৰ অভিযোগ উত্থাপন হৈছে। জানিব পৰা মতে, ৰাইজক নলীনাদৰ বৰবিহৰূপী আইৰণযুক্ত পানীৰ বিকল্প পৰিশোধন, পৰিষ্কাৰ পানী যোগান ধৰাৰ চিন্তাৰে ২০১০চনত ছিপাঝাৰৰ বিভিন্ন ঠাইত ফিল্টাৰযুক্ত দমকল স্থাপন কৰা হৈছিল। যি আঁচনিত বিভাগে ৪০ হাজাৰকৈ টকা আবণ্টন দিছিল। কিন্তু আশ্চৰ্যজনক কথা যে আঁচনি ৰূপায়ণৰ নামত আবণ্টিত ধনত লোলুপ দৃষ্টিৰে বিভাগৰ আশীৰ্বাদপুষ্ট ঠিকাদাৰে বিষয়া-কৰ্মচাৰীৰে গোপন মিতিৰালি কৰি পালমৰা ধৰণে কাম কৰি ৰূপায়ণ কৰাৰ পিছত আঁচনিসমূহ বিকল হৈ পৰে। যাৰ পিছত বিষয়টো বিভাগৰ দৃষ্টি আকৰ্ষণ কৰাৰ পিছতো মেৰামতিৰ কোনো ব্যৱস্থা গ্ৰহণ নকৰাত ক্ষোভিত হিতাধিকাৰীসকলে এইবোৰ ভাঙি পেলায়। ইয়াৰে কুমাৰপাৰাত আলী উপাধিৰ লোকগৰাকীয়ে কুঠাৰেৰে ঘঁপিয়াই আঁচনিখন ভাঙি পেলাই লোকচক্ষুৰ সন্মুখত ক্ষোভ প্ৰশমিত কৰে। অন্যহাতে বিভাগে স্থাপন কৰা অঞ্চলটোৰ বহুসংখ্যক এনে আঁচনি সকলোবোৰেই বিকল হৈ পৰিত্যক্ত ৰূপত পৰি থকা বুলি ৰাইজৰ অভিযোগত প্ৰকাশ।পৰিতাপৰ কথা যে শিক্ষানুষ্ঠানসমূহত স্থাপন কৰা আঁচনিসমূহো বিকল হৈ পৰাত ছাত্ৰ-ছাত্ৰীসকলে নলীনাদৰ আইৰণযুক্ত পানীয়েই সেৱন কৰি তৃষ্ণা দূৰ কৰিবলগীয়া হোৱাত পানীজনিত ৰোগত সঘনাই আক্ৰান্ত হ'বলগীয়া হোৱাটো চিন্তনীয় বিষয়। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ এই আঁচনিখনে ৰাইজৰ উপকাৰৰ বিপৰীতে বিভাগৰ বিষয়া-কৰ্মচাৰীসকলকহে ধনৱন্ত কৰি তোলা বুলি অভিযোগ উত্থাপন হৈছে।




## কণ্টেইনমেণ্ট জ'ন ঘোষণা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২ জুনঃ** মঙলবাৰে বিহালী সমষ্টিৰ বিধায়ক ৰঞ্জিত দত্তৰ তৎপৰতা আৰু জিলা উপায়ুক্তৰ নিৰ্দেশত বিহালীৰ টেলেঙনীয়াৰ এখন গাঁৱৰ ৩নং, ৪নং, ৫নং ৱাৰ্ডৰ অঞ্চলসমূহ কণ্টেইনমেণ্ট জ'ন হিচাপে ঘোষণা কৰিছে জিলা প্ৰশাসনে । উল্লেখ্যযোগ্য যে গাঁওখনৰ ৪০ গৰাকীৰ ব্যক্তি ক'ভিড মহামাৰীত আক্ৰান্ত হোৱাৰ লগে লগে বিহালী প্ৰাথমিক চিকিৎসালয়ৰ পৰা আজি ৫ জনীয়া চিকিৎসকৰ দলে দিনটো ২৭৮টা পৰিয়ালৰ সদস্যক ৰেপিড টেষ্ট কৰোৱাৰ পিছত ১৬ গৰাকীৰ দেহত নতুনকৈ ক'ভিড-১৯পজিটিভ ধৰা পৰে।

## ১০ নং দক্ষিণ বকো গাঁও পঞ্চায়তৰ উদ্যোগত কৰ'না সজাগতাৰ বাণী প্ৰচাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২ জুন ঃ** সম্প্ৰতি কৰ'না মহামাৰীৰ আতংকৰ বাবে চৌদিশে সৃষ্টি হৈছে সন্ত্ৰাসৰ। এই ক্ষেত্ৰত ভীতিগ্ৰস্ত নহৈ সকলোকে সজাগ আৰু সচেতন হ'বলৈ আহ্বান জনাইছে চৰকাৰ তথা সচেতন নাগৰিকে। ইফালে কৰ'না মহামাৰী অধিক সংক্ৰমণ নহ'বলৈ আৰু নিজৰ সুৰক্ষা নিজেই ল'বলৈ আজি কামৰূপ জিলাৰ বকোত ১০ নং দক্ষিণ বকো গাঁও পঞ্চায়তৰ উদ্যোগত পঞ্চায়ত এলেকাত প্ৰচাৰ গাড়ীৰে ঘোষণা কৰে কোভিড প্ৰ'টকলৰ নীতি নিৰ্দেশনা তথা পালন কৰিবলগীয়া বাণী। বকো বজাৰৰ নিচেই কাষতে অৱস্থিত ১০ নং দক্ষিণ বকো গাঁও পঞ্চায়তৰ সচিব ফনীন্দ্ৰ নাৰায়ণ দাসে জনোৱা মতে, ক'ভিড মহামাৰীৰ প্ৰ'টকল মানি চৌদিশে ভিবীশিকা সৃষ্টি কৰা ক'ৰোণা ৰোগ অধিক সংক্ৰমণ নহ'বলৈ ৰাইজক সজাগ আৰু সচেতন হ'বলৈ আহ্বান জনায় প্ৰচাৰ গাড়ীৰে কোভিড প্ৰ'টকলৰ নীতি নিৰ্দেশনা তথা বাণী প্ৰচাৰ কৰা হয়। পঞ্চায়তখনৰ কাৰ্যালয় সহায়ক আশ্ৰম বড়োৰ সহযোগত পঞ্চায়ত এলেকাত গাড়ীত মাইক বান্ধি কৰ'না ৰোগৰ পৰা ৰক্ষা পাবলৈ পালন কৰিব লগা বাণী যেনে মাস্ক পৰিধান কৰা, সময়ে সময়ে হাত চাবোন পানীৰে ধুই থকা, চেনিটাইজাৰ লগোৱা, জ্বৰ কাহ হ'লে চিকিৎস্যকৰ লগত যোগাযোগ ৰক্ষা কৰা, পুষ্টিকৰ আহাৰ গ্ৰহণ কৰা, আনৰ লগত কথা বতৰা পাতোতে দুৰত্ব বজাই ৰাখি চলা আদি নীতি নিৰ্দেশনা পালন কৰিবলৈ আহ্বান জনোৱা হয়। পঞ্চায়তৰ কাৰ্যালয়ৰ উদ্যোগত কৰা এই প্ৰচাৰৰ বাবে বকোৰ সচেতন ৰাইজে শলাগ লৈছে পঞ্চায়তৰ সচিবগৰাকীক।

## ৰাভা জাতীয় শ্বহীদ পঞ্চমী ৰাভাৰ স্বামী দ্বিজেন ৰাভাৰ মৃত্যুত শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, দুধনৈ, ২ জুনঃ** ২০১৩বৰ্ষৰ ১২ ফেব্ৰুৱাৰীত শ্বহীদ বৰণ কৰা ৰাভা জাতীয় শ্বহীদ পঞ্চমী ৰাভাৰ স্বামী দ্বিজেন ৰাভাৰ যোৱা নিশা৯বজাত গোৱালপাৰা জিলাৰ দৰংগিৰিৰ কাচাদলস্থিত নিজ বাসভৱনত পৰলোকপ্ৰাপ্তি ঘটে। কিছুদিনৰ পৰা শাৰীৰিক অসুস্থতাত ভুগি থকা দ্বিজেন ৰাভাৰ মৃত্যুত নিখিল ৰাভা ছাত্ৰ সন্থা, ষষ্ঠ অনুসূচী দাবী কমিটীৰ লগতে ৰাভা জাতীয় সংগঠনসমূহে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। দ্বিজেন ৰাভাৰ বিয়োগৰ বাৰ্তা পোৱাৰ লগে লগে আজি নিখিল ৰাভা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক জয়চন্দ্ৰ দাবাঙৰ লগতে ষষ্ঠ অনুসূচী দাবী কমিটীৰ সভাপতি মহীধৰ ৰাভা, গোৱালপাৰা জিলা আৰছুৰ প্ৰচাৰ সম্পাদক জাহ্নু ৰাভা সহিতে ৰাভা জাতীয় সংগঠনৰ এটি প্ৰতিনিধি দলে মৃতকৰ ঘৰলৈ গৈ পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। উল্লেখযোগ্য যে ৰাভা জাতীয় সংগ্ৰামৰ এগৰাকী সক্ৰিয় কৰ্মী দ্বিজেন ৰাভাই এসময়ত গোৱালপাৰা জিলা ষষ্ঠ অনুসূচী দাবী কমিটীৰ কাৰ্যকৰী সদস্য হিচাবেও কাৰ্যনিৰ্বাহ কৰাৰ লগতে বিভিন্ন সামাজিক তথা সাংস্কৃতিক অনুষ্ঠানৰ সৈতেও জড়িত আছিল। মৃত্যুৰ সময়ত দ্বিজেন ৰাভাই তিনিজন পুত্ৰ-বোৱাৰী, তিনিজনী জীয়েক-জোঁৱায়েকৰ লগতে বহুসংখ্যক নিকট আত্মীয়ক ইহসংসাৰত এৰি থৈ যায়।

## নাজিৰা মহকুমাত নিষিদ্ধ ড্ৰাগছৰ ৰমৰমীয়া বেহা

### নিৰ্বিকাৰ আৰক্ষী-প্ৰশাসন, অধিকাংশ যুৱ প্ৰজন্মই আসক্ত

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২ জুন ঃ** ৰাজ্যৰ নৱপ্ৰজন্মক কোঙা কৰি পেলোৱা নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বধীন বি জে পি নেতৃত্বাধীন চৰকাৰৰ নিৰ্দেশত অসম আৰক্ষীয়ে শেহতীয়াকৈ কঠোৰ পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হৈছে যদিও শিৱসাগৰ জিলাৰ নাজিৰা মহকুমাৰ বিশেষকৈ নাজিৰা আৰু শিমলুগুৰি নগৰকে ধৰি লিগিৰীপুখুৰী, বৰতলা, মেকীপুৰ, গেলেকী, নামতি, মেছাগড়, ন-মাটি, লক্ষ্মীজান আৰু অসম- নগালেণ্ড সীমান্তৱৰ্তী বিহুবৰ আদিত বৰ্তমানেও অব্যাহত আছে নিষিদ্ধ ড্ৰাগছৰ ৰমৰমীয়া বেহা। চুবুৰীয়া ৰাজ্য নগালেণ্ডৰ গাতে লাগি থকা অঞ্চলটোৰ পৰা নগালেণ্ডৰ বিভিন্ন প্ৰান্তলৈ সৰবৰাহ হয় নিষিদ্ধ ড্ৰাগছ। কিন্তু অতি দুৰ্ভাগ্যজনকভাৱে এই চোৰাং ব্যৱসায় ৰোধ কৰাৰ ক্ষেত্ৰত স্থানীয় আৰক্ষীয়ে ৰহস্যজনকভাৱে কোনো বিশেষ পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। এক বিশ্বস্ত সূত্ৰ অনুসৰি বিহুবৰ আৰক্ষী থানাৰ সমীপতে গঢ় লৈ উঠা নিষিদ্ধ ড্ৰাগছৰ কবলত পৰি ইতিমধ্যে সৰ্বস্বান্ত হৈ পৰিছে বহু পৰিয়াল। বিশেষকৈ নৱ প্ৰজন্মৰ ড্ৰাগছৰ প্ৰতি থকা আক্ৰষণে ড্ৰাগছৰ কলা ব্যৱসায়ীসকলক উৎসাহিত কৰি তুলিছে। উল্লেখযোগ্য যে এই ব্যৱসায়ৰ লগত একাংশ যুৱকৰ উপৰি মহিলা ব্যৱসায়ীয়েও বিহুবৰত নিষিদ্ধ ড্ৰাগছৰ ব্যৱসায়ত জড়িত হৈ পৰিছে। বিহুবৰ অঞ্চলৰ সাপ্তাহিক বজাৰৰ সমীপৰ এগৰাকী কুখ্যাত মহিলাৰ লগতে এগৰাকী নেপালী সম্প্ৰদায়ৰ মহিলাই বিহুবৰত নিষিদ্ধ ড্ৰাগছৰ অবৈধ ব্যৱসায় চলাই যোৱাৰ তথ্য পোহৰলৈ আহিছে। ইয়াৰ উপৰি জনৈক বৰুৱা, মহন , বাৰ্মা , চাহু , বৰা , ৰহমান, গগৈ উপাধিৰ যুৱকৰ লগতে কেইবাজনো ব্যৱসায়ীয়ে নাজিৰা মহকুমাৰ প্ৰান্তে প্ৰান্তে নিষিদ্ধ ড্ৰাগছৰ ব্যৱসায় চলাই থকাৰ অভিযোগ উত্থাপিত হৈছে। এইসকল ড্ৰাগছ ব্যৱসায়ীয়ে বিভিন্ন উৎসৰ পৰা ড্ৰাগছ সংগ্ৰহ কৰি এটা কণ্টেইনাৰৰ বাবদ গ্ৰাহকৰ পৰা পোন্ধৰশ - দুহেজাৰ টকাকৈ লয়। উল্লেখযোগ্য যে এই ব্যৱসায়ীসকলৰ পৰা ড্ৰাগছ সেৱনৰ বাবে ক্ৰয় কৰা ড্ৰাগছ আসক্তসকলৰ অধিকাংশই কম বয়সীয়া যুৱক। ইয়াৰ সমান্তৰালকৈ চুবুৰীয়া ৰাজ্য নগালেণ্ডৰ নাগিনীমৰাৰো একাংশ গ্ৰাহকে এই ব্যৱসায়ীসকলৰ পকা নিয়মীয়াকৈ ক্ৰয় কৰে ড্ৰাগছ। এবাৰ নিষিদ্ধ ড্ৰাগছৰ সোৱাদ পোৱাৰ পিছত ইয়াৰ প্ৰতি আসক্ত হৈ নিয়মীয়াকৈ ড্ৰাগছ সেৱন কৰাৰ ফলত দিনে দিনে ড্ৰাগছ ক্ৰয় কৰা গ্ৰাহকৰ পৰিমাণ বৃদ্ধি পোৱাৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি ড্ৰাগছৰ অবাধ ৰমৰমীয়া ব্যৱসায় চলাই আহিছে এই ড্ৰাগছ ব্যৱসায়ীসকলে। আনহাতে নাজিৰা আদৰ্শ আৰক্ষী থানা, গেলেকী, নামতি, শিমলুগুৰি আৰু বিহুবৰ আৰক্ষী থানাৰ কাষতে অবাধ গতিত ড্ৰাগছৰ অবৈধ ব্যৱসায় চলি থকাৰ পিছতো এই ব্যৱসায় ৰোধ কৰাত ব্যৰ্থ আৰক্ষীয়ে মাত্ৰ কেতিয়াবা ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই দায়িত্ব সামৰা বুলি অভিযোগ তুলিছে সচেতন ৰাইজে। তদুপৰি অভিযানৰ আগে আগে ড্ৰাগছ ব্যৱসায়ীসকলে সম্ভেদ লাভ কৰে একাংশ কমিছনভোগী আৰক্ষীৰ পৰা । এনে কাৰণতেই আৰক্ষীৰ অভিযান বুমেৰাং হৈ পৰে বুলি সচেতন ৰাইজে আক্ষেপেৰে অভিযোগ কৰে । সম্প্ৰতি অসমৰ বিভিন্ন প্ৰান্তত আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে অভিযান তীব্ৰ কৰি তোলাৰ বিপৰীতে নাজিৰা মহকুমাত আৰক্ষী - প্ৰশাসনে ৰহস্যজনকভাৱে নিৰৱ ভূমিকা পালন কৰা পৰিলক্ষিত হৈছে ।

## মৰিয়ম আজমল ৰমেছ কলেজ অফ ছায়েঞ্চ এণ্ড টেকন'লজী

### অনলাইন আলোচনা-চক্ৰ সফলতাৰে সমাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মোৰাঝাৰ, ২ জুন ঃ** সাম্প্ৰতিক পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষাৰ্থীৰ লগতে সমাজৰ সকলো স্তৰৰ লোকৰে বৌদ্ধিক, মানসিক বিকাশ বিশেষকৈ শৈক্ষিক ক্ষেত্ৰত জড়িত ৰাখিবলৈ মৰিয়ম আজমল ৰমেঞ্চ কলেজ অফ চায়েঞ্চ এণ্ড টেকন'লজিৰ অসমীয়া বিভাগে আয়োজন কৰা অনলাইন আলোচনা চক্ৰখনি ১ জুনত সফলতাৰে সমাপন হৈ যায়। সন্ধিয়া ৭ বজাত গুগল মিটযোগে সমাপন হোৱা এই আলোচনা চক্ৰখনৰ আঁত ধৰে বিভাগটোৰ সহকাৰী অধ্যাপক গৌৰী প্ৰসাদ শৰ্মাই আৰু অনুষ্ঠানটো উদ্বোধন কৰি বিভাগটোৰ এই কাৰ্যাৱলীৰ প্ৰশংসা কৰে আজমল ফাউণ্ডেচনৰ সঞ্চালক খচৰুল ইছলামে। 'ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ বিভিন্ন জনগোষ্ঠীৰ ভূমিকা' শীৰ্ষক বিষয়ত যোৰহাট মহাবিদ্যালয়ৰ অধ্যক্ষ তথা অসমীয়া জাতীয় অভিধান আৰু জাতীয় ইতিহাসৰ মুখ্য সম্পাদক দেৱব্ৰত শৰ্মাই আলোচনা চক্ৰত যথেষ্ট তথ্যসমৃদ্ধ তথা জ্ঞানগৰ্ভ ভাষণ আগবঢ়াই অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰীতমজ্যোতি শৰ্মাই আদৰণি ভাষণ আগবঢ়োৱা আলোচনা চক্ৰত সৰ্বমুঠ ২৩৫ গৰাকী অংশগ্ৰহণকাৰীয়ে অংশ গ্ৰহণ কৰে। ৰাজ্যখনৰ প্ৰায়কেইখন বিশ্ববিদ্যালয়, মহাবিদ্যালয়ৰ ভালে কেইগৰাকী অধ্যাপক-অধ্যাপিকা, গৱেষক ছাত্ৰ, শিক্ষাৰ্থী তথা মহাবিদ্যালয়খনৰ শুভাকাংক্ষী সকলে অংশগ্ৰহণকাৰীয়ে অংশগ্ৰহণ কৰে ।

## কৰ'না আতংক প্ৰতিৰোধী প্ৰট'কল মানি বিদ্যালয় বন্ধ ৰখাত ফ্ৰী-ফায়াৰত মগ্ন কিশোৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২ জুনঃ** আজিৰ স্কুলীয়া কিশোৰ কিশোৰী কাইলৈৰ দেশৰ ভৱিষ্যত বোলা কথাষাৰ যেন এই মুহূৰ্তত মুল্যহীন। দেশৰ চৌদিশে ক'ৰোণা আতংকৰ বাবে কো'ভিড প্ৰ'টকল মানি চলিবলৈ মানৱ সম্পদ গঢ়া কমাৰশালা স্বৰূপ পঢ়াশালী সমূহ বন্ধ। ইফালে মিনি ল'ক ডাউন বাবে ঘৰুৱা টিউচন বন্ধ। যি সময়ত কিশোৰ কিশোৰী সকল ব্যস্ত হ'ব লাগিছিল পঢ়াশালীত কিতাপ বহী কাগজ কলম লৈ বৌদ্ধিক জ্ঞান অৰ্জনত তেনে সময়ত আজিৰ কিশোৰ কিশোৰী ব্যস্ত হৈপৰিছে মোবাইলত ফ্ৰী - ফেয়াৰ গেমত। উল্লেখ্য যে ; ৰাজ্যৰ ভিন্ন প্ৰান্তত এই ফ্ৰী - ফেয়াৰ গেমত ব্যস্ত হৈ পৰিছে কিশোৰ কিশোৰী। ভিন্ন প্ৰান্তৰ লেখিয়াকৈ কামৰূপ জিলাৰ বকোতো এই বিধ খেলে ধ্বংস কৰিছে কিশোৰ কিশোৰী আৰু ছাত্ৰ ছাত্ৰীক। বকোৰ



ভিন্ন প্ৰান্তৰ উপৰিও বকো আৰক্ষী থানাৰ অন্তৰ্গত বৰুৱা বালিঝাৰ অঞ্চলত এই ফ্ৰী - ফায়াৰ গেমৰ প্ৰচলন অধিক বুলি দাবী কৰে বালিঝাৰ অঞ্চলৰ বহু কেইজন সচেতন ব্যক্তিয়ে। এই ক্ষেত্ৰত কিশোৰ কিশোৰীৰ লগতে ছাত্ৰ ছাত্ৰীৰ অভিভাৱক আৰু অভিভাৱিকা সকলোক সচেতন হ'বলৈ আহ্বান জনাইছে আৰু প্ৰশাসনৰ কৰ্তৃপক্ষই বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে।

### ছিপাঝাৰত স্বচ্ছ ভাৰত আঁচনি ধোঁৱাচাঙত

## অনাময় শৌচাগাৰৰ পৰা আজিও বঞ্চিত দৰিদ্ৰ লোক



**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ২ জুনঃ** স্বচ্চ ভাৰত অভিযান আঁচনিৰ অধীনত দেশৰ দুখীয়া-দৰিদ্ৰ সকলক জনস্বাস্থ্য কাৰিকৰী বিভাগৰ জৰিয়তে অনামৰ বাৰ হেজাৰ টকীয়া বিনামূলীয়া শৌচাগাৰ আঁচনি খন যেন দৰঙৰ ছিপাঝাৰত ধোঁৱা চাঙত উঠিছে। কিয়নো আঁচনিখনৰ অধীনত সমাজৰ প্ৰকৃত দুখীয়া-দৰিদ্ৰ লোক সকলে এনে সুবিধা লাভ কৰিব লাগে। কিন্তু আশ্বৰ্যজনক কথা যে চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগে আঁচনি ৰূপায়ণৰ দায়িত্ব একাংশ মনেমিলা এনজিঅ'ৰ তথাকথিত ঠিকাদাৰক অৰ্পণ কৰাত ৰূপায়ণৰ নামত অনিয়ম সংঘটিত কৰাৰ সৰ্বত্ৰ অভিযোগ উত্থাপন হোৱাৰ পিছতো নাই কোনো কাৰ্য ব্যৱস্থা।দৰঙৰ ছিপাঝাৰ উন্নয়ন খণ্ডৰ গাঁও পঞ্চায়ত বিশেষে একাংশ প্ৰকৃত দুখীয়া- দৰিদ্ৰ, বিভক্ষু লোকে সাধাৰণ এটা চৰকাৰী শৌচাগাৰৰ বাবে হাহাকাৰ কৰিব লগীয়া হৈছে। । অনুসন্ধানত উল্লিখিত উন্নয়ডন খণ্ডটোৰ চেঙেলীয়াঝাৰ পঞ্চায়তৰ অধীনস্থ কেইবাখনো গাওঁ এলেকাত বাসকৰা বহু দৰিদ্ৰ লোকে আজিও লাভ কৰাৰ সৌভাগ্য ঘটা নাই স্বচ্ছ ভাৰত অভিযান আঁচনিৰ বিনামূলীয়া অনাময়ডৰ শৌচাগাৰ।বিশেষকৈ পঞ্চায়ত খনৰ দুৰদুৰীয়া গাঁৱৰ অতিকৈ ডাল দৰিদ্ৰ চাইফুদ্দিন আহমেদে বিৰিণাৰ পাতেৰে বেৰ দি বান্ধি লোৱা ভগা শৌচাগাৰত আজিও শৌচ-প্ৰস্বাৱ কৰিব লগীয়া হৈ অহাৰ পিছতো পাবলৈ সৌভাগ্য নঘটিল চৰকাৰৰ বাৰ হেজাৰ টকীয়া অনাময় শৌচাগাৰ।যাৰ বাবে ভগা-ছিগা কেঁচা বিৰিয়া পাতৰ গাঁত খান্দি নিৰ্মাণ কৰি শৌচাগাৰতেই মল-মুত ত্যাগ কৰি আহিছে। একেদৰে গাঁও খনৰ ভিতৰতে অতিকৈ দুখীয়া তবিবুল হকে ঘৰৰ কোণত বাঁহৰ তলত শৌচ-প্ৰস্বাৱ কৰি অহাৰ পিছতো বিভাগৰ চকুত নপৰাটো দুভাগ্যজনক কথা। একেদৰে আতৰোৱাৰ ৰহমানও এটা অনাময় শৌচাগাৰৰ বাবে হাহাকাৰ কৰি থকাৰ পিছতো পাবলৈ সক্ষম হোৱা বুলি অভিযোগ উঠিছে। আশ্বৰ্যজনক কথা যে ঘোপেলী গাঁৱৰ অতিকৈ ভাল দৰিদ্ৰ লোক শশীন্দ্ৰ ডেকাই কেঁচা শৌচাগাৰত ময়লাৰ ওপৰতে শৌচ কৰিব লগীয়ডাতো পৰিতাপৰ কথা।

## পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত জিলা ভিত্তিত অনলাইন কুইজ প্ৰতিযোগিতা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকপথাৰ, ২ জুনঃ** তিনিচুকীয়া জিলাৰ ডিৰাক চাৰিআলিৰ কপাহতলীস্থিত পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অৰ্থনীতি আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ যৌথ প্ৰচেষ্টাত বৰ্তমান যুৱ প্ৰজন্ম আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পৰিৱেশ সন্দৰ্ভত সজাগতা সৃষ্টি কৰিবলৈ 'পৰিৱেশ, পৰিস্থিতি বিজ্ঞান আৰু জৈৱ- বৈচিত্ৰ্য' শীৰ্ষক বিষয়ৰ লগত সংগতি ৰাখি যোৱা ৩০ মে'ত দিনৰ ২বজাত তিনিচুকীয়া জিলা ভিত্তিত এখনি অনলাইন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। তিনিচুকীয়া জিলাৰ প্ৰায় কেইবাখনো মহাবিদ্যালয়ৰ বিভিন্ন প্ৰান্তৰ পৰা সৰ্বমুঠ ৫৪ জন ছাত্ৰ-ছাত্ৰীয়ে এই অনলাইন কুইজ প্ৰতিযোগিতাখনিত অংশগ্ৰহণ কৰে। গুগল প্লেটফৰ্মত অনুষ্ঠিত হোৱা এই কুইজ প্ৰতিযোগিতাখনিত তিনিচুকীয়া মহাবিদ্যালয়ৰ অনিশ কুমাৰ শ্বাহে (H.S 2nd Year) প্ৰথম স্থান, তিনিচুকীয়া নবোদয় বিদ্যালয়ৰ ধনঞ্জয় বুঢ়াগোহাঁয়ে (H.S 2nd Year) দ্বিতীয় স্থান আৰু পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ তুৰিন্দ্ৰম মৰাণে (H.S 2nd Year) তৃতীয় স্থান লাভ কৰে। বৰ্তমান কৰ'নাকালীন পৰিস্থিতিৰ বাবে বঁটাসমূহ প্ৰদান কৰিব পৰা নগ'ল যদিও মহাবিদ্যালয়সমূহ খোলাৰ নিৰ্দেশনা পোৱাৰ লগে লগেই উক্ত স্থানপ্ৰাপ্তসকলক পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়লৈ আমন্ত্ৰণ কৰি পুৰস্কৃত কৰা হ'ব বুলি মহাবিদ্যালয় কৰ্তৃপক্ষই জানিবলৈ দিয়ে।

## ৰৌতা ষ্টেচনক মাইক্ৰ' কণ্টেইনমেণ্ট জ'ন ঘোষণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰৌতা চাৰিআলি, ২ জুন ঃ** ৰাজ্যখনৰ অন্যান্য জিলাবোৰৰ দৰে ওদালগুৰি জিলাখনৰ বৃহত্তৰ ৰৌতা অঞ্চলতো ক'ভিডৰ দ্বিতীয় পৰ্যায়ৰ লহৰে ভয়ানক ৰূপ ধাৰণ কৰিছে। ৰৌতা অঞ্চলতৰ চহৰ-নগৰসমূহৰ লগতে গাঁওবোৰ ক'ভিড ৰোগৰ গণ সংক্ৰমণলৈ পৰ্যৱসিতঃ হ'ব ধৰিছে। কাৰণ ৰৌতা চাৰিআলি চহৰকে ধৰি কেইবাখনো গাঁৱত এই ক'ভিডৰ গণ সংক্ৰমণ অধিক সংখ্যক লোকৰ দেহলৈ যোৱাৰ পাছত এইবাৰ ৰৌতা চাৰিআলি চহৰৰ পৰা প্ৰায় ৩ কিলোমিটাৰ দূৰত্বত অৱস্থিত ৰৌতা ষ্টেচনতো ভয়ানকভাৱে দিনক দিনে বৃদ্ধি পাই আহিছে ক'ভিড-১৯ আক্ৰান্তৰ সংখ্যা। প্ৰতিদিনে পুৱা আৰু গধূলি আই আৰু বাপসকলৰ নাম-প্ৰসংগ চলি থকা জগত গুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ শাখা সত্ৰৰ স্থান, ৰৌতা ষ্টচনৰ বিশিষ্ট গেলামাল ব্যৱসায়ী মৃণালকান্তি কাকতি, অজিতদেৱ নাথ, ছাত্ৰ সমীৰণ দাস, দীপজ্যোতি কলিতা, শিখা চক্ৰৱৰ্তী, পূজা চক্ৰৱৰ্তীকে ধৰি ৬ জনৰ দেহত ৰেপিড এন্টিজেন টেষ্টত ক'ভিডৰ উপস্থিতি ধৰা পৰাত ওদালগুৰি ৰাজহ চক্ৰ বিষয়া নেতৃত্বত অহা দল এটাই কালি ৰৌতা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া হেমন্ত বৰুৱাৰ উপস্থিতিত ৰৌতা ষ্টেচনত আবেলি প্ৰায় ৩ বজাত ১৪ দিনৰ বাবে মাইক্ৰ' কণ্টেইনমেণ্ট জ'ন ঘোষণা কৰে। চৰকাৰে বান্ধি দিয়া নীতি-নিয়মসমূহ মানি চলিলে অনাগত দিনত অতি সোনকালেই মহামাৰীৰ প্ৰাদুৰ্ভাৱৰ পৰা হাত সাৰি থাকিব পাৰিব বুলিও প্ৰশাসনিক সেৱাৰ বিষয়া দুগৰাকীয়ে মন্তব্য কৰে। তদুপৰি পজিটিভ ধৰা পৰা পৰিয়ালকেই টাক একোটাকৈ খাদ্যসামগ্ৰীৰ টোপোলা প্ৰদান কৰে। ৰৌতা আৰু গুৱাহাটী চিকিৎসালয়ৰ লগতে হোম আইছ'লেশ্যনত থকা ক'ভিডত আক্ৰান্ত এই ৰোগীসকলৰ অতি সোনকালে ক'ভিডৰ পৰা মুক্তি লাভ কৰা বাবে আশুআৰোগ্য কামনা কৰে শাখা সত্ৰ নগৰী ৰৌতা ষ্টেচনৰ ৰাইজে।

## সৰস্বতীখ্যাত নিৰ্মলপ্ৰভা বৰদলৈক নলবাৰী জিলা সাহিত্য সভাৰ স্মৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, টিহু, ২ জুনঃ** ডঃ নিৰ্মলপ্ৰভা বৰদলৈয়ে অসমীয়া গীতি সাহিত্যক জনপ্ৰিয় কৰাৰ ক্ষেত্ৰত আগ বঢ়োৱা অৱদান যুগৰপৰা যুগলৈ জিলিকি থাকিব । তেওঁ ঔপন্যাসিক হ'লেও তেওঁৰ জীৱনটোও আছিল মহাকাব্যিক । এইগৰাকী শিক্ষাবিদ, মহীয়সী নাৰী আৰু কিছুদিন জীয়াই থাকিলে অসমীয়া ভাষা সাহিত্যৰ বেদীলৈ অধিক উল্লেখনীয় সম্পদ আগ বঢ়ালেহেঁতেন । — এই মন্তব্য নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মাৰ । আজি অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডঃ নিৰ্মলপ্ৰভা বৰদলৈৰ স্মৃতি দিৱস উপলক্ষে শিক্ষা, সাহিত্য, লোকসংগীত সাধকগৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি দিয়া ভাষণত তেওঁ অসম সাহিত্য সভাৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত সম্পাদক, অসম আন্দোলনৰ এগৰাকী অগ্ৰণী নেতা ৩০ মে'ত দেহাৱসান হোৱা সমীৰণ বৰদলৈ এগৰাকী দুৰন্ত সাহিত্য সংগঠক বুলি দোহাৰি তেওঁ অসম সাহত্য সভালৈ আগ বঢ়োৱা অৰিহনাৰ বিষয়ে কয় । নলবাৰী জিলা সাহিত্য সভাৰ নন্দনতাত্ত্বিক ত্ৰৈলোক্যনাথ গোস্বামী পুথিভঁৰালত আয়োজিত এই অনুষ্ঠানৰ আঁত ধৰি উদ্দেশ্য ব্যাখ্যাৰে নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক পংকজ বেজবৰুৱায়ো সৰস্বতী খ্যাত ডঃ নিৰ্মলপ্ৰভা বৰদলৈৰ শিক্ষা, লোকসংগীত আৰু সাহিত্য জগতলৈ আগ বঢ়োৱা অৱদানৰ বিষয়ে কয় । অনুষ্ঠানত নলবাৰী জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক ডঃ অনুপম কলিতা, কবি জয় চন্দ্ৰ শৰ্মা আৰু সাহিত্যসেৱক নৱদীপ বৰকটকীয়ে নিৰ্মলপ্ৰভা বৰদলৈৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি



### ওৰাং, মাজবাট, ৰৌতাত ক'ভিডৰ গণ সংক্ৰমণ দ্ৰুততৰ

## চাহ বাগিচাসমূহৰ মালিক-পৰিচালকসকলৰ গুৰুত্ব নাই ক'ভিড পৰীক্ষা, ভেকচিন প্ৰদানৰ ক্ষেত্ৰত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২ জুনঃ** সমগ্ৰ অসমতেই ক'ভিড-১৯ ৰ দৰে মাৰাত্মক ৰোগত আক্ৰান্তৰ সংখ্যাই কপালত চকু উঠাবলৈ অসমৰ জনগণক কৰ'না মহামাৰীয়ে বাধ্য কৰোৱাৰ সময়ত ওৰাং স্বাস্থ্যকেন্দ্ৰৰ অধীনস্থ ওদালগুৰি জিলাৰ ৰৌতা, মাজবাট, ৰৌতা অঞ্চলক কালান্তক ক'ভিডৰ দ্বিতীয় পৰ্যায়ৰ ঢৌৱে বাৰুকৈয়ে স্পৰ্শ কৰিছে । কাৰণ প্ৰতিদিনে ৰেপিড এন্টিজেন টেষ্টত ক'ভিডত আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাই অহা পৰিলক্ষিত হৈছে । শেহতীয়াকৈ ৰৌতা আৰক্ষী থানাৰ অন্তৰ্গত গাঁওবোৰৰ লগতে ৰৌতা চাৰিআলি আৰু ৰৌতাষ্টেচনত আক্ৰান্তৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পাই অহাৰ পিছত গণ সংক্ৰমণৰ সম্ভাৱনা প্ৰবল হৈ পৰিছে । বিশ্বৰ কাল ক'ভিডৰ ৰোগে সমগ্ৰ ৰৌতা , ওৰাং , মাজবাট , মাজবাটৰ চাহ বাগান আদি সমূহ অঞ্চলত মহিলা, পুৰুষ, শিশু আদিকে ধৰি শতাধিক লোক এই ৰোগত আক্ৰান্ত হৈছে। বৰ্তমান ৰৌতা, ধনশ্ৰীঘাট, ওৰাং, মাজবাট আৰু ৰৌতা ষ্টেচনৰ আদি ঠাইৰ কেইবাজনো ক'ভিডত আক্ৰান্ত লোক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পাতাল, গুৱাহাটীৰ ব্যক্তিগত খণ্ডৰ চিকিৎসালয়, তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পাতাল, ওদালগুৰি জিলা অসামৰিক চিকিৎসালয়, ৰৌতা আদৰ্শ চিকিৎসালয়কে ধৰি কেইবাখনো ক'ভিড চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত আছে। ৰৌতা, ওৰাং, মাজবাট, পাউৰিপেটা আদি অঞ্চলত হোম আইছ'লেছনত থাকিও বহুতো লোকে লৈ আছে ক'ভিড ৰোগৰ চিকিৎসা। ক'ভিডত আক্ৰান্ত হৈ বৰ্তমানলৈ ৰৌতা অঞ্চলত মৃত্যু ঘটিছে ৪ গৰাকীৰ মৃত্যু ঘটিছে । সন্মুখৰ পৰাই এইবোৰ দেখিও কিছু সংখ্যক লোকে চৰকাৰে কঠোৰ ভাৱে বান্ধি দিয়া সামাজিক দূৰত্ব ধোঁৱাচাঙত তুলি থৈ জুম পাতি থকা, মাস্ক ব্যৱহাৰ নকৰাকৈ ঘূৰি ফুৰাৰ দৃশ্য ৰৌতা , ওৰাং, মাজবাটৰ লগতে অধিক সংখ্যক গাঁৱতে সুলভ হৈ থকা দেখা গৈছে । ইয়াৰ পিছতো হোম আইছ'লেছনত থকা লোকৰ পৰিয়ালৰ সদস্যই বাধাহীনভাৱে ওলাই দোকান বজাৰত মুকলিকৈ অহা-যোৱা কৰাৰ ভীষণ অভিযোগ পোৱা গৈছে যদিও আজিলৈকে মাজবাট , ৰৌতা ,ওৰাং আদি আঞ্চলত চলি আছে ক'ভিড ৰেপিড এন্টিজেন টেষ্টৰ লগতে টিকাকৰণৰ কাৰ্যসূচী । ইফালে চৰকাৰীভাৱে ক'ভিডৰ প্ৰতিষেধকৰ কোনো পধ্য ৰাজ্যখনত অভাৱ নাই বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৈ থকাৰ সময়তে ওৰাং , ৰৌতা, মাজবাট আদি ভেকচিনেশ্যন কেন্দ্ৰত সমূহত ৪৫বেছৰৰ উৰ্ধত প্ৰায় ১৩হেজাৰ আৰু ১৮ৰ পৰা ৪৪ বছৰলৈ ৪হেজাৰ হেজাৰ গৰাকী ভেকচিনৰ দি অহাৰ বিপৰীতে বহুলোকে ভীৰ কৰে। কোনো সামাজিক ব্যৱধান নথকাকৈয়ে ৰৌতা চাৰিআলি ভেকচিন কেন্দ্ৰৰ সন্মুখত ভেকচিনৰ বাবে অপেক্ষা কৰা ৰাইজে চিকিৎসালয়ৰ কৰ্তৃপক্ষই সময়মতে ভেকচিন কেন্দ্ৰ নোখোলা বুলি অভিযোগো উঠিছে । ৰাজ্য চৰকাৰ, আৰু স্বাস্থ্য বিভাগৰ সকলো বিষয়া কৰ্মচাৰী , স্বাস্থ্যৰ লগত জড়িত সকলো শ্ৰেণীৰ কৰ্মচাৰী সকলৰ লগতে অসমৰ প্ৰত্যেক জিলাতেই বিজেপি কাৰ্য্যকৰ্তা সকলে ৰাইজৰ মাজত বিভিন্ন ধৰণে সজাগতা অনাৰ চেষ্টা কৰি থকা সময়তো মাজবাট , ওৰাং ,ৰৌতা আদি অঞ্চলত কিছু সংখ্যক লোকে ক'ভিড নিয়ম উলঙঘন কৰি অহা বিষয়ত সাংবাদিকৰ সতে মাজবাটৰ বিজেপি নেতা কিশোৰ শৰ্মাৰ হোৱা কথা বাৰ্তাত মাজবাটৰ যুৱ নেতা কিশোৰ শৰ্মাই কয় যে এই ক'ভিড আইন মানি চলাটো অত্যন্ত প্ৰয়োজন আৰু এতিয়ালৈ যিসকল ব্যক্তিয়ে এতিয়াও সজাগ হোৱা নাই, কিছুমানে ভেকচিন লোৱা নাই, টেষ্ট কৰোৱা নাই তেওঁলোকক অনতিপলমে স্বাস্থ্য কেন্দ্ৰৰ লগত যোগাযোগ কৰি চৰকাৰক এই ৰোগ নিৰাময়ৰ বাবে লোৱা সকলো প্ৰয়াসত মাজবাট বিধানসভা সমষ্টিৰ সমূহ ৰাইজক কিশোৰ শৰ্মাই চৰকাৰক সহায় কৰাৰ লগতে আমাৰ অঞ্চলৰ পৰা ৰোগ নিৰাময় আহ্বান জনায় । আনহাতে ওৰাং, মাজবাট অঞ্চল সমূহৰ চাহ বাগিছাৰ পৰিচালক সকলে কভিড ভেকচিন প্ৰদানৰ ক্ষেত্ৰত বিশেষ ভাৱে সহযোগিতা কৰাৰ বিপৰীতে পৰোক্ষভাৱে ভাবে বাধা , হেমাহী, চুড়ান্তভাৱে অবহেলা কৰাৰ ফলত অধিকাংশ শ্ৰমিক সকলে কভিড পৰীক্ষা আৰু ভেকচিন নোলোৱাটোহে দেখিবলৈ পোৱা গৈছে ।

# নাজিৰাৰ নতুন মহকুমাধিপতিয়ে প্ৰকাশ কৰিলে ড্ৰাগছৰ বিৰুদ্ধে শূন্য সহনশীলতা

## ৰাইজৰ উন্নতি অসীমলৈ প্ৰসাৰ কৰাৰ সদিচ্ছা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা,২ জুনঃ** নাজিৰাত ৰাইজৰ হকে কাম কৰাৰ অঙ্গীকাৰ প্ৰকাশ কৰিছে নৱ নিযুক্ত মহকুমাধিপতি সব্যসাচী কাশ্যপে। প্ৰশাসনৰ সভাকক্ষত কালি স্থানীয় সাংবাদিক সকলৰ সৈতে পৰিচয় পৰ্বত ২০১০ চনত অসম প্ৰশাসনীয় সেৱাৰ পদত নিযুক্ত হৈ শেহতীয়াকৈ বৰপেটা জিলাৰ অতিৰিক্ত উপায়ুক্তৰ পদবীৰ পৰা নাজিৰা মহকুমাৰ মহকুমাধিপতি পদলৈ বদলি সূত্ৰে আহি পৰহি যোগদান কৰা বিষয়া গৰাকীয়ে নাজিৰাৰ ৰাইজৰ উন্নতি কল্পে কাম কৰি যোৱাৰ অঙ্গীকাৰ প্ৰকাশ কৰাৰ লগতে উন্নতিৰ কোনো সীমা নাথাকে বুলি মন্তব্য কৰিছে। সাংবাদিক সকলৰ তৰফৰ পৰা বিষয়াজনক গামোচাৰে আদৰণি জনাই নাজিৰাৰ উন্নয়নত আপোচবিহীন প্ৰশাসনিক নেতৃত্বৰ দাবী কৰে সাংবাদিক সকলে। বাট-পথ, সীমান্ত সমস্যা, পৰিবেশ প্ৰদুষণ, নদীৰ বুকুত বে-দখল আৰু খননৰ জৰিয়তে প্ৰকৃতি ধ্বংস কাৰ্য চলি থকা, উঠি অহা প্ৰজন্ম ড্ৰাগছ আসক্তিত উটি যোৱা, যোগান বিভাগৰ মাজেৰে হিতাধিকাৰী হৈও বঞ্চিত হৈ থকা, অবৈধ শিল আৰু মাটিৰ খনন, অসম নগালেণ্ড সীমান্তত [illegible] একাংশ বিষয়া আৰু এচাম দালাল চক্ৰই নগালেণ্ডৰ হাতত অসমৰ মাটি চমজাই দিয়া কাৰ্য্য, নাজিৰা আৰু শিমলুগুৰি নগৰত [illegible] ভূমি বে-দখল, অসমৰ ভূমিৰ চাহ-বাগিচাৰ নগালেণ্ডৰ নামেৰে নামকৰণ ঘটাই [illegible] কৰা, সাধাৰণ পৰিবহণৰ বাহন সমূহে ক'ভিড প্ৰটকল অমান্য কৰা আদি নাজিৰাৰ ৰাইজে নিতৌ সন্মুখীন হৈ অহা সমস্যা সমূহৰ বিষয়ে মহকুমাধিপতিৰ দৃষ্টি আকৰ্ষণ কৰে। আনহাতে চৰকাৰী নীতি [illegible] মাটিৰ দখল কৰাত এচাম লোকৰ হাত উজান দি ইন্ধন যোগোৱা আৰু মূৰকত [illegible] নাজিৰা নগৰত অতি প্ৰয়োজনীয় পোষ্ট অফিচৰ বাবে ভূমি নোহোৱা বিষয় মহকুমাধিপতিক অৱগত কৰোৱা হয়। ভূমি নোহোৱা অৱস্থাত [illegible] ঘৰ ভাড়া লৈ কাৰ্য চলোৱা [illegible] উঠাই লৈ যোৱাৰ দৰে ঘটনা সংঘটিত হৈছে। শিক্ষা বিভাগৰ উপ-পৰিদৰ্শকৰ কাৰ্য্যালয় ভাড়াঘৰত [illegible] সংবাদিক সকলে [illegible]। আনহাতে ড্ৰাগছৰ বিপক্ষে শূন্য সহনশীল নীতি লৈ চৰকাৰ আৰু প্ৰশাসন আগবঢ়া বুলি প্ৰকাশ কৰি মহকুমাধিপতিয়ে সকলো বিকাশৰ গুৰিত ৰাইজ আৰু সংবাদ সেৱী সকলৰ সহযোগ কামনা কৰে। জ্যেষ্ঠ সাংবাদিক অনুজ ৰাজখোৱা, বুলু চেতিয়া, অনন্ত কলিতা, ভাস্কৰজ্যোতি বৰগোহাঞি, দিলীপ হাজৰিকা, মনোজ দত্ত, মিণ্টু চিত্ৰকৰ, নটৰাজ শৰ্মাৰ লগতে মুনীন্দ্ৰ শইকীয়া, নিপন বৰগোহাঞি আদিয়ে বক্তব্য দাঙি ধৰে। মহকুমা নিৰ্বাচনী বিষয়া সুজাতা গগৈ, মহকুমা খাদ্য আৰু অসামৰিক যোগান বিভাগৰ সহকাৰী সঞ্চালক নিৰঞ্জন বৰা, মহকুমা তথ্য আৰু জনসংযোগ বিষয়া বৰ্ণালী দত্ত কাৰ্য্যসূচীত থাকে।



# পাউৰীপোটা ৰাজ্যিক চিকিৎসালয়ত ক'ভিড ভেকচিন প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি,২ জুনঃ** ওদালগুৰি জিলাৰ লগতে মাজবাট বিধানসভা সমষ্টিৰ অন্তৰ্গত ওৰাংৰ পাউৰীপোটা ৰাজ্যিক চিকিৎসালয়ত ৪৫ বছৰৰ ঊৰ্দ্ধৰ লোকসকলক মুঠ ৯৯ জনক ক'ভিড ভেকচিন প্ৰদান কৰাৰ উপৰিও ২৪৯ জনক ক'ভিড পৰীক্ষা কৰোৱাৰ সময়ত তাৰে ভিতৰত ৫ জনৰ দেহত পজিটিভ ভাইৰাছ ধৰা পৰে। তাৰে এজনক ৰৌতা স্থিত ৰৌতা মডেল হস্পিতালৰ ক'ভিড চেণ্টাৰত থাকিবলৈ নিৰ্দেশ দিয়াৰ উপৰিও দুজনক হোম আইশলেশ্যনত থকাত উপদেশ দিয়ে। এইদৰে অসম চৰকাৰৰ নিৰ্দেশ মৰ্মে স্বাস্থ্য কৰ্মী সকলে ৰাইজৰ সেৱাৰ্থে যথেষ্ট কৰি থকা দেখা পোৱা গৈছে স্বাস্থ্য কৰ্মী সকলক। তাৰ বিপৰীতে এতিয়াও কিছু সংখ্যক লোকে মুখত মাস্ক পৰ্যন্ত নিপিন্ধাকৈ ঘূৰিফুৰাও পৰিলক্ষিত হৈছে। মাজবাট বিধানসভা সমষ্টিৰ যুৱ নেতা কিশোৰ শৰ্মাই পাউৰীপোতা ৰাজ্যিক চিকিৎসালয়ৰ লগত জড়িত সকলো বিষয়া কৰ্মচাৰী সকলক তেওঁলোকে ক'ভিড ১৯ৰ বিষয়ত ৰাইজৰ মাজত গৈ যিদৰে চৰকাৰী নীতি নিৰ্দেশনা পালন কৰি সুচাৰুভাৱে সকলো দিশত লক্ষ ৰাখি এইদৰে এই মাৰাত্মক ক'ৰোণাৰ দৰে মহামাৰীৰ পৰা জনগণক দূৰত ৰখাৰ বাবে ৰাইজৰ সুৰক্ষাৰ স্বাৰ্থত কৰি অহা দুখ কষ্ট আৰু তেওঁলোকে কৰা ত্যাগক সন্মান জনাই মাজবাটৰ যুৱ নেতা কিশোৰ শৰ্মাই স্বাস্থ্য কেন্দ্ৰটোৰ বিষয়া কৰ্মচাৰীৰ এনে কামৰ শলাগ লৈছে। আৰু লগতে যুৱ নেতা কিশোৰ শৰ্মাই মাজবাট বিধানসভা সমষ্টিৰ সমূহ ৰাইজক ক'ভিড প্ৰতি সজাগ হবলৈ আহ্বান জনাই যুৱ নেতা শৰ্মাই কয় যে ৰাজ্য চৰকাৰে দিয়া সকলো নীতি নিৰ্দেশনা পালন কৰি সমগ্ৰ অসমৰ ৰাইজক এই ৰোগৰ পৰা অতি সোনকালে মুক্ত কৰোৱাৰ ফালে আগুৱাই যোৱাত সকলোৰে সজাগ হৈ সহায় কৰা অত্যন্ত প্ৰয়োজন হৈ পৰিছে বুলি মন্তব্য কৰে। পাউৰীপোটা ৰাজ্যিক চিকিৎসালয়ত সেৱা আগবঢ়াই অহা সেৱক সকল ক্ৰমে ডঃস্নেহাস্মিতা ঘোষ, এম পি ডব্লিউ বীৰেন্দ্ৰ হাজং, GNM ৰিচা দৈমাৰী, ৰিংকু দৈমাৰী, এ বি পি এম মজাহিদ আলম, এএনএম মুনু দাস, আশা চুপাৰ ভাইজাৰ বিজুলী কলিতা দাস ফাৰ্মাচিষ্ট জি.এ.চাংমা আৰু লগতে উক্ত চিকিৎসালয়ত কৰ্মৰত চতুৰ্থ, তৃতীয় শ্ৰেণীৰ কৰ্মচাৰী চুইপাৰৰ লগতে এই স্বাস্থ্য কেন্দ্ৰৰ লগত জড়িত সকলোকে সন্মান জনাই যুৱ নেতা কিশোৰ শৰ্মাই শলাগ লৈছে।

# লংকাকাণ্ডক লৈ 'নেমছু'ৰ প্ৰতিক্ৰিয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধূলা,২ জুন ঃ** উত্তৰ-পূৰ্বাঞ্চল সংখ্যালঘু ছাত্ৰ সন্থা চমুকৈ নেমছুৰ কেন্দ্ৰীয় সমিতিয়ে এক প্ৰেছ বিবৃতিৰ জৰিয়তে হোজাই জিলাৰ উদালীৰ ক'ভিড কেয়াৰ হাস্পতালত কৰ্মৰত চিকিৎসক ডাঃ সেউজ কুমাৰ সেনাপতিৰ ওপৰত হোৱা আক্ৰমণৰ ঘটনাক তীব্ৰ গৰিহণা দিয়ে। সমগ্ৰ বিশ্বৰ লগতে অসমতো প্ৰতিগৰাকী স্বাস্থ্যকৰ্মীয়ে ক'ভিড -১৯ দৰে মহামাৰীৰ সময়তো নিস্বাৰ্থভাৱে চিকিৎসা সেৱাত ব্ৰতী আছে। নিজৰ জীৱনকো তুচ্ছ কৰি স্বাস্থ্যসেৱাত নিয়োজিত কৰ্মীসকলে ৰাইজৰ পৰা আদৰ আৰু চেনেহ পাবলৈ সক্ষম হৈছে। বহুসংখ্যক চিকিৎসাকৰ্মীয়ে নিজৰ জীৱনো বলিদান দিছে। কিন্তু এনে জটিল সময়ত হোজাই জিলাৰ উদালীৰ ক'ভিড১৯ হাস্পতালত সেৱা আগবঢ়াই থকা ডাঃ সেনাপতিক জঘন্যভাৱে প্ৰহাৰ কৰাটো বৰ্বৰতাৰ চূড়ান্ত নিদৰ্শন বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। এনে বৰ্ধিত কাৰ্যই চিকিৎসাকৰ্মীসকলৰ মনোবল দুৰ্বল কৰাটো স্বাভাৱিক। সেয়েহে এনে ধৰণৰ কাৰ্যক সময় থাকোতেই কঠোৰভাৱে দমন কৰিবলৈ অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক অনুৰোধ জনাইছে সংগঠনটোৱে। আনহাতে এই ঘটনাৰ লগত জড়িত দুষ্কৃতিকাৰীসকলক শীঘ্ৰে কৰায়ত্ত কৰি কঠোৰৰ পৰা কঠোৰতম শাস্তিৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক অনুৰোধ জনাইছে উত্তৰ-পূৰ্বাঞ্চল সংখ্যালঘু ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক জিয়াউল হকে।

# চিকিৎসক নিগ্ৰহৰ ঘটনাক কোচ- ৰাজবংশী সংগ্ৰাম সমিতিৰ গৰিহণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, পানীগাঁও,২ জুন ঃ** হোজাই জিলাৰ ফুলতলি আদৰ্শ চিকিৎসালয়ৰ ক'ভিড-১৯ সেৱা কেন্দ্ৰত নিষ্ঠাৰে কৰ্মৰত চিকিৎসক ডাঃ সেউজ কুমাৰ সেনাপতিৰ ওপতৰ একাংশলোকে চলোৱা বৰ্বৰোচিত আক্ৰমণক তীব্ৰ ভাষাৰে গৰিহণা দিছে কোচ-ৰাজবংশী সংগ্ৰাম সমিতিয়ে। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিজ্ঞপ্তিযোগে কোচ- ৰাজবংশী সংগাম সমিতিৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি ৰূপজ্যোতি দত্ত, সদৌ লখিমপুৰ জিলা কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি বিকাশ দত্ত, উপ-সভাপতি হেমন্ত কোচ, মিণ্টু বৰা, সাধাৰণ সম্পাদক নিতুল শইকীয়া আৰু প্ৰচাৰ সম্পাদক ভৱানন্দ্ৰ ৰাজখোৱাই-"হোজাইৰ গৰ্হিত ঘটণাৰ এক উচ্চপৰ্যায়ৰ তদন্তৰে দোষীক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰি, চিকিৎসক-নাৰ্ছকে ধৰি চিকিৎসা সেৱাৰ লগত জড়িত সকলো বিষয়া-কৰ্মচাৰীৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰক আহ্বাণ জনাইছে।



# লাহৰীঘাটত ভয়াৱহ অগ্নিকাণ্ড

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা,২ জুন ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট থানাৰ অন্তৰ্গত লাহৰীঘাট বজাৰত যোৱা ২৮ মে'ত অকস্মাত চিলিণ্ডাৰ ব্লাষ্ট হৈ ভয়াৱহ অগ্নিকাণ্ডৰ ফলত বহু সংখ্যক দোকান নিমিষতে পুৰি ভস্মীভূত হয়। তাৰ ভিতৰত আটাইতকৈ বেছি লোকচান লাইভ ড্ৰাগছ ডিষ্টিবিউটৰৰ হৈছে বুলি জানিব পৰা গৈছে। লাইভ ড্ৰাগ ডিষ্টিভিউটৰৰ স্বত্বাধিকাৰী ছিৰাজুল ইছলামে জনোৱা মতে প্ৰায় ৯০ লাখ টকাৰ লোকচান হয় । উল্লেখ্য যে ছিৰাজুল ইছলামে জনোৱা মতে লাইভ ড্ৰাগ ডিষ্টিভিউটৰৰ বৰ্তমানলৈ দোকানৰ সকলো ধৰণৰ টে' ক্ৰমে চেলটে', ইনকাম টে' আৰু জি এছ টি সম্পূৰ্ণ পৰিশোধ কৰা আছে। অৱশ্যে এই অগ্নিকাণ্ডৰ লোকচানৰ তথ্য অগ্নিনিৰ্ব্বাপক বাহিনীৰ কাৰ্যালয়তো জমা দিয়া হৈছে বুলি ছিৰাজুল ইছলামে মৌখিক ভাবে সাংবাদিকক জনাইছে। সম্প্ৰতি লাইভ ড্ৰাগ ডিষ্টিভিউটৰৰ স্বত্বাধিকাৰী আৰ্থিক ভাৱে সম্পূৰ্ণ ৰূপে জুৰুলা হৈ উপায়হীন হৈ ঘৰতে বহি আছে ।এই ক্ষেত্ৰত চৰকাৰৰ ওচৰত সহায় বিচাৰি আবেদন জনোৱা হল। প্ৰণিধানযোগ্য যে অগ্নিকাণ্ডৰ পিছত লাহৰীঘাটৰ স্হানীয় প্ৰশাসন, জিলা আৰক্ষী অধীক্ষক, ধিং সমষ্টিৰ বিধায়ক আমিনুল ইছলাম, লাহৰীঘাট সমষ্টিৰ বিধায়ক ডাঃ আচিফ মহম্মদ নাজাৰ , বি জে পি দলৰ জেষ্ঠ নেতা সকল আৰু মিডিয়াৰ সাংবাদিক সকলেও পৰিস্থিতিৰ বুজ লয়।

# মায়ঙত ক'ভিড আক্ৰান্ত পৰিয়ালৰ মাজত খাদ্য বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও,২ জুন ঃ** নিতৌ নতুন নতুন অঞ্চললৈ ক'ভিড ১৯ ভাইৰাছৰ সংক্ৰমণ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনে ঠাই বিশেষে কন্টেইনমেন্ট জ'ন আৰু হোম কুৱাইন্টাইন কৰাৰ ফলশ্ৰুতিতেই একাংশ পৰিয়ালৰ মাজত খাদ্য



সংকটৰ লগতে নানা ধৰণৰ অভাৱে দেখা দিছে। ইতিমধ্যে মৰিগাঁও জিলাৰ অন্তৰ্গত মায়ং আৰক্ষী চকীৰ অন্তৰ্গত প্ৰায়বোৰ গাঁৱতেই দুই এক পৰিয়ালৰ মাজত এই ৰোগৰ সংক্ৰমণ ঘটিছে। ঠাই বিশেষে কিছু আক্ৰান্ত ৰোগী আৰক্ষী প্ৰশাসনৰ অজ্ঞাতে গোপনে গোপনে ঘূৰি ফুৰাও প্ৰত্যক্ষ দৰ্শীৰ দৃষ্টিগোচৰ নোহোৱা নহয়। তেনে অৱস্থাত নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি অহৰহ নিৰাপত্তাৰ দিশত সেৱা আগবঢ়ায় থকা আৰক্ষীৰ লোকসকলৰ স্বাস্থ্যজনিত নিৰাপত্তাৰ অৰ্থে বিশিষ্ট হোমিওপেথিক চিকিৎসক ৰঞ্জিত কুমাৰ নাথে আগবঢ়োৱা কিছু হেণ্ড চেনিটাইজাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া প্ৰাঞ্জল চেতিয়াৰ হাতত অৰ্পন কৰাৰ ওপৰিও মৰিগাঁও-জাগীৰোডৰ সাংবাদিক ক্ৰমে ভৰত কুমাৰ নাথ, চন্দন হীৰা, পিংকু দেৱ নাথ, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক পৰেশ চন্দ্ৰ চৌধুৰী, সঞ্জয় বিশ্বাস আৰু অতুল বিশ্বাসৰ নিজা সামৰ্থ অনুসাৰে মা' আৰু খাদ্য সামগ্ৰী ক্ৰয় কৰি ৰজামায়ং আৰু কাছশিলা গাঁৱৰ হোম কুৱাইন্টাইন হৈ থকা পৰিয়ালসমূহৰ মাজৰপৰা ৩০ টা দুখীয়া পৰিয়ালক বিতৰণ কৰে।

# বিশ্বনাথ চাৰিআলি অসামৰিক চিকিৎসালয়ত চিকিৎসক, স্বাস্থ্য কৰ্মীৰ কৰ্মবিৰতি পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাভৈ,২ জুনঃ** কৰ'নাতংকৰ মাজতে এতিয়া চিকিৎসকক আক্ৰমণ কৰাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে সমগ্ৰ ৰাজ্যতে। সমগ্ৰ ৰাজ্যৰ লগতে আজি বিশ্বনাথ চাৰিআলি অসামৰিক চিকিৎসালয়তো চিকিৎসক,স্বাস্থ্যকৰ্মীৰ দ্বাৰা কৰ্মবিৰতি পালন কৰা হয়। লংকাৰ উদালীত চিকিৎসক আক্ৰমণৰ ঘটনাৰ প্ৰতিবাদত এই কৰ্মবিৰতি পালন কৰা হয় বুলি জানিব পৰা গৈছে। কেৱল জৰুৰীকালীন সেৱাসমূহৰ বাহিৰে বহিঃবিভাগৰ সকলো চিকিৎসা সেৱা বন্ধ বিশ্বনাথ অসামৰিক চিকিৎসালয়ত। অসম চিকিৎসা সেৱা সন্থাৰ সিদ্ধান্ত ক্ৰমে চিকিৎসক আৰু স্বাস্থ্যকৰ্মীসকলে ক'লা বেজ পৰিধান কৰি প্ৰতিবাদ সাব্যস্ত কৰে। দোষীক কঠোৰ শাস্তি প্ৰদান কৰাৰ লগতে চিকিৎসকসকলৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ দাবী জনায়।

# দক্ষিণ কামৰূপৰ নৈৰ খহনীয়া প্ৰতিৰোধী আঁচনি পৰিদৰ্শন জলসম্পদ মন্ত্ৰীৰ

## যি কাম কৰো সেয়া স্থায়ী কাম কৰিম — মন্ত্ৰী পীযূষ হাজৰিকা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা,২ জুনঃ** প্ৰথমবাৰৰ বাবে জলসম্পদ মন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰি নিজৰ অভিজ্ঞতা সঞ্চয়ৰ বাবে দক্ষিণ কামৰূপত ৰূপায়ণ হৈ থকা গৰা খহনীয়া প্ৰতিৰোধী আঁচনিৰ কাম চাবলৈ আহি যি কাম কৰে সেয়া তেওঁৰ দিনত স্থায়ী কাম কৰিব বুলি মন্তব্য কৰে। গৰাখহনীয়া প্ৰতিৰোধী স্থায়ী কাম বাৰিষাৰ সময়ছোৱাত কৰিবলৈ দি আমোলা বিষয়াক লুণ্ঠন চলোৱাৰ সুবিধা নিদিয়ে বুলিও হুংকাৰ দিলে জলসম্পদ মন্ত্ৰী পিযূষ হাজৰিকাই। দেশে স্বাধীনতা লাভ কৰা সময়ৰে পৰা সমগ্ৰ দক্ষিণ কামৰূপত মহাবাহু ব্ৰহ্মপুত্ৰই কালৰূপ ধাৰণ কৰি বৰ্তমানলৈ তিনি কুৰিতকৈও অধিক গাও নিজৰ বিশাল বুকুত সামৰি লোৱাৰ পিছত পলাশবাৰী, দখলা, গুইমাৰা, চিমিনা আৰু ছয়গাও সমষ্টিৰ আমবাৰী আদিত মহাবাহু ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ স্থায়ী প্ৰতিৰোধৰ বাবে ৰূপায়ণ কৰা কোটি টকীয়া অভিলাষী আঁচনিৰ কাম প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। এই আঁচনিৰ কাম পৰিদৰ্শন তথা বুজ লোৱাৰ উদ্দেশ্যৰে আজি ৰাজ্যৰ নৱনিযুক্ত জলসম্পদ বিভাগৰ মন্ত্ৰী পিযূষ হাজৰিকাই পলাশবাৰী সমষ্টিত উপস্থিত হৈ এইদৰে মন্তব্য কৰে। প্ৰথমে পলাশবাৰীৰ কালভোগ নদীৰ ওপৰত ব্ৰহ্মপুত্ৰ ইনফ্ৰাষ্টাকচাৰ প্ৰাইভেট লিমিটেড কোম্পানীয়ে ৪.৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা চুইচগেট পৰিদৰ্শন কৰি বুজ লয়। লগতে নদীবান্ধৰ কামত ব্যৱহৃত হোৱা জিঅ' বেগ তথা বোল্ডাৰ কেজিং আৰু পিটচিং সন্দৰ্ভত বুজ লৈ বোল্ডাৰৰ ওপৰত চিমেণ্টৰ প্ৰলেপ দিলে কিমান খৰচ হয় সেই সন্দৰ্ভত বিষয়াসকলক অৱগত কৰিবলৈ জনায়। ইয়াৰ পিছতেই সংবাদ মাধ্যমত মন্ত্ৰী হাজৰিকাই অভিজ্ঞতা সঞ্চয়ৰ বাবে পলাশবাৰীত উপস্থিত হোৱা বুলি মন্তব্য কৰি যি কাম কৰে সেয়া তেওঁৰ দিনত স্থায়ী কাম হ'ব লাগিব বুলি মন্তব্য কৰে। গৰাখহনীয়া প্ৰতিৰোধৰ স্থায়ী কাম বাৰিষাৰ সময়ছোৱাত কাম কৰিবলৈ দি বিষয়া-আমোলাক লুণ্ঠন চলোৱাৰ সুবিধা নিদিয়ে বুলিও হুংকাৰ দিয়ে মন্ত্ৰীগৰাকীয়ে। লগতে ৪.৫ কোটি টকাৰে নিৰ্মাণ হোৱা পলাশবাৰী কালভোগ নদীৰ ওপৰত নিৰ্মাণ হোৱা চুইচ গেটত অনিয়ম তথা ৰেলিং সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত যদি কিবা বিসংগতি হৈছে নিশ্চয় বিভাগীয়ভাৱে বিষয় সন্দৰ্ভত ব্যৱস্থা গ্ৰহণ কৰিব বুলি মন্তব্য কৰে মন্ত্ৰীগৰাকীয়ে। ইয়াৰ পিছতেই দখলালৈ গৈ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰি বুজ লয়। আনহাতে ছয়গাঁও আৰু পলাশবাৰী সমষ্টিৰ সীমামুৰীয়া অঞ্চল আমবাৰীত কিছুদিনৰে পৰা পূৰ্বে মহাবাহু ব্ৰহ্মপুত্ৰই তীব্ৰ কালৰূপ ধাৰণ কৰা অঞ্চলত গৈ মন্ত্ৰী পিযুষ হাজৰিকাই পৰিদৰ্শন কৰি বুজ লয়। ইতিমধ্যে খহনীয়া প্ৰতিৰোধৰ বাবে উক্ত অঞ্চলটো প্ৰায় তিনি কোটি টকা ব্যয় সাপেক্ষে জিঅ' বেগ পেলাই থকা হৈছে। দুয়োটা সমষ্টিৰ বিধায়ক দুগৰাকীক লগত লৈ উক্ত অঞ্চলটোৰ কেইবাদিনও ধৰি সৃষ্টি হৈ থকা খহনীয়া কিদৰে তাৎক্ষণিকভাৱে প্ৰতিৰোধ কৰিব পাৰি সেই সন্দৰ্ভত আলোচনা কৰে। নদীবাদ পৰিদৰ্শন সময়ছোৱাত মন্ত্ৰীগৰাকীৰ সৈতে সংগ দিয়ে কামৰূপ জিলা উপায়ুক্ত কৈলাশ কাৰ্তিক এন, অসম চৰকাৰৰ জলসম্পদ বিভাগৰ মুখ্য অভিযন্তা বৰচিং ৰংপি, জলসম্পদ বিভাগৰ পলাশবাৰী গুমি প্ৰকল্পৰ কাৰ্যবাহী অধীক্ষক অভিযন্তা আব্দুল মহিম মজুমদাৰ, পলাশবাৰী টাউন প্ৰ'টেকচনৰ অধীক্ষক অভিযন্তা প্ৰণব দাস, পলাশবাৰী-গুমী মথাউৰি প্ৰকল্পৰ কাৰ্যবাহী অভিযন্তা প্ৰণব বৰা, সহকাৰী অভিযন্তা প্ৰদীপ মেধী, দিপাংকৰ ৰয়, জামাল, দীপক তালুকদাৰ, কুলেন দাস, কনিষ্ঠ অভিযন্তা বিভুতি শ্যামন্ত, পলাশবাৰী আৰু ছয়গাঁও ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ধৃতিস্মন দাস, জয়ন্ত বৰাকে ধৰি বহুকেইজন বিভাগীয় বিষয়া উপস্থিত উপস্থিত থাকে। অৱশ্যে শেহতীয়াভাৱে প্ৰতিৰোধী আঁচনি ৰূপায়নেৰে নৈপৰীয়াবাসীয়ে সুফল লাভ কৰিব বুলি আশা কৰিছিল যদিও বিষয়া আমোলাৰ বিয়াগোম দূৰ্ণীতিৰ বাবেই আঁচনিৰ সফল ৰূপায়ণ নোহোৱাৰ অভিযোগ উঠি উত্থাপিত হৈ আহিছে।জলসম্পদ বিভাগৰ দায়িত্ব লৈয়ে পিযূষ হাজৰিকাই যিধৰণৰ তৎপৰতা দেখুৱাইছে সেই তৎপৰতাৰে খহনীয়া প্ৰতিৰোধী কামসমূহ কৰিলে নিশ্চিতভাৱে যথেষ্ট খহনীয়া প্ৰতিৰোধ হ'ব। অৱশ্যে এই তৎপৰতা কিমান দিনলৈ থাকে সেইয়াহে লক্ষণীয় হ'ব। আনহাতে, আমবাৰীলৈ যোৱাৰ সময়ত মন্ত্ৰীগৰাকীৰ গাড়ীত উঠি ছয়গাৱৰ কংগ্ৰেছী বিধায়ক ৰেকিবুদ্দিন আহমেদে একেখন গাড়ীতেই গৈ উপস্থিত হৈ তৎপৰতা দেখুওৱা কাৰ্য ৰাজনৈতিক মহলত চৰ্চাৰ বিষয় হৈ পৰিছে।

# চাইকেলত বেগ বান্ধি গাঁৱে গাঁৱে আৰ্তজনক চিকিৎসা কৰা মহেন্দ্ৰ বৰাৰ মৃত্যু

**শোকস্তব্ধ চতিয়া**

**দৈনন্দিন বাৰ্তাৰ সেৱা, চতিয়া,২ জুন ঃ** সত্তৰৰ দশকতে চিকিৎসা বিজ্ঞানৰ ডিগ্ৰী গ্ৰহণ কৰিও মানৱ সেৱাক অগ্ৰাধিকাৰ দি চৰকাৰী চাকৰি নিবিচাৰি চতিয়াৰ গাঁৱে গাঁৱে চিকিৎসাসেৱা প্ৰদান কৰা চতিয়া এল বি ৰোড নিবাসী মহেন্দ্ৰ বৰাই (৭৪) মঙ্গলবাৰে বিয়লি প্ৰায় ৪.৩০ বজাত শেষ নিশ্বাস ত্যাগ কৰে। চতিয়াৰ সৰ্বস্তৰৰ মানুহৰ মাজত 'ভাইটি দা" ৰূপে পৰিচিত, মেধাবী মহেন্দ্ৰ বৰাই ১৯৬৪ চনত সুখ্যাতিৰে মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ পৰৱৰ্তী সময়ত গুৱাহাটী মেডিকেল কলেজৰ পৰা এম বি বি এছ ডিগ্ৰী লাভ কৰে। আৰম্ভণিতে তিনি মাহৰ বাবে পাভৈ চাহ বাগিচাত চিকিৎসক ৰূপে কাৰ্যনিৰ্বাহ কৰাৰ পিছত হঠাৎ পিতৃ বিয়োগ ঘটাত মধ্যবিত্ত পৰিয়ালটো পৰিচালনা কৰিবৰ বাবে চাকৰি ত্যাগ কৰি ঘৰলৈ ঘূৰি আহে। ইচ্ছা কৰা হ'লে সেই সময়তে এটা চৰকাৰী চাকৰি সহজে লাভ কৰিলেহেঁতেন। কিন্তু চতিয়াৰ গাঁৱে ভূঞে বাস কৰা আৰ্তজনৰ চিকিৎসাৰ বাবে নিজকে নিয়োজিত কৰি চতিয়া চহৰতে চেম্বাৰ খুলি বহিল। প্ৰথমতে এখন চাইকেল কিনি তাতে ডাক্তৰী বেগ বান্ধি চতিয়াৰ গাঁৱে গাঁৱে ৰোগী চাই ঘূৰি ফুৰিলে। সুচিকিৎসাৰ বাবেই তেওঁ চতিয়াৰ জনসাধাৰণৰ মাজত কম সময়ৰ ভিতৰতে জনপ্ৰিয় হৈ পৰিল। কিছুদিন আগলৈকে তেওঁ চতিয়াৰ অপৰিহাৰ্য চিকিৎসক হিচাপে পৰিগণিত আছিল। মধুমেহ ৰোগত আক্ৰান্ত মহেন্দ্ৰ বৰাৰ কেইবছৰমান আগেয়ে



হৃদযন্ত্ৰৰ এক জটিল অস্ত্ৰোপচাৰ হৈ গৈছিল। শেহতীয়া ভাবে নিজৰ ঘৰৰ চৌহদতে চিকিৎসা সেৱা আগবঢ়াই অহা মহেন্দ্ৰ বৰা আজি বিয়লি প্ৰায় তিনিবজাত অসুস্থ অনুভৱ কৰে। বুকুৰ বিষ আৰু শ্বাস প্ৰস্বাসত কষ্ট অনুভৱ কৰা বৰাৰ কিছু সময়ৰ পিছতেই মৃত্যু ঘটে। উল্লেখ্য, তেওঁৰ জ্যেষ্ঠা কন্যা গ্লাছগ'ত থাকে। মৃত্যুৰ পিছত স্বাস্থ্য বিভাগে কোভিড পৰীক্ষা কৰাত প্ৰয়াত চিকিৎসকগৰাকীৰ দেহত ক'ভিডৰ স্থিতি ধৰা পৰে। মহেন্দ্ৰ বৰাৰ মৃত্যুৰ বাতৰিত সমগ্ৰ চতিয়া শোকস্তব্ধ হৈ পৰিছে।

# বৰপেটাত ড্ৰাগছৰ বিৰুদ্ধে অব্যাহত আৰক্ষীৰ অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা,২ জুনঃ** বৰপেটা চহৰৰ দঙৰকুছিত ব্ৰাউন চুগাৰসহ তিনিজন ড্ৰাগছ ব্যৱসায়ী আটক। বৰপেটাৰ আৰক্ষীৰ তৎপৰতাত তিনিটা তিনিজন ড্ৰাগছ ব্যৱসায় আটক কৰিবলৈ সক্ষম হয়। ধৃত ড্ৰাগছ ব্যৱসায় বৰপেটাৰ তিনিজন হল দনাকুছি গাৱৰ ইমদাদুল ৰহমান আৰু খন্দকাৰপাৰা গাৱৰ চুৰপান আলী আৰু আব্বাছ আলী । তিনি ড্ৰাগছ ব্যৱসায়ীয়ে দঙৰকুছিত ড্ৰাগছ বিক্ৰী কৰি থকাৰ খবৰ লাভ কৰি বৰপেটা আৰক্ষীয়ে অভিযান চলাই তিনিওকে আটক কৰিবলৈ সক্ষম হয় ।লগতে আৰক্ষীয়ে ড্ৰাগছ ব্যৱসায়ী তিনিটাৰ পৰা ব্ৰাউন চুগাৰ ভৰ্তি ১১ টা কন্টেইনাৰ জব্দ কৰে। বৰপেটা চহৰৰ সমীপতে এনেদৰে মুকলিকৈ ব্ৰাউন চুগাৰ বিক্ৰী কৰি থকা অৱস্থাতে ড্ৰাগছ ব্যৱসায়ী আটকৰ ঘটনাক লৈ সত্ৰনগৰী বৰপেটাত চাঞ্চল্যৰ সৃষ্টি হৈছে।

# ছিপাঝাৰত পঞ্চায়ত সচিবৰ বদলিক লৈ প্ৰতিক্ৰিয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ,২ জুন ঃ** বিভাগৰ নীতি- নিৰ্দেশনা ধোঁৱাচাঙত উঠাৰ পঞ্চায়ত সমূহত বছৰৰ পিছত বছৰ ধৰি চৰকাৰৰ কোনো এটা বিভাগত বিষয়া কৰ্মচাৰী সকলে তিনি বছৰ কাৰ্যনিৰ্বাহ কৰিব পাৰে যদিও দৰঙৰ ছিপাঝাৰত কোনো কোনো পঞ্চায়তত চতুৰ আৰু ধনৱন্ত সচিব সকলে বদলিৰ নিৰ্দেশনাৰ পিছতো একেখন চকীতে ৭-৮ বছৰ ধৰি চাকৰি কৰি থাকিবলৈ সক্ষম হোৱাত অভিযোগ উত্থাপন হৈছে। বৰ্তমানৰ নতুন মিত্ৰজোঁট চৰকাৰৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সম্প্ৰতি আৰক্ষী প্ৰশাসন, জিলা উপায়ুক্ত সকলক জৰুৰী ভাবে বদলি কৰি বিভাগত স্বচ্ছ আৰু নিকা কৰিব বিচৰাতো এক ইতিবাচক পদক্ষেপ ।যাকলৈ ৰাইজ বাৰুকৈ সন্তুষ্ট। কিন্তু গ্ৰামোন্নয়ন বিভাগৰ পঞ্চায়ত সমূহত বছৰৰ পিছত বছৰ ধৰি কাৰ্যনিৰ্বাহ কৰি থাকি অনিয়মৰ হাতোৰা চলাই থকাৰ পিছতো বিভাগৰ আমোলা- বিষয়া নীৰৱ। উত্থাপিত অভিযোগ অনুসৰি বিভাগীয় ওপৰ মহলে ৰাইজক দেখুৱাই এনে কৰ্মচাৰী সকলক বদলিকৰণৰ নিৰ্দেশ দিয়ে যদিও ৰহস্যজনক ভাবে তেনে নিৰ্দেশনা ৰদ কৰি কৰ্তব্য কৰি যোৱাৰ সুবিধা কৰি দিয়া বুলি ৰাইজৰ মুখে প্ৰকাশ ।যাৰ জলন্ত উদাহৰণ ছিপাঝাৰৰ কোনো কোনো পঞ্চায়ত ।এই পঞ্চায়ত সমূহৰ সচিবে ওপৰ মহলৰ বিষয়া কৰ্মচাৰীৰ লগত ৰহস্যজনক গোপন মিতিৰালি থকাৰ বাবেই একেখন পঞ্চায়তৰ চকীতে ৭-৮ বছৰ ধৰি বহি থাকি আঁচনিত লুণ্ঠন চলাই থকাৰ সুবিধা লাভ কৰা বুলি প্ৰকাশ ।যি ভাগ ওপৰ মহলৰ বিষয়া কৰ্মচাৰীয়ে নিয়মিত পাই অহাৰ বাবে দেখিও নেদেখাৰ ভাওলৈ অহাৰ অভিযোগ উত্থাপন হৈছে।পঞ্চায়ত মন্ত্ৰী ৰণজিত কুমাৰ দাসে ধনৱন্ত আৰু ক্ষমতাশীল এই সকলক পঞ্চায়ত সচিবৰ বদলি কৰাৰ সাহস হ'ব নে ?

# স্বদেশী জাগৰণ মঞ্চৰ আহ্বান ক'ভিড ভেকচিন পেটেণ্টমুক্ত কৰি সকলো পক্ষকে উৎপাদনৰ সুযোগ দিয়ক

**দৈনন্দিন বাৰ্তাৰ সেৱা,২ জুন ঃ** বিশ্বৰ অধিকাংশ জনগণেই আজি কৰ'না ত্ৰাসৰ কবলত পৰি শংকিত হৈ আছে। এই মহামাৰীৰ চিকিৎসাৰ বাবে প্ৰস্তুত কৰা ঔষধ আৰু প্ৰতিষেধকৰ ওপৰত বৃহৎ আন্তঃৰাষ্ট্ৰীয় ফাৰ্মা কোম্পানীসকলে ইয়াৰ পেটেণ্ট (সৰ্বাধিক সুৰক্ষাপত্ৰ) কৰিছে যাৰ পৰিপ্ৰেক্ষিতত বৰ্তমান এই মহামাৰীৰ ঔষধ আৰু প্ৰতিষেধক সকলোৰে বাবে সহজলভ্য হৈ উঠা নাই। জীয়াই থকাৰ অধিকাৰ মানুহৰ সাৰ্বভৌম তথা মৌলিক অধিকাৰ। কিন্তু পৰিতাপৰ বিষয় যে বৃহৎ আন্তঃৰাষ্ট্ৰীয় কিছুমান কোম্পানীয়ে ব্যক্তিগত লাভ অৰ্জনৰ বাবে মানৱ জাতিৰ জীৱনৰ অধিকাৰলৈ প্ৰত্যাহ্বান নমাই আনিছে, যিটো হ'ব দিব নোৱাৰি। এই ঔষধ আৰু প্ৰতিষেধকৰ মূল্য সৰ্বসুলভ কৰাৰ বাবে, ভাৰতীয় জনসাধাৰণে প্ৰতিষেধক আৰু ঔষধ পেটেন্টমুক্ত কৰি প্ৰযুক্তিগত হস্তান্তৰৰ বাবে সক্ৰিয়ভাৱে এক অভিযান চলাই আছে, যদিও কভিডৰ চিকিৎসাৰ লগত জড়িত বহুতো ঔষধৰ স্থানীয় উৎপাদন হৈ আছে কিন্তু সমস্যাৰ গভীৰতালৈ চালে তথা দিনে দিনে বৃদ্ধি হোৱা আক্ৰান্তৰ সংখ্যালৈ লক্ষ্য কৰিলে এই উৎপাদন একেবাৰেই অপৰ্যাপ্ত। ইজৰাইল, আমেৰিকা, ইংলেণ্ড আদিকে ধৰি যি ৬খন দেশৰ বয়োজ্যেষ্ঠ জনসাধাৰণৰ টীকাকৰণ প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে সেই দেশত বৰ্তমান কৰোণা ত্ৰাসৰ অৱসান ঘটিছে। সেয়েহে ভাৰতকে ধৰি বিশ্বৰ সমগ্ৰ বয়োজ্যেষ্ঠৰ সংখ্যা ( প্ৰায় ৬০০ কোটি)ৰ তৎকালীন প্ৰতিষেধকৰ আৱশ্যক হৈছে। ইয়াৰ বাবে স্বদেশী জাগৰণ মঞ্চই ক'ভিডৰ প্ৰতিষেধক আৰু ঔষধসমূহক পেটেন্টমুক্ত কৰি ইয়াৰ উৎপাদনৰ বাবে সকলো উৎপাদকক প্ৰযুক্তিগতভাৱে ইয়াৰ উৎপাদন বৃদ্ধি কৰি সকলোৰে বাবে সুলভ কৰাৰ দাবীৰে জনজাগৰণ অভিযান চলাই আছে। ইয়াৰ অন্তৰ্গত দেশসমূহৰ বাহিৰতো প্ৰতিষেধক আৰু ঔষধ সৰ্বসুলভ কৰাৰ বাবে এই অভিযান চলি আছে। ইয়াৰ ভিতৰত ৱেবিনাৰ, সম্পৰ্ক প্ৰচাৰ, প্ৰদৰ্শন আদিৰ উপৰিও অনলাইন হস্তাক্ষৰ অভিযান সক্ৰিয়তাৰে চলি আছে। ভাৰততো কমেও ৭০শতাংশ জনসাধাৰণৰ টিকাকৰণৰ বাবে প্ৰায় ২০০কোটি দৰৱৰ মাত্ৰাৰ প্ৰয়োজন হ'ব। অতি জৰুৰীকালীনভাৱে বৃহৎ পৰিমাণৰ উৎপাদনৰ সুবিধা আৰু ইয়াক পেটেন্টমুক্ত তথা ব্যৱসায়ৰ বৌদ্ধিক অধিকাৰ সম্বন্ধীয় বাধাসমূহ দূৰ কৰাৰ বাবে আন্তৰাষ্ট্ৰীয় স্তৰৰ ব্যৱস্থা কৰিব লাগিব। বৌদ্ধিক সৰ্বসুলভ প্ৰতিষেধক তথা ঔষধৰ অভিযানৰ অন্তৰ্গত দেশ আৰু বিদেশৰ বিবিধ সামাজিক, সাংস্কৃতিক আৰু সকলো প্ৰকাৰৰ সংগঠন, শিক্ষা সংস্থান, বুদ্ধিজীৱী, ন্যায়াধীশ আৰু সকলো ব্যক্তিৰ পৰা সহযোগিতা লোৱা হৈছে। এই সম্বন্ধে কিছুমান বিশ্ববিদ্যালয় আৰু ভাৰতীয় বিশ্ববিদ্যালয়সমূহ লগ হৈ এক আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ আয়োজন কৰা হৈছিল। ভাৰত চৰকাৰে দক্ষিণ আফ্ৰিকাৰ সৈতে বিগত অক্টোবৰ মাহতে বুজাবুজিৰ মাজেৰে ইয়াক পেটেন্টমুক্ত কৰাৰ বাবে তথা মূল্য ৰেহাইৰ বাবে বিশ্ব বাণিজ্য সংস্থাত যি প্ৰস্তাৱ ৰখা হৈছিল সেই প্ৰস্তাৱক ১২০খন দেশে এতিয়ালৈ সমৰ্থন আগবঢ়াইছে। এই প্ৰস্তাৱৰ বিৰোধ কৰি থকা দেশসমূহ-কোম্পানীসমূহ-ব্যক্তিসমূহক আমি কৰযোৰে প্ৰাৰ্থনা কৰিছো যে মানৱ জাতিৰ হিতৰ বাবে তেওঁলোকে অনতিপলমে ইয়াৰ বিৰোধ কৰা বন্ধ কৰে যেন। UAVM, বিশ্ব বাণিজ্য সংস্থাৰ সৈতে বিশ্বৰ সকলো চৰকাৰক কৰযোৰে অনুৰোধ জনাইছোঁ যে— প্ৰতিষেধক উৎপাদন বৃদ্ধি কৰাৰ বাবে সকলো সম্ভাব্য উৎপাদনকাৰীৰ বাবে প্ৰতিষেধকৰ ঔদ্যোগিক হস্তান্তকৰণ, কেঁচামাল উপলব্ধতা, বাণিজ্যিক ৰহস্যসহ সকলো সুবিধা সুনিশ্চিত কৰা যাওক। Remdesiver, Faviracire, Tocilujumab আৰু অন্যান্য আৱশ্যকীয় ঔষধসমূহৰ উৎপাদন আৰু Molnupiravir ৰ দৰে নতুন ঔষধসমূহৰ প্ৰচুৰ পৰিমাণে উৎপাদন সুনিশ্চিত কৰা। বিশ্বজনীন স্তৰত প্ৰতিষেধক আৰু ঔষধসমূহৰ পৰ্যাপ্ত উৎপাদনৰ সমানে সমানে ইয়াৰ মূল্য নিৰ্ধাৰণৰ ওপৰত প্ৰভাৱী নিয়ন্ত্ৰণৰ আৱশ্যক আছে। ইয়াৰ বাবে WTO, G-7, G-20 আৰু বিশ্বজনীন মঞ্চৰ মাধ্যমেৰে ৰাজনৈতিক চেষ্টাৰ ক্ষিপ্ৰতা অনা যাওক। ডিজিটেল হস্তান্তৰ অভিযানত এতিয়ালৈ প্ৰায় ৪লাখ লোকে এই আবেদন পত্ৰখনত হস্তাক্ষৰ কৰিছে। এনেধৰণৰ অন্য এখন আবেদন পত্ৰতো ভাৰত আৰু বিশ্বৰ ২০খন দেশৰ ১৬০০ ৰো অধিক উচ্চ শিক্ষিত তথা বুদ্ধিজীৱী নাগৰিকে হস্তাক্ষৰ কৰি দাবী জনাইছে যে- ১) বিশ্ব বাণিজ্য সংস্থাই বৌদ্ধিক ঐশ্বৰ্যৰ ক্ষেত্ৰত ৰেহাই দিয়ক। ২) বিশ্বজনীন ঔষধ নিৰ্মাতা আৰু প্ৰতিষেধক নিৰ্মাতা কোম্পানীসমূহে স্ব-ইচ্ছাৰে মানৱতাৰ বাবে অন্য নিৰ্মাতাসকলক ঔদ্যোগিক হস্তান্তৰণসহ পেটেন্টমুক্ত অধিকাৰ দিয়ক। ৩) চৰকাৰে পেটেন্ট ধাৰকসকলক আৰু অন্য সকলো ঔষধ নিৰ্মাতাক প্ৰতিষেধক আৰু ঔষধ উৎপাদনৰ অধিকাৰ, আৱশ্যকীয় ঔদ্যোগিক আৰু উৎপাদন সামগ্ৰীৰ উপলব্ধতাৰ বাবে আৱশ্যকীয় পদক্ষেপ গ্ৰহণ কৰক আৰু তেওঁলোকক উৎসাহ দিয়ক। ৪) কৰ'নাৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে আৰু প্ৰতিষেধক আৰু ঔষধৰ বিশ্বজনীন উপলব্ধতা সুনিশ্চিত কৰাৰ বাবে সকলো দেশভক্ত জনতা তথা সংগঠনসমূহে উঠিপৰি লাগক।

# ৰাজ্যজুৰি চিকিৎসকৰ প্ৰতিবাদ



■ *প্ৰথম পৃষ্ঠাৰ পৰা...* উদালিত যোগদান কৰাৰ দ্বিতীয় দিনাখনেই আক্ৰমণৰ বলি হ'ব লগা হ'ল কনিষ্ঠ চিকিৎসক ডাঃ সেউজ কুমাৰ সেনাপতি। এই ঘটনাক কেন্দ্ৰ কৰি আজি তেজপুৰ চিকিৎসা মহাবিদ্যালয়ত কনিষ্ঠ চিকিৎসক সন্থাৰ আহ্বান মৰ্মে শতাধিক চিকিৎসক, নাৰ্চ, চিকিৎসা কৰ্মীৰ লগতে জ্যেষ্ঠ চিকিৎসকসকলেও প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ বৰ্হি বিভাগৰ চিকিৎসা সেৱা বন্ধ ৰাখি কেৱল মাত্ৰ ক'ভিড আৰু আপাতকালীন চিকিৎসাহে অব্যাহত থাকিল আজিৰ দিনটোত। প্ৰতিবাদী চিকিৎসকলৰ দাবী- যেতিয়ালৈ চৰকাৰে ঘটনাৰ সৈতে জড়িত অটাইকেইজন অপৰাধীক দৃষ্টান্তমূলক কঠোৰ শাস্তি প্ৰদান নকৰে তেতিয়ালৈ চিকিৎসকলৰ প্ৰতিবাদ অব্যাহত থাকিব। প্ৰতিটো ক'ভিড কেয়াৰ চেন্টাৰ আৰু প্ৰতিখন চিকিৎসালয়ত সশস্ত্ৰ নিৰাপত্তাৰক্ষীৰ ব্যৱস্থা কৰাৰ লগতে চিকিৎসকলৰ নিৰাপত্তাৰ সুনিশ্চিত কৰাৰ দাবী তুলি কনিষ্ঠ চিকিৎসক সন্থাই শোণিতপুৰ জিলাৰ উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ এক স্মাৰক পত্ৰও প্ৰেৰণ কৰে। স্মাৰক পত্ৰখনত অপৰাধীক দৃষ্টান্তমূলক শাস্তি প্ৰদান আৰু বিচাৰ প্ৰক্ৰিয়া ফাষ্টট্ৰেক আদালতৰ জৰিয়তে সম্পাদন কৰাৰ দাবী জনোৱা হয়। লগতে স্মাৰক পত্ৰত উল্লেখ কৰা হয় যে, এই ঘটনাত জড়িত লোকসকলক কি শাস্তি প্ৰদান কৰা হৈছে সেয়া চৰকাৰে ৰাজহুৱা কৰিব লাগে আৰু যাতে ভৱিষ্যতে কোনো দুস্কৃতিকাৰীয়ে চিকিৎসক আৰু স্বাস্থ্যকৰ্মীক আক্ৰমণ কৰাৰ সাহস নকৰে। আনহাতে দুৰ্বৃত্তৰ আক্ৰমণত আহত হোৱা ডাঃ সেউজ কুমাৰ সেনাপতিৰ সম্পূৰ্ণ দায়িত্ব চৰকাৰক ল'বলৈও আহ্বান জনোৱা হয়। কনিষ্ঠ চিকিৎসক সন্থাৰ উপৰিও তেজপুৰ চিকিৎসা মহাবিদ্যালয় কৰ্মচাৰী সন্থাই পৃথকে জিলা উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ আন এক স্মাৰক পত্ৰ প্ৰেৰণ কৰে। ইফালে আমছাৰ তেজপুৰ শাখাইও আজি ক'লা বেজ পৰিধান কৰি বৰ্হি বিভাগৰ চিকিৎসা সেৱা বৰ্জন কৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে শোণিতপুৰৰ উপায়ুক্তৰ জৰিয়তে এলানি দাবী সম্বলিত স্মাৰক পত্ৰ প্ৰেৰণ কৰে। আনহাতে ভাৰতীয় চিকিৎসা সন্থাৰ অসম ৰাজ্যিক শাখাৰ সভাপতি ডাঃ সত্যজিৎ বৰা আৰু সম্পাদক ডাঃ শিখা শৰ্মাই হোজাহত সংঘটিত এই নৃশংস কাণ্ডক তীব্ৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে চিকিৎসা আইন আৰু ভাৰতীয় দণ্ডবিধি আইনৰ অধীনত দুস্কৃতিকাৰীক আদালতত ফাষ্টট্ৰেক পদ্ধতিৰে অতি শীঘ্ৰে ক্ষীপ্ৰভাৱে শাস্তি প্ৰদানৰ ব্যৱস্থা, সকলো ক'ভিড সেৱা কেন্দ্ৰ তথা চৰকাৰী চিকিৎসালয়সমূহত সশস্ত্ৰ উপযুক্ত আৰক্ষী নিয়োগ কৰিবলৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মালৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে। ইয়াৰোপৰি আই এম এৰ তেজপুৰ শাখাৰ তৰফৰ পৰাও চিকিৎসক আৰু স্বাস্থ্য কৰ্মীক বৰ্বোচিতভাৱে আক্ৰমণ কৰা ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দিয়া হয় আৰু দোষীসকলক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী সম্বলিত স্মাৰক পত্ৰ প্ৰদান কৰে। আনহাতে তেজপুৰ পৰাস্থিত ক'ভিড চিকিৎসালয়ত চিকিৎসক আৰু চিকিৎসা কৰ্মীসকলে এই জঘন্য কাণ্ডৰ বিৰুদ্ধে অভিনৱ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। স্বাস্থ্য কৰ্মী বিকাশ নাথৰ নেতৃত্বত চিকিৎসক -চিকিৎসা কৰ্মীয়ে পি পি কিট পৰিধান কৰি চিকিৎসালয়ৰ চৌহদৰ পৰাই এই ঘটনাৰ তীব্ৰ নিন্দা কৰাৰ লগতে আক্ৰমণকাৰীৰ বিৰুদ্ধে গৰজি উঠে। চিকিৎসালয়খনৰ ক'ভিড ৱাৰ্ডত ক'ভিড আক্ৰান্তক চিকিৎসা সেৱা আগবঢ়োৱাৰ সময়ত সকলো চিকিৎসা কৰ্মীয়ে ক'লা বেজ পৰিধান কৰি প্ৰতিবাদ সাব্যস্ত কৰে।

**নগাঁৱত চিকিৎসকক আক্ৰমণ কৰাৰ ঘটনাৰ প্ৰতিবাদ ঃ বহিঃবিভাগ বৰ্জন কৰিলে চিকিৎসকে ঃ বিভিন্ন দল-সংগঠনৰ গৰিহণা**

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও ঃ** হোজাই জিলাৰ ফুলতলী চিকিৎসালয়ত ক'ভিড ৰোগীৰ চিকিৎসাত ব্যস্ত থকা এগৰাকী চিকিৎসক, স্বাস্থ্য কৰ্মীক নিৰ্মমভাৱে প্ৰহাৰ কৰা কাৰ্যৰ বিৰুদ্ধে ৰাজ্যখনৰ বিভিন্ন জিলাৰ লগতে নগাঁও জিলাতো বিভিন্ন দল সংগঠন গৰজি উঠিছে। আজি নগাঁও জিলাৰ চিকিৎসকসকলে চিকিৎসালয়সমূহৰ বহিঃ বিভাগত কৰ্ম পৰা বিৰত থাকে। অৱশ্যে কভিডৰ চিকিৎসা আৰু জৰুৰীকালীন চিকিৎসা সেৱা চিকিৎসক আৰু স্বাস্থ্য কৰ্মীসকলে ক'লা বেজ পৰিধান কৰি অব্যাহত ৰাখে । চিকিৎসক আৰু স্বাস্থ্য কৰ্মী সকলে কালি লংকাৰ ফুলতলী চিকিৎসালয়ৰ ঘটনাৰ লগত জৰিত সকলো দোষীক গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি দিবলৈ দাবী জনাইছে। তদুপৰি চিকিৎসক আৰু স্বাস্থ্য কৰ্মীৰ নিৰাপত্তা নিশ্চিত কৰিবলৈ চৰকাৰক দাবী জনাইছে। ভাৰতীয় চিকিৎসা সংস্থাৰ নগাঁও শাখাই কালি ফুলতলী চিকিৎসালয়ৰ চিকিৎসক ডাঃ সেউজ কুমাৰ সেনাপতিক লগতে স্বাস্থ্য কৰ্মীক দুস্কৃতিকাৰী দলে নিৰ্মম ভাবে প্ৰহাৰ কৰাৰ ঘটনাক তীব্ৰ গৰিহনা দিয়াৰ লগতে দুস্কৃতিকাৰী দলক দৃষ্টান্তমূলক শাস্তি বিহিবলৈ দাবী জনাইছে। সংস্থাৰ সভাপতি ডাঃ সৰ্বেশ্বৰ বৰা আৰু সম্পাদক ডাঃ পুৰ্নানন্দ বৰাই কঠোৰ শাস্তি নিদিলে ব্যাপক আন্দোলন গঢ়ি তুলিব বুলি চৰকাৰক সতৰ্ক কৰি দিয়ে। অসম চিকিৎসা সেৱা সংস্থাৰ নগাঁও শাখাৰ সভাপতি ডাঃ ৰঞ্জন গোস্বামীয়ে ফুলতলিৰ ঘটনাক তীব্ৰ গৰিহণা দিছে। গোস্বামীয়ে ফুলতলী ঘটনাৰ লগত জড়িতসকলক কঠোৰ শাস্তি দিবলৈ দাবী জনাইছে। নগাঁও জিলাৰ চিকিৎসকসকলে পেন্সনাৰ সন্থাই কালি চিকিৎসক ডাঃ সেউজ কুমাৰ সেনাপতি আৰু স্বাস্থ্য কৰ্মীক আক্ৰমনৰ ঘটনাক গৰিহনা দিছে। সন্থাৰ সভাপতি আবুল হুছেইন আৰু সম্পাদক জীৱ প্ৰসাদ বৰকটকীয়ে ঘটনাৰ লগত জৰিত দোষী সকলক কঠোৰ শাস্তি বিহাৰ লগতে চিকিৎসক আৰু স্বাস্থ্য কৰ্মীৰ নিৰাপত্তা নিশ্চিত কৰিবলৈ দাবী জনাইছে। নগাঁও জিলা জেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি প্ৰেমেশ্বৰ দাস, সদৌ নগাঁও জিলা ছাত্ৰ সন্থা , অসম জাতীয়তাবাদী যুৱ পৰিষদৰ নগাঁও জিলা সমিতিকে ধৰি জিলাখনৰ বিভিন্ন দল-সংগঠনে ফুলতলি ঘটনাৰ লগত জড়িতসকলক কঠোৰৰ পৰা কঠোৰতম শাস্তি বিহিবলৈ দাবী জনায়। নগাঁও জিলা মেডিচিন ডীলাৰ এচ ছিয়েচনৰ সভাপতি জীৱন বনিক, সম্পাদক মনোৰঞ্জন বৰুৱাই কালি ফুলতলী চিকিৎসালয়ত চিকিৎসক আৰু স্বাস্থ্য কৰ্মীক আক্ৰমনৰ ঘটনাক গৰিহনা দিয়াৰ লগতে দোষীক গ্ৰেপ্তাৰ কৰি ফাষ্ট ট্ৰেকট বিচাৰ কৰিবলৈ চৰকাৰক দাবী জনায়।

**বোকাখাতত চিকিৎসক নিগ্ৰহৰ প্ৰতিবাদ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত ঃ** উদালীৰ চিকিৎসক নিগ্ৰহৰ বিৰুদ্ধে ৰাজ্যজুৰি হৈ থকা তীব্ৰ প্ৰতিবাদ আৰু গৰিহণাৰ সমৰ্থনত আজি বোকাখাতৰ ছহীদ কমলা মিৰি অসামৰিক মহকুমা চিকিৎসালয়ত চিকিৎসক সকলে ক'লা বেজ পৰিধান কৰি প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে বন্ধ কৰি ৰাখে চিকিৎসালয়ৰ বহিঃ বিভাগ। অৱশ্যে চলাই ৰাখিছে কভিড আৰু জৰুৰী সেৱা। চিকিৎসালয়ৰ বৰিষ্ঠ চিকিৎসক ডাঃ অপূৰ্ব শৰ্মা আৰু মহকুমা স্বাস্থ্য বিষয়া ডাঃ ভাৰত ফুকনে এই অমানবীয় কাৰ্যৰ তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। নিজৰ জীৱন আৰু পৰিয়ালৰ কথা চিন্তা নকৰি ক'ভিডকালীন সময়চোৰাত দিন ৰাতি একাকাৰ কৰি সেৱা আগবঢ়াই যোৱা চিকিৎসক সকলৰ জীৱনৰ নিৰাপত্তা প্ৰশ্ন ভাবুকি কঢ়িয়াই অনা এনে লোকৰ প্ৰতি চৰকাৰ কঠোৰ হ'বলৈ দাবী জনাইছে আৰু আইনী সহযোগিতা নকৰিবলৈ উকীল সকলক আহ্বান জনায়।

**তেজপুৰতো চিকিৎসকৰ প্ৰতিবাদ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ ঃ** তেজপুৰত চিকিৎসক, স্বাস্থ্যকৰ্মীৰ উত্তাল প্ৰতিবাদ। ডাক্তৰ সেউজ কুমাৰ সেনাপতি নামৰ চিকিৎসক গৰাকীক ক'ভিড ৰোগীৰ চিকিৎসাৰ বাবে ব্ৰত থকা অৱস্থাতে বৰ্বৰোচিত ভাৱে আক্ৰমণ কৰা ঘটনাৰ প্ৰতিবাদত আজি উত্তাল হৈ পৰিল তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাল প্ৰাংগণ ক'লা বেজ পৰিধান কৰি বহিঃবিভাগৰ কৰ্তব্যৰ পৰা বিৰত থকা চিকিৎসক - স্বাস্থ্য কৰ্মীয়ে দোষীৰ দৃষ্টান্তমূলক শাস্তিৰ দাবীৰ লগতে কৰ্তব্যৰ সময়ত সকলো চিকিৎসক আৰু স্বাস্থ্যকৰ্মীৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ দাবী উত্থাপন কৰে। মানুহ ৰূপী একাংশ নৰাধমে কালি লংকাৰ আদৰ্শ ক'ভিড হাস্পতালত কৰ্তব্যৰত অৱস্থাত কনিষ্ঠ চিকিৎসক ডাঃ সেউজ কুমাৰ সেনাপতিক বৰ্বৰোচিত ভাৱে আক্ৰমণ কৰি এনে অৱস্থা কৰাৰ পিছত আজি দেশৰ অন্যান্য প্ৰান্তৰ লগতে তেজপুৰৰ চিকিৎসক আৰু স্বাস্থ্যকৰ্মী সকলেও এনেদৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। চিকিৎসক আৰু স্বাস্থ্যকৰ্মী সকলে আজিৰ দিনটোত বহিঃবিভাগৰ কৰ্তব্যৰ পৰা বিৰত থাকি তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাল প্ৰাংগণত এনেদৰে ধৰ্ণা শ্লোগানেৰে উত্তাল কৰি তোলে। অকল অমানুষিক ভাৱে উপৰ্যুপৰি প্ৰহাৰ কৰাই নহয় কনিষ্ঠ চিকিৎসকজনে পৰিধান কৰি থকা ডিঙিৰ চেইন, হাতৰ আঙুঠি আনকি পিন্ধি থকা চোলাও কাঢ়ি লৈ যোৱা ঘটনাৰ সৈতে জড়িত দুস্কৃতিকাৰীক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবীৰ লগতে কৰ্তব্যৰত চিকিৎসক-স্বাস্থ্যকৰ্মীৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ এনেদৰে প্ৰতিবাদী ভাষণেৰে দাবী তোলে। এনে প্ৰতিবাদৰ মাজতে শোণিতপুৰৰ উপায়ুক্ত ভূপেশ চন্দ্ৰ দাস প্ৰতিবাদস্থলীত উপস্থিত হৈ নিৰাপত্তা সুনিশ্চিত কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। আনহাতে প্ৰতিবাদস্থলীত একাংশ চিকিৎসকে এনেদৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে।

**চিকিৎসকৰ শাৰীৰিক আক্ৰমণকাৰীক উচিত শাস্তি প্ৰদানৰ দাবী মানৱ অধিকাৰ সংগ্ৰাম সমিতি, মাছৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা ঃ** কৰ'না মহামাৰীৰ এই জটিল সন্ধিক্ষণত নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি ঘৰ-সংসাৰ পৰিয়াল আদি বাদ দি একমাত্ৰ মানৱ সেৱাৰ স্বাৰ্থত ৰোগীৰ চিকিৎসা প্ৰদানত অতি ব্যস্ত থকা চিকিৎসক ডাঃ সেউজ কুমাৰ সেনাপতিক কৰা অমানুষিক নিৰ্যাতনক মানৱ অধিকাৰ সংগ্ৰাম সমিতিয়ে কঠোৰভাৱে নিন্দা কৰে। কালি হোজাই জিলাৰ উদালি ক'ভিড-১৯ কৰ'নাৰ কেয়াৰ ইউনিটত নিৰ্দয়ভাৱে প্ৰহাৰ কৰি গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন হ'বলগীয়া জঘন্য কাণ্ড অতি দুৰ্ভাগ্যজনক বুলি উল্লেখ কৰি মানৱ অধিকাৰ সংগ্ৰাম সমিতি, মাছে তীব্ৰ ভাষাৰে গৰিহণা আৰু ধিক্কাৰ জনায়। দোষীক অতি শীঘ্ৰে চিনাক্ত কৰি কঠোৰ শাস্তি প্ৰদান কৰিবলৈ অসম চৰকাৰ, স্বাস্থ্য বিভাগৰ মন্ত্ৰী, গৃহ বিভাগ, জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনক দাবী জনায়। ডাঃ সেউজ কুমাৰ সেনাপতি সোনকালে আৰোগ্য হোৱাৰ কামনা কৰে মানৱ অধিকাৰ সংগ্ৰাম সমিতিয়ে লগতে সকলো ধৰণৰ মানুহৰ জীৱনৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈকো মানৱ অধিকাৰ সংগ্ৰাম সমিতি, মাছে দাবী জনাইছে মাছৰ কেন্দ্ৰীয় সমিতিৰ অধ্যক্ষ আদিত্য লহকৰ কাৰ্যকৰী অধ্যক্ষ কেশৱ চন্দ্ৰ চহৰীয়া আৰু ভাৰপ্ৰাপ্ত সচিব প্ৰধান লক্ষী প্ৰসাদ ডেকাই এক প্ৰেছ বিজ্ঞপ্তি যোগে সংবাদ মাধ্যমক জানিব দিছে।

**চিকিৎসাকৰ্মীৰ নিৰাপত্তা সুনিশ্চিত কৰক ঃ আম আদমি পাৰ্টী**

**দৈনন্দিন বাৰ্তাৰ সেৱা ঃ** ক'ভিড মহামাৰীয়ে সংহাৰী ৰূপ ধাৰণ কৰাৰ সময়ত ৰাইজক এজন যোদ্ধা হিচাপে অতি সংকটময় সময়তো সেৱা আগবঢ়াই অহা চিকিৎসক, নাৰ্ছ তথা প্ৰতিজন স্বাস্থ্যকৰ্মীৰ আপ্ৰাণ প্ৰচেষ্টাক আম আদমি পাৰ্টিয়ে সদায় শ্ৰদ্ধা কৰি আহিছে। যোৱাকালি মানৱীয়তাৰ সকলো স্তৰ বাদ পেলাই হোজাই জিলাৰ উদালী চিকিৎসালয়ৰ বিশিষ্ট চিকিৎসক ডাঃ সেউজ কুমাৰ সেনাপতিক এচাম অমানৱীয়, অমানুষিক, বৰ্বৰ লোকৰ অত্যাচাৰক 'আপ'ৰ সমূহ কৰ্মকৰ্তাই তীব্ৰ গৰিহণা জনাইছে। 'আপ' অসমৰ ৰাজ্যিক সমন্বয়ক ডাঃ ভবেন চৌধুৰীয়ে অপৰাধিক অতি সোনকালে চিনাক্ত কৰি কঠোৰতকৈ কঠোৰ শাস্তি প্ৰদান কৰি এই কাৰ্যৰ যাতে পুনৰাবৃত্তি নঘটে তাৰ ব্যৱস্থা ল'বলৈ প্ৰশাসনিক বিষয়াৰ লগতে অসমৰ মুখ্যমন্ত্ৰীক অনুৰোধ জনায়। 'আপ'ৰ সাংগঠনিক সম্পাদক মাধুৰ্য্য শইকীয়াই ডাঃ সেউজ সেনাপতিৰ আশু আৰোগ্য কামনা কৰাৰ লগতে দোষীক তৎপৰতাৰে কঠোৰ শাস্তি বিহি দৃষ্টান্তমূলক পদক্ষেপ ল'বলৈ প্ৰশাসনক অনুৰোধ জনায়।

**চিকিৎসকৰ ওপৰত আক্ৰমণৰ ঘটনাৰ প্ৰতিবাদ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান কৰ্মচাৰীৰ**

**নিহত চিকিৎসা কৰ্মীলৈ ক্ষতিপূৰণ প্ৰদানৰ আহ্বান**

**দৈনন্দিন বাৰ্তাৰ সেৱা ঃ** লংকাৰ ক'ভিড চিকিৎসালয়ত চিকিৎসকৰ ওপৰত যি অমানৱীয় অত্যাচাৰৰ ঘটনা সংঘটিত হ'ল সেই ঘটনাক তীব্ৰ ভাষাৰে জনাইছে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান কৰ্মচাৰী সন্থাই। সন্থাৰ দ্বাৰা প্ৰেৰিত এক বিবৃতিত সন্থাৰ সভাপতি ডাঃ মলয় কুমাৰ দাস আৰু সাধাৰণ সম্পাদক ৰাজীৱ শইকীয়াই এই ঘটনাৰ এক উচিত তদন্ত আৰু দোষীক উপযুক্ত শাস্তি প্ৰদানৰ বাবে চৰকাৰ তথা প্ৰশাসনক আহ্বান জনাইছে। অন্যহাতে ক'ভিড চিকিৎসালয় আৰু টিকাকৰণ কেন্দ্ৰসমূহৰ ফোপোলা নিৰাপত্তা ব্যৱস্থাৰ বাবেই এনে ধৰণৰ ঘটনা ঘটিবলৈ পালে বুলি সন্থাই অভিহিত কৰিছে। দোষীক কৰায়ত্ত কৰাৰ লগতে দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিব লাগে যাতে ভৱিষ্যতে কোনো চিকিৎসাকৰ্মী এনে পৰিস্থিতিত পৰিব লগা নহয়। লগতে এই জটিল পৰিস্থিতিত স্বাস্থ্যকৰ্মীসকলে যোৱা দুটা বছৰে যি ত্যাগ স্বীকাৰ কৰিব লগা হৈছে তাৰ পিছতো নিৰাপত্তজনিত কথাটো চৰকাৰে গুৰুত্ব নিদিয়া কথাটোত সন্থাই গভীৰ উদ্ৰেক প্ৰকাশ কৰিছে। অন্যহাতে যিসমূহ কৰ্মচাৰী ক'ভিড আক্ৰান্ত হৈ মৃত্যু হৈছে আৰু সমূহ আক্ৰান্ত হৈ আছে সেইসকলৰ পৰিয়ালক আৰ্থিক সাহায্য প্ৰদান কৰিবৰ বাবে কৰ্মচাৰী সন্থাই দাবী জনাইছে। কৰ্মচাৰীসকলৰ নিৰাপত্তাজনিত কথাত সন্থাই কেতিয়াও আপোচ নকৰে আৰু প্ৰয়োজনত স্বাস্থ্য সেৱা অচল কৰাৰ দৰে কাৰ্যসূচী গ্ৰহণ কৰিবৰ বাবে বাধ্য হ'ব।

**চিকিৎসকক প্ৰহাৰ কৰা কাৰ্য গৰিহণাৰ যোগ্য**

**ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ পদক্ষেপক আদৰণি ঃ এআইইউডিএফ**

**দৈনন্দিন বাৰ্তাৰ সেৱা ঃ** হোজাই জিলাৰ লংকাৰ ফুলতলী চিকিৎসালয়ত চিকিৎসাৰ অভাৱত এগৰাকী ক'ভিড ৰোগীৰ মৃত্যু হোৱাৰ অভিযোগ তুলি ৰোগীগৰাকীৰ আত্মীয় আৰু একাংশ দুৰ্বৃত্তই চিকিৎসক ড° সেউজ কুমাৰ সেনাপতিৰ ওপৰত চলা বৰ্বৰ আক্ৰমণৰ ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দিছে এআইইউডিএফে। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতিত দলটোৰ সভাপতি তথা ধুবুৰীৰ সাংসদ মৌলানা বদৰুদ্দিন আজমলে কয়— ক'ভিড মহামাৰীৰ সময়ত চিকিৎসক আৰু চিকিৎসা কৰ্মীসকলৰ ওপৰত আক্ৰমণ হৈছে। এয়া গৰিহণাৰ যোগ্য। দোষী ব্যক্তিসকল যিহেতু ইতিমধ্যে চিনাক্ত হৈছে, তেওঁলোকৰ ওপৰত কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিব লাগে।' আনহতে শেহতীয়াভাৱে অসম আৰক্ষীয়ে সমগ্ৰ ৰাজ্যত যি ড্ৰাগছ বিৰোধী অভিযান আৰম্ভ কৰিছে, তাক আদৰণি জনাইছে সাংসদ আজমেল। এইক্ষেত্ৰত একেটা বিবৃতিত সাংসদগৰাকীয়ে কয়— 'বৰ্তমান সময়ত অসমত যুৱ প্ৰজন্মৰ একাংশই ড্ৰাগছৰ কৱলত পৰিছে। এই যুৱ প্ৰজন্মক মূলপথলৈ উভতাই অনাটো অতি প্ৰয়োজন হৈছে। এই ড্ৰাগছৰ কৱলত পৰি একোটা পৰিয়াল ধ্বংস হোৱাৰ লগতে সমাজৰো যথেষ্ট ক্ষতি হৈছে। সেইবাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ মৰ্মে যি ড্ৰাগছ বিৰোধী অভিযান অসম আৰক্ষীয়ে আৰম্ভ কৰিছে, তাৰ বাবে আমি মুখ্যমন্ত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰিছো। এই অভিযান আৰু তীব্ৰতৰ হোৱাটো আমি কামনা কৰিছো। এই ড্ৰাগছ ব্যৱসায়ৰ আঁৰত থকা প্ৰধান ব্যক্তিসকলক অচিৰেই অসম আৰক্ষীয়ে আটক কৰিব বুলি আমি আশা কৰিছো, যিসকলক ইতিমধ্যে কৰায়ত্ত কৰা হৈছে সেইসকলৰ বিৰুদ্ধে কঠোৰ আইনগত ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি ব্যক্ত কৰি বিবৃতিটোত সাংসদ গৰাকীয়ে ড্ৰাগছমুক্ত অসম গঢ়াৰ ক্ষেত্ৰত অসম চৰকাৰে আৰু অধিক কঠোৰ পদক্ষেপ গ্ৰহণ কৰিব বুলি আশা ব্যক্ত কৰে।

**ডাঃ সেউজ সেনাপতিক আক্ৰমণ ঘটনাক তীব্ৰ গৰিহণা জনজাতি ছাত্ৰ সন্থা, আটছাৰ**

হোজাইৰ জিলাৰ উদালি ক'ভিড কেয়াৰ চেণ্টাৰত এচাম উদণ্ড লোকে দলবদ্ধ শাৰীৰিক আক্ৰমণক তীব্ৰ ভাষাৰে গৰিহণা দিছো লগতে দোষীক দৃষ্টান্তমূলক শাস্তি বিহাৰো দাবী উত্থাপন কৰিছো— এনেদৰে এক প্ৰেছ বিবৃতিযোগে মত প্ৰকাশ কৰিছে অল ইণ্ডিয়া ট্ৰাইবেল ষ্টুডেন্টছ এছ'চিয়েচনৰ উপ-সভাপতি দীপেন দেউৰীয়ে। তদুপৰি উক্ত ঘটনা কিয় ঘটিব লগা হ'ল, বিশেষকৈ জ্যেষ্ঠ চিকিৎসকসকল কি কৰি আছিল যেতিয়া ফ্ৰেচাৰ চিকিৎসক ডাঃ সেউজ সেনাপতিক মাৰপিট কৰা সময়ত নতুবা ক'ভিড ৰোগীৰ অনুপাতে চিকিৎসালয়ত কিয় পৰ্যাপ্ত অক্সিজেনযুক্ত বিছনা উন্নত সেৱা আৰু নিৰাপত্তাৰক্ষী দিয়া হোৱা নাই তাক লৈয়ো নিৰপেক্ষ তদন্তৰ দাবী জনাইছে সদৌ ভাৰত জনজাতি ছাত্ৰ সন্থা অসম আইটছাৰ সাংস্কৃতি সম্পাদক ৰাজীৱ দলৈয়ে। গতিকে অসমৰ জনসংখ্যাৰ আয়তনৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে অতি শীঘ্ৰে ক'ভিড ভেকচিনেচন ক্ষিপ্ৰতৰ কৰাৰ লগতে চিকিৎসা খণ্ডত আত্মনিয়োজিত কৰা ডাক্তৰ নাৰ্চসকলকো জীয়াই থকাৰ অধিকাৰ সুৰক্ষিত কৰাৰ দায়িত্ব চৰকাৰে সুচাৰুৰূপে পালন কৰিবলৈ আহ্বান জনাইছে জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় নেতৃবৃন্দই।

**হোজাইত কৰ্মৰত চিকিৎসকক আক্ৰমণ কৰা ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা আমছু, ইত্তেহাদ ফ্ৰন্ট, নেমছুৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, খাৰুপেটীয়া ঃ** হোজাই জিলাৰ উদালি ক'ভিড কেয়াৰ চিকিৎসালয়ত ডাঃ সেউজ কুমাৰ সেনাপতিৰ ওপৰত হোৱা বৰ্বৰ শাৰীৰিক আক্ৰমণৰ ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে ইত্তেহাদ ফ্ৰন্টৰ ৰাজ্যিক সভাপতি নুৰ ইছলাম, নেমছুৰ সাধাৰণ সম্পাদক জিয়াউল হক আমছুৰ উপদেষ্টা আইনুদ্দিনৰ। নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি ক'ভিডৰ যোদ্ধা হিচাপে কাম কৰি অহা চিকিৎসকসকলৰ ওপৰত এনে বৰ্বৰ আক্ৰমণৰ ঘটনাক নিন্দা কৰাৰ লগতে এনে অমানৱীয় ঘটনাক কঠোৰ ভাষাৰে গৰিহনা দি দোষীক শাস্তি প্ৰদান কৰিবলৈ প্ৰশাসনক দাবী জনায়। হোজাইৰ ঘটনাটোৱে সৰ্বসাধাৰণ ৰাইজেও অতি দূৰ্ভাগ্যজনক বুলি অভিহিত কৰে। প্ৰতিগৰাকী স্বাস্থ্যকৰ্মীয়ে ক'ভিড-১৯ দৰে মহামাৰীৰ সময়তো নিস্বাৰ্থভাৱে চিকিৎসা সেৱাত ব্ৰতী হৈছে। কিন্তু এনে জটিল সময়ত হোজাই জিলাৰ উদালিৰ ক'ভিড-১৯ হাস্পতালত সেৱা আগবঢ়াই থকা ডাঃ সেনাপতিক জঘন্যভাৱে প্ৰহাৰ কৰাটো বৰ্বৰতাৰ চূড়ান্ত নিদৰ্শন। এনে বৰ্দ্ধিত কাৰ্যই চিকিৎসা কৰ্মীসকলৰ মনোবল দুৰ্বল কৰাটো স্বাভাৱিক। সেয়েহে এনে ধৰণৰ কাৰ্য্যক সময় থাকোতে কঠোৰভাৱে দমন কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অনুৰোধ জনায় নেমছুৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক জিয়াউল হকে। আনহাতে এগৰাকী চিকিৎসকক কিছু উগ্ৰ মানসিকতাৰ উদণ্ড লোকে নিৰ্মমভাৱে প্ৰহাৰ কৰি গুৰুতৰ জখম কৰাৰ লগতে চিকিৎসালয়খনৰ বিভিন্ন সামগ্ৰী ক্ষতিসাধন কৰা কাণ্ডক তীব্ৰ ভাষাৰে গৰিহণা জনাইছে আমছুৰ উপদেষ্টা আইনুদ্দিন আহমেদে। কৰ'না মহামাৰীৰ এই জটিল সন্ধিক্ষণত ৰোগীসকলৰ চিকিৎসাৰ বাবে নিজৰ জীৱনক ত্যাগ কৰিবলৈ প্ৰস্তুত থকা চিকিৎসকৰ লগত কৰা এই জঘন্য কাণ্ডৰ এক উচ্চ স্তৰৰ তদন্ত দাবী আমছু'ৰ। চিকিৎসালয়ত কৰ্মৰত চিকিৎসক ড° সেউজ কুমাৰ সেনাপতিৰ ওপৰত হোৱা আক্ৰমণৰ ঘটনাক ইত্তেহাদ ফ্ৰন্ট ৰাজ্যিক সমিতিয়ে তীব্ৰ গৰিহণা দিয়াৰ লগতে সভাপতি নুৰ ইছলামে কয় যে মহামাৰী সৃষ্ট ভয়ংকৰ পৰিৱেশত নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি আমাক সেৱা কৰি থকা চিকিৎসক, চিকিৎসা কৰ্মীৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ দাবী জনায়। অসমত চিকিৎসক নিগ্ৰহৰ ঘটনা নতুন নহয়। এনে দুৰ্ভাগ্যজনক ঘটনাৰ যাতে পুনৰাবৃত্তি নহয় তাৰ বাবে চৰকাৰক কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে ইত্তেহাদ ফ্ৰন্টৰ সভাপতি নুৰ ইছলামে।

**হোজাইৰ চিকিৎসক নিগ্ৰহৰ ঘটনাৰ প্ৰতিক্ৰিয়া হিন্দু যুৱ-ছাত্ৰ, অসমৰ**

**হোজাইৰ ঘটনাই পুনৰ প্ৰতিপন্ন কৰিলে অসমত পূৰ্ববংগমূলীয় মূলৰ বাস্তৱ চৰিত্ৰ ঃ হিন্দু যুৱ-ছাত্ৰ পৰিষদ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, পানীগাঁও ঃ** হোজাইৰ উদালিত সংঘটিত চিকিৎসক আক্ৰমণৰ ঘটনাটোক তীব্ৰ ভাষাৰে গৰিহণা দিছে হিন্দু যুৱ-ছাত্ৰ পৰিষদ, অসমে। আজি এক প্ৰেছ বিবৃতিৰ জৰিয়তে পৰিষদৰ কেন্দ্ৰীয় সভাপতি বলেন বৈশ্য আৰু সাধাৰণ সম্পাদক মাধৱ দাসে কয় যে হোজাইৰ উদালিত ক'ভিড-১৯ সেৱা কেন্দ্ৰত নিষ্ঠাৰে কৰ্মৰত এজন নিৰ্দোষী চিকিৎসকৰ ওপৰত যি নিৰ্মম প্ৰহাৰ কৰিলে সেয়া অতি নিন্দনীয় ঘটনাৰ লগতে পুনৰ প্ৰতিপন্ন হ'ল যে পূৰ্ববংগমূলীয় ইয়াৰ বাস্তৱ চৰিত্ৰ। কিয়নো ইয়াৰ পূৰ্বেও অসমত একাংশ শিক্ষক-শিক্ষয়িত্ৰী, চিকিৎসক, ব্যৱসায়ী তথা সহজ-সৰল লোকো এই পূৰ্ববংগমূলীয় লোকৰ দ্বাৰা আক্ৰমণৰ বলি হ'বলগীয়া হৈছিল। অসমৰ ইতিহাসত এনেকুৱা নজিৰবিহীন ঘটনা প্ৰায়েই সংঘটিত হোৱা দেখা গৈছে। এই ক্ষেত্ৰত হিন্দু যুৱ-ছাত্ৰ পৰিষদ, অসমে চৰকাৰ তথা প্ৰশাসনক বাৰম্বাৰ এনে দুৰ্বৃত্তক কঠোৰ হাতেৰে দমন তথা ফাষ্টট্ৰেক আদালতৰ জৰিয়তে শাস্তি বিহিবলৈ দাবী জনায় আহিছে। একেটা বিবৃতিতে পৰিষদৰ নেতাদ্বয়ে কয় যে শ্বৰীয়ৎ আইনৰ দোহাই দি তিনি চাৰিজনী মহিলা বিবাহ কৰোৱাই সৰহ সংখ্যক সন্তান জন্ম দি অসমৰ জনসংখ্যা আন্তঃগাঁথনিত ইতিমধ্যে যি প্ৰভাৱ পেলাইছে সেয়া অতি দুভাৰ্গ্যজনক, য'ত পূৰ্ব বংগমূলীয় জনসংখ্যা ইমানেই বৃদ্ধি হৈছে যে সকলো অপৰাধজনিত ঘটনাও সেই অনুপাতে বৃদ্ধি পাইছে বুলি পৰিষদৰ নেতাদ্বয়ে মতপোষণ কৰে। এই ক'ভিড মহামাৰীৰ সময়ত চিকিৎসক তথা চিকিৎসা কৰ্মীসকলে যি মহান সেৱা আগবঢ়াইছে, তেনে এক পৰিপ্ৰেক্ষিতত তেওঁলোকৰ সুৰক্ষাৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি এখন বিশেষ আইন প্ৰৱৰ্তন কৰি নিৰাপত্তা সুনিশ্চিত কৰাৰ লগতে এনে দুস্কাৰ্য সংঘটিত কৰা লোকসকল কোনোপধ্যে যাতে আইনী সুৰুঙাৰে বাছি যাব নোৱাৰে, যাতে দৃষ্টান্তমূলক শাস্তি বিহিবলৈ সক্ষম হয়, তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ নৱ-নিৰ্বাচিত মুখ্যমন্ত্ৰীগৰাকীক আহ্বান জনায় বৈশ্য আৰু দাসে।

**হোজাইত ক'ভিড যোদ্ধা চিকিৎসকৰ ওপৰত আক্ৰমণৰ ঘটনা বিভিন্ন সংগঠনৰ তীব্ৰ গৰিহণা**

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাহমৰা ঃ** মধ্য অসম হোজাইৰ উদালী ফুলতলীৰ ক'ভিড কেয়াৰ চিকিৎসালয়ত কালি চিকিৎসক ডাঃ সেউজ কুমাৰ সেনাপতিক গুৰুলাগুৰুলকৈ মাৰধৰ কৰি গুৰুত্বভাৱে আহত কৰা ঘটনাক বিভিন্ন সংগঠনে তীব্ৰ প্ৰতিবাদ জনাইছে। সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ 'আছা' ই তীব্ৰ গৰিহণা দিয়াৰ লগতে ঘটনাত জড়িত ব্যক্তিসকলক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে। 'আছা'ৰ সভাপতি ষ্টিফেন লাক্ৰা আৰু সম্পাদক দেবেন ওৰাঙে এক প্ৰেছ বিবৃতি যোগে কয় যে ক'ভিডৰ প্ৰথম যোদ্ধা সৈনিক চিকিৎসাকৰ্মীসকলক সন্মানৰ প্ৰয়োজন। এই সময়ত মাৰপিট বা অসভ্য আচৰণ কৰাটো দুৰ্ভাগ্যজনক। মৰাণ মহকুমা সাংবাদিক মঞ্চৰ কাৰ্যকৰী সভাপতি বাছা বৰা, মৰাণ শাখা মজদুৰ সংঘৰ সম্পাদক লক্ষেশ্বৰ তাঁতীয়ে এনে কিছু নিকৃষ্টমানৰ মানসিকতাৰ ব্যক্তিৰ বাবে অসমতো দেবেন দত্তৰ দৰে কেইবাজনো চিকিৎসক মৃত্যুবৰণ কৰিবলগীয়া হৈছে। চিকিৎসাৰ লগত জড়িত সকলো চিকিৎসা কৰ্মীক নিৰাপত্তা প্ৰদান কৰিবলৈ সংগঠন দুটাৰ বিষয়ববীয়া দুজনে চৰকাৰক দাবী জনাইছে। মৰাণ আঞ্চলিক ছাত্ৰ সন্থা, যুৱ-ছাত্ৰ পৰিষদ, মিলিত শিল্পী সমাজৰ উপৰিও মৰাণৰ কেইবাটাও সংগঠনে ঘটনাটোক তীব্ৰ ভাষাৰে গৰিহনা দি দোষীক কঠোৰ শাস্তি বহিবলৈ দাবী জনাইছে।

**চিকিৎসকক মাৰপিটৰ ঘটনাক আল আমিনা ট্যুৰচ এণ্ড ওমৰাহ হজ্ব ট্ৰেভেলছৰ ধিক্কাৰ**

**দোষীৰ বিৰুদ্ধে ৰাজ্য চৰকাৰক কঠোৰ শাস্তিৰ দাবী**

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ ঃ** ক'ভিডৰ এই জটিল সময়ত হোজাইৰ উদালি চিকিৎসালয়ত ৰোগীক অতি আন্তৰিকতাৰে সেৱা আগবঢ়াই অহা চিকিৎসক ডাঃ সেউজ সেনাপতিক অতি নিৰ্মমভাৱে একাংশ লোকে মাৰপিট কৰি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত কৰা ঘটনাই ৰাজ্য ব্যাপি তীব্ৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে অসম আল আমিনা ট্যুৰচ এণ্ড ওমৰাহ হজ্ব ট্ৰেভেলছেও তীব্ৰ ভাষাৰে নিন্দা প্ৰকাশ কৰিছে। এই ঘটনাৰ লগত জড়িত ব্যক্তিসকলক কঠোৰৰ পৰা কঠোৰতম শাস্তি প্ৰদান কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ট্ৰেভেলছৰ অধ্যক্ষ তথা কলগাছিয়াৰ জ্যেষ্ঠ সাংবাদিক আলহাজ আব্দুল হাইয়ে দাবী জনাইছে। তেওঁ আৰু পুনৰ কয় যে অত্যন্ত দুৰ্ভাগ্যজনক আৰু অসহনীয় ভাৱে মাৰপিট কৰি যি বলিয়ালি প্ৰকাশ কৰিছে সেই সকল আছলতে মানুহ নহয় নৰপিশাচ বুলি মন্তব্য কৰিছে। ইফালে ঘটনাটোৰ সৈতে জড়িত প্ৰতিজন দোষীক তৎপৰতাৰে কঠোৰ শাস্তি বিহি দৃষ্টান্তমূলক পদক্ষেপ ল'বলৈ কলগাছিয়াৰ বিভিন্ন দল-সংগঠনৰ লগতে দৈনিক বাতৰি কাকতৰ সাংবাদিক আবুবক্কাৰ ছিদ্দিক, নিয়মীয়া বাৰ্তাৰ সাংবাদিক মফিদুল ইছলাম, দৈনিক অসম কাকতৰ সাংবাদিক আব্দুৰ ৰহমান, আসাম লাইভৰ সাংবাদিক জাহাংগীৰ আলম, টাইম এইটৰ সাংবাদিক জাভেদ আলী আদি কৰি শিক্ষা সচেতন মহলে অসম আৰক্ষীক মুকলি আহ্বান জনাইছে। মুখ্যমন্ত্ৰীৰ কঠোৰ নিৰ্দেশ আৰু স্বাস্থ্য মন্ত্ৰীৰ আহ্বান মৰ্মে চিকিৎসক আৰু স্বাস্থ্যকৰ্মীসকলে জনগনৰ সুৰক্ষাৰ স্বাৰ্থত কোভিড কালিন পৰিৱেশত নিজৰ জীৱনকো তুচ্ছ কৰি অহৰ্নিশে সেৱা আগবঢ়াই আছে। এই মহান চিকিৎসা বৃত্তিৰ সৈতে জড়িত প্ৰতিগৰাকী লোকৰ নিৰাপত্তা দিয়াটো প্ৰতিজন নাগৰিকৰ দ্বায়িত্ব আছে। ডাঃ সেউজ সেনাপতিৰ দৰে চিকিৎসকক এইদৰে অমানসিকভাৱে প্ৰহাৰ কৰি যি কাপৰুষৰ পৰিচয় দাঙি ধৰিছে সেই সকল নৰাধম যাতে এজনো সাৰি যাব নোৱাৰে সেয়া নিশ্চত হব লাগে এইক্ষেত্ৰত চিকিৎসক গৰাকীৰ আৰোগ্য কামনা কৰিছে ট্ৰেভেলছৰ বিষয়ববীয়াসকলে।

**হোজাইৰ চিকিৎসক নিগ্ৰহৰ ঘটনাক হেলথ্ চিটী হাস্পতালৰ অধীক্ষক ডাঃ হেমজিৎ তালুকদাৰৰ গৰিহণা**

**দৈনন্দিন বাৰ্তাৰ সেৱা ঃ** হোজাইৰ উডালি হাস্পতালৰ চিকিৎসক ডাঃ সেউজ কুমাৰ সেনাপতিৰ লগতে নাৰ্ছ আৰু চিকিৎসা কৰ্মীক কৰ্তব্যৰত অৱস্থাত ৰোগীৰ উন্মত্ত নিকটাত্মীয়ই অতি নিৰ্দয়ভাৱে আক্ৰমণ কৰা ঘটনাক গুৱাটীৰ হেলথ্ চিটী হাস্পতালে কঠোৰ ভাষাৰে নিন্দা কৰিছে। ক'ভিড মহামাৰীৰ বিৰুদ্ধে দিনে-নিশাই যুঁজ দি, নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি সৰ্বসাধাৰণৰ সেৱাত আত্মনিয়োগ কৰা তথা প্ৰথম শাৰীৰ ক'ভিড যোদ্ধাক এনে দুৰ্ব্যৱহাৰ কৰাটো চৰম অমানৱিক ঘটনা। হেলথ্ চিটী হাস্পতালৰ অধীক্ষক ডাঃ হেমজিৎ তালুকদাৰে হোজাইৰ চিকিৎসক নিগ্ৰহৰ ঘটনাক এইদৰে গৰিহণা দিয়াৰ লগতে কয়ঃ হেলথ্ চিটী হাস্পতালে আজি আই এম এৰ সিদ্ধান্তৰ লগত সংগতি ৰাখি বহিৰ্বিভাগীয় চিকিৎসা সেৱা সম্পূৰ্ণভাৱে বন্ধ ৰাখে। তদুপৰি হাস্পতালখনৰ চিকিৎসকসকলে ক'লা বেজ পৰিধান কৰি এই ঘটনাৰ প্ৰতিবাদ সাব্যস্ত কৰে।

**চিকিৎসকক আক্ৰমণৰ ঘটনাক চি আৰ ইউ (উত্তৰ পূৰ্বাঞ্চল)ৰ গৰিহণা দোষীৰ কঠোৰ শাস্তিৰ দাবী**

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও ঃ** হোজাইৰ উদালি আদৰ্শ চিকিৎসালয়ত কৰ্তব্যৰত চিকিৎসক ডাঃ সেউজ কুমাৰ সেনাপতিক মঙলবাৰে ৰোগীৰ আত্মীয়ই বৰ্বৰ ভাৱে প্ৰহাৰ কৰা ঘটনাক উত্তৰ পূৰ্বাঞ্চলৰ মেডিকেল আৰু চেলছ্ ৰিপ্ৰেজেনটেটিভচৰ সংগঠন চেণ্টাৰ অৱ মেডিকেল এণ্ড চেলছ্ প্ৰেজেনটেটিভচ্ ইউনিয়নে (উত্তৰ পূৰ্বাঞ্চল) তীব্ৰ ভাষাৰে গৰিহণা দিছে। বুধবাৰে চি আৰ ইউ ( উত্তৰ পূৰ্বাঞ্চল) ৰ সাধাৰণ সম্পাদক ৰাহুল পুৰকায়স্থই এক প্ৰেছ বাৰ্তাত ক'ভিড অতিমাৰীৰ সময়ত ৰোগীৰ চিকিৎসাত ব্ৰতী এগৰাকী চিকিৎসকক অমানৱীয় ভাৱে প্ৰহাৰ কৰা ঘটনা অত্যন্ত দুৰ্ভাগ্যজনক বুলি আখ্যা দি এই জটিল সময়ত প্ৰতি গৰাকী চিকিৎসক আৰু চিকিৎসা কৰ্মীৰ কাষত সংগঠনটো ঠিয় হৈছে বুলি কয়। লগতে দুৰ্ভাগ্যজনক ঘটনাৰ বলি হোৱা চিকিৎসক গৰাকীৰ আশু আৰোগ্যও কামনা কৰে। সেইদৰে সংগঠনটোৱে অনতিপলমে দোষীক কৰায়ত্ত কৰাৰ লগতে ফাষ্ট ট্ৰেক আদালতৰ জৰিয়তে বিচাৰ প্ৰক্ৰিয়া অনুষ্ঠিত কৰি দৃষ্টান্তমূলক শাস্তিৰ ব্যৱস্থা কৰা, প্ৰতি গৰাকী চিকিৎসক আৰু চিকিৎসা কৰ্মীৰ নিৰাপত্তা নিশ্চিত কৰাৰ লগতে এনে ধৰণৰ ঘটনা নিৰ্মূল কৰিবলৈ চৰকাৰক যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈকো দাবী জনায় । উল্লেখ্য যে বুধবাৰে এই দাবী সম্বলিত এখন স্মাৰক পত্ৰ চি আৰ ইউ ৰ প্ৰতিখন জিলা সমিতিয়ে জিলা উপায়ুক্তৰ জৰিয়তে অসমৰ স্বাস্থ্য মন্ত্ৰীলৈ প্ৰেৰণ কৰে আৰু তেৰাঁক ক্ষিপ্ৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ইপিনে চিকিৎসকৰ ওপৰত সংঘটিত আক্ৰমণৰ ঘটনাৰ প্ৰতিবাদত বুধবাৰে বঙাইগাঁও অসামৰিক চিকিৎসালয়তো বহিঃ বিভাগ বন্ধ থাকে।

**চিকিৎসকৰ ওপৰত আক্ৰমণৰ ঘটনাক সদৌ অসম আমোলা সন্থাৰ গৰিহণা**

**চৰকাৰী সম্পত্তিৰ ক্ষতিসাধনকাৰীক কঠোৰ শাস্তিৰ দাবী**

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও ঃ** হোজাই জিলাৰ উদালি আদৰ্শ চিকিৎসালয়ৰ ক'ভিড চেণ্টাৰত মঙলবাৰে লংকাকাণ্ড সংঘটিত কৰা ব্যক্তিসকলৰ বৰ্বৰতা কাৰ্যক সদৌ অসম আমোলা সন্থাই তীব্ৰ ভাষাৰে গৰিহণা দিছে। সদৌ অসম আমোলা সন্থাৰ সভাপতি দিলীপ কোঁৱৰ আৰু সাধাৰণ সম্পাদক সত্য নাৰায়ণ ৰায়ে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতিত চিকিৎসালয়ৰ কৰ্তব্যৰত চিকিৎসক ডাঃ সেউজ কুমাৰ সেনাপতি, নাৰ্চ, চিকিৎসা কৰ্মীৰ ওপৰত মাৰধৰ কৰা কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে কয় যে হোজাই জিলা প্ৰশাসনে এই কাৰ্যত লিপ্ত থকা ব্যক্তি সকলক চিনাক্ত কৰি উচিত শাস্তি প্ৰদান কৰি চৰকাৰী সম্পত্তিৰ ক্ষতিপূৰণ বিহিব লাগে,যাতে ভৱিষ্যতে এনে কাৰ্যৰ পৰা সকলো পক্ষই বিৰত থাকে। সেইদৰে ভৱিষ্যতৰ দিনত অসমত এনে ঘটনা সংঘটিত কৰাৰ পৰা বিৰত থাকিবলৈ সকলো ৰাইজক সন্থাই অনুৰোধ জনায়। আনহাতে ঘটনাত আহত চিকিৎসক,নাৰ্চ,চিকিৎসা কৰ্মীসকলৰ সোনকালে আশু আৰোগ্য লাভৰ কামনা কৰে। সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ বঙাইগাঁও জিলা সমিতিৰ নিন্দা। ইপিনে লংকাৰ ক'ভিড চিকিৎসালয়ত কতৰ্ব্যৰত চিকিৎসকক শাৰীৰিকভাৱে আক্ৰমণৰ ঘটনাক চৰম দুৰ্ভাগ্যজনক আৰু অতিকৈ নিন্দনীয় আখ্যা দিছে সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ বঙাইগাঁও জিলা সমিতিয়ে। ক'ভিডৰ দৰে ভয়াৱহ মহামাৰীৰ সময়ত নিজৰ জীৱনকো তুচ্ছজ্ঞান কৰি দিনে নিশাই ৰাইজৰ সেৱাত নিয়োজিত হৈ থকা চিকিৎসকৰ ওপৰত হোৱা এই দুৰ্ভাগ্যজনক ঘটনাক পৰিষদৰ বঙাইগাঁও জিলা সমিতিয়ে কঠোৰ ভাষাৰে নিন্দা কৰে। লগতে দুস্কৃতিকাৰীৰ আক্ৰমণত গভীৰভাৱে আহত হোৱা ক'ভিড যোদ্ধা ডাঃ সেউজ সেনাপতিৰ দ্ৰুত আৰোগ্য কামনা কৰে।

**চিকিৎসকক নিগ্ৰহৰ তীব্ৰ প্ৰতিবাদ চিকিৎসক, যোৰহাট আছুৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট ঃ** হোজাইৰ উদালিত কৰ্তব্যৰত চিকিৎসক ডাঃ সেউজ সেনাপতিৰ ওপৰত কালি যি বৰ্বৰোচিত আক্ৰমণৰ ঘটনা সংঘটিত হ'ল উক্ত ঘটনাৰ বিৰুদ্ধে সৰ্বত্ৰে প্ৰতিবাদ সাব্যস্ত হৈ থকাৰ সময়তেই আজি এই আমানৱীয় ঘটনাৰ প্ৰতিবাদ সাব্যস্ত কৰে যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসক, শিক্ষক শিক্ষয়িত্ৰীৰ লগতে সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাই। যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ আজি বৰ্হিঃবিভাগ বৰ্জন কৰি চিকিৎসকসকলে আজি প্ৰতিবাদ সাব্যস্ত কৰি দোষীক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী কৰে। প্ৰতিবাদী চিকিৎসক সকলে কয় যে আৰক্ষীয়ে ইতিমধ্যে ২৪ জন




অভিযুক্তক কৰায়ত্ত কৰিছে যদিও আইনৰ সুৰুঙাৰে যাতে কোনো সাৰি যাব নোৱাৰে তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আনহাতে যোৰহাট জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত আজি সামাজিক দূৰত্ব বজাই ৰাখি সম্পূৰ্ণ স্বাস্থ্যবিধি মানি চলি হাতে হাতে ' চিকিৎসকৰ ওপৰত আক্ৰমণ সহ্য কৰা নহ'ব', ' ডাঃ সেউজ সেনাপতিয়ে ন্যায় পাবই লাগিব', ' হোজাইৰ উদালিত চিকিৎসক আক্ৰমণ ঘটনাৰ সমূহ দুৰ্বৃত্তক কঠোৰ শাস্তি প্ৰদান কৰক', 'চিকিৎসা কৰ্মীৰ নিৰাপত্তা সুনিশ্চিত কৰক', 'সদৌ যোৰহাট জিলা ছাত্ৰ সন্থা জিন্দাবাদ' ইত্যাদি শ্ল'গান সম্বলিত প্লে'কাৰ্ড প্ৰদৰ্শনেৰে দোষীক কঠোৰ শাস্তি প্ৰদনৰ দাবীত অসম চৰকাৰৰ গৃহ বিভাগৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্ৰীগৰাকীলৈ স্মাৰকপত্ৰ প্ৰদানেৰে সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাই যোৰহাট মহকুমা ছাত্ৰ সন্থাৰ সহযোগত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰি প্ৰতিবাদস্থলীৰ আকাশ-বতাহ কঁপাই তোলে। প্ৰতিবাদস্থলীত উপস্থিত থাকি সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ সভাপতি বিজয় শংকৰ বৰদলৈয়ে কয়, মহামাৰীয়ে গ্ৰাস কৰা সমগ্ৰ বিশ্বৰ এই জটিল সময়ত যি ক্ষণত চিকিৎসা কৰ্মী সকলে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি মানৱ জাতিৰ চিকিৎসাৰ বাবে নিজৰ জীৱন উচৰ্গা কৰিছে সেই সময়তেই চিকিৎসা কৰ্মীৰ ওপৰত হোজাইৰ উদালিত চিকিৎসক ডাঃ সেউজ সেনাপতিৰ ওপৰত যি আমানৱীয় ঘটনা সংঘটিত হ'ল সেইয়া মানৱ জাতিৰ বাবে চৰম লজ্জাৰ বিষয়। এই ঘটনাক আমি কঠোৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে এই বৰ্বৰ ঘটনাৰ আঁৰত যিসকল দোষী ব্যক্তি জড়িত হৈ আছে সেই সকলোকে অতিশীঘ্ৰে কৰায়ত্ত কৰি সকলোকে কঠোৰতম শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছোঁ। সময়ে সময়ে চিকিৎসা কৰ্মীৰ ওপৰত বিভিন্ন বৰ্বৰ আক্ৰমণৰ ঘটনা সংঘটিত হোৱাৰ বিভিন্ন উদাহৰণৰ আমি সাক্ষী হৈ আহিছোঁ যদিও চৰকাৰ তথা স্বাস্থ্য বিভাগে চিকিৎসা কৰ্মীক উপযুক্ত নিৰাপত্তা প্ৰদানৰ কোনো স্থায়ী পদক্ষেপ আজি পৰ্যন্ত গ্ৰহণ নকৰাটো অতি দুৰ্ভাগ্যজনক বিষয়। ছাত্ৰ সন্থাৰ স্পষ্ট মত মানৱ সেৱাত ব্ৰতী এই চিকিৎসা কৰ্মীসকলৰ জীৱনৰ নিৰাপত্তা চৰকাৰ তথা প্ৰশাসনে সুনিশ্চিত কৰিবই লাগিব আৰু সেই ক্ষেত্ৰত চৰকাৰে এখন কঠোৰ আইন প্ৰণয়ন কৰিব লাগে যাতে ভৱিষ্যতে কোনোবা দুৰ্বৃত্তই এনেধৰণৰ চিকিৎসা কৰ্মীৰ ওপৰত নিগ্ৰহ সংঘটিত কৰিবলৈ হাজাৰবাৰ চিন্তা কৰিবলগীয়া হয়। লগতে উদালিৰ চিকিৎসক নিগ্ৰহৰ ঘটনাই যাতে শেষ ঘটনা হয় সেই ক্ষেত্ৰত অসম চৰকাৰৰ গৃহ বিভাগে দৃঢ় আৰু কঠোৰ পদক্ষেপ গ্ৰহণ কৰিব লাগে। অন্যথা ছাত্ৰ সন্থা কেতিয়াও ক্ষান্ত হৈ নাথাকে। আজিৰ প্ৰতিবাদী কাৰ্যসূচীত যোৰহাট মহকুমা ছাত্ৰ সন্থাৰ সভাপতি বিতোপন বৰাৰ লগতে অৰ্ধশতাধিক ছাত্ৰকৰ্মী উপস্থিত থাকে।

## প্ৰথম পৃষ্ঠাৰ পৰা—

## বিকৃত মানসিকতাৰ পৰিৱৰ্তন

ধিক্কাৰ জনাই বা গৰিহণা দি একো লাভেই নাই কাৰণ তেওঁলোক মানুহ নহয়, মানুহৰ ৰূপত একো একোটা দানৱ, বন্য জন্তুতকৈও এইসকল বেছি হিংস্ৰ, বৰ্বৰ। সাধাৰণ কথাতে কিচুমান মানুহৰ ইমান হিংস্ৰ হৈ উঠা দেখিলে কেতিয়াবা মানুহ হিচাপে নিজকেই লজ্জিতবোধ হয়।

বুজি নাপাও কিয় ইমান সৰু সৰু অজুহাতত স্বাস্থ্যকৰ্মীসকলে প্ৰায়ে এইদৰে এচাম মানুহৰ জিঘাংসাৰ বলী হ'বলগীয়া হয়। স্বাস্থ্যকৰ্মীসকলক মানুহবোৰে কি বুলি ভাৱে যে কোনোবা এজন ৰোগীৰ মৃত্যু হ'লেই চিকিৎসক বা আন আন স্বাস্থ্য কৰ্মীসকলক দোষাৰোপ কৰি তেওঁলোকক এইদৰে অমানৱীয় অত্যাচাৰ কৰে। চিকিৎসক সকল যন্ত্ৰও নহয় ভগৱানো নহয়, তেওঁলোকো আন দহজনৰ দৰে তেজ-মঙহৰ সাধাৰণ মানুহ যাওঁপৰি বহু ক্ষেত্ৰত বহুতেই চিকিৎসক সকলক ভগৱানৰ ৰূপ বা দূত বুলি কয়, তেতিয়াহলে কিয় তেওঁলোকৰ ওপৰত এইদৰে নিৰ্যাতন চলোৱা হয়? সকলো ধৰ্মতেই কয় জন্ম মৃত্যু একমাত্ৰ ভগৱান বা আল্লাহৰ নিৰ্দেশত হয়। তেতিয়াহ'লে কাৰোবাৰ মৃত্যুত কোনো এজনক দোষাৰোপ কৰাটো জানো নিজৰ নিজৰ ঈশ্বৰ আল্লাহক অপমান কৰা নহয়? ঈশ্বৰ আল্লাহৰ ইচ্ছাক বিৰোধিতা কৰা এই সকলৰ কোনো ধৰ্মো নহ'ব নোৱাৰে আৰু কোনো সম্প্ৰদায়ৰো হ'ব নোৱাৰে। সমাজখনৰ বাবেই এই সকল ক্ষতিকাৰক। অপ্ৰয়োজনীয় হাবি বন কাটি বাৰীখন ছফা কৰাৰ দৰেই এই অপ্ৰয়োজনীয় ক্ষতিকাৰক মানুহ ৰূপী দানৱবোৰকো এক্‌চাৰীয়াকৈ ৰাখি সমাজ ছফা কৰাৰ সময় আহি পৰিছে। আমি চৰকাৰক ইয়াৰ বাবে দাবী জনালোঁ। আইনৰ সুৰুঙাৰে সাৰি গ'লেও হয়তো ঈশ্বৰ আল্লাহৰ হাতৰ পৰা এই সকল যাতে কেতিয়াও সাৰি নাযায় ঈশ্বৰ আল্লাহৰ ওচৰত তাকেই কামনা কৰিলোঁ।

এনেকুৱা পৰিস্থিতিত বহু স্বাস্থ্য কৰ্মীয়ে কেতিয়াবা চৰম বলীদানো দিবলগীয়া হৈছে। বহু আছে তাৰ উদাহৰণ। কিন্তু আৰু কিমান বলিদান দিব স্বাস্থ্য কৰ্মী সকলে এইদৰে? চৰকাৰে উচিত ব্যৱস্থা কেতিয়া ল'ব? এনেকৈয়ে হৈ থাকিলে দেখোন পিচলৈ এই বিভাগটোতে নতুন প্ৰজন্মই সোমাবলৈয়ে টান পাব। গতিকে সময় থাকোতেই সকলো সজাগ হওক।

মনত ৰখা উচিত স্ব-ইচ্ছাই চলাবে বাটৰ ভেকুলী এটাকো মাৰিব নিবিচাৰে তথাপিও দুৰ্ঘটনা হৈ যায়। স্বইচ্ছাই কোনো চিকিৎসকে কোনো ৰোগীক মৃত্যুৰ মুখলৈ ঠেলি নিদিয়ে কাৰণ চিকিৎসকৰ ধৰ্মই হ'ল ৰোগৰ লগত যুঁজি মৃত্যুৰ হাতৰ পৰা ৰোগীক উদ্ধাৰ কৰা আৰু যুঁজত কোনেও হাৰিব নিবিচাৰে। মৃত্যুমুখী ৰোগী এজনক আৰোগ্য কৰি তুলিব পাৰৰ যি এক স্বৰ্গীয় আনন্দ, এজন স্বাস্থ্য কৰ্মী হিচাপে সেই আনন্দ কিছু অনুভৱ কৰিব পাৰো আৰু মোৰ দৃঢ় বিশ্বাস প্ৰতিজন স্বাস্থ্য কৰ্মীয়েও এই আনন্দ অনুভৱ কৰিব পাৰে আৰু নিঃসন্দেহে সকলোৰে সদায়ে আনন্দত থাকিব বিচাৰে।

সেয়ে অনুৰোধ কৰিম হোজাইৰ সেই অঞ্চলৰ ৰাইজক কেইজনমান নৰপিশাচৰ বাবে আপোনালোকে বদনামৰ ভাগ নল'ব। এটা এটা বিচাৰি ধৰি আনি আইনৰ হাতত তুলি দিয়ক। কিয়নো সিহঁত কেইজনৰ কুকৰ্মৰ বাবেই হয়তো আপোনালোকেও ইয়াৰ কুফল ভোগ কৰিব লাগিব। দুজনমানৰ বাবে গোটেই সমাজ লাঞ্ছিত হোৱাৰ কোনো যুক্তি নাই। বলিয়াই দিয়ক বস্তাৰ পৰা পচা আলু।

সমাজখন সুস্থ কৰি ৰখাত সহায় কৰক। এইবাৰ আৰু গৰিহণা নিদিও, প্ৰতিবাদো নকৰো তাৰ পৰিবৰ্তে আমি ফাৰ্মাচিষ্ট সমাজে এই শিতানৰ পৰা চৰকাৰক দাবী জনাইছো যাতে আইনৰ সুৰুঙাৰে যাতে দোষী সাৰি যাব নোৱাৰে, তাৰ বাবে বিষয়টোৰ ওপৰত চৰকাৰে তীক্ষ্ণ দৃষ্টি ৰাখক আৰু অতিশীঘ্ৰে যাতে দোষীক এনেকুৱা শাস্তি দিয়ক যাতে ভৱিষ্যতে এই ধৰণৰ ভুল কৰিবলৈ এশবাৰ ভাবিবলগীয়া হয়। সৌ সিদিনা চাহবাগিছা একমাত হৈ যোৱা ডক্তৰ দেৱৰ ঘটনাৰ দোষী সকলে চৰম শাস্তি দিয়া হ'লে আজি হয়তো পুনৰাই এইধৰণৰ ঘটনাৰ পুনৰাবৃত্তি নহ'লহেঁতেন। গতিকে চৰকাৰে স্বাস্থ্য কৰ্মীসকলৰ সুৰক্ষা নিশ্চিত কৰক যাতে স্বাস্থ্যকৰ্মী সকলেও নিশ্চিন্ত মনেৰে ৰাইজলৈ সেৱা আগবঢ়াব পাৰে।

## ৫০ লাখটকীয়া পুৰস্কাৰেৰে

সংক্ৰমণৰ সময়ত সমুখীন হোৱা অভিজ্ঞতাৰে পুষ্ট জনসাধাৰণে এইবাৰ কৰ'নাৰ দ্বিতীয় ঢৌ অধিক সচেতনতাৰে কৰ'নাৰ মুখামুখী হৈছে। বিভিন্ন ঠাইত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে যদিও মহাৰাষ্ট্ৰ চৰকাৰে এইবাৰ জনসাধাৰণক তথা গাঁৱে গাঁৱে অধিক সচেতনতা আনিবৰ বাবে এক বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছে। মহাৰাষ্ট্ৰ চৰকাৰে কৰ'না প্ৰতিৰোধৰ বাবে গাঁও পঞ্চায়তবোৰৰ মাজত এক বিশেষ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। এই প্ৰতিযোগিতাৰ নাম হ'ল— 'কৰ'নামুক্ত গাঁও' প্ৰতিযোগিতা। কৰ'নামুক্ত কৰিব পাৰিলে তিনিখন শ্ৰেষ্ঠ গাঁও পঞ্চায়তলৈ ৫০ লাখ টকা পুৰস্কাৰ হিচাপে আগবঢ়াব। ৰাজ্যিক গ্ৰাম্য উন্নয়ন মন্ত্ৰী হাছান মুস্বৰিফে এই প্ৰতিযোগিতা কেৱল প্ৰতিযোগিতাই নহয়, সচেতনতাৰ এক অভ্যাস কাৰ্যসূচী বুলি প্ৰকাশ কৰে। তেওঁ কোৱা মতে প্ৰথম পুৰস্কাৰ ৫০ লাখ, দ্বিতীয় পুৰস্কাৰ ২৫ লাখ আৰু তৃতীয় পুৰস্কাৰ ১৫ লাখকৈ দিয়া হ'ব। তেওঁ লগতে কয় যে ৰাজ্যত ৬টা ৰাজহ সংমণ্ডল আছে আৰু এই ৬ টা সংমণ্ডলত মুঠ পুৰস্কাৰ পাব ১৮ খন গাঁৱে। ইয়াৰ পুৰস্কাৰৰ মুঠ ধনৰাশি হ'ব ৫.৪ কোটি টকা। তদুপৰি এই প্ৰতিযোগিতাত ভাগলোৱা গাঁওবোৰলৈ সমপৰিমাণৰ ধন উন্নয়নমূলক কামৰ বাবে দিয়া হ'ব যাতে তেওঁলোকে এই ধনৰাশি গাঁৱৰ উন্নয়নৰ বাবে খৰচ কৰিব পাৰিব। তদুপৰি ৫০ টা চৰ্তসাপেক্ষে এখন গাঁও শ্ৰেষ্ঠ ঘোষণা কৰিবৰ বাবে এখন কমিটিও গঠন কৰা হ'ব। দেশৰে মুখ্যমন্ত্ৰী থাকৰে ঘোষণা কৰে যে মহাৰাষ্ট্ৰৰ সৰ্বকনিষ্ঠ চৰপঞ্চ ২১ বছৰীয়া ঋতুৰাজ দেশমুখৰ গাঁওখন কৰ'নামুক্ত। চ'লাপুৰ জিলাৰ ঘাটনে গাঁৱৰ চৰপঞ্চ হ'ল ঋতুৰাজ দেশমুখ। উল্লেখ্য মহাৰাষ্ট্ৰত বিগত ২৪ ঘণ্টাত ১৪,১২৩ গৰাকী লোক নতুনকৈ কৰ'নাত সংক্ৰমণ হোৱাৰ লগতে ৪৭৭ গৰাকী মৃত্যু হয়।

## দশম আৰু দ্বাদশ শ্ৰেণীৰ

পাঠ্যপুথিভিত্তি ট্ৰাকৰ যাত্ৰা শুভাৰম্ভ কৰে। উল্লেখ্য শিক্ষামন্ত্ৰী পেগুৱে কালি মেট্ৰিক পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষা অনুষ্ঠিত কৰাৰ সম্পৰ্কত শীঘ্ৰেই ঘোষণা কৰা হ'ব বুলি উল্লেখ কৰিছিল। ক'ভিড পৰিস্থিতি ভাললৈ আহিলে যেনেকৈ হ'লেও পৰীক্ষা অনুষ্ঠিত কৰা হ'বই। পৰীক্ষাই হ'ল একমাত্ৰ মাধ্যম, যাৰ দ্বাৰা শিক্ষাৰ্থীৰ নম্বৰৰ মান উপযুক্তভাৱে নিৰ্ণয় কৰিব পৰা যায়।

## চিকিৎসক প্ৰহাৰ কাণ্ডক

সংঘটিত বৰ্বৰোচিত ঘটনাৰ বলি হোৱা চিকিৎসক ডাঃ সেউজ কুমাৰ সেনাপতিৰ স্বাস্থ্যৰ বুজ লোৱাৰ লগতে চিকিৎসকগৰাকীক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণৰ ব্যৱস্থা কৰে। আহত চিকিৎসকগৰাকীক প্ৰত্যক্ষ কৰাৰ পিছত স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমক কয় — ঘটনাত জড়িত সকলোকে বিচাৰি উলিয়াই কঠোৰ শাস্তি দিয়া হ'ব। এনে জঘন্য কাৰ্য কোনো কাৰণতে সহ্য কৰা নহ'ব। ভৱিষ্যতে সকলো ক'ভিড কেয়াৰ চেণ্টাৰত পৰ্যাপ্ত নিৰাপত্তাৰক্ষী নিয়োগ কৰা হ'ব বুলিও স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। আনহাতে নগাঁৱৰ পৰা নিশাই স্বাস্থ্যমন্ত্ৰীগৰাকী হোজাইলৈ ৰাওনা হয়। হোজাইত আহত আন স্বাস্থ্যকৰ্মীৰ খবৰ লোৱাৰ লগতে জিলা প্ৰশাসনক এই ঘটনাৰ লগত জড়িত দোষীক শীঘ্ৰে আটক কৰি ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়ে। ইপিনে মানৱ সেৱাৰ মানসেৰে নিজৰ কৰ্মজীৱন আৰম্ভ কৰা ডাঃ সেউজ কুমাৰ সেনাপতিয়ে চিকিৎসালয়খনত যোগদানৰ দ্বিতীয় দিনটোতে নিকৃষ্ট মানসিকতাৰ একাংশ বৰ্বৰ লোকৰ পাশৱিকতাৰ বলি হ'ব লগাত পৰে। নগাঁও জিলাৰ দক্ষিণপাট বালিগাঁৱৰ শিক্ষাবিষয়া চন্দ্ৰকান্ত সেনাপতিৰ পুত্ৰ মেধাসম্পন্ন সেউজ কুমাৰ সেনাপতিয়ে তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ পৰা এমবিবিএছ পাঠ্যক্ৰম সম্পূৰ্ণ কৰি হোজাই জিলাৰ উদালী আদৰ্শ চিকিৎসালয়ত চিকিৎসক হিচাপে কৰ্মত যোগদান কৰে। কিন্তু কালিৰ নিশাটোত চিকিৎসালয়খনৰ ক'ভিড বাৰ্ডত এজন ক'ভিড ৰোগীৰ মৃত্যুক কেন্দ্ৰ কৰি ৰোগীজনৰ আত্মীয় তথা একাংশ অতি মানসিকতাৰ জঘন্য লোকৰ পাশৱিক আক্ৰমণৰ বলি হ'বলগাত পৰে চিকিৎসকগৰাকী। কালি নিশা নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত ভৰ্তি হৈ থকা অৱস্থাত চিকিৎসক সেউজ কুমাৰ সেনাপতিয়ে সংবাদ মাধ্যমক জানিবলৈ দিয়া মতে আক্ৰমণকাৰীয়ে তেওঁক লোহাৰ ৰ'ড, লাঠী, চকিয়া আদিৰে দলবদ্ধভাৱে আক্ৰমণ কৰাৰ উপৰি তেওঁৰ মোবাইল ফোন আৰু সোণৰ চেইন আদি কাঢ়ি লৈ যায়। আনকি তেওঁৰ চশমাযোৰো আক্ৰমণকাৰীয়ে ভাঙি পেলায়। সেই সময়ত ঘটনাস্থলীত উপস্থিত থকা এজন নিৰাপত্তাৰক্ষীয়ে চিকিৎসকগৰাকীক আক্ৰমণকাৰীৰ কবলৰ পৰা মুক্ত কৰাৰ চেষ্টা কৰে যদিও বিফল হয়। ইয়াৰ মাজতে চিকিৎসকগৰাকীয়ে নিজৰ প্ৰাণৰক্ষা কৰি তাৰ পৰা পলায়ন কৰে। চশমা অবিহনে অসুবিধাৰ সন্মুখীন হৈয়ো ১২ কিলোমিটাৰ গাড়ী চলাই অহা চিকিৎসক সেনাপতিক অৱশেষত এজন লোকে উদ্ধাৰ কৰি নগাঁৱৰ চিকিৎসালয়লৈ লৈ আহে। সম্প্ৰতি চিকিৎসকগৰাকী গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে। আনহাতে চিকিৎসকগৰাকীৰ গৃহভূমি নগাঁও জিলাৰ দক্ষিণপাট বালিগাঁৱৰ ৰাইজে কালি সংঘটিত ডাঃ সেউজ কুমাৰ সেনাপতিৰ আক্ৰমণৰ ঘটনাক তীব্ৰ ভাষাৰে নিন্দা কৰাৰ লগতে দোষীক উচিত শাস্তি প্ৰদানৰ দাবী জনায়। ইতিমধ্যে এই ঘটনাত জড়িত ৫জনক আৰক্ষীয়ে আটক কৰাৰ পিছতে কালি নিশাই বিভিন্ন স্থানৰ পৰা গ্ৰেপ্তাৰ কৰে। ইয়াৰে দুজন লস্কৰ পথাৰৰ জয়নাল উদ্দিন, কামাল উদ্দিন আৰু আন এজন বামুণ গাঁৱৰ তৈয়বুৰ ৰহমান। পৰৱৰ্তী সময়ত উদালী ফুলতলী ক'ভিড চিকিৎসালয়ৰ চিকিৎসক সেউজ কুমাৰ সেনাপতিৰ ওপৰত হোৱা বৰ্বৰ আক্ৰমণত জড়িত ২৪ জন অপৰাধীক হোজাই আৰক্ষীয়ে ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে। এই ঘটনাৰ সন্দৰ্ভত কৰা হ'ব অভিযোগক্ৰমে। চিকিৎসক সেউজ কুমাৰ সেনাপতিৰ আক্ৰমণত জড়িত অপৰাধত বৰ্তমান পৰ্যন্ত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা অপৰাধীসকল হ'ল ক্ৰমে মঃ কামাৰুদ্দিন, মঃ জৈনালুদ্দিন, মঃ ৰাহানুদ্দিন, ছাইফুল আলম ৰহিমুদ্দিন, ৰিজুল ইছলাম, টিইবুৰ ৰহমান, ৰহিমুদ্দিন, আব্দুল কালাম, নুৰজুল ইছলাম, আব্দুল গুণি, দিলবাৰ হুছেইন, আব্দুল হুছেইন, আনোৱাৰ হুছেইন, ইক্ৰামুল হুছেইন, নাছিৰুদ্দিন, আলিমুদ্দিন, জামিল আহমেদ, চাহিল ইছলাম, চবিফুদ্দিন, চাফিকুদ্দিন, মফিজুৰ ৰহমান, মতিবুৰ ৰহমান আৰু মিচবা বেগম। আনহাতে, শংকৰদেৱনগৰ প্ৰথম শ্ৰেণীৰ আদালতত আজি ২৪জন অপৰাধীক হাজিৰ কৰা হয়। ইয়াৰে ৮ জনক আৰক্ষীয়ে ৫ দিনৰ বাবে নিজৰ জিম্মাত বিচাৰে। আদালতে ৮ জনৰ ভিতৰত চাহিল ইছলামক নাবালক বাবে জিম্মাত নিদি বাকী ৭ জনক তিনিদিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰে। তেওঁলোক ক্ৰমে— মঃ কামাৰুদ্দিন, মঃ জৈনালুদ্দিন, মঃ ৰাহানুদ্দিন, ৰহিমুদ্দিন, জামিল আহমেদ, মিচবা বেগম।

**হোজাইৰ চিকিৎসক নিগ্ৰহৰ ঘটনাৰ লগত জড়িত ২৪ জনক আটক ঃ চিকিৎসক আক্ৰমণৰ ঘটনাক দল-সংগঠনৰ নিন্দা লগতে আজমলৰ প্ৰতিক্ৰিয়া ঃ ভুক্তভোগীক এক লাখ টকাৰ সাহায্য আজমলৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা,মোৰাজাৰ ঃ** হোজাই উদালী ফুলতলীৰ চিকিৎসক জঘন্যভাৱে প্ৰহাৰ কৰা ঘটনাক কেন্দ্ৰ কৰি সৰৱ হৈ পৰিছে হোজাই জিলাৰ দল-সংগঠনসমূহ। স্থানীয় বিধায়কক ধৰি সাংসদ মৌলানা বদৰুদ্দিন আজমলে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সুদূৰ মুম্বাইৰ পৰা এই জঘন্য ঘটনাক তীব্ৰ গৰিহণা প্ৰদান কৰি নিন্দা জনায়। এই ঘটনাৰ বাবে হোজাইবাসীয়ে লগতে সমগ্ৰ অসমবাসীয়ে বিশ্বৰ আগত লজ্জা পোৱা বুলি মন্তব্য কৰে সাংসদজনে। ভুক্তভোগী চিকিৎসকজনৰ প্ৰাণৰক্ষা কৰাৰ বাবে এই চিকিৎসালয়ৰ এজন নিৰাপত্তাৰক্ষীয়ে প্ৰাণপণে চেষ্টা কৰি ... পত্ৰ প্ৰদান কৰি দোষীক শীঘ্ৰে আইনী শাস্তি প্ৰদান কৰিবলৈ দাবী জনায়। উল্লেখযোগ্য যে চিকিৎসক নিগ্ৰহ কাণ্ডৰ ২৪ অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে হোজাই আৰক্ষীয়ে। আৰক্ষীয়ে ক্ষিপ্ৰতাৰে অপৰাধীক কৰায়ত্ত কৰাত সচেতন মহলে সন্তুষ্টি প্ৰকাশ কৰে।

## চিকিৎসা সেৱাৰ অসহযোগৰ

সমষ্টিতে। চিকিৎসালয়ত কৰ্মৰত এগৰাকী নাৰ্ছৰ পদোন্নতি তথা বদলিকৰণৰ আনন্দত কলিয়াবৰৰ পানীগাঁও ৰাজ্যিক চিকিৎসালয়ত বৰভোজৰ আয়োজন চিকিৎসক-স্বাস্থ্যকৰ্মীৰ। লংকাৰ উদালীত সেউজ সেনাপতি নামৰ চিকিৎসক গৰাকীক প্ৰহাৰ কৰাৰ প্ৰতিবাদত চিকিৎসাকৰ্মীয়ে সমগ্ৰ ৰাজ্যতে প্ৰতিবাদ সাব্যস্ত কৰাৰ বিপৰীতে কলিয়াবৰৰ পানীগাঁও ৰাজ্যিক চিকিৎসালয়ত এক বিপৰীত দৃশ্যই লজ্জানত কৰিছে সকলোকে। এগৰাকী নাৰ্ছৰ বদলিকৰণৰ বাবেই চিকিৎসালয়ত চিকিৎসক মণ্টু শৰ্মাৰ তত্ত্বাৱধানতে চলিছে এই ভোজ-ভাতৰ আয়োজন। চিকিৎসালয়ৰ কাৰ্য্যায়ৰ কোঠাতে মাংস ৰান্ধি থকা অৱস্থাতে উপস্থিত হয় সাংবাদিকৰ দল। সাংবাদিকক দেখি পলায়ন কৰিব বিচাৰিছিল নাৰ্ছৰ লগতে চিকিৎসক মণ্টু শৰ্মা। উল্লেখযোগ্য যে চিকিৎসক মণ্টু শৰ্মাৰ বিৰুদ্ধে পূৰ্বৰে পৰা স্থানীয় ৰাইজৰ আছে ভালেমান অভিযোগ। এতিয়া সহকৰ্মীৰ নিগ্ৰহৰ সময়তো সামান্যতম সহানুভূতি প্ৰদৰ্শন নকৰা চিকিৎসক তথা চিকিৎসাকৰ্মীৰ এনে কৰ্মত ৰাজ্যৰ স্বাস্থ্য মন্ত্ৰীগৰাকীৰ সমষ্টিৰ ৰাইজে দিছে গৰিহণা।

## সলনা-সলনি কৰি ল'ব

ভেকচিনেই দ্বিতীয় পালিটো ল'ব লাগিব। ভাৰতত ক'ভিশ্বিল্ড আৰু ক'ভাক্সিন নামৰ দুটা ভেকচিন ল'বৰ বাবে চৰকাৰীভাৱে অনুমোদন জনোৱা হৈছে। কোনো কোনো স্থানত প্ৰথম পালি এটা ভেকচিন লৈ দ্বিতীয় পালিত এটো ভেকচিন লোৱা বুলিও খবৰ সম্প্ৰচাৰিত হৈছে। ভেকচিন লওতাজনৰ অসচেতনতা আৰু ভেকচিন দিওতা চিকিৎসা কৰ্মীৰ অমনোযোগিতাৰ বাবেই এনেদৰে সানমিহলি কৰি ভেকচিন দিয়াৰ ফলত হিতাধিকাৰীৰ স্বাস্থ্যৰ অৱনতি হোৱাৰ খবৰো আহিছে। সেয়েহে দেশৰ নিতি আয়োগৰ স্বাস্থ্য বিভাগৰ সদস্য ডাঃ ভি কে পালে কয় যে— প্ৰথম আৰু দ্বিতীয় পালিত একে নামৰ ভেকচিনেই লোৱা উচিত। কিয়নো ভাৰতত প্ৰস্তুত কৰা ক'ভিশ্বিল্ড আৰু ক'ভাক্সিন ভেকচিন পৰস্পৰৰ সম্পূৰ্ণ পৰিপূৰক বুলি বৰ্তমানলৈকে নিশ্চিত কৰা হোৱা নাই। গতিকে প্ৰথম পালিত যদিহে এটা ভেকচিন গ্ৰহণ কৰিছে, তেনেহ'লে দ্বিতীয় পালিটো সেই একে নামৰ ভেকচিনেই সংশ্লিষ্ট হিতাধিকাৰীজনে গ্ৰহণ কৰিব লাগিব। ভি কে পালে লগতে স্পষ্ট কৰি দিছে যে যিসকলে ক'ভিশ্বিল্ড ভেকচিনৰ প্ৰথম পালি গ্ৰহণ কৰিছে, তেওঁলোকে বাৰ সপ্তাহৰ পিছত দ্বিতীয়পালি গ্ৰহণ কৰিব পাৰিব। কিন্তু ১৬ সপ্তাহৰ পলম কৰিব নোৱাৰিব। একেদৰে যিসকলে ক'ভাক্সিন ভেকচিনৰ প্ৰথম পালি গ্ৰহণ কৰিছে, তেওঁলোকে দ্বিতীয় পালি গ্ৰহণ কৰিব পাৰিব চাৰি সপ্তাহৰ পিছত আৰু ছয় সপ্তাহৰ ভিতৰত। ইতিমধ্যে দুয়ো পালি ভেকচিন গ্ৰহণৰ মাজৰ সময়সীমা সম্পৰ্কত নিৰ্দেশনা প্ৰকাশ কৰা হৈছে বুলিও ব্যক্ত কৰে। দুয়োটা ভেকচিনৰ মিশ্ৰন বা সংমিশ্ৰন অৰ্থাৎ সলনাসলনিকৈ গ্ৰহণ কৰা কাৰ্য ভাৰতৰ বাবে ক'ভিড প্ৰটকলৰ আওতাৰ বাহিৰৰ বিষয় বুলিও নিতি আয়োগৰ সদস্যজনে স্পষ্ট কৰি দিছে।

## বিহালীৰ বৰগাঙত লাভ জেহাদৰ ঘটনা
# ভুক্তভোগী যুৱতীৰ ন্যায় বিচাৰি মছজিদ কমিটীলৈ আবেদন
### পলাতক প্ৰেমিক আশ্বাদ আলী

**দৈনন্দিন বাৰ্তা বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি- বিহালী, ২ জুন ঃ** বিশ্বনাথ জিলাৰ বৰগাং আৰক্ষী চকীৰ অন্তৰ্গত শুকানসুঁতিত সংঘটিত হৈছে এক লাভ জেহাদৰ ঘটনা। এগৰাকী আদিবাসী হিন্দু যুৱতীক এজন মুছলিম যুৱকে প্ৰেমৰ চলেৰে দীৰ্ঘদিন ধৰি শাৰীৰিক সম্পৰ্ক স্থাপন কৰি দুমহীয়া অন্তঃসত্বা কৰি পলায়ন কৰে। ভুক্তভোগী যুৱতীগৰাকীয়ে ন্যায় বিচাৰি বিহালী-বৰগাং মছজিদ কমিটী ওচৰত দিলে বিচাৰৰ বাবে আবেদন। ঘটনা অনুসৰি বিশ্বনাথ জিলাৰ বিহালী সমষ্টিৰ বৰগাং আৰক্ষী চকীৰ অন্তৰ্গত নিজ বৰগাঙৰ দিপ্তী নায়ক নামৰ এগৰাকী আদিবাসী যুৱতীক বৰগাং শুকান সুঁতিৰ মুছলমান সম্প্ৰদায়ৰ আশ্বাদ আলী নামৰ যুৱকজনৰ সৈতে যোৱা দুটা বছৰে প্ৰেমৰ সম্পৰ্ক স্থাপন হয়। লাহে লাহে প্ৰেম গভীৰ হয়। যুৱতীগৰাকীক বিভিন্ন লোভ-প্ৰলোভন আৰু কৌশলেৰে প্ৰেমত পেলাই যুৱকজনে যুৱতীগৰাকীৰ সোণৰ সামগ্ৰী বিক্ৰী কৰাই টকা লুটপাত কৰাৰ লগতে যুৱতীগৰাকীৰ লগত দীৰ্ঘদিন ধৰি শাৰীৰিক সম্পৰ্ক স্থাপন কৰি আহিছিল। শেহতীয়াকৈ যুৱতীগৰাকী ২মহীয়া অন্তঃসত্বা বুলি জানিব পাৰি পলায়ন কৰে প্ৰেমিক আশ্বাদ আলীয়ে। ইফালে যুৱতীগৰাকীক আশ্বাদ আলীক বিচাৰি ঘৰলৈ যাওঁতে আশ্বাদ আলীৰ পৰিয়ালে যুৱতীগৰাকীক ২ লাখ টকা দিয়াৰ প্ৰলোভন দি সন্তানটি নষ্ট কৰিবলৈ হেঁচা দিয়া বুলি ভুক্তভোগী যুৱতীগৰাকীয়ে অভিযোগ কৰে। ইফালে ভুক্তভোগী যুৱতীগৰাকীয়ে ন্যায় বিচাৰি বৰগাং মছজিদ কমিটীৰ সভাপতি-সম্পাদকলৈ এখন আবেদন দিয়া বুলি প্ৰকাশ ।এতিয়া প্ৰশ্ন হয় এই দৰিদ্ৰ ভুক্তভোগী যুৱতীগৰাকীয়ে ন্যায় পাবলৈ সক্ষম হ'বনে? সেইটোহে হ'ব লক্ষণীয়।

## নতুন অধ্যক্ষ উচ্চতম

গ্ৰহণ কৰে। ২০২০ ৰ ডিচেম্বৰত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ কমিচনৰ অধ্যক্ষ হিচাপে প্ৰাক্তন মুখ্য বিচাপৰতি এইচ এল দত্তুৱে অৱসৰ গ্ৰহণ কৰাৰ পিছত খালী হৈ থকা এই পদত আজি প্ৰাক্তন বিচাৰপতি মিশ্ৰই যোগদান কৰে। তেওঁ লগতে এগৰাকী পেনেল সদস্যয়ো আজি যোগদান কৰে। ২০১৫ বছৰ ২ ডিচেম্বৰত মুখ্য বিচাৰপতি হিচাপে অৱসৰ গ্ৰহণ কৰাৰ পিছত ২০১৬ চনৰ ২৯ ফেব্ৰুৱাৰীত প্ৰাক্তন বিচাৰপতি দত্তুৱে অধ্যক্ষ হিচাপে ৰাষ্ট্ৰীয় মানৱ অধিকাৰ কমিছনত যোগদান কৰিছিল। ২০১৪ চনত উচ্চতম ন্যায়ালয়ৰ বিচাৰক হিচাপে বিচাৰপতি মিশ্ৰই দায়িত্ব গ্ৰহণ কৰিছিল আৰু তেওঁ বিগত বৰ্ষৰ ছেপ্টেম্বৰত অৱসৰ লৈছিল। প্ৰাক্তন বিচাৰক মিশ্ৰই কলকাতা আৰু ৰাজস্থান উচ্চ ন্যায়ালয়ৰ মুখ্য বিচাৰপতি হিচাপেও দায়িত্ব গ্ৰহণ কৰিছিল।

## ঘটনাৰ তদন্ত কৰিব চিআইডিৰ বিষয়া বিবেকানন্দ দাসে

অসম আৰক্ষীৰ চিআইডিত এছ এছ পি হিচাপে কৰ্তব্যৰত অভিজ্ঞ বিষয়া বিবেকানন্দ দাসক গোচৰটো চোৱাচিতাৰ দায়িত্ব দিয়া হৈছে বুলি ডিজিপি মহন্তই উল্লেখ কৰে। লগতে মহন্তই কয়— ইতিমধ্যে হোজাইত আহি উপস্থিত হৈছে চিআইডিৰ বিষয়া বিবেকানন্দ দাস। সোনকালে গোচৰটোৰ চাৰ্জশ্বীট দিয়া হ'ব, যাতে কোনো অভিযুক্ত সাৰি যাব নোৱাৰে। কৰ্তব্যৰত কোনো চিকিৎসকৰ ওপৰত এনে বৰ্বৰ আক্ৰমণ সহ্য কৰা নহ'ব। ইতিমধ্যে ২৪জন অভিযুক্তক গ্ৰেপ্তাৰ কৰা হৈছে। দুই এজন বাকী আছে । শীঘ্ৰে সেইসকলকো গ্ৰেপ্তাৰ কৰা হ'ব। হোজাইৰ আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থক কাষত লৈ ডিজিপিয়ে এইদৰে কয়। চিকিৎসক নিগ্ৰহৰ ঘটনাত জড়িত আটাইকেইজন অভিযুক্তক আজি আদালতত হাজিৰ কৰোৱাত আদালতে অধিক সোধপোছৰ বাবে আৰক্ষীৰ জিম্মাত দিছে । বাতৰি অনুসৰি লংকাৰ পিপলপুখুৰী গাঁৰৰ গিয়াছউদ্দিন নামৰ এগৰাকী ক'ভিড ৰোগীৰ মৃত্যুক কেন্দ্ৰ কৰি ১ জুনৰ দিনা মৃতকৰ এদল উন্মত্ত আত্মীয়ই চিকিৎসালয়খনত প্ৰৱেশ কৰি কৰ্তব্যৰত কনিষ্ঠ চিকিৎসক ডাঃ সেউজ কুমাৰ সেনাপতিৰ ওপৰত বৰ্বৰভাৱে আক্ৰমণ কৰে। বৰ্বৰ উন্মাদৰ দলে চিকিৎসালয়খনৰো বিস্তৰ ক্ষতিসাধন কৰে। ঘটনাৰ পিছতে অসমৰ চৌদিশে ব্যাপক গণ প্ৰতিবাদ আৰম্ভ হৈছে। সামাজিক মাধ্যমত অসমৰ বহুকেইগৰাকী বিশিষ্ট লোকে এই ঘটনাৰ প্ৰতিবাদ কৰে। ঘটনা সংঘটিত হোৱাৰ পিছতেই হোজাই জিলাৰ লংকা আৰক্ষীয়ে এটা গোচৰ পঞ্জীয়ন কৰি অভিযুক্তৰ তালাচীত নামি পৰে। ঘটনা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। ড০ শৰ্মাই লগে লগে দোষীক গ্ৰেপ্তাৰ কৰিবলৈ অসম আৰক্ষীক নিৰ্দেশ দিয়ে। ঘটনাৰ ২৪ ঘণ্টাৰ ভিতৰতে হোজাই আৰক্ষীয়ে ২৪জন দোষীক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। আটাইকেইজন অভিযুক্তৰ বিৰুদ্ধে লংকা থানাত ৩৭০/২১ নম্বৰত ভাৰতীয় দণ্ডবিধি আইনৰ ১২০(বি), ১৪৩/ ৩৪২/৪৪৭/ ৩৩৩/৩০৭/৩৫৩/ ৪২৭ ধাৰাৰ লগতে প্ৰিভেনশ্বন অৱ ডেমেজ পাব্লিক প্ৰপাৰ্টী এক্টৰ আৰ/ডব্লিউ ৩ (২)ধাৰা, ডিজেষ্টাৰ মেনেজমেণ্ট এক্টৰ আৰ/ডব্লিউ ধাৰাৰ ৫১(বি)ৰ লগতে দ্যা আছাম মেডিকেয়াৰ ছাৰ্ভিচ পাৰ্ছন এণ্ড মেডিকেয়াৰ ছাৰ্ভিচ ইনষ্টিটিউচনছ (প্ৰিভেনশ্বন অৱ ভায়'লেন্স এণ্ড ডেমেজ টু প্ৰপাৰ্টী) এক্ট ২০১১ৰ আৰ/ডব্লিউ ধাৰাৰ ৫ আৰু ৬ সন্নিবিষ্ট কৰা হৈছে। আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হোৱা অভিযুক্তকেইজন হৈছে ক্ৰমে, মহম্মদ কমৰুদ্দিন, মহম্মদ জয়নাল উদ্দিন, ছাইফুল আলম, ৰেহানুদ্দিন, ৰাজুল ইছলাম, ৰহিম উদ্দিন, ছাহিল ইছলাম, তৈয়বুৰ ৰহমান, আব্দুল কালাম, নুজৰুল ইছলাম, দিলৱাৰ হুছেইন, জমিল আহমেদ, আনোৱাৰ হুছেইন, ৰহিমুদ্দিন, ইক্ৰামুল হুছেইন, আব্দুল গণি, নাছিৰুদ্দিন, আলিমুদ্দিন, মফিজুৰ ৰহমান, আব্দুল হুছেইন, ছবিৰুদ্দিন, ছফিকুদ্দিন আৰু মতিবুৰ ৰহমান। চিকিৎসক নিগ্ৰহত জড়িত মিছবা বেগম নামৰ এগৰাকী মহিলাকো গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। হোজাই আৰক্ষীয়ে ঘটনাৰ তদন্ত অব্যাহত ৰখাৰ সময়তে যোৱা নিশা ডেৰ বজাত ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই ফুলতলী চিকিৎসালয়ত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে চিকিৎসাধীন হৈ থকা ডাঃ সেউজ কুমাৰ সেনাপতিৰ স্বাস্থ্যৰ বুজ লয়। স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই উদালী ক'ভিড কেয়াৰ চেণ্টাৰ পৰিদৰ্শন কৰিফেচবুকত এনেদৰে উল্লেখ লিখিছে— হোজাইৰ উদালী আদৰ্শ চিকিৎসালয়ত মঙলবাৰৰ দিনৰ ভাগত যি দুৰ্ভাগ্যজনক ঘটনা সংঘটিত হ'ল তাৰ বুজ লোৱাৰ উদ্দেশ্যে নিশা ১.৩০ বজাত চিকিৎসালয়খনত উপস্থিত হৈ ঘটনাৰ সন্দৰ্ভত বুজ লওঁ। ইতিমধ্যে এই ঘটনাৰ লগত জড়িত থকাৰ অভিযোগত ২৪জন লোকক নিশাটোৰ ভিতৰতে কৰায়ত্ত কৰা হৈছে বুলি উল্লেখ কৰে মন্ত্ৰী কেশৱ মহন্তই । চিকিৎসক ডাঃ সেউজ কুমাৰ সেনাপতিৰ ওপৰত সংঘটিত বৰ্বৰ আক্ৰমণৰ নিন্দা কৰিছে হোজাই জিলাৰ বহুকেইটা দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে। অসম কবি চক্ৰৰ সভাপতি অধ্যাপক ডঃ হাছিনুচ চুলতানে কয়—'লংকাৰ উদালী ক'ভিড কেয়াৰ কেন্দ্ৰত কৰ্মৰত চিকিৎসক ডা০ সেউজ কুমাৰ সেনাপতিৰ ওপৰত এদল দুষ্কৃতিকাৰীয়ে চলোৱা হিংস্ৰ আক্ৰমণক ধিক্কাৰ দিছো ।' দোষীসকলক শীঘ্ৰে কৰায়ত্ত কৰি কঠোৰতম দৃষ্টান্তমূলক শাস্তি দিয়াৰো দাবী তোলে অধ্যাপক হাছিনুচ চুলতানে। নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়—'সংকটকালীন অৱস্থাত অনা এজন ক'ভিড ৰোগীৰ হোজাই জিলাৰ ফুলতলী (মডেল হাস্পতালৰ) ক'ভিড সেৱাকেন্দ্ৰত মৃত্যু হয়। মৃত্যু সদায়েই দুৰ্ভাগ্যজনক। কিন্তু নিজৰ সীমাবদ্ধতাৰ ভিতৰতো সেই ক'ভিড সেৱাকেন্দ্ৰত নিষ্ঠাৰে কাম কৰিবলৈ অহা এজন যুৱ চিকিৎসক ডাঃ সেউজ কুমাৰ সেনাপতিৰ ওপৰত একাংশ লোকে যি বৰ্বৰোচিত আক্ৰমণ চলালে তাক মই তীব্ৰভাৱে নিন্দা কৰিছোঁ।' ইপিনে এই দুৰ্ভাগ্যজনক ঘটনাৰ তীব্ৰ ভাষাৰে নিন্দা কৰিছে অসম ৰাজ্যিক জমিয়ত উলামাৰ সভাপতি মৌলানা মস্তাক আনফৰে । আনফৰে এক বিবৃতিত উদালীৰ ঘটনাত জড়িত দোষীক কঠোৰ শাস্তি প্ৰদানৰ দাবী তোলাৰ লগতে কৰ্তব্যৰত চিকিৎসক-নাৰ্ছৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ দাবী তুলিছে । হোজাই জিলাৰ উদালী ক'ভিড চেণ্টাৰত কৰ্মৰত চিকিৎসক ডাঃ সেউজ কুমাৰ সেনাপতিৰ ওপৰত সংঘটিত আক্ৰমণৰ ঘটনাক গৰিহণা দিছে হোজাই জিলা এন এছ ইউ আইৰ সভাপতি মেহবুব আহমেদ বৰভূঞাই । বৰভূঞাই এক বিবৃতিত কয়—'এনে ঘটনা আমাৰ সমাজৰ বাবে দুৰ্ভাগ্যজনক, নিন্দনীয় । এই মহামাৰী কালত নিজৰ জীৱনকো তুচ্ছ কৰি ৰাইজৰ সেৱাত ব্ৰতী হৈ থকা চিকিৎসক, চিকিৎসা কৰ্মীসকলৰ সুৰক্ষা সুনিশ্চিত কৰা চৰকাৰৰ লগতে সমাজৰো কৰ্তব্য।' উদালীৰ ঘটনাত জড়িত দোষীক কৰায়ত্ত কৰি উপযুক্ত শাস্তি দিবলৈ হোজাই জিলা এন এছ ইউ আইৰ পৰা দাবী উত্থাপন কৰে বৰভূঞাই । ইপিনে, লংকাৰ ফুলতলী অঞ্চলৰ স্থানীয় ৰাইজে এই ঘটনাক কঠোৰ ভাষাৰে নিন্দা কৰিছে। এচাম বাহিৰা লোকে গৈ চিকিৎসালয়খনৰ চিকিৎসকক আক্ৰমণ কৰাৰ ঘটনা সহজভাৱে লোৱা নাই । এই ঘটনাই স্থানীয় অঞ্চলবাসীলৈ বদনাম কঢ়িয়াই আনিছে বুলি মন্তব্য কৰে স্থানীয় যুৱনেতা তথা অসম জাতীয় পৰিষদৰ হোজাই জিলা সমিতিৰ সভাপতি লুৎফুৰ ৰহমানে।

# ৩০ জুনত নিলামত বিক্ৰী হ'ব অসমৰ স্বাভিমানৰ প্ৰতীক কাগজ কল

১জুনত বিজ্ঞাপন প্ৰকাশ কৰাৰ লগতে ১১৩৯ কোটি টকাৰ বিক্ৰী মূল্য নিৰ্ধাৰণ কৰি জাননী জাৰি কৰিছে। অহা ৩০ জুনত নিলাম কৰিব লগা এই বৃহৎ কাগজ কল দুটাৰ এই চৰকাৰী বিজ্ঞাপন প্ৰকাশৰ পিছতেই আজি দুয়োটা কলৰ চৌহদত ব্যাপক প্ৰতিবাদৰ সৃষ্টি হয়। চৰকাৰী নাটকখনৰ যৱনিকাৰ অৱসান ঘটাই ৰাজ্যখনৰ স্বাভিমানৰ প্ৰতীক নগাঁও কাগজ কল আৰু কাছাৰ কাগজ কল দুটা মাত্ৰ ১১৩৯কোটি টকাৰ পানীৰ দৰত নিলাম কৰা এনে অবিবেচক কাৰ্যৰ বিৰুদ্ধে আজি বিশেষকৈ জাগীৰোড কাগজ কলৰ সন্মুখত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ লগতে কাগজ কল ক'লনীতো এক অন্ধকাৰময় কৰুণ পৰিৱেশ বিৰাজ কৰা পৰিলক্ষিত হয়। চৌদিশে ক্ৰন্দনৰত এক গোমা পৰিৱেশ। প্ৰায় ৫বছৰ ধৰি জাগীৰোডস্থিত নগাঁও কাগজ কলৰ ৬০০কৰ্মচাৰীৰ দৰমহা নাই। এই পৰ্যন্ত দুয়োটা কাগজ কলৰ প্ৰায় ১৮০০ কৰ্মচাৰীৰ জীৱন অন্ধকাৰ। কাগজ কল দুটাৰ ৮৭ গৰাকী কৰ্মচাৰীয়ে বিনা চিকিৎসাই মৃত্যুক সাবটি লোৱাৰ লগতে চাৰিজনকৈ কৰ্মচাৰী ক্ৰমে প্ৰভা ডেকা, বিশ্বজিৎ মজুমদাৰ, ৰাধিকা মজুমদাৰ আৰু ফৰিছ উদ্দিনে আত্মহত্যাৰ দৰে চৰম পন্থা বাচি ল'লে। জাগীৰোড কাগজ কল ক'লনীত এতিয়া নিমাওমাও এক পৰিৱেশ। কাৰোৰে চকুলৈ কোনেও চাব নোৱৰা, বুজাব নোৱৰা এক কৰুণ দৃশ্য। কালি নিলামৰ খবৰে নামি আহিল জাগীৰোড কাগজ কল ক'লনীত বাস কৰা দুৰ্ভগীয়া ৬০০ কৰ্মচাৰীলৈ ঘোৰ অমানিশা। চকুৰে ধোৱা-কোৱা দেখিছে দৰিদ্ৰতাই কোঙা কৰা এই হতভগীয়া কৰ্মচাৰীসকলে। তেওঁলোকে কোনোকালে আশা কৰা নাছিল এনে এক হতাশজনক খবৰ পাব বুলি। অৱশেষত লাভ কৰিলে হতাশজনক, বেদনাদায়ক নিলামৰ এই খবৰ। মধ্য অসমৰ স্বাভিমানৰ প্ৰতীক জাগীৰোড কাগজ কল নিলাম হ'ব।–এই দুঃচিন্তাত আজি সমগ্ৰ দিনটো কলটোৰ চৌহদত বেদনাদায়ক এখন ছবিয়েই দৃশ্যমান হ'ল। মধ্য অসমৰ জাগীৰোডত ১৯৭৯ চনতেই নিৰ্মাণকাৰ্য আৰম্ভ হোৱা জাগীৰোডস্থিত নগাঁও কাগজ কলৰ ১৯৮৫চনৰ ১ এপ্ৰিলত উৎপাদন আৰম্ভ হৈছিল। দীৰ্ঘদিন ধৰি অতি লাভজনকভাৱে উৎপাদন চলি থকা কলটোলৈ হঠাৎ নামি আহিল এক কাল অমানিশা। ২০১৭চনৰ ১২মাৰ্চত কোনো ধৰণৰ আগজাননী নিদিয়াকৈ ১৩মাৰ্চৰ দিনা হিন্দুস্থান পেপাৰ কৰ্প'ৰেচন কৰ্তৃপক্ষই জাগীৰোড কাগজ কলটো বন্ধ কৰি দিয়ে। উল্লেখ্য যে বন্ধ কৰা এই দিনটোত কাগজ কলটোৰ কাগজ উৎপাদন হৈছিল ২৮০মেট্ৰিকটন কাগজ। চৰম পৰিতাপৰ বিষয় যে মধ্য অসমৰ জাগীৰোডত থকা নগাঁও কাগজ কলৰ কৰ্মচাৰী, স্থানীয় ৰাইজ আৰু দল-সংগঠনৰ প্ৰবল প্ৰতিবাদৰ পিছতো কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰখনে এই বৃহৎ কল দুটাৰ সন্দৰ্ভত কোনো গুৰুত্ব আৰোপ নকৰিলে। প্ৰতিশ্ৰুতি আৰু প্ৰতিশ্ৰুতি দিয়েই চৰকাৰো গঠন কৰিলে, কিন্তু সুচল হৈ নুঠিল জাগীৰোড আৰু কাছাৰ কাগজ কল। ইপিনে কালি কাগজ কল দুটাৰ নিলাম কৰাৰ খবৰ বিয়পি পৰাৰ পিছতেই জাগীৰোড কাগজ কলৰ সন্মুখত আজি পুৰা সংবাদ মাধ্যমৰ সন্মুখত প্ৰচণ্ড ক্ষোভ প্ৰকাশ কৰি জাগীৰোড কাগজ কল ইউনিয়নৰ সভাপতি আনন্দ বৰদলৈ, সম্পাদক কুলদীপ শৰ্মা আৰু সহকাৰী সম্পাদক নিকুমণি শৰ্মাই কেন্দ্ৰীয় চৰকাৰখনৰ এনে কাৰ্যৰ তীব্ৰ প্ৰতিবাদ জনাই এই নিলাম বন্ধ কৰিবলৈ চৰকাৰখনক দাবী জনায়। এই কল দুটা ব্যক্তিগত খণ্ডক নিদি চৰকাৰে কেৰালা চৰকাৰৰ নিচিনাকৈ নিজাববীয়াকৈ কল দুটা কাৰ্যক্ষম কৰি তুলিবলৈ কেন্দ্ৰীয় চৰকাৰৰ প্ৰতি আহ্বান জনায়। এই প্ৰতিবাদস্থলীতে জাগীৰোড কাগজ কল সুৰক্ষা মঞ্চৰ মুখ্য আহ্বায়ক অতনু শৰ্মাই এই কাৰ্যৰ বিৰোধিতা কৰি অসমৰ মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ দাবী তোলে। শৰ্মাই মধ্য অসমৰ ৰাইজৰ স্বাভিমান জড়িত থকা কলটোৰ ক্ষেত্ৰত এক সৰ্বসন্মত সিদ্ধান্ত লৈ কল দুটাক জীয়াই তুলিবলৈ অসমৰ মুখ্যমন্ত্ৰীগৰাকীক তেওঁ আহ্বান জনায়। আছুৰ কেন্দ্ৰীয় উপ সভাপতি উৎপল শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি চৰকাৰখনৰ এনে কাৰ্যক তীব্ৰ নিন্দা জনোৱাৰ লগতে ৰাজ্যখনৰ গৌৰৱ, স্বাভিমান জাগীৰোড আৰু কাছাৰ কাগজ কল অৱশেষত নিলাম কৰাৰ ঘটনাই চৰকাৰখন যে মিছলীয়া সেয়াই প্ৰমাণিত কৰিলে বুলি মন্তব্য কৰে। ইপিনে, মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি দীপুল কুমাৰ নাথ আৰু সম্পাদক ৰূপজ্যোতি মেধিয়ে জাগীৰোড আৰু কাছাৰ কাগজ কলৰ নিলাম কৰিবলৈ লোৱা চৰকাৰৰ এই অসমবিৰোধী এনে অবিবেচক কাণ্ডক ধিক্কাৰ জনাই শীঘ্ৰে এক বৃহৎ প্ৰতিবাদী কাৰ্যসূচী হাতত লোৱা হ'ব বুলি জানিবলৈ দিয়ে।

**নগাঁও-কাছাৰ কাগজ কল নিলামৰ বিৰোধিতা যুৱ-ছাত্ৰ পৰিষদৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২ জুন ঃ** কেন্দ্ৰীয় চৰকাৰে নগাঁও -কাছাৰ কাগজ কলক পুনৰুজ্জীৱিতকৰণ নকৰি ওলোটাই নিলাম কৰিবলৈ ওলোৱা কাৰ্যক তীব্ৰ বিৰোধিতা কৰিছে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতিয়ে। হিন্দুস্তান পেপাৰ কৰ্প'ৰেচন লিমিটেডৰ লিকুইডেটৰে নিলামৰ জাননী জাৰি কৰাৰ লগে লগেই জাঙুৰ খাই উঠিছে পৰিষদৰ নগাঁও জিলা সমিতিৰ বিষয়ববীয়াসকল। পৰিষদৰ সভাপতি দীপমণি বড়া আৰু সাধাৰণ সম্পাদক প্ৰাগজ্যোতিষ বণিয়াই সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা বিবৃত্তিত কয় যে— বৰ্তমানৰ বিজেপি শাসনাধীন কেন্দ্ৰীয় চৰকাৰখনে একেৰাহে ২০১৪ৰ লোকসভা নিৰ্বাচন, ২০১৬ৰ বিধাসভা নিৰ্বাচনৰ উপৰি ২০১৯চনৰ লোকসভা নিৰ্বাচনৰ সভাসমূহত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে ডিঙিৰ শিৰ ফুলাই ফুলাই ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান দুটা পুনৰুজ্জীৱিতকৰণ কৰা হ'ব বুলি অসমৰ ৰাইজক কৈছিল। কিন্তু এই নিলাম প্ৰক্ৰিয়াৰ জৰিয়তে কাগজ কল দুটাৰ লগত প্ৰত্যক্ষভাৱে জড়িত ১২০০ কৰ্মচাৰীৰ লগতে পৰোক্ষভাৱে হাজাৰ হাজাৰ ব্যৱসায়ীলৈ কাল অমানিশা নমাই আনিছে কেন্দ্ৰীয় চৰকাৰে। চৰকাৰৰ কাগজ কল দুটাক লৈ সু-পৰিকল্পনা নথকাৰ ফলশ্ৰুতিতে ৮৭ জনকৈ লোকে অকাল মৃত্যক সাবটি ল'লে, কিন্তু চৰকাৰখনে তেওঁলোকৰ একো দায়িত্ব নল'লে। কাগজ কল দুটাৰ কৰ্মচাৰীসকলে ৫৩ মাহে দৰমহা নাপাই কেনেকৈ জীৱন-নিৰ্বাহ কৰিছে তাৰ খবৰ ল'বলৈ অসমৰ উদ্যোগ তথা বাণিজ্য মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আহৰি নাপালে। আনহাতে বিগত অসম বিধানসভাৰ নিৰ্বাচনতো বিজেপিৰ বিয়াগোম নেতা-মন্ত্ৰীয়ে কল দুটা মুকলি কৰা হ'ব বুলি আশ্বাস দি অসমীয়া ৰাইজৰ আৱেগৰ লগত খেলা কৰিছে। ৰাজহুৱা খণ্ডৰ এই প্ৰতিষ্ঠান দুটাৰ নিলাম কোনো কাৰণতে মানি লোৱা নহ'ব বুলি নেতাদ্বয়ে হুংকাৰ দিয়ে। তদুপৰি এছিয়াৰ ভিতৰতে উৎকৃষ্ট মানদণ্ডৰ কাগজ নিৰ্মাণ কৰা জাগীৰোডস্থিত নগাঁও কাগজ কলৰ লগতে কাছাৰ কাগজ কল লাভজনক স্থিতিত থকাৰ পাছতো কি ৰহস্যজনক কাৰণত বন্ধ কৰি দিয়া হ'ল বুলি প্ৰশ্নৰ অৱতাৰণা কৰে। উল্লেখ্য যে নিৰ্বাচনী ফলাফল ঘোষণাৰ অন্তত বৰ্তমানৰ অসম চৰকাৰখনে এনেকুৱা ওলোটা খৰ মৰা কাৰ্যক তীব্ৰ ভাষাৰে ককৰ্থনা কৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতিয়ে। চৰকাৰে কৰা এই প্ৰবঞ্চনাৰ বিৰুদ্ধে অসমৰ সকলো শ্ৰমিক-কৰ্মচাৰী, দল-সংগঠন, ইউনিয়নক মাৰ বান্ধি প্ৰতিবাদ সাব্যস্ত কৰিবলৈ আহ্বান জনায়। লগতে কাগজ কল দুটা জীয়াই তোলাৰ ক্ষেত্ৰত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পোনপটীয়া হস্তক্ষেপ বিভিন্ন দল-সংগঠন আৰু সচেতন মহলে দাবী কৰিছে।

**নগাঁও আৰু কাছাৰ কাগজ কলৰ নিলামৰ সিদ্ধান্তক কেন্দ্ৰীয় ট্ৰেড ইউনিয়নসমূহৰ তীব্ৰ বিৰোধীতা**

**দৈনন্দিন বাৰ্তাৰ সেৱা ঃ** ১ জুনত ৰাষ্ট্ৰীয় কোম্পানী আইন ট্ৰাইবুনেলৰ পৰামৰ্শ ভিত্তিত লিকিউডেটৰ কুলদ্বীপ ভাৰ্মাই নগাঁও আৰু কাছাৰ কাগজ কল দুটা নিলামত দিয়াৰ যি পদক্ষেপ লৈছে তাক কেন্দ্ৰীয় ট্ৰেড ইউনিয়ন আৰু কৰ্মচাৰী ফেডাৰেচন সমূহৰ যৌথ মঞ্চই তীব্ৰ বিৰোধীতা কৰে আৰু এই পদক্ষেপ প্ৰত্যাহাৰ কৰি অসম চৰকাৰৰ অধীনত কাগজ কল দুটা পুনৰুজ্জীৱিত কৰাৰ দাবী জানইছে। উল্লেখযোগ্য যে ২০১৫ চনৰ অক্টোবৰ মাহত কাছাৰ কাগজ কল আৰু ২০১৭ চনৰ ১৩ মাৰ্চ তাৰিখে নগাঁও কাগজ কল দুটা হঠাৎ বন্ধ কৰি দিয়াৰ পাছত এতিয়ালৈকে আৰ্থিক সংকটত ৮৭ জন কৰ্মচাৰীৰ মৃত্যু হৈছে আৰু কৰ্মচাৰীসকলৰ বকেয়া ধন আজিও মোকলাই নিদিলে। দুয়োটা কাগজ কল সুন্দৰভাৱেই চলি আছিল আৰু সময়ত সামান্য ধন ব্যয় কৰি মেৰামতিৰ কামখিনিও কৰিব পাৰিলেহেঁতেন। NCLT ত বিচাৰাধীন হৈ থকাৰ সময়ত অসম চৰকাৰে শপত নামা দাখিল নকৰি বাৰে বাৰে সময় বিচাৰি বিষয়টো পিচুৱাই লৈ গ'ল। অথচ হিন্দুস্তান পেপাৰ নিগমৰ কেৰেলাত থকা নিউজ প্ৰিন্ট উদ্যোগতো কেৰেলা চৰকাৰে নিজে চলোৱা দায়িত্ব লৈ NCLT ত শপতনামা দাখিল কৰে আৰু নিলামৰ পৰা ৰক্ষা কৰে। ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ অনিহাৰ বাবেই দুয়টো কাগজ কল NCLT য়ে ১৯ জুন ২০১৮ ৰ পৰা কাৰ্য্যকৰী হোৱাকৈ দেউলীয়া ঘোষণা কৰিছিল। আৰু লিকিউডেটৰ হিচাপে কুলদ্বীপ ভাৰ্মাক দায়িত্ব দিছিল। NCLT য়ে দেউলীয়া ঘোষণা কৰাৰ ৰায়ৰ বিৰুদ্ধে কাছাৰ পেপাৰ প্ৰজেক্ট ৱাৰ্কাচ ইউনিয়নে NCLAT (Appellate Tribunal)ত আবেদন কৰে আৰু NCLAT য়ে কাগজ কল দুটা বন্ধ নকৰিবলৈ ৰায় দিয়ে আৰু কৰ্মচাৰী সকলৰ বকেয়া ধন আদায় দিবলৈ কয়। কাগজ কল দুটা পুনৰুজ্জীৱিত কৰাৰ বাবে কুলদ্বীপ ভাৰ্মাক কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিবলৈ নিৰ্দ্দেশ দিছিল। কিন্তু যোগাযোগ হ'লনে নাই এই সম্পৰ্কত কোনো স্পষ্ট সিদ্ধান্ত ৰাইজে নাজানিলে। বিপৰীতে সকলোকে আচৰিত কৰি নিলামৰ বিজ্ঞাপন প্ৰকাশ কৰিলে। এয়া অসমৰ নিচিনা পশ্চাদপদ ৰাজ্যৰ বাবে অতি দুভাগ্যজনক পদক্ষেপ। যোৱা সময়ছোৱাত অসম চৰকাৰে বিধান সভাৰ ভিতৰে বাহিৰে কাগজ কল দুটা পুনৰ খোলা হ'ব বুলি বহুবাৰ ঘোষণা কৰিছিল। আনকি অসম বিধান সভাৰ যোৱা নিৰ্বাচনত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াই কাগজ কল দুটা পুনৰুজ্জীৱিত কৰা হ'ব বুলি কোৱা কথা এক জীয়া ফাকিলৈ ৰূপান্তৰিত হ'ল। নিলাম ঘোষণাৰ দ্বাৰা বি জে পি চৰকাৰৰ ৰাজহুৱা খণ্ড বিৰোধী তথা শ্ৰমিক বিৰোধী নীতি স্পষ্ট হৈ পৰিল। কেন্দ্ৰীয় ট্ৰেড ইউনিয়ন আৰু কৰ্মচাৰী ফেডাৰেচনসমূহৰ যৌথ মঞ্চই এনে নিলামৰ জাননী অতশীঘ্ৰে প্ৰত্যাহাৰ কৰাৰৰ দাবী কৰে আৰু কেৰেলা ৰাজ্য চৰকাৰৰ আৰ্হিত অসমৰ কাগজ কল দুটা খোলাৰ দায়িত্ব অসম চৰকাৰক লবলৈ দাবী জনায়। অতিশীঘ্ৰে কল দুটাৰ কৰ্মচাৰীসকলৰ সকলো প্ৰাপ্য দা-দৰমহা আদায় দিয়া আৰু ইতিমধ্যে মৃত্যুবৰণ কৰা শ্ৰমিকসকলৰ নিকতাত্মীয়ক প্ৰৰ্যাপ্ত ক্ষতিপুৰণ আদায় দিয়াৰ বাবে যথোচিত পদক্ষেপ লবলৈ অসমৰ নতুন মুখ্যমন্ত্ৰী মাননীয় হিমন্ত বিশ্ব শৰ্মাৰ ওচৰত আহ্বান জনায়।

**'ফাঁকি পাৰ্টী' বিজেপিৰ স্বৰূপ ওলাল ঃ জাতীয় পৰিষদ**

**দৈনন্দিন বাৰ্তাৰ সেৱা ঃ** 'নগাঁও কাগজ কল আৰু কাছাৰ কাগজ কল কোনো অৱস্থাতে বিক্ৰী নকৰে বুলি নিৰ্বাচনৰ পূৰ্বে সদম্ভে ঘোষণা কৰা বিজেপি দলৰ প্ৰকৃত স্বৰূপ ওলাই গ'ল। অসমবাসী জনসাধাৰণৰ আবেগ জড়িত হৈ থকা কাগজ কল দুটা পুনৰুজ্জীৱীত কৰিব বুলি কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ বৰমূৰীয়াসকলেই নহয়, স্বয়ং ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে একাধিকবাৰ ঘোষণা কৰিছিল। কিন্তু নিৰ্বাচন শেষ হৈ যোৱাৰ পিছতেই এইবাৰ নগাঁও কাগজ কল আৰু কাছাৰ কল দুটা নিলাম কৰিবৰ বাবে নিবিদা আহ্বান কৰাৰ ঘটনাই বিজেপি দল আৰু ইয়াৰ চৰকাৰৰ ফাঁকিবাজ চৰিত্ৰ প্ৰকট হৈ পৰিছে।"— এই মত অসম জাতীয় পৰিষদ দলৰ। কাগজ কল দুটা হিন্দুস্তান কাগজ নিগমে নিয়োগ কৰা অৱসায়কে (লিকুউডিটৰ) কালি কাগজ কল দুটা অৱসায়ন কৰাৰ বাবে নিবিদা আহ্বানৰ বিজ্ঞাপন জাৰি কৰা ঘটনাত প্ৰতিক্ৰিয়া ব্যক্ত কৰি দলৰ সাধাৰণ সম্পাদক জগদীশ ভূঞাই আজি এক বিবৃতিত কয় যে কাগজ কল দুটা পুনৰুজ্জীৱীত কৰাৰ প্ৰতিশ্ৰতি দি বিজেপি দল পুনৰ ক্ষমতালৈ আহিছে। গতিকে কাগজ কল দুটা ৰক্ষা কৰাটো এইখন চৰকাৰৰ দায়িত্ব। এই দায়িত্ব পালন কৰিবলৈ ৰাজ্য চৰকাৰক জাতীয় পৰিষদে আহ্বান জনায়।

# ক্ৰমে সুস্থিৰতাৰ দিশলৈ দেশৰ ক'ভিডকালীন পৰিস্থিতি

## মঙলবাৰে নতুনকৈ আক্ৰান্ত ১.৩২ লাখ, মৃত্যু ৩২০৭

**নতুন দিল্লী, ২ জুন ঃ** দেশৰ ক'ভিড ভাইৰাছৰ মহা সংক্ৰমণৰ নিম্নগামী হোৱাৰ লগে লগে দেশবাসীৰ মাজলৈ স্বাভাৱিক জীৱনযাত্ৰা ঘূৰি অহাৰ উপক্ৰম হৈছে। যোৱা এসপ্তাহ ধৰি দৈনিক সংক্ৰমণ দুই লাখৰ তললৈ নামি আহিছে আৰু বহুতো ৰাজ্যত সংক্ৰমণ দ্ৰুতভাৱে নিম্নগামী হৈছে। ইয়াৰ ফলত যোৱা প্ৰায় ছয়সপ্তাহ ধৰি দেশবাসীয়ে স্থান বিশেষত লকডাউনৰ দৰে কঠোৰ পৰিস্থিতিৰ মাজত কটোৱা সময়বোৰ শেষ হোৱা যেন অনুভৱ হৈছে। উল্লেখ্য যে দেশৰ স্বাস্থ্য আৰু পৰিয়ালকল্যাণ মন্ত্ৰালয়ে আজি পুৱা প্ৰকাশ কৰা নিয়মীয়া বুলেটিনত উল্লেখ আছে যে যোৱা ২৪ ঘণ্টাত অৰ্থাৎ মঙলবাৰৰ দিনটোত আক্ৰান্তৰ নিম্নমুখী গতি অব্যাহত ৰাখি ১.৩২ লাখ নতুনকৈ সংক্ৰমিত হৈছে। এই সময়ছোৱাত মৃত্যুৰ হাৰ নিম্নগামী হৈছে আৰু মঙলবাৰে সমগ্ৰ দেশৰ ভিতৰত ৩২০৭ সংক্ৰমিতই প্ৰাণ হেৰুৱাইছে। এনেকৈয়ে দেশত মুঠ সংক্ৰমিতৰ সংখ্যা ২.৮৩ কোটি স্পৰ্শ কৰাৰ বিপৰীতে মৃত্যুৰ সংখ্যাও ৩.৩৫ লাখ হৈছেগৈ। ইফালে স্বাস্থ্য মন্ত্ৰালয়ৰ সূত্ৰ অনুসৰি সম্প্ৰতি দেশত সক্ৰিয় ক'ভিড আক্ৰান্তৰ সংখ্যা ১৭,৯৩,৬৪৫ জন আছে আৰু ইয়াৰ অধিকাংশ হোম কোৱাৰেণ্টাইনৰ জৰিয়তে চিকিৎসা গ্ৰহণ কৰি আছে। বৰ্তমান আক্ৰান্তৰ হাৰ ৬.৫৭ শতাংশ হৈছে আজি পুৱা প্ৰকাশ কৰা তথ্যত। ইফালে যোৱা ২৪ ঘণ্টাত তামিলনাডুত সৰ্বাধিক পৰিমাণে আক্ৰান্ত হৈছে আৰু এই পৰিসংখ্যা হ'ল ২৬,৫১৩ জন। বিগত মাহত সমগ্ৰ দেশত দৈনিক আক্ৰান্ত চাৰি লক্ষাধিক অতিক্ৰম কৰিছিল আৰু এদিনতে সৰ্বাধিক ৪.১৪ লাখ আক্ৰান্ত হৈ একপ্ৰকাৰ অভিলেখ গঢ়িছিল। এনেকৈয়ে ভাৰতৰ লগতে বিশ্বৰ বিভিন্ন দেশত সংক্ৰমিত ক'ভিডৰ পৰিসংখ্যা হ্ৰাস পাই অহা পৰিলক্ষিত হৈছে। বিশ্বত মুঠ আক্ৰান্তৰ সংখ্যা ১৭.১১ কোটি স্পৰ্শ কৰিছে আৰু মৃত্যুৰ সংখ্যা ৩৫.৬৪ লাখ অতিক্ৰম কৰিছে। অৱশ্যে সংক্ৰমণ আৰু মৃত্যুৰ গ্ৰাফডাল নিম্নমুখী হোৱা পৰিলক্ষিত হৈছে যোৱা এসপ্তাহ ধৰি।



অভিনেতা-ৰাজনীতিবিদ শত্ৰুঘ্ন সিনহা আৰু পুনম সিনহাৰ দুহিতা তথা আকিৰা আৰু ডাবাং গাৰ্ল সোণাক্ষী সিন্‌হাৰ জন্মদিন উপলক্ষে বিভিন্নজনৰ শুভেচ্ছাৰ বৰষুণ

### চীফ অব চেণ্টাৰ ফৰ মণিটৰিং ইণ্ডিয়ান ইক'নমীৰ মুৰব্বী মহেশ ব্যাসৰ তথ্য

# ক'ভিডৰ দ্বিতীয় জোৱাৰত কৰ্মহীন হ'ল ২২.৭ নিযুত ভাৰতীয়



পঞ্জাৱ নেচনেল বেংকৰ পৰা ১২ হেজাৰ কোটিতকৈ অধিক লুণ্ঠন কৰি বিদেশত আত্মগোপন কৰি থকা মেহুল ছাকছি সম্প্ৰতি ডমিনীকাত আটকাধীন হৈ আছে। তেওঁক ভাৰতলৈ প্ৰত্যাৱৰ্তন কৰাত আইনী অসুবিধা নাই বুলি প্ৰকাশ কৰিছে চিবিআইৰ প্ৰাক্তন সঞ্চালক এ পি সিঙে

**নতুন দিল্লী, ২ জুন ঃ** ক'ভিড ভাইৰাছৰ দ্বিতীয় জোৱাৰত বিশ্বৰ অন্যান্য দেশৰ লগতে ভাৰততো বহু লক্ষ লোকে কৰ্মহীন হ'ব লগা পৰিস্থিতিৰ সৃষ্টি হৈছে। প্ৰথম জোৱাৰৰ দৰে দেশজুৰি লকডাউন আৰু সান্ধ্যআইন বলবৎ নকৰিলেও কেতবোৰ ৰাজ্যত নিজাববীয়াকৈ সান্ধ্যআইন, লকডাউন আদি বলবৎ কৰিছিল। ফলত ছয় সপ্তাহ ধৰি বিভিন্ন ৰাজ্যত স্বাভাৱিক জীৱনযাত্ৰা স্তব্ধ হৈ পৰা দেখা গৈছে। সকলোধৰণৰ ব্যৱসায়, উদ্যোগ-বাণিজ্য আদিৰ কামকাজ স্থৱিৰ হৈছে আৰু কাৰখানাসমূহৰ চকা অচল হৈ পৰিছে। দেশজুৰি পৰিবহণ, যাতায়াত আদিও ব্যাহত হৈছে। যাৰ বাবে যোৱা এপ্ৰিল আৰু মে' মাহৰ ভিতৰত ২২.৭ নিযুত ভাৰতীয় কৰ্মহীন হোৱা বুলি এক অধ্যয়নত প্ৰকাশ পাইছে। এই অধ্যয়ন চলাইছিল চীফ অব চেণ্টাৰ ফৰ মণিটৰিং ইণ্ডিয়ান ইক'নমি নামৰ সংস্থাটোৰ মুৰব্বী মহেশ ব্যাসে। উল্লেখ্য যে দেশত বিভিন্ন কৰ্মক্ষেত্ৰত নিয়োজিত হৈ থকা লোকৰ সংখ্যা ৪০০ মিলিয়নৰ অধিক এই লোকসকলৰ মাজৰে ২২.৭ নিযুত লোক যোৱা দুমাহত কৰ্মহীন হৈ পৰিছে। উক্ত অধ্যয়নৰ প্ৰতিবেদনত প্ৰকাশ পোৱা অনুসৰি যোৱা দুমাহত সকলো ৰাজ্যৰ ঘৰে ঘৰে দেখা গৈছে আৰ্থিক দুৰৱস্থা। ৯৭ শতাংশ পৰিয়ালৰ উপাৰ্জন নিম্নগামী হৈছে আৰু দৈনিক ভাত কাপোৰৰ বাবে চিন্তাত পৰা পৰিলক্ষিত হৈছে। প্ৰকাশিত তথ্য অনুসৰি এপ্ৰিল মাহত আঠ শতাংশ লোকে কৰ্মহীন হোৱাৰ বিপৰীতে ১২ শতাংশ লোকে কৰ্মহীন অৱস্থালৈ ঘূৰি যাব লগা হৈছে। উল্লেখ্য যে দেশত ২০২০ চনৰ মে' মাহত প্ৰকাশিত তথ্য অনুসৰি ২৩.৫ শতাংশ লোক নিবনুৱা হিচাপে পৰিগণিত হৈছিল। ৰাষ্ট্ৰীয় পৰ্যায়ৰ লকডাউন আৰু সান্ধ্যআইনৰ দৰে কঠোৰ বিধি বলবৎ কৰাৰ পিছত লাখ লাখ লোক কৰ্মচ্যুত হৈছিল। যাৰ বাবে দেশৰ অৰ্থনৈতিক অৱস্থা শোচনীয় হৈ পৰা দেখা গৈছিল। আনহাতে বিভিন্ন ৰাজ্যই প্ৰব্ৰজিত শ্ৰমিকৰ সংস্থাপনৰ বাবে পদক্ষেপ গ্ৰহণ কৰিলেও সকলোৱে বৰ্তমানলৈকে পূৰ্ণ পৰ্যায়ত সংস্থাপন লাভ কৰিবলৈ সক্ষম নহ'ল। ইয়াৰ মাজতে ক'ভিড ভাইৰাছৰ দ্বিতীয় সংক্ৰমণৰ জোৱাৰে পূৰ্বে অৰ্থনৈতিক বিপৰ্যয়ৰ সন্মুখীন হোৱা পৰিয়ালসমূহক অধিক বিপদাপন্ন কৰি তোলা বুলি উক্ত প্ৰতিবেদনত প্ৰকাশ পাইছে।

### দিল্লী বিশ্ববিদ্যালয়ৰ নামভৰ্তিৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব শীঘ্ৰে

# মেধাৰ ক্ষেত্ৰত আপোচ কৰা নহ'ব বুলি ভাৰপ্ৰাপ্ত উপাচাৰ্যৰ ঘোষণা

**নতুন দিল্লী, ২ জুন ঃ** শীঘ্ৰে আৰম্ভ হ'ব দিল্লী বিশ্ববিদ্যালয়ৰ লগতে অধীনস্থ বিভিন্ন মহাবিদ্যালয়ৰ নামভৰ্তি প্ৰক্ৰিয়া। এই কথা প্ৰকাশ কৰিছে দিল্লী বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত উপাচাৰ্য পি চি যোশীয়ে। অৱশ্যে মেধাৰ ক্ষেত্ৰত পুৰ্বৰ দৰে এইবাৰো কোনো ধৰণে আপোচ কৰা নহয় বুলি স্পষ্ট কৰি দিছে। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰে চিবিএছ ই, চি আই এছ চি ই আদি কেন্দ্ৰীয় বোৰ্ডসমূহে পৰিচালনা কৰা দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষা চতি বৰ্ষৰ বাবে বাতিল কৰিছে। এক নিৰ্দিষ্ট পন্থা অৱলম্বন কৰি পূৰ্বৰ দৰে নিৰ্দিষ্ট সময়ত পৰীক্ষাৰ্থীসকলে ফলাফল লাভ কৰিব। এই প্ৰক্ৰিয়া নিশ্চিতভাৱে বহুতো পৰীক্ষাৰ্থীৰ বাবে অতিশয় জটিল হৈ পৰিব। তথাপি ক'ভিড



সংক্ৰমণৰ বাবে প্ৰায় সকলোবোৰ ৰাজ্যই কেন্দ্ৰীয় চৰকাৰৰ এই ব্যৱস্থাৰ প্ৰতি সন্মতি জনোৱা দেখা গৈছে। ইয়াৰ পিছত স্নাতক পৰ্যায়ত নাম ভৰ্তিৰ বাবে বিভিন্ন মহাবিদ্যালয় আদিত এইসকল শিক্ষাৰ্থীয়ে ভিৰ কৰিব। চিকিৎসা, অভিযান্ত্ৰিক তথা অন্যান্য বৃত্তিমুখী পাঠ্যক্ৰমতো ইয়াৰে একাংশই নামভৰ্তিৰ বাবে প্ৰচেষ্টা চলাব। সেয়েহে দিল্লী বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত উপাচাৰ্যই কয় যে কেন্দ্ৰীয় বিশ্ববিদ্যালয়সমূহে আয়োজন কৰা সমুহীয়া প্ৰৱেশ পৰীক্ষা অৰ্থাৎ কমন এণ্ট্ৰেন্স টেষ্ট এক সু ব্যৱস্থা আৰু এনে ধৰণৰ পদক্ষেপৰ জৰিয়তে দিল্লী বিশ্ববিদালয়ত নামভৰ্তিৰ ক্ষেত্ৰত প্ৰযোজ্য কৰাৰ চিন্তা চৰ্চা কৰা হৈছে। উল্লেখ্য যে দিল্লী বিশ্ববিদ্যালয়ৰ অধীনত অধ্যয়ন কৰিব খোজা ৯৮ শতাংশ আবেদনকাৰীয়ে দ্বাদশ শ্ৰেণীৰ চিবিএছ ইৰ অধীনত অধ্যয়ন কৰে। কিন্তু নম্বৰ তালিকাৰ মেধাৰ উপৰিও অন্যান্য দিশত থকা পাৰদৰ্শিতায়ো নামভৰ্তিৰ ক্ষেত্ৰত বিবেচনা কৰাৰ সুযোগ আনি দিয়ে। তথাপি দিল্লী বিশ্ববিদ্যালয়ত নাম ভৰ্তিৰ বাবে মেধাৰ ক্ষেত্ৰত কোনোধৰণৰ আপোচ নকৰাকৈয়ে এক পন্থা গ্ৰহণ কৰা হ'ব বুলি উপাচাৰ্যগৰাকীয়ে স্পষ্ট কৰি দিয়ে। তেওঁ লগতে কয় যে নামভৰ্তিৰ বাবে গ্ৰহণ কৰিব লগা পদক্ষেপৰ সম্পৰ্কত শীঘ্ৰে সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। চিবিএছ ই কৰ্তৃপক্ষই দ্বাদশ শ্ৰেণীৰ ফলাফল কিহৰ ভিত্তিত ঘোষণা কৰে তালৈ অপেক্ষা কৰি থকা বুলিও ভাৰপ্ৰাপ্ত উপাচাৰ্যই ব্যক্ত কৰিছে।

# গৃহমন্ত্ৰী অমিত শ্বাহলৈ পত্ৰ প্ৰেৰণ ভাৰতীয় চিকিৎসক সংস্থাৰ

### দেশৰ সকলো ৰাজ্যতে চিকিৎসক-চিকিৎসাকৰ্মীৰ বিৰুদ্ধে হিংসাত্মক কাৰ্য প্ৰতিৰোধ কৰাৰ আহ্বান

**নতুন দিল্লী, ২ জুন ঃ** দেশৰ সকলো ৰাজ্যতে কৰ্মৰত চিকিৎসক আৰু চিকিৎসা কৰ্মীৰ বিৰুদ্ধে চলোৱা হিংসাত্মক কাৰ্য প্ৰতিৰোধ কৰিবলৈ আহ্বান জনাইছে ভাৰতীয় চিকিৎসকসকলৰ উমৈহতীয়া সংগঠন ইণ্ডিয়ান মেডিকেল এছ'চিয়েচনে। এই সংগঠনটোৱে লিখিতভাৱে দেশৰ গৃহমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ কৰিছে। অমিত শ্বাহলৈ প্ৰেৰণ কৰা এই পত্ৰত উল্লেখ কৰা হৈছে যে চিকিৎসকসকলৰ লগতে নাৰ্ছ, চিকিৎসাকৰ্মী আদিয়ে কৰ্মস্থানত সুৰক্ষা পোৱা উচিত। ইয়াৰ বাবে চৰকাৰে প্ৰয়োজনীয় আইন প্ৰণয়ন কৰিব লাগে। সমগ্ৰ দেশতে একেই আইন বলবৎ হোৱা উচিত। কিয়নো কৰ্মস্থানত চিকিৎসক আৰু চিকিৎসা কৰ্মীৰ ওপৰত সঘনে সংঘটিত হোৱা আক্ৰমণৰ ঘটনাই নিশ্চিতভাৱে ৰোগীসকলক জটিল পৰিস্থিতিৰ মাজলৈ ঠেলি দিয়া দেখা গৈছে। এনেধৰণৰ আক্ৰমণৰ ফলত চিকিৎসক, চিকিৎসা কৰ্মী আদিয়ে কৰ্ম বিৰতি পালন কৰে। ফলত জটিল পৰিস্থিতিৰ সন্মুখীন হ'ব লগা



হয় সাধাৰণ ৰোগীসকলে। গতিকে ভাৰতীয় চিকিৎসক সংস্থাই স্পষ্টভাৱে আঙুলিয়াই দিছে যে পাৰ হৈ যোৱা সময়ছোৱাত এনেধৰণৰ আক্ৰমণৰ ঘটনা ক্ৰমান্বয়ে বৃদ্ধি পাই অহা দেখা গৈছে। এই বৰ্ধিত ঘটনা ৰোধ কৰিবৰ বাবে কঠোৰ আইন প্ৰণয়ন আৰু বলবৎ কৰাৰ বিকল্প নাই। উল্লেখ্য যে এদিনৰ পূৰ্বে অসমৰ হোজাই জিলাত এগৰাকী ক'ভিড ৰোগীৰ মৃত্যুৰ ফলত এজন চিকিৎসকক বহুসংখ্যক লোকে শাৰীৰিকবাৱে নিৰ্যাতন চলোৱাৰ খবৰে দেশজুৰি চিকিৎসকসকলক অসন্তুষ্ট কৰি তুলিছে। আনকি চিকিৎসক সংস্থাই কৰ্মবিৰতি পালন কৰি প্ৰতিবাদ কৰা দেখা গৈছে। এই প্ৰতিবাদৰ ফলত সাধাৰণ ৰোগীসকল চিকিৎসা গ্ৰহণৰ পৰা বঞ্চিত হ'ব লগা হৈছে। সেয়েহে সমগ্ৰ দেশতে এখন আইন প্ৰণয়ন কৰি এনেধৰণৰ হিংসাত্মক ঘটনা প্ৰতিৰোধ কৰিবলৈ আহবান জনোৱা পৰিলক্ষিত হৈছে।

# ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগৰ অধ্যক্ষ পদত অৰুণ কুমাৰ মিশ্ৰ

**নতুন দিল্লী, ২ জুন ঃ** উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ অৰুণ কুমাৰ মিশ্ৰই আজি ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগৰ অধ্যক্ষ হিচাপে দায়িত্ব গ্ৰহণ কৰিছে। পূৰ্বৰ অধ্যক্ষ তথা অৱসৰী মুখ্য ন্যায়াধীশ এইচ এল দত্তৰ অৱসৰৰ পিছত মানৱাধিকাৰ আয়োগৰ অধ্যক্ষ পদটো দীৰ্ঘদিন ধৰি খালী হৈ আছিল। বিগত বৰ্ষৰ ডিচেম্বৰ মাহত দত্তই অৱসৰ গ্ৰহণ কৰিছিল। আনহাতে



আজি অধ্যক্ষ হিচাপে অৰুণ কুমাৰ মিশ্ৰৰ সৈতে অন্য এগৰাকী সদস্যয়ো যোগদান কৰা বুলি প্ৰকাশ পাইছে। বিগত বৰ্ষৰ ছেপ্টেম্বৰ মাহত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ পদৰ পৰা মিশ্ৰই অৱসৰ গ্ৰহণ কৰিছিল। নিজৰ কৰ্ম জীৱনত তেওঁ কলকাতা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ, ৰাজস্থান উচ্চ ন্যায়ালয় আৰু মধ্যপ্ৰদেশ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁৰ পিতৃ হৰগোবিন্দ মিশ্ৰও আছিল মধ্যপ্ৰদেশ উচ্চ ন্যায়ালয়ৰ এগৰাকী ন্যায়াধীশ। উল্লেখ্য যে অৰুণ কুমাৰ মিশ্ৰই ১৯৯৯ চনত প্ৰথমে মধ্যপ্ৰদেশ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে দহ বছৰতকৈ অধিক কাল কাৰ্যনিৰ্বাহ কৰিছিল। পিছত তেওঁ ৰাজস্থান উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আৰু কলকাতা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ অন্তত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল অৱসৰৰ সময়লৈকে।

### দিল্লীত লকডাউনৰ ফলত সাধাৰণ বাসিন্দাৰ দুৰৱস্থা

# সন্তানৰ আহাৰৰ বিনিময়ত নিজৰ কিড্‌নী বিক্ৰী কৰিবলৈ সাজু দৰিদ্ৰ পিতৃ-মাতৃ

**নতুন দিল্লী, ২ জুন ঃ** নিজৰ পাঁচ সন্তানৰ বাবে খাদ্যৰ যোগাৰ ধৰিব নোৱাৰি অসহায় হৈ পৰা দিল্লীৰ এটা দৰিদ্ৰ পৰিয়ালে কিডনী বিক্ৰী কৰিবলৈ আগুৱাই অহা ঘটনা পোহৰলৈ আহিছে। ৫৫ বছৰ বয়সীয়া মহম্মদ মৌচাদ আৰু তেওঁৰ পত্নী ফাতিমা খাতুনে এবছৰ পূৰ্বলৈকে পৰিয়ালৰ পাঁচ সন্তানৰ সৈতে সুখেৰে সময় কটাইছিল। নৌচাদে স্থানীয় একন হোটেলত কাম কৰিছিল আৰু তাৰ পৰা উপাৰ্যন কৰা ধনেৰে পৰিয়ালটো সুকলমে চলিছিল। কিন্তু বিগত বছৰত কৰ'না ভাইৰাছৰ সংক্ৰমণ আৰু লকডাউনৰ ফলত হোটেলখন বন্ধ হৈ পৰে। তেতিয়াৰ পৰা কৰ্মহীন হৈ পৰা নৌচাদে নিজৰ পৰিয়ালটো পোহপাল দিবলৈ এখন ৰিক্সা চলাবলৈ লয়। ভাৰাত লোৱা এই ৰিক্সা খনৰ পৰাও প্ৰয়োজনীয় পৰিমাণৰ উপাৰ্জন নোহোৱা হ'ল, কিয়নো দিল্লীত পুনৰ লকডাউন ঘোষণা কৰা হ'ল। এটা কোঠাৰ ভিতৰতে পাঁচটা সন্তানসহ বসবাস কৰা নৌচাদে এতিয়া নিজৰ পত্নী আৰু সন্তানক খাদ্যৰ যোগান ধৰিব নোৱাৰি হাহাকাৰ কৰি ফুৰিছে। সেয়েহে সংবাদ মাধ্যমৰ জৰিয়তে তেওঁ প্ৰকাশ কৰিছে এইবুলি যে যদিহে তেওঁলোকৰ সন্তানৰ বাবে তেওঁলোকে খাদ্যৰ যোগান ধৰিব পাৰে তেনেহ'লে উক্ত লোকজনক নৌচাদ বা তেওঁৰ পত্নীয়ে বিনিময় হিচাপে নিজৰ কিডনি দান কৰিবলৈ সাজু আছে। ফাতিমাই কয় যে তেওঁলোকে ক'ভিডৰ পৰা সুৰক্ষিত আছে কিন্তু খাবলৈ নোপোৱাৰ বাবে নিশ্চিতভাৱে মৃত্যু হ'ব। কেবল নৌচাদেই নহয় ৬৭ বয়সীয়া সুনীতা কুমাৰী নামৰ এগৰাকী মহিলায়ো একেই কথা ব্যক্ত কৰিছে। ঘৰুৱা সহায়িকা হিচাপে থকা সুনিতাই বিগত এবছৰে নিজৰ কামৰ পৰা বঞ্চিত হৈ আছে। তেওঁৰ একমাত্ৰ সন্তানক বিদ্যালয়ৰ পৰা ঘূৰাই আনি হাজিৰা কৰ্মী হিচাপে নিয়োগ কৰিছে। তথাপি



নিতৌ কাম বিচাৰি পোৱা নাযায় আৰু ইয়াৰ বাবে তেওঁলোকৰ পৰিয়ালটো ভীষণ সমস্যাত পৰা বুলি ব্যক্ত কৰিছে। সংবাদ মাধ্যমে প্ৰকাশ কৰা দিল্লীৰ এই দুটা পৰিয়ালৰ সমস্যাই একমাত্ৰ নিশ্চয় নহয়। তেনেকুৱা লাখ লাখ পৰিয়ালত একেই দুৰ্ভিক্ষ সদৃশ পৰিস্থিতি বিৰাজ কৰাটো নিশ্চিত বুলিব পাৰি।

# সাগৰীয় ধুমুহা টাউটিত ক্ষতিগ্ৰস্ত গুজৰাটৰ মাছমৰীয়ালৈ ১০৫ কোটিৰ ক্ষতিপূৰণ ঘোষণা



**আহমেদাবাদ, ২ জুন ঃ** গুজৰাট চৰকাৰে ৰাজ্যখনৰ অলপতে সাগৰীয় ধুমুহাত ক্ষতিগ্ৰস্ত হোৱা মাছমৰীয়াসকলৰ বাবে ১০৫ কোটি টকাৰ ক্ষতিপূৰণৰ পেকেজ ঘোষণা কৰিছে। উল্লেখ্য যে যোৱা মে' মাহৰ শেষৰ সপ্তাহত সাগৰীয় ধুমুহাই দক্ষিণ ভাৰতৰ বহুকেইখন ৰাজ্যৰ বিধ্বস্ত কৰি যায়। তামিলনাডু, গুজৰাট, উৰিষ্যা, পশ্চিমবংগ আদিৰ লগতে ৰাজস্থানতো সাগৰৰ উপকণ্ঠত টাউটি নামৰ ধুমুহাৰ প্ৰভাৱ পৰিলক্ষিত হয়। অন্যান্য ৰাজ্যৰ ক্ষতিগ্ৰস্তৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰসমূহে গ্ৰহণ কৰা ক্ষতিপূৰণৰ সিদ্ধান্ত পৰিলক্ষিত হোৱা নাই যদিও গুজৰাট চৰকাৰে নিজৰ ৰাজ্যৰ ক্ষতিগ্ৰস্ত মাছমৰীয়াসকলৰ বাবে ১০৫ কোটি টকাৰ পেকেজ ঘোষণা কৰিছে। আজি ৰাজ্যখনৰ মুখ্যমন্ত্ৰী বিজয় ৰূপানীয়ে এই কথা সদৰী কৰিছে। যোৱা মঙলবাৰে বিয়লি মন্ত্ৰীসভাৰ এখন বৈঠকত সাগৰীয় ধুমুহা টাউটিৰ ক্ষয়-ক্ষতিৰ পৰ্যালোচনা কৰা হৈছিল। উল্লেখ্য যে যোৱা মে' মাহৰ ১৭ তাৰিখে মাজ নিশাৰ পৰা ঘণ্টাত ২২০ কিলোমিটাৰ বেগত সাগৰীয় ধুমুহা টাউটিয়ে গুজৰাটৰ একাংশ অঞ্চল বিধ্বস্ত কৰি যায়। ৰাজুলা, ছায়াডৰাজপাৰা, নৱভাগুাৰ, জাফ্ৰাবাদ আদি সাগৰৰ উপকণ্ঠ অঞ্চলসমূহ এই ধুমুহাৰ ফলত ব্যাপকভাৱে ক্ষতিগ্ৰস্ত হৈছে। লগতে উপকণ্ঠত বসবাস কৰা মাছমৰীয়াসকলৰ ঘৰ-দুৱাৰ বিধ্বস্ত হৈ পৰিছিল টাউটিৰ তাণ্ডৱৰ বাবে। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজেই গুজৰাটত উপস্থিত হৈ টাউটিৰ ক্ষয়-ক্ষতিৰ পৰ্যালোচনা কৰিছিল। ইতিমধ্যে চৰকাৰে ক্ষতিপূৰণৰ প্ৰথম কিস্তি হিচাপে মাছমৰীয়াসকলৰ বাবে ২৫ কোটি টকা মোকলাই দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। টাউটিৰ ফলত গুজৰাটৰ মাছমৰীয়াসকলৰ ১০০০ খনতকৈ অধিক সৰু-বৰ নাও ধ্বংসপ্ৰাপ্ত হোৱা বুলি চৰকাৰীভাৱে কোৱা হৈছে। সম্পূৰ্ণকৈ ধ্বংস হোৱা নাওবোৰৰ বাবে চৰকাৰে পঞ্চাশ শতাংশ বা ৭৫ হাজাৰ টকাকৈ আদায় দিবলৈ সিদ্ধান্ত লৈছে। আংশিকভাৱে ধ্বংসপ্ৰাপ্ত হোৱা নাওবোৰৰ মেৰামতিৰ বাবে সৰ্বাধিক ৩৫ হাজাৰ টকা বা পঞ্চাশ শতাংশ ক্ষতিপূৰণ আদায় দিবলৈ সিদ্ধান্ত লোৱা হৈছে। এনেকৈয়ে বিভিন্ন শাখাত বিভিক্ত কৰি গুজৰাটৰ মাছমৰীয়াসকলৰ বাবে ৰাজ্য চৰকাৰে ১০৫ কোটি টকাৰ ক্ষতিপূৰণৰ পেকেজ আজি মুখ্যমন্ত্ৰী বিজয় ৰূপানীয়ে ঘোষণা কৰিছে।



গোৱাৰ পৰা উভতি আহি মুম্বাইত প্ৰৱেশ কৰিলে জনপ্ৰিয় গায়িকা নেহা কক্কৰ আৰু তেওঁৰ স্বামী ৰোহনপ্ৰীত সিং, বুধবাৰে

# অনুসন্ধান কালত সদৰী কৰিব নোৱাৰিব প্ৰাপ্ত তথ্য

## চিবিআই, আই বি, আয়কৰ, চিআৰ পি এফলৈ নিৰ্দেশনা জাৰি কৰিলে কেন্দ্ৰীয় চৰকাৰে

**নতুন দিল্লী, ২ জুন ঃ** দেশৰ বিভিন্ন অনুসন্ধানকাৰী সংস্থাৰ মুখত তলা লগালে কেন্দ্ৰীয় চৰকাৰে। এই সংস্থাসমূহে সময়ে সময়ে নিৰ্দিষ্ট গোচৰৰ ভিত্তিত অনুসন্ধান চলাবলগীয়া হয়। অনুসন্ধান কাৰ্য সমাপ্ত নহওতেই প্ৰাপ্ত তথ্যৰ একাংশ সদৰী কৰি সংস্থাসমূহে কৃতিত্ব ল'বলৈ চেষ্টা চলোৱা দেখা যায়। এনেদৰে অৰ্ধ সত্য বা অৰ্ধ সম্পূৰ্ণ তথ্য আগতীয়াকৈ সদৰী কৰাৰ ফলত অনুসন্ধান কাৰ্যত জটিলতাৰ সৃষ্টি হোৱাও পৰিলক্ষিত হয়। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰে সংশ্লিষ্ট সকলো পক্ষলৈ এক কঠোৰ জাননী প্ৰেৰণ কৰিছে। কেন্দ্ৰীয় চৰকাৰে জাননী প্ৰেৰণ কৰা বিভাগসমূহৰ তালিকাত আছে— ৰ', আই বি, ডি আৰ আই, চিইআইবি, ইডি, এন চি বি, এ আৰ চি, স্পেচিয়েল ফ্ৰণ্টিয়াৰ ফোৰ্চ, বি এছ এফ, চি আৰ পি এফ, আই টি বি পি, চি আই এছ এফ, এন এছ জি, আছাম ৰাইফল, এছ এছ বি, আয়কৰ বিভাগৰ ডিজি, এন টি আৰ অ', এফ আই ইউ, এছ পি জি, ডি আৰ ডি অ', বি আৰ ডিঅ', এন এছ চি, চিবিআই, এন আই এ আৰু নাটগ্ৰীড। এই নিষেধাজ্ঞাৰ জাননী প্ৰকাশ কৰা হৈছিল চলিত বৰ্ষৰ ৩১ মে' তাৰিখে। কেন্দ্ৰীয় অসামৰিক সেৱা (পেনচন), সংশোধন আইন-২০২০ অধীনত কেন্দ্ৰীয় চৰকাৰে এনেদৰে নিষেধাজ্ঞা আৰোপ কৰা বুলি স্পষ্ট কৰি দিয়া হৈছে। এই জাননীত কোৱা হৈছে যে সংশ্লিষ্ট কৰ্তৃত্বশীল পক্ষৰ অনুমতি নোহোৱাকৈয়ে একাংশই অনুসন্ধান কালতে কেতবোৰ গুৰুত্বপূৰ্ণ তথ্য সদৰী কৰা দেখা যায়। ইয়াৰ ফলত কেতবোৰ অনুসন্ধান কাৰ্য অতি স্পৰ্শকাতৰ অৱস্থালৈ গতি কৰে। তেনেস্থলত অনুসন্ধান কাৰ্য সমাপ্ত কৰিবলৈ বা সম্পূৰ্ণ কৰিবলৈ জটিল পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হয়। সেয়েহে আগন্তুক সময়ত অনুসন্ধান কাৰ্যত জড়িত কোনো এটা পক্ষই যাতে কৰ্তৃত্বশীল মুৰব্বী বা বিষয়াৰ অনুমোদন নোহোৱাকৈ তেনেধৰণৰ তথ্যসমূহ সদৰী কৰাৰ পৰা বিৰত থাকিবলৈ উক্ত জাননীৰ জৰিয়তে আঙুলিয়াই দিয়া হৈছে।



# প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত স্কুটী বিতৰণত অনিয়মৰ অভিযোগ


## যোগ্য সকলো ছাত্ৰীয়ে স্কুটী নাপালে শ্ৰেণীকোঠা বৰ্জনৰ সকীয়নী স্কুটী বঞ্চিত ছাত্ৰী সন্থাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোগামুখ, ২ জুন ঃ** অসম প্ৰজ্ঞান ভাৰতী ড° বাণীকান্ত কাকতি স্কুটি বিতৰণ আঁচনিত গুৰুতৰ অনিয়ম হোৱাত গভীৰ উদ্বিগ্নতা প্ৰকাশ কৰিছে সদৌ অসম প্ৰজ্ঞান ভাৰতী স্কুটি বঞ্চিত ছাত্ৰী সন্থাই। কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত সদৌ অসম প্ৰজ্ঞান ভাৰতী আঁচনিৰ স্কুটি বঞ্চিত ছাত্ৰী সন্থাৰ সভানেত্ৰী মৃণালী কলিতা আৰু সম্পাদিকা লিজা নেৰাৰে কয়— চলিত বৰ্ষৰ ১৩ ফেব্ৰুৱাৰীত প্ৰজ্ঞান ভাৰতী ড° বাণীকান্ত কাকতি স্কুটি বিতৰণ আঁচনিৰ অধীনত ২০১৮ আৰু ২০১৯ বৰ্ষত শিক্ষা বিভাগে প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰী হিতাধিকাৰীৰ এখন তালিকা প্ৰকাশ কৰিছিল যদিও তালিকাখন বিসংগতিপূৰ্ণ আছিল। কিয়নো ২০১৯ বৰ্ষৰ কলা শাখাৰ প্ৰায় ৬৩-৬৪% নম্বৰপ্ৰাপ্ত ছাত্ৰীসকলৰ নাম তালিকাখনত অন্তৰ্ভুক্ত কৰিছিল যদিও ইয়াৰ বিপৰীতে বিজ্ঞান শাখাৰ ৭৬% আৰু বাণিজ্য শাখাৰ ৭৯% নম্বৰপ্ৰাপ্ত ছাত্ৰীসকলৰ নাম অন্তৰ্ভূক্ত হোৱা নাছিল। আনকি কলা শাখাৰ ৮০% বা ততোধিক নম্বৰপ্ৰাপ্ত বহু ছাত্ৰীৰ নাম তালিকাত অন্তৰ্ভূক্ত হোৱা নাছিল। যিটো অতি পৰিতাপৰ বিষয়। মুঠৰ ওপৰত হিতাধিকাৰী ছাত্ৰীৰ তালিকা প্ৰস্তুত কৰোতে যথেষ্ট গাফিলতি কৰিছে। বিষয়টো আমি তদানীন্তন শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ই-মেইল আৰু ওৱাটচ্এপ'ৰ জৰিয়তে অৱগত কৰিছিলো যদিও কোনো সঁহাৰি নাপালো। ফলত স্কুটি বঞ্চিত ছাত্ৰীসকল মানসিকভাৱে ভাগি পৰিছিল। বাধ্য হৈ আমি স্কুটি বঞ্চিত ছাত্ৰীসকলে ১৭ ফেব্ৰুৱাৰীত জি এম চি এইচৰ চৌহদত স্কুটি বিতৰণ উদ্বোধনী অনুষ্ঠানৰ দিনাই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছিলো। শিক্ষামন্ত্ৰী ড° শৰ্মাই সেইদিনাই ঘোষণা কৰিছিল যে কলা শাখাৰ ৮০%, বিজ্ঞান শাখাৰ ১৫% আৰু বাণিজ্য শাখাৰ ৫% ছাত্ৰীক স্কুটি বিতৰণ কৰা হৈছে। কিন্তু তদানীন্তন শিক্ষামন্ত্ৰীগৰাকীৰ এই বক্তব্য মানি ল'ব নোৱাৰি। কিয়নো তদানীন্তন শিক্ষামন্ত্ৰী ড° শৰ্মাই ঘোষণা কৰিছিন যে, মেধাৰ ভিত্তিত ২০১৮ বৰ্ষত প্ৰথম ৫০০০ আৰু ২০১৯ বৰ্ষত প্ৰথম ১০, ০০০ গৰাকী ছাত্ৰীক স্কুটি প্ৰদান কৰিব। কিন্তু ইয়াৰ পিছতো স্কুটি বিতৰণৰ বেলিকা মেধা ভিত্তিত নহয় কিদৰে শাখা ভিত্তিত প্ৰস্তুত কৰা হ'ল বুলি স্কুটি বঞ্চিত ছাত্ৰী সন্থাই চৰকাৰৰ শিক্ষা বিভাগক প্ৰশ্ন কৰে। তদানীন্তন শিক্ষামন্ত্ৰী ড° শৰ্মাই এইটো কৈছিল যে যোগ্য বঞ্চিত ছাত্ৰীয়ে স্কুটিৰ বাবে আবেদন কৰিব পাৰিব। কিন্তু কোনবোৰ ছাত্ৰী যোগ্য আৰু কোনবোৰ ছাত্ৰী অযোগ্য তাক স্পষ্ট নকৰাটো দূৰ্ভাগ্যজনক বিষয়। স্কুটি বঞ্চিত ছাত্ৰীসকলে অসমৰ ভিন্ন প্ৰান্তৰ পৰা ২০০০-৩০০০ হাজাৰ পৰ্যন্ত টকা খৰচ কৰি আবেদন কৰিবলৈ গুৱাহাটীলৈ আহিল। কিন্তু উক্ত আবেদনৰ কোনো ফল নধৰাত ছাত্ৰীসকল ক্ষোভিত হৈ পৰা বুলি বিবৃতিত উল্লেখ কৰিছে। ছাত্ৰীসকলে নতুন শিক্ষামন্ত্ৰীক বিষটোৰ ওপৰত চোকা নজৰ ৰখাৰ লগতে যোগ্য কোনগৰাকী ছাত্ৰী বঞ্চিত প্ৰাৰ্থী তাৰ স্পষ্ট নিৰ্দেশনা জাৰি কৰিবলৈ স্কুটি বঞ্চিত ছাত্ৰী সন্হাৰ ফালৰ পৰা দাবী জনাইছে । স্কুটি বঞ্চিত ছাত্ৰী সন্থাই ২০১৮-১৯ বৰ্ষত প্ৰথম বিভাগত উত্তীৰ্ণ সকলো ছাত্ৰীকে স্কুটি প্ৰদান কৰিবলৈ দাবী জনোৱাৰ লগতে এখন শুদ্ধ, নিকা তালিকা প্ৰস্তুত কৰি স্কুটি বিতৰণ কৰিবলৈ শিক্ষা বিভাগক দাবী জনাইছে। ইয়াৰ অন্যথা স্কুটি বঞ্চিত ছাত্ৰী সন্থাই শ্ৰেণী কোঠা এৰি প্ৰাপ্য স্কুটিৰ দাবীত ৰাজপথলৈ ওলাই আহিব বুলিও চৰকাৰক সকীয়াই দিয়ে।

## নগাঁৱত আৰক্ষীৰ বাহনতে আত্মহত্যাৰ চেষ্টা ড্ৰাগছ আসক্ত চোৰৰ

### মৰিকলং আৰক্ষীৰ সফলতা উদ্ধাৰ কৰিলে বৃহৎ পৰিমাণৰ চুৰি সামগ্ৰী, ডেগাৰ জাতীয় অস্ত্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২ জুন ঃ** ড্ৰাগছৰ বাবেই বৰ্তমান নগাঁৱৰ যুৱপ্ৰজন্ম জড়িত হৈ পৰিছে অপৰাধ জগতৰ সৈতে। মঙলবাৰে নগাঁৱত সংঘটিত হোৱা এক ঘটনাই পুনৰ তাকে প্ৰমাণ কৰিলে। জানিব পৰা মতে মঙলবাৰে পুৱা নগাঁও চহৰৰ মৰিকলং স্থিত নগাঁও ৰে'ল ষ্টেচনত চুৰি সামগ্ৰীসহ এটা ৪জনীয়া চোৰৰ দল ৰৈ থকাৰ খবৰ পাই গাঁওৰক্ষী বাহিনীয়ে আৰক্ষীক খবৰ দিয়ে। গাঁওৰক্ষী বাহিনীৰ খবৰৰ ভিত্তিত মৰিকলং আৰক্ষী চকীৰ অঞ্জুশ্ৰী কলিতাৰ নেতৃত্বত যোৱা এটি আৰক্ষীৰ দলৰ সহযোগত চোৰকেইটাক আটক কৰাৰ চেষ্টা চলাই যদিও ইয়াৰে ৩টা চোৰে পলায়ণ কৰে। পিছত ৪ জনীয়া চোৰৰ দলটোৰ পৰা আৰক্ষী আৰু গাঁওৰক্ষী বাহিনীয়ে খেদি খেদি আটক কৰে মহম্মদ ৰাক্কিল ভূঁঞা নামৰ চোৰটোক। আৰক্ষীয়ে ৰাক্কিলৰ পৰা উদ্ধাৰ কৰে নামঘৰৰ পৰা চুৰি হোৱা বহু সামগ্ৰীৰ লগতে কেমেৰা, লেপটপ, সোণৰ আ-অলংকাৰ, ইনভাৰটাৰ, বেটেৰী, ২খন ডেগাৰ আদিকে ধৰি যথেষ্ট সামগ্ৰী উদ্ধাৰ কৰে। ইপিনে আৰক্ষীয়ে ধৃত ৰাক্কিলক আটক কৰি আৰক্ষীৰ বাহনত উঠোৱাৰ পিছতে ড্ৰাগছ বিচাৰি ৰাক্কিলে এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰে। ৰাক্কিলে আনকি এখন কেচিৰে নিজৰ ডিঙিত আঘাত কৰি আত্মহত্যাৰো চেষ্টা কৰে। ইয়াৰ পিছতে মৰিকলং আৰক্ষীৰ ভাৰপ্ৰাপ্ত বিষয়া অঞ্জুশ্ৰী কলিতাই ৰাক্কিলৰ হাতৰ পৰা কেচিখন কাঢ়ি লৈ ৰাক্কিলৰ প্ৰাণৰক্ষা কৰে। ৰাক্কিলৰ অপ্ৰকৃতস্থ ব্যৱহাৰৰ পৰা আৰক্ষী নিশ্চিত হয় যে ৰাক্কিল এটা ড্ৰাগছ আসক্ত আৰু কেৱল ড্ৰাগছৰ বাবেই চুৰি-ডকাইটি আদি অপৰাধজনিত কাৰ্যকলাপৰ সৈতে জড়িত হৈ পৰিছিল। বৰ্তমান আৰক্ষীয়ে ৰাক্কিলৰ সৈতে থকা আন ৩টা চোৰৰ সন্ধানত অভিযান অব্যাহত ৰাখিছে। কিন্তু ড্ৰাগছৰ বাবেই যে বৰ্তমান নগাঁৱৰ যুৱপ্ৰজন্ম বহু অপৰাধজনিত কাৰ্যকলাপৰ সৈতেও জড়িত হৈ পৰিছে, সেয়া এই ঘটনাৰ পৰা পুনৰ প্ৰমাণ হৈ পৰিছে।



*ব্ৰহ্মপুত্ৰৰ বালিচৰত কেইগৰাকীমান যুৱকৰ ধেমালি, বুধবাৰে*

## ‘কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা'ৰ গীত আৰু গীতৰ আধাৰত নৃত্যৰ অনলাইন প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ২ জুন ঃ** দৰঙৰ পথৰু সমন্বয় গোষ্ঠীৰ উদ্যোগত অহা ১৫ জুনত নিশা ১২ বজাত ‘কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা'ৰ গীত আৰু গীতৰ আধাৰত এক অনলাইন নৃত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাৰ গীত আৰু নৃত্য জমা দিয়া অন্তিম তাৰিখ ১৬ জুন। দুয়োটা প্ৰতিযোগিতাতে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান প্ৰাপ্তসকলক মানপত্ৰ আৰু স্মাৰকৰ লগতে ক্ৰমে ৩০০১ টকা, ২০০১ টকা আৰু ১০০১ টকা নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। ভিডিঅ' প্ৰেৰণ কৰা হোৱাটছএপ নম্বৰ-৯৮৬৪৪৬৫৮১৫

প্ৰতিযোগীসকলৰ কোনো নিৰ্দিষ্ট শাখা নাথাকে, প্ৰতিযোগীসকলে কেৱল ‘বিষ্ণু প্ৰসাদ ৰাভা'ৰ গীত আৰু গীতৰ আধাৰত নৃত্যতহে অংশ গ্ৰহণ কৰিব পাৰিব, সাজ-সজ্জা মাৰ্জিত হ'ব লাগিব। প্ৰতিযোগীসকলে কোনো(গীতত) ইলেক্ট্ৰ'নিক বাদ্য যন্ত্ৰ ব্যৱহাৰ কৰিব নোৱাৰিব। বয়সঃ নিম্নতম ১০ বছৰৰ পৰা ঊৰ্দ্ধৰ হ'ব লাগিব। ভিডিঅ' সমূহ হোৱাটছএপ যোগে প্ৰেৰণ কৰিব লাগিব। লগতে নাম-ঠিকনা পঠিওৱাটো বাধ্যতামূলক। সম্পাদনা কৰা ভিডিঅ' গ্ৰহণযোগ্য নহব। বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব। ভিডিঅ'সমূহ ‘পথৰু সমন্বয় গোষ্ঠী', পথৰুঘাট ফেচবুক পেজত উপলব্ধ হ'ব। পুৰস্কাৰসমূহ আনুষ্ঠানিকভাৱে বিতৰণ কৰা হ'ব। অধিক জানিবৰ বাবে যোগাযোগ কৰিবপাৰে-৬০০০৬৮৬৪৩৫/ ৯৭০৭৩৫১৬১৪, ৯৩৬৫৯১০০৫০, ৯১০১১২৬৩০২ নম্বৰত।

## নিৰ্মাণ হৈ নুঠিল চৈয়দ আব্দুল মালিক ইনড'ৰ ষ্টেডিয়াম

### ওপজা ঠাই নাহৰণিতে মালিক ছাৰক চৰম অপমান নেকি ?

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ২ জুন ঃ** স্বনামধন্য কথাশিল্পী চৈয়দ আব্দুল মালিকৰ সোঁৱৰণত নাহৰণি হাইস্কুলৰ সমীপত এখন ইনড'ৰ ষ্টেডিয়াম নিৰ্মাণ হোৱাৰ খবৰটোৱে সমূহ নাহৰণিবাসী ৰাইজলৈ আশাৰ বতৰা আনিছিল। এই স্থায়ী কামটোৰ জৰিয়তে অপ্ৰতিদ্বন্দ্বী সাহিত্যিকজনক স্মৰণীয় কৰি ৰখাৰ লগতে নাহৰণিৰ ক্ৰীড়াৰ দিশটোৰ নিশ্চয়কৈ উত্তৰণ ঘটিলেহেঁতেন। কিন্তু পৰিতাপৰ কথা আজিকোপতি এই ষ্টেডিয়ামখন নিৰ্মাণ হৈ নুঠিল। ২০১১চনত কংগ্ৰেছৰ চৰকাৰৰ শাসনকালতে সেই সময়ৰ বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই খুমটাই সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী বিস্মিতা গগৈৰ হৈ নিৰ্বাচনী প্ৰচাৰৰ বাবে আহি ষ্টেডিয়ামখন আটকধুনীয়াকৈ নিৰ্মাণ কৰাৰ আশ্বাস দি গৈছিল। সেই মৰ্মে বিস্মিতা গগৈ বিধায়িকা নিৰ্বাচিত হৈ মন্ত্ৰীও হ'ল। ষ্টেডিয়ামখনৰ বাবে ৪৫ লাখ টকাৰ অনুদান প্ৰদান কৰা হৈছিল। এই মোটা অংকৰে ষ্টেডিয়ামখনৰ নামত মাত্ৰ তিনিখন দেৱালহে গঁঠা হ'ল। বাকী কামখিনি আজিকোপতি হৈ নুঠাত সচেতন মহলে অসন্তোষ প্ৰকাশ কৰিছে। ৰাইজৰ মনৰ প্ৰশ্ন ষ্টেডিয়ামখন হৈ উঠিবনে কেতিয়াবা ? অনুদানৰ সমুদায় ধন মোকলাই দিয়া হ'লনে ? কি কাৰণত সুদীৰ্ঘ দিন ধৰি কামটো নহ'ল ? সমুদায় ধন মোকলাই দিয়া হ'ল যদি এই ধন ক'লৈ গ'ল ? নে এনেদৰে নিঃশেষ হ'বলৈ এৰি দিবনে ? বৰ্তমান এইয়া লাখটকীয়া প্ৰশ্ন হৈ পৰিছে। বিষয়টো তদন্ত কৰি ষ্টেডিয়ামৰ কাম সম্পূৰ্ণ কৰি দিবৰ বাবেখুমটাই সমষ্টিৰ কৰ্মদক্ষ বিধায়ক মৃণাল শইকীয়া আৰু ২০১১ত নাহৰণিত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ অহা কংগ্ৰেছ চৰকাৰৰ সেই সময়ৰ বিত্ত মন্ত্ৰী তথা এতিয়াৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক বৃহত্তৰ নাহৰণি অঞ্চলৰ সচেতন ৰাইজে অনুৰোধ জনাইছে।

## কলিয়াবৰৰ নিজ চিলাবন্ধা গাঁৱৰ ঘাটমাউৰা দুই সহোদৰাক সহায়ৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ২ জুন ঃ** দহ বছৰ পূৰ্বেই মৃত্যু হৈছিল লিপিকা আৰু জ্যোতিৰেখাৰ পিতৃ-মাতৃৰ। তেতিয়া লিপিকাৰ বয়স মুঠেই দুবছৰ, জ্যোতিৰেখাৰ পাঁচ বছৰ। গোপাল দাস আৰু বাসন্তী দাসৰ মৃত্যুৰ পাছত ককাক-আইতাকে চোৱা-চিতা কৰিছিল যদিও তেওঁলোকৰো মৃত্যু হোৱাত দুই ভগ্নীৰ সমগ্ৰ দায়িত্ব আহি পৰে বৰদেউতাক হৰেন দাসৰ পৰিয়াললৈ। কিন্তু দুৰ্ভাগ্যই লগ নেৰা লিপিকা আৰু জ্যোতিৰেখাৰ বৰদেউতাকৰো মৃত্যু হয় তিনি মাহ মানৰ পূৰ্বে। এতিয়া পিতৃ-মাতৃহাৰা দুই ভগ্নীৰ দায়িত্ব ল'ব লগা হৈছে বৰদেউতাকৰ পুত্ৰ বিনোদ দাসে। বিয়া-সবাহৰ ৰভা-পৰলাৰ দিয়া টেণ্টৰ কাম কৰি কোনোমতে ঘৰখন চলাই থকা বিনোদ দাস এতিয়া বিপদত পৰিছে। বিনোদ দাসে নিজৰ মাক আৰু ভনীয়েকৰ লগতে খুৰায়েকৰ দুই কন্যাক এটা সৰু ব্যৱসায়েৰে পোহ-পাল দিছিল যদিও, যোৱা বৰ্ষৰ লকডাউনৰ পৰা টেণ্টৰ ব্যৱসায়ত লোকচানৰ সন্মুখীন হৈ আহিছে। আৰ্থিকভাৱে দুৰ্বল হৈ পৰা পৰিয়ালটোক এইবাৰৰ হাফ লকডাউনে বাৰুকৈয়ে অসুবিধাত পেলাইছে। কলিয়াবৰৰ নিজ চিলাবন্ধা গাঁৱৰ এই দুই ভগ্নী মধ্য কলিয়াবৰ ছোৱালী হাইস্কুলৰ দুগৰাকী ছাত্ৰী। বিদ্যালয়খনৰ ষষ্ঠ শ্ৰেণীত পঢ়ে কনিষ্ঠা ভগ্নী লিপিকা দাসে। আনহাতে নৱম শ্ৰেণীত পঢ়ে জ্যেষ্ঠা ভগ্নী জ্যোতিৰেখা দাসে। দুয়োগৰাকীয়ে ঘৰৰ সকলোৰে পৰা পঢ়া-শুনাৰ বাবে যথেষ্ট সহযোগিতা পাই আহিছে যদিও বৰ্তমান ক'ভিড পৰিস্থিতিৰ বাবে ঘৰতে থাকিবলগীয়া হোৱাত জ্যোতিৰেখাই পৰিয়ালটোৰ আৰ্থিক অনাটনৰ কথা উপলব্ধি কৰিয়েই নৱম শ্ৰেণীতে শিক্ষা সামৰাৰ কথা চিন্তা কৰিছ। উপায়ন্তৰ হৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সহায় বিচাৰি কৰযোৰে অনুৰোধ জনাইছে দুই ভগ্নীয়ে। দুই ভগ্নীৰ বৰদেউতাকৰ পৰিয়ালটোৱেও চৰকাৰী সুবিধা বা সহানুভূতিশীল ব্যক্তি বা অনুষ্ঠান-প্ৰতিষ্ঠাৰ সুদৃষ্টি কামনা কৰিছে। যাতে দুই ভগ্নীৰ পঢ়া-শুনাৰ লগতে যাৱতীয় প্ৰয়োজন পূৰণ হোৱাৰ লগতে ভৱিষ্যত সুৰক্ষিত হয়। এতিয়া মুখ্যমন্ত্ৰীক ড° হিমন্ত বিশ্ব শৰ্মা মামালৈ কৰযোৰে সহায় বিচাৰি পৰিয়ালটোক বিপদৰ পৰা উদ্ধাৰ কৰিবলৈ জনোৱা দুই ভগ্নী জ্যোতিৰেখা আৰু লিপিকাৰ অনুৰোধ এতিয়া মুখ্যমন্ত্ৰী কৰ্ণ গোচৰ হ'ব বুলি আশাবাদী পৰিয়ালটো। এতিয়া প্ৰশ্ন হৈছে, চৰকাৰী নেতা-পালিনেতাই গিজ-গিজাই থকা নিজ চিলাবন্ধা গাঁওখনৰ দুই ভগ্নীৰ নাম চৰকাৰী আঁচনিৰ হিতাধিকাৰীৰ তালিকাভূক্ত হয়নে নহয় ? বৰ্তমানৰ সময়ছোৱাত অযোগ্য হিতাধিকাৰীৰ লৰা-ধপৰাৰ সময়ত দুই ভগ্নীয়ে চৰকাৰৰ পৰা কি সহায় লাভ কৰে সি হ'ব লক্ষণীয়।

## জলেশ্বৰত পুনৰ ড্ৰাগছ মাফিয়া আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, লক্ষীপুৰ, ২ জুন ঃ** গোৱালপাৰাৰ লক্ষীপুৰত পুনৰ ড্ৰাগছ মাফিয়া আটক হোৱা ঘটনাই সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। লক্ষীপুৰ আৰু জলেশ্বৰ আৰক্ষীৰ প্ৰসংশনীয় আৰু সফল অভিযান। এটাৰ পিছত এটাকৈ আটক হৈছে লক্ষীপুৰত ড্ৰাগছ মাফিয়া। এইবাৰ এক গোপন সুত্ৰৰ পম খেদি লক্ষীপুৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া তিলক চন্দ্ৰ ৰায়ৰ নেতৃত্বত আৰু জলেশ্বৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া উত্তম মালাকাৰৰ সহযোগত জলেশ্বৰৰ বৰো উদমাৰীৰ গাঁৱৰ জয়নাল আবেদিন মোল্লা নামৰ ড্ৰাগছ মাফিয়াজনক আটক কৰে। ড্ৰাগছ মাফিয়া জনৰ পৰা নিছা জাতীয় কফ চিৰাপকে ধৰি বৃহৎ সংখ্যক নিচাজাতীয় দ্ৰব্য জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখ্য কিছু দিন পূৰ্বে লক্ষীপুৰ আৰক্ষীয়ে দুবাৰকৈ অভিযান চলাই দুটাকৈ ড্ৰাগছ মাফিয়াক আটক কৰিছিল।

## চতিয়াৰ গোসাঁই চাপৰিত শোণিতপুৰ জিলাৰ আৰক্ষী অধীক্ষক ধনঞ্জয় পৰশুৰাম ধনাবটৰ নেতৃত্বত গাঞ্জাবিৰোধী অভিযান



**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ২ জুন ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটস্থিত গোসাঁই চাপৰিত বিয়লি পাঁচ বজাত আৰক্ষীয়ে নষ্ট কৰিলে পাঁচ বিঘা ভাং খেতি। বিশেষ সূত্ৰৰ পমখেদি কৰা অভিযানটোত জামুগুৰি আৰু চতিয়া থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ লগতে নদুৱাৰ ৰাজহ চক্ৰৰ সংলগ্ন ৰাজহ চক্ৰ বিষয়াও উপস্থিত আছিল। আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হোৱা জামুগুৰিহাটৰ কুসুমটোলাৰ ধৰ্মেশ্বৰ নায়ক নামৰ এজন গাঞ্জা সৰবৰাহকাৰী ভাষ্যৰ ভিত্তিত আৰক্ষীয়ে চলাই এক অভিযান। নষ্ট কৰে বৃহৎ ভাং খেতিসমূহ। জেচিবি লগাই আৰক্ষীয়ে নষ্ট কৰিলে বৃহৎ ভাঙৰ খেতি। উল্লেখ্য যে চতিয়া আৰু জামুগুৰিহাট আৰক্ষী চকীৰ আৰক্ষীৰ দলৰ যৌথ অভিযানত কুসুমটোলাৰ ধৰ্মেশ্বৰ নায়ক নামৰ লোকজনৰ পৰা প্ৰায় ৯ কিলোগ্ৰাম ওজনৰ ভাঙৰ টোপোলা জব্দ কৰি অধিক তথ্যৰ ভিত্তিত গোসাঁই চাপৰিত উক্ত অভিযান চলাই । অভিযানকাৰী আৰক্ষীৰ দলটি তদন্তৰ ভিত্তিত পোৱা ভাঙৰ খেতিসমূহ নষ্ট কৰাৰ লগতে উক্ত ব্যৱসায়ৰ লগত জড়িত ব্যক্তিসকলৰ তদন্ত অব্যাহত ৰাখিছে বুলি আৰক্ষীৰ দলটিয়ে সংবাদ মাধ্যমক জানিব দিছে।

## বিপন্ন প্ৰজাতিৰ বিষাক্ত ভেকুলীৰ উপস্থিতি নুই কৰিলে জীৱ বিজ্ঞানীয়ে

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২ জুন ঃ** ওদালগুৰি জিলাৰ লগতে ৰাজ্যখনৰ কেতবোৰ ঠাইত বিপন্ন প্ৰজাতিৰ সোণালী বিষাক্ত ভেকুলী দৃশ্যমান হোৱা বুলি একাংশ সামাজিক মাধ্যমৰ লগতে ৰেব পৰ্টেলত সম্প্ৰচাৰিত বাতৰি এটিয়ে সাধাৰণ ৰাইজৰ মাজত অহেতুক ভীতিৰ সঞ্চাৰ কৰাৰ লগতে একাংশ লোকে এই প্ৰজাতিৰ ভেকুলী বিধ বধ কৰাৰ পোষকতা কৰাৰ ঘটনাই জীৱ বিজ্ঞানী সকলৰ লগতে প্ৰকৃতি প্ৰেমী সকলে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে । অসমৰ এগৰাকী খ্যাতিসম্পন্ন জীৱ বিজ্ঞানী তথা পৰিৱেশ আৰু প্ৰকৃতিকৰ্মী ড° ফিৰোজ আহমেদে আমাৰ প্ৰতিবেদকৰ সৈতে মঙলবাৰে হোৱা এক বাৰ্তালাপত এই বাতৰিৰ সত্যতা নুই কৰে । ড° আহমেদে কয় যে ‘বাতৰিত উল্লেখ কৰা সোণালী বিষাক্ত ভেকুলীৰ (phyllobates terribilis) অসমত উপস্থিতি এতিয়ালৈকে নিশ্চিত হোৱা নাই। আমাজন অঞ্চলত বিচৰণ কৰা এই বিপন্ন প্ৰজাতিৰ বিষাক্ত ভেকুলী এতিয়ালৈকে ৰাজ্য খনত দৃশ্যমান হোৱা নাই। বৰঞ্চ বাতৰিটোত দেখা ভেকুলী বিধ প্ৰকৃততে আমাৰ অতি চিনাকি বামুণ ভোকোলা বা ইণ্ডিয়ান বুল ফ্ৰগ (hoplobatrachus tigerinus) হে। প্ৰজননৰ সময়ত মতা ভেকুলীটোৱেঞ্জ কিছুদিনৰ বাবে হালধীয়া বা সোণালী বৰণ লয় যদিও কেইদিনমান পিছতেই পুনৰ স্বাভাৱিক বৰণ লয়। আনহাতে এই অচিলা লৈয়েই এচাম প্ৰকৃতি বিৰোধী লোকে এই বামুণ ভোকোলা কেৱল মাংসৰ বাবেই বধ কৰিবলৈ বিশেষভাৱে উৎসাহিত হৈ পৰাত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে একাংশ পৰিৱেশ আৰু সংবাদ কৰ্মীয়ে। পৰিৱেশ সন্তুলিত কৰি ৰখাত এক বিশেষ ভূমিকা পালন কৰি অহা ভেকুলী জাতীয় উভচৰ আৰু সাপ জাতীয় সৰীসৃপ কোনো কাৰণতেই বধ কৰিব নোৱাৰে তাৰ বাবে সচেষ্ট হ'বলৈ ৰাইজলৈ আহ্বান জনাইছে দৰঙৰ জ্যেষ্ঠ সাংবাদিক ভাৰ্গৱ কুমাৰ দাস, হিতেশ হাজৰিকা, গণেশ দত্ত, বিজয় বৰুৱা, অজয় ডেকা, অধিবক্তা ধৰ্মেন্দ্ৰ নাৰায়ন দেৱ, ৰক্ত দাতা শেখৰ মজুমদাৰ আৰু ৰাতুল ডেকাই।

## বিজেপিৰ ৰাজ্যিক চাহ মৰ্চাৰ খাদ্যসামগ্ৰী বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাঁও, ২ জুন ঃ** যোৱা ৩০ মে'ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰৰ বিজেপি চৰকাৰৰ সপ্তম বৰ্ষপূৰ্তি উপলক্ষত দলৰ ৰাজ্যিক সমিতিৰ পৰামৰ্শমতে বিজেপিৰ ৰাজ্যিক চাহ মৰ্চাৰ উদ্যোগত সেৱাই সংগঠন কাৰ্যসূচীৰ অধীনত ৰাজ্যৰ বিভিন্ন স্থানত দৰিদ্ৰ আৰু ক'ভিড আক্ৰান্ত লোকৰ মাজত খাদ্যসামগ্ৰী, ফলমূল বিতৰণ, চেনিটাইজেচন, মাস্ক বিতৰণ আদিৰ লগতে গছপুলি ৰোপনৰ কাৰ্যসূচী গ্ৰহণ কৰে। বিজেপি ৰাজ্যিক চাহ মচাৰ সভাপতি প্ৰহ্লাদ গোৱালাই বিহুবৰ আৰু বামুনপুখুৰীৰ মুঠ যোল্লটা কনটেইনমেণ্ট জ'নৰ পৰিয়ালক খাদ্য-সামগ্ৰী আগবঢ়ায়। তেওঁৰ লগত সহযোগিতা আগবঢ়ায় ৰজাভেটা পঞ্চায়তৰ সভাপতি, ৱাৰ্ড সদস্য-সদস্যাসকলৰ লগতে কেইবাজনো দলীয় কাৰ্যকৰ্তাই। সভাপতি গোৱালাই ফোনযোগে ক'ভিড আক্ৰান্ত কিছুলোকৰ লগতে বিভিন্নজনৰ লগত স্বাস্থ্য সম্বন্ধীয় খা-খবৰ ৰখাৰ লগতে পৰিস্থিতিৰ প্ৰতি সজাগ হৈ থাকিবলৈ সকলোকে অনুৰোধ জনোৱা বুলিও সাংবাদিকক জনাইছে।




## আমগুৰি দেওধাই গাঁৱত সাহায্য সামগ্ৰী বিতৰণ অগপৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমগুৰি, ২ জুন ঃ** আমগুৰি বিধানসভা সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰিকাৰৰ নিৰ্দেশত অসম গণ পৰিষদৰ ভাতৃ সংগঠন অসম যুৱ পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক সুদৰ্শন হাজৰিকাৰ নেতৃত্বত অগপ আৰু বিজেপি দলৰ কৰ্মীসকলে আমগুৰি দেওধাই গাঁৱৰ কোৱাৰেণ্টাইন অঞ্চলত খাদ্য সামগ্ৰী বিতৰণ কৰাৰ লগতে গাঁৱৰ ৰাইজৰ মাজত ক'ভিড সম্পৰ্কত সজাগতা সৃষ্টি কৰে। উল্লেখযোগ্য যে উক্ত গাঁৱখনত ক'ভিড ৰোগীৰ সংখ্যা চিন্তনীয়ভাৱে বৃদ্ধি পাইছে। ইতিমধ্যে গাঁওখনৰ ১৬ জন লোক ক'ভিডত আক্ৰান্ত হৈছে। ইয়াৰে এজন লোক এই ৰোগত মৃত্যুমুখত পৰিছে। গাঁওখনৰ ৰাইজে ইতিমধ্যে গণ সংক্ৰমণৰ আশংকা কৰিছে। সেয়ে বিধায়ক প্ৰদীপ হাজৰিকাৰ নিৰ্দেশত মিত্ৰজোঁটৰ কৰ্মীসকলে আজি গাঁওখনৰ ৰাইজক ক'ভিডৰ ভয়াবহতাৰ ওপৰত সজাগতা সৃষ্টি কৰাৰ লগতে খাদ্য-সামগ্ৰী বিতৰণ কৰে। অগপ-বিজেপিৰ মিত্ৰজোঁটৰ দলটোৱে গাঁওখনৰ ৰাইজৰ মাজত শীঘ্ৰে ক'ভিড পৰীক্ষা শিৱিৰ অনুষ্ঠিত কৰিবলৈ আহ্বান জনায়।

## এতিয়া খেতিৰ বতৰ, আহৰি নাই কৃষকৰ, তথাপি যেন এলাগি হ'ব ধৰিছে হালৰ গৰুহাল

# কৃষকৰ মৰমৰ বলধ হালৰ স্থান ল'লে আধুনিক ট্ৰেক্টৰে

**দৈনন্দিন বাৰ্তাৰ সেৱা, নৗে, ২ জুন ঃ** সম্প্ৰতি দেশ তথা ৰাজ্যৰ চৌপাশে ভয়াৱহ কৰ'নাৰ দ্বিতীয় জোৱাৰৰ আতংকই ত্ৰাসৰ সৃষ্টি কৰাৰ সময়তে সমগ্ৰ ৰাজ্যখনৰ লগতে নগাঁও জিলাখনৰ চৌপাশে এতিয়া দৃশ্যমান হৈছে খেতিৰ বতৰৰ এক সুন্দৰ মনোৰম প্ৰতিচ্ছবি। কৃষকৰ বাবে ব্যস্ততাৰ সময় ৰূপে পৰিচিত এই জেঠ মাহ এতিয়া সকলো কৃষক ৰাইজৰ বাবেই হৈ পৰিছে অতিকৈ আপোন তথা ব্যস্ততাৰে ভৰা সময়। বৰ্তমান ব্যস্ততাই আগুৰি ধৰিছে কৃষক তথা কৃষকসকলৰ পৰিয়ালবৰ্গক। যৌৱন নামিছে খেতি পথাৰৰ বুকুলৈ। গাৰ ছাল পুৰি দেই নিয়া প্ৰখৰ ৰ'দ, শৰীৰৰ পৰা ওলোৱা টোপাটোপে ঘাম আৰু সময়ে সময়ে দবাপিটা বৰষুণৰ আচোৰৰ টোপাল। মুঠতে প্ৰকৃতিৰ এই অপছন্দৰ কাৰ্যবোৰক গাত লৈও হালোৱা ব্যস্ত হৈ পৰিছে পথাৰত নিজৰ মাটি দৰাৰ লগতে আন আন সকলৰ খেতি উপযোগী মাটিসমূহ চাহ কৰা, হাল বোৱা, কঠীয়া পাৰিবলৈ মাটিদৰা মৈ দিয়া, আলী কটা আদি কামত। খেতিয়ক পৰিয়ালৰ সকলোকে দেখিবলৈ পোৱা গৈছে খেতিপথাৰ লগত জড়িত বিভিন্ন কামত ব্যস্ত হৈ পৰাত। পথাৰৰ বোকা পানীৰ গোন্ধত ভাহি আহিছে আশাৰ বতৰা। হালোৱা, হজোৱা, বোৱনী কোনে জনেই এতিয়া খেতি পথাৰৰ বুকুত ব্যস্ত নাই দুখৰ প্ৰতিচ্ছবি। বানপানীয়ে প্ৰায় কৰা ৰাজ্যৰ ঠায়ে ঠায়ে একাংশ খেতি পথাৰ অদ্যাপি পানীৰ কবলৰ পৰা মুক্ত নহলেও আন একাংশত আকৌ আহিছে খেতিৰ অনুকূল অৱস্থা। ইপিনে বানপানী নোহোৱা খেতি পথাৰবোৰ এখন দেৱতাই দয়াৰ চকু মেলি প্ৰকৃতিয়ে বৰষুণৰ পানীৰে ওপচাই পেলাইছে। সেয়েহে এতিয়া ৰ'বলৈ যেন আহৰি নাইকিয়া হৈছে কৃষকসকলৰ। কাহিলি পুৱাৰ পৰাই সূৰ্য্যস্তৰ পৰলৈ খেতিপথাৰতেই তেওঁলোকে কটাইছে অধিক সময়। আকাশলৈ মূৰ দোৱাই তেওঁলোক এতিয়া ব্যস্ত হৈছে জীৱনৰ নানানটা সপোন ৰছাত। উল্লেখ্য যে,এই হেন খেতিৰ বতৰত পূৰ্বতে কৃষক সকলৰ মূল লগৰী আছিল হালৰ গৰুহাল। অন্ততঃ জেঠ, আষাৰ মাহৰ ভিতৰত যাতে কৃষকৰ গৰুহাল নৰিয়াপাটীত নপৰে, তাৰ স্বাৰ্থতেই কৃষক সকলে নামঘৰত গৰখীয়া সেৱা পাতি আশিস লৈছিল। খোৱা-বোৱাৰ পৰা থকালৈকে গৰুহালৰ বিশেষ যতন লোৱা হৈছিল। এই সময়তেই গোহালিৰ এই গৰুহালেই একোটা কৃষক পৰিয়ালক মৰ্যাদাৰ আসনত থিয় কৰাইছিল। তিনিহাল-চাৰিহাল পৰ্যন্ত গৰুৰে যাৰ গোহালি শুৱনি কৰিছিল, সেই পৰিয়ালৰ মুৰব্বীজনে এক বিস্তৃত এলেকাত মহাজন নামে সম্বোধিত হৈছিল। তিনিহাল-চাৰিহাল গৰুৰে একেদিনাই কিমান পুৰা মাটি চহালে তাৰ এক বিস্তৃত বিৱৰণ সমনীয়াৰ আগত দাঙি ধৰি এই মহাজনসকলে আকৌ আত্মগৌৰৱ কৰিছিল। আনহাতে হালৰ গৰু হালৰ পুৱাৰ ডিঙিৰ টিলিঙা বজাৰ শব্দ শুনিয়েই চুবুৰীৰ বোৱাৰী-জীয়ৰীয়ে শোবা পাটি এৰিছিল। ঠিকদৰে গৰুহালৰ উভতনি যাত্ৰাৰ উমান লৈয়েই চুবুৰীৰ বোৱাৰী-জীয়ৰীয়ে সন্ধিয়াৰ চোতাল সাজিছিল। গোহালিৰ গৰুহালৰ গৃহলক্ষ্মী হোৱাৰ দিশে ধাৱমান নিতৌ গধুলি গোহালিত ধূপ-ধূনা দিয়াৰ ব্যৱস্থা কৰিছিল। কিন্তু সম্প্ৰতি সময়-পৰিৱেশ সকলো সলনি হ'ল। পৰিৱৰ্তনৰ এই পৰিৱেশক স্বীকাৰ কৰিয়েই পূৰ্বৰ পৰিস্থিতি ক্ষেত্ৰত আহি পৰিছে বহুখিনি পাৰ্থক্য। বৰ্তমান পূৰ্বৰ খেতিৰ বতৰত অতিকৈ প্ৰয়োজনীয় হালৰ গৰুহাল পালনত যেন এলাগী হোৱাৰ দিশে ধাৱমান হ'বলৈ ধৰিছে। বিভিন্ন কাৰকৰ পৰিপ্ৰেক্ষিতে সেই সম্প্ৰতি এলাগী হ'বলৈ ধৰিছে হালৰ গৰুহাল। বৰ্তমান সময়ত অস্বাভাৱিকভাৱে বৃদ্ধি পোৱা বলধ গৰুৰ দামে কৃষকৰ উৎসাহ দুগুণে স্তিমিত কৰিছে কৃষকৰ মৰমৰ গৰুহালৰ প্ৰতি। স্মৰ্তব্য যে বৰ্তমান সময়ত জিলাখনৰ প্ৰতিখন ডাঙৰ বজাৰতে এহাল বলধ গৰু অতি কমকৈ হ'লেও ৮০-৯০ হেজাৰ বা তাতোকৈ অধিক টকাৰ পৰ্যন্ত বজাৰত বিক্ৰী হয় এহাল বলধ গৰু। গতিকে একোজন চহা কৃষকৰ বাবে বজাৰৰ পৰা এহাল বলধ ৮০-৯০ হেজাৰ বা ১ লাখতকৈ অধিক মূল্য দি ক্ৰয় কৰাটো প্ৰায় অসম্ভৱ হৈ পৰিছে। সেয়েহে এতিয়া কৃষকৰ পথাৰত বলধ গৰু হালৰ স্থানত বৰ্তমান অধিকাৰ কৰিছে ট্ৰেক্টৰ, পাৱাৰ ট্ৰিলাৰ আদিয়ে। পূৰ্বতে এহাল বলধ গৰুৰে এদিনত অতিকমেও পাঁচ বিঘা মাটি চাহ কৰি খেতিৰ উপযোগী কৰি তুলিব পাৰিছিল। কিন্তু এতিয়া এখন ট্ৰেক্টৰ বা পাৱাৰ ট্ৰিলাৰে এহাল বলধৰ তুলনাত দিনটোত প্ৰায় ২০-২৫ বিঘা মাটি চাহ কৰিব পৰা হ'ল আৰু অতি কম সময়তে। ঠিক সেইদৰে ট্ৰেক্টৰ বা পাৱাৰ ট্ৰিলাৰখন আনক ভাড়ালৈ দিও প্ৰতিদিনে বা সপ্তাহত গৰাকীয়ে এক সীমিত পৰিমানৰ ধনো উপাৰ্জন কৰিব পৰা পথ মুকলি হ'ল। কোনো কোনো গৰাকীয়ে আকৌ বৰ্তমান খেতিৰ বতৰত ট্ৰেক্টৰ বা পাৱাৰ ট্ৰিলাৰখনেৰে নিজৰ লগতে আনৰ মাটিখিনি চাহ কৰাৰ পিছত বছৰৰ বাকী সময়খিনি ইটা ভাটা বা বিভিন্ন ব্যৱসায়ৰ কামত ভাড়া দিয়াৰ সুব্যৱস্থা কৰি ল'ব পাৰিছে। কিন্তু পূৰ্বতে ঘৰৰ বলধ হালেৰে ইমান ধন উপাৰ্জন কৰিব পৰা নাছিল গৰাকীয়ে। সেইবাবে সম্প্ৰতি খেতি পথাৰত কৃষকৰ লগৰী হৈ পৰিছে এই ট্ৰেক্টৰ-পাৱাৰ ট্ৰিলাৰসমূহ। জেঠ মহীয়া এই ব্যস্ততাপূৰ্ণ সময়ত সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও জিলাৰ খেতি পথাৰসমূহত সম্প্ৰতি ট্ৰেক্টৰ-পাৱাৰ ট্ৰিলাৰ সমূহৰ হৰ হৰ শব্দই ছানি ধৰিছে। বিশেষকৈ জিলাখনৰ বেবেজীয়া, জামুগুৰি, চমুৱাগাওঁ, ডিমৌ, ফুলগুৰি, ৰহা, শেতালি, হাতীচোং, কাছমাৰী, চকলাঘাট, বৰডুবিয়া, আইভেটি, নসত্ৰ, ক'ৰচোং, ৰাইদঙীয়া, জাজৰি, মাজগাওঁ, ডুমডুমীয়া, বালিসত্ৰ, বটদ্ৰৱা, কুঁজিসত্ৰ, বৰচিলা, শিলপুখুৰী, জাগিয়াল, কপাহেৰা, ৰহধলা, ভালুকমাৰী, কাকমাৰী, বৰক'লা, দক্ষিণপাট, নগৈ, পাথৰি, অৰ্জুনতল, তুলসীমুখ, ডাকৰঘাট, ঘাঁহী, বৰজহা, পেটবহা, জাগীয়াল, গটঙা, পলাশনিৰ লগতে চহৰৰ দাতিকাষৰীয়া অঞ্চল সমূহ যেনে- ডিফলু, ম'হখুলী, মাজৰআটি, মৰিকলং-বৰঘাট, শিয়ালেখোৱা, তেলিয়াগাওঁ, ডিমৰুগুৰী-পহুকটা, চেচামুখ, উৰিয়াগাঁও, ৰঙাগৰা-হুজঁত ট্ৰেক্টৰ-পাৱাৰ ট্ৰিলাৰৰ ব্যৱহাৰ অধিক হাৰত দেখিবলৈ পোৱা গৈছে। এইক্ষেত্ৰত ৰাজ্য চৰকাৰে কৃষি বিভাগৰ জড়িয়তে বিভিন্ন ৰাজসাহায্যৰে গ্ৰামাঞ্চলৰ প্ৰতিখন গাৱঁৰ একোটা আত্মসহায়ক গোটৰ যোগেদি ট্ৰেক্টৰ বিতৰণ কৰিছে। লগতে বহু ৰাষ্ট্ৰীয়কৃত বেংকেও কৃষকসকলৰ সুবিধাৰ বাবে অতি সহজতে আজি একোখন ট্ৰেক্টৰ-পাৱাৰ ট্ৰিলাৰ কম সময়ৰ ভিতৰতে পোৱাৰ বাবে ব্যৱস্থা কৰি আহিছে। যাৰ ফলত এতিয়া খেতি পথাৰত কৃষকৰ আপোন হালৰ গৰুহাল নোহোৱা হৈ পৰিছে। সেইদৰে খেতিপথাৰত হালোৱাই বলধ হালৰ পিঠিত এচাৰিৰে কোৰ দিয়াৰ পিছত কৃষক বাইজৰ মুখত সততে শুনিবলৈ পোৱা ঘুৰ-ঘুৰ, হেই হেই, যা-যা, ৰ-ৰ শব্দবোৰ। এদিন সঁচাকৈয়ে নাইকিয়া হৈ যাব নেকি আমাৰ কৃষক সমাজৰ মাজৰ পৰা বৰ্তমান খেতিৰ বতৰত অতিকৈ মৰমৰ প্ৰয়োজনীয় হালৰ বলধ গৰুহাল? সৰ্বত্ৰে ই এতিয়া এক ডাঙৰ প্ৰশ্ন হৈ দেখা দিছে।

### অনিশ্চয়তাত ভাৰতত হ'বলগা আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট

# সিদ্ধান্ত ল'বলৈ বিচিচিআইক ২৮ জুনলৈ সময় আইচিচিৰ



**মুম্বাই, ২ জুন ঃ** চলিত বৰ্ষত ভাৰতত হ'বলগা আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাখন আয়োজন কৰাক লৈ অনিশ্চয়তাই দেখা দিছে। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডক এই সন্দৰ্ভত সিদ্ধান্ত ল'বৰ বাবে ২৮ জুনলৈ সময় দিছে আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে। আই চি চিৰ সভাত অংশ লোৱাৰ পাছত এই কথা সদৰি কৰে বি চি চি আইৰ সভাপতি সৌৰভ গাংগুলীয়ে। উল্লেখ্য যে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে চলিত বৰ্ষত ভাৰতত হ'বলগা আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাখন পূৰ্বৰ নিৰ্ধাৰিত সময়তকৈ পিছুৱাই দিয়াৰ বাবে আহ্বান জনাইছিল আন্তৰ্জাতিক ক্ৰিকেট পৰিষদক। মহামাৰী কৰ'নাৰ বাবে পূৰ্বৰ সূচী অনুসৰি অক্টোবৰ-নৱেম্বৰত ভাৰতত আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাখন আয়োজন কৰাটো সম্ভৱ নহয় বুলি কয় ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে। সেয়ে আন্তৰ্জাতিক ক্ৰিকেট পৰিষদক ভাৰতত হ'বলগা আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাখন পূৰ্বৰ নিৰ্ধাৰিত সময়তকৈ পিছুৱাই দিয়াৰ বাবে আহ্বান জনাইছে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে। ইফালে, আই পি এলৰ দৰেই আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাও ডুবাইত অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। উল্লেখ্য যে আই পি এলৰ বাকী থকা মেচ ডুবাইত আয়োজন কৰাটো চূড়ান্ত কৰিছে বি চি চি আয়ে। অহা ১৮ বা ১৯ ছেপ্টেম্বৰৰ পৰা ডুবাইত অনুষ্ঠিত হ'ব পাৰে চলিত বৰ্ষৰ আই পি এলৰ বাকী থকা মেচসমুহ। আনহাতে, আই পি এল সামৰনি কৰিব ন অথবা ১০ অক্টোবৰত। ইতিমধ্যে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে এই বিষয়ে দলৰ গৰাকীসকলক অৱগত কৰিছে। উল্লেখ্য যে ভাৰতীয় ক্ৰিকেট দলৰ সদস্য সকল ইংলণ্ডৰ পৰা পোনে পোনে ডুবাইলৈ আহিব আই পি এলত অংশ লোৱাৰ বাবে। ইংলণ্ডত ভাৰতৰ শৃংখলা সমাপ্ত হ'ব ১৪ ছেপ্টেম্বৰত।



### ইংলেণ্ডত মানসিক দৃঢ়তাই দিব সফলতা

## অনুশীলন কৰাৰ সুযোগ লাভ নকৰাটো দলৰ বাবে চিন্তাৰ বিষয় নহয় ঃ বিৰাট

**মুম্বাই, ২ জুন ঃ** প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচ আৰু ইংলণ্ডৰ বিৰুদ্ধে খেলিব লগা পাঁচখনীয়া টেষ্ট শৃংখলাত অংশ লোৱাৰ বাবে আজি মুম্বাইৰ পৰা ৰাওনা হৈছে ভাৰতীয় ক্ৰিকেট দল। ইংলণ্ডলৈ উৰা মৰাৰ পূৰ্বে সাংবাদমেলত টীম ইণ্ডিয়াৰ অধিনায়ক বিৰাট কোহলিয়ে কয় যে অনুশীলনৰ সুযোগ লাভ নকৰা বিষয়টো দলৰ বাবে গুৰুত্বপূৰ্ণ নহয়। সকলো খেলুৱৈ ফিট লগতে নিজৰ সাজু কৰিছে ইংলণ্ড শৃংখলাৰ বাবে। ইংলণ্ড ভ্ৰমণত মানসিক ৰূপে শক্তিশালী হোৱাটোহে ভাৰতীয় দলৰ বাবে গুৰুত্বপূৰ্ণ হ'ব বুলি কয় বিৰাটে। উল্লেখ্য যে এই ভ্ৰমণত টীম ইণ্ডিয়াই ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলা আৰু প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচত অংশ ল'ব। প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত ভাৰত মুখামুখি হ'ব নিউজিলেণ্ডৰ। অহা ১৮ জুনত অনুষ্ঠিত হ'ব প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখন। তাৰপাছত আৰম্ভ হ'ব ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলা। অহা চাৰি আগষ্ট ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলাৰ প্ৰথম মেচ খেলিব টীম ইণ্ডিয়াই। আনহাতে শৃংখলা সামৰণি পৰিব ১৪ ছেপ্টেম্বৰত। দীঘলীয়া ভ্ৰমণৰ বাবে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে ইংলণ্ড ভ্ৰমণ কৰিব লগা ভাৰতীয় দলৰ সদস্যক লগত পৰিয়ালৰ লোকক নিয়াৰ অনুমতি দিছে। বিৰাট কোহলিৰ নেতৃত্বত ইংলণ্ডলৈ যোৱা ভাৰতীয় দলৰ সদস্যসকল হ'ল ঃ ৰোহিত শৰ্মা, শুভমন গিল, মায়ংক আগৰৱাল, চেতেশ্বৰ পূজাৰা, অজিংক্য ৰাহানে (সহঃ অধিনায়ক), হনুমা বিহাৰী, ঋষভ পণ্ট (উইকেট ৰক্ষক), ৰবিচন্দ্ৰন অশ্বিন, ৰবীন্দ্ৰ জাডেজা, অক্ষৰ পেটেল, ৱাশ্বিংটন সুন্দৰ, যশপ্ৰীত বুমৰাহ, ঈশান্ত শৰ্মা, মহম্মদ ছামি, মহম্মদ ছিৰাজ, শ্বাৰ্দুল ঠাকুৰ, উমেশ যাদৱ, লোকেছ ৰাহুল, আৰু ঋদ্ধিমান সাহা।

## ২০টা দলৰ অংশগ্ৰহণেৰে প্ৰতি দুবছৰৰ অন্তৰত হ'ব আই চি চি টি-২০ বিশ্বকাপ চেম্পিয়নছ ট্ৰফী খেলিব শীৰ্ষ আঠ দলে

**ডুবাই, ২ জুন ঃ** আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে এতিয়াৰে পৰা প্ৰতি দুবছৰৰ অন্তৰে অন্তৰে আয়োজন কৰিব আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা। উল্লেখ্য যে আন্তৰ্জাতিক ক্ৰিকেট পৰিষদৰ বাৰ্ষিক সাধাৰণ সভাত এই সিদ্ধান্ত লোৱা হয়। ইফালে, টি-২০ বিশ্বকাপ ক্ৰিকেটত মুঠ ২০ টা দলক খেলাৰ অনুমতি দিয়াৰ বিষয়েও সিদ্ধান্ত লোৱা হয়। সৰ্বমুঠ মেচ হ'ব ৫৫ খন। উল্লেখ্য যে ২০ টা দলক লৈ আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে অনাগত আঠ বছৰত দুবছৰৰ অন্তৰে অন্তৰে আয়োজন কৰিব আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা। আই চি চিৰ এই নিয়ম থাকিব ২০২৪, ২০২৬, ২০২৮ আৰু ২০৩০ ৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত। ইফালে, আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে পুনৰ চেম্পিয়নছ ট্ৰফী আয়োজন কৰাৰ সিদ্ধান্ত লৈছে। কিন্তু আই চি চিয়ে জনোৱা অনুসৰি চেম্পিয়নছ ট্ৰফীত খেলাৰ সুযোগ পাব ৰেংকিঙৰ শীৰ্ষ আঠটা দলে। চাৰি বছৰৰ অন্তৰে অন্তৰে আয়োজিত হ'ব চেম্পিয়নছ ট্ৰফী ক্ৰিকেট। আই চি চিয়ে পৰৱৰ্তী দুখন চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতা ২০২৫ আৰু ২০২৯ ত আয়োজন কৰাৰ সিদ্ধান্ত লৈছে।




### ইংলেণ্ডলৈ ৰাওনা ভাৰতীয় দল

## পুৰুষ ক্ৰিকেটাৰৰ সংগই উপকৃত কৰিব ভাৰতৰ মহিলা ক্ৰিকেটাৰক ঃ মিতালী


**মুম্বাই, ২ জুন ঃ** 'টীম ইণ্ডিয়াৰ লগত একেখন বিমানত ইংলণ্ডলৈ যোৱা বিষয়টোৱে ভাৰতীয় মহিলা দলক উৎসাহিত কৰিব।' এই মন্তব্য ভাৰতীয় মহিলা ক্ৰিকেট দলৰ অধিনায়িকা মিতালী ৰাজৰ। উল্লেখ্য যে কাইলৈ মুম্বাইৰ পৰা ভাৰতৰ পুৰুষ-মহিলা দল একেখন বিমানত ইংলণ্ডলৈ ৰাওনা হ'ব। দীৰ্ঘ বিৰতিৰ পাছত অহা ১৬ জুনত ভাৰতীয় মহিলা ক্ৰিকেট দলে এখন টেষ্ট খেলিব ইংলণ্ডৰ বিৰুদ্ধে। মিতালীয়ে ভাৰতীয় মহিলা দলক নেতৃত্ব দিব। উল্লেখ্য যে ইংলণ্ডত ভাৰতীয় মহিলা ক্ৰিকেট দলে এখন টেষ্ট খেলাৰ লগতে তিনিখন এদিনীয়া আৰু তিনিখন টি-২০ মেচ খেলিব। এইবাৰ ভাৰতীয় মহিলা দলে ইংলণ্ডৰ লগতে অষ্ট্ৰেলিয়া ভ্ৰমণতো এখন টেষ্ট খেলিব। বি চি চি আয়ে ভাৰতীয় মহিলা টেষ্ট দলৰ নতুন জাৰ্ছি ইতিমধ্যে উন্মোচন কৰিছে। ভাৰতীয় মহিলা ক্ৰিকেট দলে পোন প্ৰথমবাৰৰ বাবে চলিত বৰ্ষতে দিবা-নৈশ টেষ্ট খেলিব। অষ্ট্ৰেলিয়া ভ্ৰমণলৈ যাব লগা ভাৰতীয় মহিলা ক্ৰিকেট দলে পাৰ্থত অহা ৩০ ছেপ্টেম্বৰৰ পৰা তিনি অক্টোবৰলৈ ঘৰুৱা দলৰ বিৰুদ্ধে দিবা-নৈশ টেষ্টখন খেলিব। অষ্ট্ৰেলিয়া ভ্ৰমণত ভাৰতীয় মহিলা ক্ৰিকেট দলে তিনিখন এদিনীয়া আৰু টি-২০ মেচো খেলিব। উল্লেখ্য যে ইংলণ্ড ভ্ৰমণ কৰাৰ পাছতে অষ্ট্ৰেলিয়ালৈ যাব ভাৰতীয় মহিলা ক্ৰিকেট দল।



### গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতাৰ ফ্ৰেন্স অপেন

## জয়ৰে অভিযান ৰাফেল নাডাল-নভাক ড ক'ভিচৰ

**পেৰিছ, ২ জুন ঃ** চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনৰ পুৰুষৰ একক শাখাৰ তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে জাৰ্মানীৰ আলেকজেন্দ্ৰা জেৰভ। দ্বিতীয় ৰাউণ্ডৰ মেচত জেৰভ ৭-৬, ৬-৩, ৭-৬ ৰ পোনপটীয়া ব্যৱধানত জয়লাভ কৰে। উল্লেখ্য যে জেৰভে প্ৰথম ৰাউণ্ডৰ মেচত ৩-৬, ৩-৬, ৬-২, ৬-২, ৬-০ ব্যৱধানত জয়ী হৈ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছিল। ইফালে, ছুইজাৰলেণ্ডৰ ৰ'জাৰ ফেডেৰাৰৰ পাছত পুৰুষৰ একক শাখাৰ মেচত জয়লাভ কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে ন'ভাক ডক'ভিচ আৰু ৰাফেল নাডাল। প্ৰথম ৰাউণ্ডৰ মেচত ন'ভাক ডক'ভিচ ৬-২, ৬-৪, ৬-২ ৰ পোনপটীয়া ব্যৱধানত জয়লাভ কৰাৰ বিপৰীতে নাডাল ৬-২, ৬-৩, ৭-৬ ৰ পোনপটীয়া ব্যৱধানত



জয়ী হয়। উল্লেখ্য যে পুৰুষৰ একক শাখাৰ মেচত তাৰকা ছুইজাৰলেণ্ডৰ ৰ'জাৰ ফেডেৰাৰে ৬-২, ৬-৪, ৬-৩ ৰ ব্যৱধানত জয়ী হৈ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছিল। ইফালে, মহিলাৰ একক শাখাত ছ'ফিয়া কিনে ৬-৪, ৪-৬, ৬-৩ ব্যৱধানত তথা এলিনা ছ'ভিট'লিনাই ৬-২, ৭-৫ ব্যৱধানত জয়ী হৈ দ্বিতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হয়। উল্লেখ্য যে গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনৰ প্ৰথম ৰাউণ্ডতে বিদায় লৈছে ড'মিনিক থিয়েম। প্ৰথম ৰাউণ্ডৰ মেচত থিয়েম ৪-৬, ৫-৭, ৬-৩, ৬-৪, ৪-৬ ব্যৱধানত পৰাস্ত হয়। ইফালে, মহিলাৰ শাখাত পেট্ৰা কিট'ভাই ৬-৭, ৭-৬, ৬-১ ব্যৱধানত জয়ী হৈ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰে। প্ৰথম ৰাউণ্ডত জয়ী হৈ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰে ইগা আৰু ছাবালেনকাও। ইগাই ৬-০, ৭-৫ ব্যৱধানত জয়ী হৈ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ



কৰাৰ বিপৰীতে ছাবালেনকাই প্ৰথম ৰাউণ্ডত ৬-৪, ৬-৫ ব্যৱধানত জয়ী হয়। ভাৰতৰ ৰোহন বোপান্না আৰু তেওঁৰ ক্ৰৱেছিয়াৰ সংগী ফ্ৰেংকো চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনৰ পুৰুষৰ ডাবলছ শাখাৰ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। প্ৰথম ৰাউণ্ডৰ মেচত ৰোহন বোপান্না আৰু ফ্ৰেংকোই ৬-৪, ৬-২ ৰ ব্যৱধানত জয়ী হয়।

## পুনৰ ১৪ টা দলক বিশ্বকাপ খেলাৰ সুযোগ দিব আইচিচিয়ে বিশ্ব টেষ্ট চেম্পিয়নশ্চিপ আয়োজনত অসুবিধা নাই

**ডুবাই, ২ জুন ঃ** আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে পুনৰ বিশ্বকাপত ১৪ টা দলক খেলাৰ সুযোগ দিব। উল্লেখ্য যে আন্তৰ্জাতিক ক্ৰিকেট পৰিষদৰ বাৰ্ষিক সাধাৰণ সভাত এই সিদ্ধান্ত লোৱা হয়। বিশ্বকাপ ক্ৰিকেটৰ নতুন নিয়ম অনুসৰি ১৪ টা দলক দুটা গ্ৰুপ ভাগ কৰি শীৰ্ষ ছটা দলে খেলিব ছুপাৰ ছিক্সৰ মেচ। তাৰপাছত ছেমিফাইনেল আৰু ফাইনেল। উল্লেখ্য যে আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে ২০২৭ আৰু ২০৩১ ৰ বিশ্বকাপত এই নিয়ম প্ৰযোয্য কৰিব। উল্লেখ্য যে বিগত ইংলণ্ডত অনুষ্ঠিত হোৱা বিশ্বকাপত অংশ লৈছিল ১০ টা দলে। কিন্তু পুৰনি নিয়মলৈ উভতি আহিছে আন্তৰ্জাতিক ক্ৰিকেট পৰিষদ। ইফালে, আই চি চি য়ে এইবাৰৰ পৰা আৰম্ভ কৰা বিশ্ব টেষ্ট চেম্পিয়নশ্বিপ অনাগত সময়তো আয়োজন কৰিব। ডুবাইত হোৱা আন্তৰ্জাতিক ক্ৰিকেট পৰিষদৰ বাৰ্ষিক সাধাৰণ সভাত লোৱা সিদ্ধান্ত অনুসৰি পৰৱৰ্তী বিশ্ব টেষ্ট চেম্পিয়নশ্বিপ অনুষ্ঠিত হ'ব ২০২৫, ২০২৭, ২০২৯ আৰু ২০৩১ ত।

## টকিঅ' অলিম্পিকৰ পৰা নাম প্ৰত্যাহাৰ ৰিঅ'ৰ স্বৰ্ণজয়ী কেৰ'লিনা মাৰিনৰ



**মাদ্ৰিদ, ২ জুন ঃ** বিশ্বৰ বেডমিণ্টনপ্ৰেমীৰ বাবে দুখৰ খবৰ। আসন্ন টকিঅ' অলিম্পিকত নেখেলে বিগত ৰিঅ' অলিম্পিকৰ স্বৰ্ণজয়ী স্পেইনৰ কেৰোলিনা মাৰিনে। আজি এই বিষয়ে মাৰিনে আনুষ্ঠানিক ঘোষণা কৰে। উল্লেখ্য যে আঘাতৰ বাবে আসন্ন টকিঅ' অলিম্পিকৰ পৰা নাম প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত লয় মাৰিনে। স্বাভাৱিকতে এয়া অপ্ৰত্যাশিত ঘটনা। উল্লেখ্য যে বিগত ৰিঅ' অলিম্পিকৰ মহিলাৰ একক শাখাৰ ফাইনেলত ভাৰতৰ পি ভি সিন্ধুক পৰাস্ত কৰি স্পেইনৰ কেৰ'লিনা মাৰিনে সোণ লাভ কৰিছিল। এইবাৰো মাৰিন পদকৰ প্ৰবল দাবীদাৰ আছিল। কিন্তু দুদিন পূৰ্বে অনুশীলনৰ মাজতে গুৰুতৰ আঘাতৰ সন্মুখীন হয় মাৰিন। চিকিৎসকে মাৰিনক দুমাহৰ জিৰণিৰ পৰামৰ্শ দিছে। ফলত বিগত ৰিঅ' অলিম্পিকৰ স্বৰ্ণজয়ী বিশ্বৰ তাৰকা মহিলা শ্বাটলাৰ স্পেইনৰ কেৰ'লিনা মাৰিণে আসন্ন টকিঅ' অলিম্পিকত অংশ লোৱাৰ পৰা বঞ্চিত হ'ল। সূচী অনুসৰি অহা ২৩ জুলাইৰ পৰা আৰম্ভ হ'ব টকিঅ' অলিম্পিক। উল্লেখ্য যে এইবাৰ তাৰকাবিহীন হ'ব অলিম্পিক। কাৰণ মাৰিনৰ লগতে ভাৰতৰ ছাইনা নেহৱাল আৰু কিদাম্বি শ্ৰীকান্তৰো আসন্ন টকিঅ' অলিম্পিকত অংশ লোৱাৰ ক্ষেত্ৰত অনিশ্চয়তাই দেখা দিছে। অৱশ্যে দৃঢ়তা আৰু আত্মবিশ্বাসৰে সাজু হৈছে ভাৰতৰ আন এগৰাকী তাৰকা শ্বাটলাৰ পি ভি সিন্ধু। উল্লেখ্য যে বিগত ৰিঅ' অলিম্পিকত সিন্ধুই ভাৰতক ৰূপৰ পদক দিছিল। জীৱনৰ প্ৰথমখন অলিম্পিক খেলিয়েই ৰূপ লাভ কৰাৰ গৌৰৱময় সফলতা লাভ কৰিছিল বেডমিণ্টন তাৰকা সিন্ধুই। এইবাৰ সিন্ধুৰ লক্ষ্য সোণ। মাৰিনৰ অনুপস্থিতিয়ে সিন্ধুক সুযোগ দিব।

## ইংলেণ্ড ভ্ৰমণত পৰিয়ালৰ সদস্যক নিব পাৰিব টীম ইণ্ডিয়াই

**মুম্বাই, ২ জুন ঃ** ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে ইংলণ্ড ভ্ৰমণ কৰিব লগা ভাৰতীয় দলৰ সদস্যক লগত পৰিয়ালৰ লোকক নিয়াৰ অনুমতি দিছে। উল্লেখ্য যে কাইলৈ মুম্বাইৰ পৰা ৰাওনা হ'ব ভাৰতীয় ক্ৰিকেট দল। উল্লেখ্য যে এই ভ্ৰমণত টীম ইণ্ডিয়াই ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলা আৰু প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচত অংশ ল'ব। প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত ভাৰত মুখামুখি হ'ব নিউজিলেণ্ডৰ। অহা ১৮ জুনত অনুষ্ঠিত হ'ব প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখন। তাৰপাছত আৰম্ভ হ'ব ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলা। অহা চাৰি আগষ্ট ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলাৰ প্ৰথম মেচ খেলিব টীম ইণ্ডিয়াই। আনহাতে শৃংখলা সামৰণি পৰিব ১৪ ছেপ্টেম্বৰত। বিৰাট কোহলিৰ নেতৃত্বত যাব লগা দলৰ সদস্যসকল হ'ল ঃ ৰোহিত শৰ্মা, শুভমন গিল, মায়ংক আগৰৱাল, চেতেশ্বৰ পূজাৰা, অজিংক্য ৰাহানে (সহঃ অধিনায়ক), হনুমা বিহাৰী, ঋষভ পণ্ট (উইকেট ৰক্ষক), ৰবিচন্দ্ৰন অশ্বিন, ৰবীন্দ্ৰ জাডেজা, অক্ষৰ পেটেল, ৱাশ্বিংটন সুন্দৰ, যশপ্ৰীত বুমৰাহ, ঈশান্ত শৰ্মা, মহম্মদ ছামি, মহম্মদ ছিৰাজ, শ্বাৰ্দুল ঠাকুৰ, উমেশ যাদৱ, লোকেছ ৰাহুল, আৰু ঋদ্ধিমান সাহা।

## জাপানৰ অ'ছাকাৰ সিদ্ধান্তক মুকলি সমৰ্থন ডক'ভিচৰ

**পেৰিছ, ২ জুন ঃ** 'অ'ছাকাই যি সাহসী সিদ্ধান্ত লৈছে তাক মই সমৰ্থন কৰো।' এই মন্তব্য বিশ্বৰ শীৰ্ষ বাচনিৰ পুৰুষ টেনিছ তাৰকা ন'ভাক ডক'ভিচৰ। উল্লেখ্য যে জাপানৰ নাওমি অ'ছাকাই চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনৰ পৰা মাজতে নাম প্ৰত্যাহাৰ কৰিছে। অৱশ্যে আঘাতৰ বাবে নাম প্ৰত্যাহাৰ কৰা নাই অ'ছাকাই। বিপৰীতে মিডিয়াৰ লগত অ'ছাকাৰ যি বিতৰ্কৰ সূত্ৰপাত হৈছিল তাৰপাছত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনৰ আয়োজকৰ ব্যৱহাৰে ব্যথিত কৰিছে জাপানৰ তাৰকাগৰাকীক। সেয়ে অ'ছাকাই গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনত নেখেলাৰ সিদ্ধান্ত লৈছে। অ'ছাকাৰ এই সিদ্ধান্তক প্ৰথমে সামালোচনা কৰা হৈছিল যদিও এতিয়া টেনিছ তাৰকাগৰাকীৰ পক্ষত অনুৰাগী, বহু তাৰাকা ক্ৰীড়াবিদ আৰু সমগ্ৰ জাপানবাসীয়ে মুকলিকৈ সমৰ্থন কৰি মতামত প্ৰকাশ কৰিছে। এয়া খেলুৱৈৰ স্বাধীনতা খৰ্বৰ ঘটনা বুলি সকলোৱে একেমুখে ব্যক্ত কৰিছে। উল্লেখ্য যে গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনত প্ৰত্যাশিতভাৱে জয়ৰে অভিযান আৰম্ভ কৰিছিল জাপানৰ নাওমি অ'ছাকাই। কিন্তু সুন্দৰ আৰম্ভণিৰ পাছতো বিতৰ্কত সোমাই অ'ছাকা। মিডিয়াক বয়কট কৰি শাস্তীৰ সন্মুখীন হয় জাপানৰ টেনিছ তাৰাকাগৰাকী। ১৫ হেজাৰ ডলাৰ মেচ ফ্ৰী কৰ্তন কৰা হৈছে অ'ছাকাৰ। লগতে পৰৱৰ্তী সময়ত এনে নকৰিবলৈ সকিয়নি দিছে আয়োজকে। ইয়াৰ পাছতে ফ্ৰেন্স অপেনত নেখেলাৰ সিদ্ধান্ত লয় অ'ছাকাই। উল্লেখ্য যে ফ্ৰেন্স অপেনৰ প্ৰথমদিনা প্ৰথম ৰাউণ্ডৰ মেচত অ'ছাকাই পোনপটীয়া ছেটত পৰাস্ত কৰে ৰোমানিয়াৰ পাট্ৰিচিয়া মাৰিয়াক। ব্যৱধান হ'ল ৬-৪, ৭-৬। দ্বিতীয় ৰাউণ্ডত ২৩ বছৰীয়া জাপানৰ তাৰকা নাওমি অ'ছাকা মুখামুখি হোৱাৰ কথা আছিল ৰোমানিয়াৰে আন এগৰাকী খেলুৱৈ এনা ব'গানৰ। কিন্তু মেচৰ পূৰ্বে ফ্ৰেন্স অপেনত নেখেলাৰ সিদ্ধান্ত লয় জাপানৰ তাৰকাগৰাকীয়ে। উল্লেখ্য যে চাৰিটা গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতাৰ খিতাপ লাভ কৰা অ'ছাকা এইবাৰ ফ্ৰেন্স অপেনৰ দাবীদাৰ আছিল।



# বৰপেটা জিলাৰ পৰিস্থিতি আৰু উন্নয়নৰ পৰ্যালোচনা চলালে মন্ত্ৰী ৰঞ্জিৎ কুমাৰ দাসে

## জিলাখনতে মুগা সূতা উৎপাদনৰ ব্যৱস্থা লোৱাৰ নিৰ্দেশ ৰেচম বিভাগক

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ২ জুন ঃ** বৰপেটা জিলাতো থলুৱাভাৱে মুগা সূতা উৎপাদনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, খাদ্য আৰু অসামৰিক যোগান আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিৎ কুমাৰ দাসে ৰেচম বিভাগৰ বিষয়াসকলক আহ্বান জনাইছে। ২জুন তাৰিখে বৰপেটা জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন পৰ্যালোচনা সভাত অংশ লৈ জিলাখনৰ অভিভাৱক মন্ত্ৰীগৰাকীয়ে কয় যে আমাৰ ইয়াত মুগা পলু যথেষ্ট উৎপাদন হয় যদিও ইয়াত সূতা কাটি ব্যৱসায়িক ভিত্তিত কাপোৰ বোৱা নহয়। সেয়ে তেওঁ এই বিষয়টোত গুৰুত্ব আৰোপ কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। ৰাজ্যৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰো দায়িত্বত থকা মন্ত্ৰীগৰাকীয়ে চৰকাৰে হাতত লোৱা গোবৰ্ধন আঁচনিৰ অধীনত গো-পালকসকলক গোবৰ গেছ উৎপাদনেৰে লাভান্বিত হোৱাৰ পথ দেখুৱাবলৈ আহ্বান জনায়। তেওঁ কয় যে বৰপেটা জিলা গো-পালনৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰণী। সেয়ে তেওঁলোকে এই আঁচনিৰ সুফল পোৱা উচিত। বন, পৰিবহণ আদি বিভাগৰ বিষয়াসকলক



জৰিমনা, ৰাজহ বৃদ্ধিৰ ওপৰত গুৰুত্ব দিবলৈ তেওঁ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে সকলো ধৰণৰ অনৈতিক বা বেআইনী সৰবৰাহ বন্ধ কৰাৰ বাবে দৃঢ় পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। খাদ্য আৰু অসামৰিক যোগান বিভাগৰ বিষয়াসকলক বজাৰত নিৰীক্ষণ ব্যৱস্থা অধিক কটকটীয়া কৰি তুলিবলৈ আহ্বান জনাই অত্যাৱশ্যকীয় সামগ্ৰীৰ দামৰ ওপৰত নজৰ ৰাখিবলৈ নিৰ্দেশ দিয়ে। এই বৈঠকতে ২ জুন তাৰিখে তেওঁ আন আন প্ৰায় প্ৰতিটো বিভাগৰে উন্নয়নমূলক কাম-কাজৰ পৰ্যালোচনা কৰে। দীঘলীয়া পৰ্যালোচনা বৈঠকখনত অংশগ্ৰহণ কৰি তেওঁ প্ৰথমে জিলাখনৰ কৰ'না মহামাৰীজনিত পৰিস্থিতিৰ বুজ লয়। তাৰ পিছতে আগন্তুক সম্ভাব্য বানপানীৰ মুখামুখি হ'বলৈ প্ৰশাসনৰ তৰফৰ পৰা গ্ৰহণ কৰা ব্যৱস্থাৰ বিষয়েও আলোচনা কৰে। সভাৰ আৰম্ভণিতে মন্ত্ৰীগৰাকীক উন্নয়ন আৰু ৰূপান্তৰ বিভাগৰ তৰফৰ পৰা জিলা উন্নয়ন আয়ুক্ত দিগন্ত দাসে ফুলাম গামোচা আৰু শৰাইৰে আদৰণি জনায়। সভাত উপায়ুক্ত তেজ প্ৰসাদ ভূষাল, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ ছিকাৰীয়া, ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ ৰমেন তালুকদাৰ, যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ তীৰ্থনাথ শৰ্মা, জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মা প্ৰমুখ্যে বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল, অতিৰিক্ত উপায়ুক্তসকল আৰু চক্ৰ বিষয়াসকলো উপস্থিত থাকে।

# টংলা জলসিঞ্চন সংমণ্ডলত বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠক

## কৃষক ৰাইজৰ স্বাৰ্থত পৰিকল্পিতভাৱে ক্ষুদ্ৰ আৰু বৃহৎ জলসিঞ্চন আঁচনি ৰূপায়ণত জলসিঞ্চন বিভাগক গুৰুত্ব প্ৰদান কৰিবলৈ আহ্বান বিশ্বজিত দৈমাৰীৰ


**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ২ জুন ঃ** ওদালগুৰি জিলাৰ টংলাস্থিত জলসিঞ্চন সংমণ্ডলৰ কাৰ্যালয়ত আজি বিধানসভাৰ অধ্যক্ষ তথা পানেৰী সমষ্টিৰ বিধায়ক বিশ্বজিৎ দৈমাৰীৰ সৈতে জলসিঞ্চন, গড়কাপ্তানী, জনস্বাস্থ্য কাৰিকৰী আৰু জলসম্পদ বিভাগৰ গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বিভিন্ন বিভাগসমূহৰ জৰিয়তে ৰূপায়ণ হোৱা আঁচনিসমূহৰ অগ্ৰগতি আৰু নতুন আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত ল'বলগীয়া পৰিকল্পনা সম্পৰ্কে উক্ত বিভাগসমূহৰ সন্মানীয় মুৰব্বীসকলৰ সৈতে আলোচনাত মিলিত হয়। অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে সংশ্লিষ্ট বিভাগসমূহক ৰাইজক উপকৃত কৰিব পৰাকৈ আঁচনি গ্ৰহণত গুৰুত্ব আৰোপ কৰে। বিশেষকৈ বিশুদ্ধ খোৱাপানীৰ ক্ষেত্ৰত জিলাখনৰ ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলসমূহত খোৱাপানীৰ ক্ষেত্ৰত ৰাইজৰ সমস্যা দূৰ কৰিবলৈ বৃহৎ পানী যোগান আঁচনি ৰূপায়ণত গুৰুত্ব আৰোপ কৰে। এইক্ষেত্ৰত টংলা জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা নামেশ্বৰ তায়ুং আৰু কনিষ্ঠ অভিযন্তা নগেন্দ্ৰ ভাৰতীয়ে জনস্বাস্থ্য কাৰিকৰীৰ বিভিন্ন আঁচনিৰ প্ৰকল্প উপস্থাপন কৰে। সেইদৰে টংলা জলসিঞ্চন সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা সত্যৰাম কলিতা আৰু সহকাৰী কাৰ্যবাহী অভিযন্তা ধনেশ্বৰ বড়োৰ সৈতে অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে জলসিঞ্চন আঁচনিৰ বিভিন্ন প্ৰকল্পৰ সন্দৰ্ভত বিষদভাৱে আলোচনা কৰে। দৈমাৰীয়ে জিলাখনৰ কৃষক ৰাইজৰ স্বাৰ্থত পৰিকল্পিতভাৱে ক্ষুদ্ৰ আৰু বৃহৎ জলসিঞ্চন আঁচনি ৰূপায়ণত জলসিঞ্চন বিভাগক গুৰুত্ব প্ৰদান কৰিবলৈ আহ্বান জনায়। ইয়াৰ পিছতে দৈমাৰীয়ে জিলা জলসম্পদ উন্নয়ন বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা উৎপল হাজৰিকা আৰু কনিষ্ঠ অভিযন্তা যুগল ডেকাৰ সৈতে জিলাখনত জলসম্পদ উন্নয়নৰ বিভাগীয় কাম-কাজৰ খতিয়ান লোৱাৰ লগতে সম্ভাব্য আঁচনিসমূহৰ বিষয়েও পৰ্যালোচনা কৰে। ইয়াৰ উপৰি ওদালগুৰি জিলা গড়কাপ্তানী বিভাগৰ বিষয়াসকলৰ সৈতে জিলাখনৰ নিৰ্মীয়মাণ বাট-পথৰ লগতে নতুনকৈ ৰূপায়ণ কৰিবলগীয়া বাট-পথ সন্দৰ্ভতো আলোচনা কৰে। ইয়াৰ উপৰি টংলা জলসিঞ্চন সংমণ্ডল ঠিকাদাৰ সন্থাই বিশ্বজিৎ দৈমাৰীক সৌজন্যমূলক সাক্ষাৎ কৰি বিভাগীয় ঠিকাদাৰসকলে পাবলগীয়া ধন মোকলাই দিয়াৰ ক্ষেত্ৰত সহযোগ কৰিবলৈ আহ্বান জনায়। এইক্ষেত্ৰত দৈমাৰীয়ে ঠিকাদাৰসকলক ৰাইজৰ স্বাৰ্থত আঁচনি সঠিকভাৱে ৰূপায়ণ কৰিবলৈ গুৰুত্ব দিয়ে। উল্লেখযোগ্য যে পানেৰী সমষ্টিৰ পৰা প্ৰথমবাৰৰ বাবে বিধায়ক হৈ অসম বিধানসভাৰ অধ্যক্ষৰ পদ অলংকৃত কৰি টংলা জলসিঞ্চন সংমণ্ডলত প্ৰথমবাৰ উপস্থিত হোৱাত সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা সত্যৰাম কলিতাই ফুলাম গামোচা, আৰণাই আৰু বৰশৰাইঁৰে অধ্যক্ষ দৈমাৰীক উষ্ম আদৰণি জনায়। উক্ত কাৰ্যসূচীত অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ সৈতে উপস্থিত থাকে বিটিআৰৰ কাৰ্যবাহী সদস্য(জলসিঞ্চন বিভাগ) দিগন্ত বৰুৱা, ভেৰগাঁও মহকুমাৰ মহকুমাধিপতি দীপক ভূঞা, জিলা বিজেপিৰ উপ সভাপতি জয়কান্ত শৰ্মা, ওদালগুৰি জিলা বিজেপিৰ জনজাতি মৰ্চাৰ সম্পাদক জৌচৰাং বড়ো প্ৰমুখ্যে বহুসংখ্যক নেতা-কৰ্মী উপস্থিত থাকে।



### ডিব্ৰুগড় জিলাত স্বাস্থ্য বিভাগৰ উদ্যোগত অসম সামূহিক নিৰীক্ষণ কাৰ্যসূচীৰ অধীনত সমূহীয়া তদাৰকী গোটৰ দ্বাৰা

# গাঁৱে গাঁৱে গৈ স্বাস্থ্য পৰীক্ষা কৰাৰ ব্যৱস্থা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২ জুন ঃ** ডিব্ৰুগড় জিলাৰ মুঠ ২৩৪ টা উপকেন্দ্ৰৰ অধীনস্থ ১৩৬৯ খন গাঁও সামৰি স্বাস্থ্য বিভাগে ক'ভিডৰ শৃংখলা ভাঙিবলৈ আৰু ইয়াৰ সংক্ৰমণ ৰোধৰ বাবে তৃতীয় পৰ্যায়ৰ অসম সামূহিক তদাৰক কাৰ্যসূচী আজিৰে পৰা জিলাখনত আৰম্ভ কৰিছে। সেইমৰ্মে একোজন চিকিৎসা বিষয়াৰ নেতৃত্বত সামূহিক স্বাস্থ্য বিষয়া, আশাকৰ্মী, এ.এন.এম, এম.পি.ডব্লিউ আদিক লৈ প্ৰতিটো ব্লকতে সামূহিক তদাৰকী গোট গঠন কৰা হৈছে। এই গোটত এজন লেবৰেটৰী টেকনিচিয়ানো অৰ্ন্তভূক্ত কৰা হৈছে। তাৰোপৰি ৱাৰ্ড মেম্বাৰ, গাঁওবুঢ়া, অংগনৱাড়ী কৰ্মী আদিয়েও গোটসমূহক সহযোগিতা আগবঢ়াব। উল্লেখ্য যে সামূহিক তদাৰকী গোটে নিৰ্দিষ্ট গাঁওসমূহলৈ যোৱাৰ পূৰ্বে আশাকৰ্মীয়ে ঘৰে ঘৰে গৈ তদাৰকী গোটৰ পৰীক্ষাৰ সন্মুখীন হ'বলগীয়া লোকসকলৰ তালিকা যুগুতাই উলিয়াব। জ্বৰ, কাহ, মেলেৰিয়া, ডায়েৰিয়া, ডেংগী, একিউট এনকেফেলাইটিছ চিনড্ৰম আদি ৰোগত ভোগা লোকৰ নাম ইয়াত অৰ্ন্তভূক্ত হ'ব আৰু সামূহিক তদাৰকী গোটে নিৰ্দিষ্ট গাওঁখনত গৈ তেওঁলোকৰ যাৱতীয় পৰীক্ষা কাৰ্য সম্পাদন কৰিব। গোটবোৰে ক'ভিড আক্ৰান্ত ৰোগী তথা তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলৰ লগতো মত বিনিময় কৰিব আৰু বিভিন্ন দিহা পৰামৰ্শ আগবঢ়াব। উল্লেখ্য যে চিকিৎসা বিষয়াৰ পৰামৰ্শৰ ভিত্তিত গোটত থকা লেবৰেটৰী টেকনিচিয়ানে গাওঁবাসী লোকৰ তেজ, স্বাব আদিৰ নমুনা সংগ্ৰহ কৰি পৰীক্ষাৰো ব্যৱস্থা ল'ব। এই সমগ্ৰ প্ৰক্ৰিয়াত বিভাগৰ তৰফৰ পৰা ৰাইজৰ সহযোগিতা কামনা কৰা হৈছে।




# শোণিতপুৰত পুনৰ ৭গৰাকী ক'ভিড আক্ৰান্তৰ মৃত্যু, কৰ'না আক্ৰান্তৰ সংখ্যা কমা নাই জিলাখনত

## নিৰ্ধাৰিত সময় উকলি যোৱাৰ পিছতো ক'ভাক্সিনৰ অভাৱত উৎকণ্ঠিত হৈ পৰিছে সৰ্বসাধাৰণ ৰাইজ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২ জুন ঃ** ৰাজ্যৰ কোনো কোনো অঞ্চলত কাল কোৰোণা সংক্ৰমণৰ হাৰ শেহতীয়াকৈ কিছু হ্ৰাস পাইছে যদিও শোণিতপুৰত অদ্যাপি সংক্ৰমণৰ হাৰ বিশেষ হ্ৰাস হোৱা নাই। তাতোকৈ গুৰুত্বপূৰ্ণ কথা যে, কোৰোণাত আক্ৰান্তসকলৰ মাজৰে নিতৌ জিলাখনত মৃতকৰ সংখ্যা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। আজিৰ দিনটোতে শোণিতপুৰৰ ৭ গৰাকী ক'ভিড ৰোগীৰ মৃত্যু হোৱা ঘটনাই জিলাবাসীক স্বাভাৱিকভাৱে আতংকিত কৰি তুলিছে। আজি জিলা প্ৰশাসনৰ পৰা প্ৰাপ্ত তথ্য অনুসৰি যোৱা ২৪ ঘন্টাত কোৰোণাত আক্ৰান্ত হৈ মৃত্যুক সাৱতি লোৱা লোকসকল হ'ল ক্ৰমে তেজপুৰৰ হাৰিগাঁৱৰ সীমা শৰ্মা (৪২), তিনি মাইলৰ ৰিংকু সিং (৩১), পাঁচমাইল টেঙাবস্তিৰ কুলচুমা খাতুন (৬৫), পাশ্বৱৰ্তী ঘোঁৰামাৰী বৰপাটগাঁৱৰ গংগাধৰ কোচ (৮৩), মিছামাৰী জীয়াগাভৰুৰ অনিল ডেকা (৪৯) ঢেকিয়াজুলিৰ বেনু সিংহ ৰয় (৬০) আৰু ৰঙাগড়াৰ ৩০ বছৰীয়া মহিলা আছমা খাতুন। আনহাতে আজি জিলাখনৰ ২৪ টা ক'ভিড পৰীক্ষা কেন্দ্ৰত ৩৪২৯ গৰাকী লোকৰ ক'ভিড পৰীক্ষা কৰোৱাত ইয়াৰে ২২৭ গৰাকী ক'ভিড ৰোগী হিচাপে চিনাক্ত হয়। উল্লেখ্য যে, বিশ্বজুৰি ত্ৰাসৰ সৃষ্টি কৰাা অতিমাৰী কোৰোণা সংক্ৰমণৰ পৰা ৰক্ষা পাবলৈ সম্প্ৰতি ক'ভিড প্ৰতিষেধকেই একমাত্ৰ উপায় বুলি বিবেচিত হৈ আহিছে। তেনে পৰিপ্ৰেক্ষিতত ৰাজ্যজুৰি ক'ভিড ভেকচিন চৰকাৰী আৰু বেচৰকাৰীভাৱে সৰ্বসাধাৰণ লোকক প্ৰদান কৰি থকা হৈছে যদিও শেহতীয়াকৈ ভেকচিনৰ অভাৱ ঘটাত স্বাভাৱিকতেই শোণিতপুৰবাসী শংকিত হৈপৰা পৰিলক্ষিত হৈছে। কিয়নো দুমাহৰ পূৰ্বে জিলাখনৰ বহু সংখ্যক ৪৫ উৰ্ধ্বৰ লোকে ক'ভিড ভেকচিনৰ প্ৰথম পালি লোৱাৰ পিছত এতিয়া নিৰ্দিষ্ট সময়ত দ্বিতীয় পালি ল'ব পৰা নাই ভেকচিনৰ অভাৱত। যাৰ বাবে সংশ্লিষ্ট বিভাগে এই লোকসকলৰ নিৰ্দিষ্ট সময় পাৰ হোৱাৰ পিছত নিতৌ দিনসূচী সলনি কৰিবলগীয়া হৈছে। বিশেষকৈ এই সমস্যা হৈছে ক'ভাক্সিন ভেকচিনৰ অভাৱত। জিলাখনৰ বিভিন্ন প্ৰান্তত বৰ্তমানে উপলব্ধ কভিশ্বীল্ড ভেকচিনৰ প্ৰথম পালি দি থকা হৈছে যদিও পূৰ্বতে প্ৰথম পালি ক'ভাক্সিন দিয়াসকলৰ এতিয়া কি হ'ব ইয়াকে লৈ সৰ্বত্ৰ উৎকণ্ঠাৰ সৃষ্টি হৈছে। উল্লেখ্য যে, জিলাখনত মুঠ ৯৯ টা ভেকচিন প্ৰদান কেন্দ্ৰ থকাৰ বিপৰীতে বৰ্তমানে কোনো এটা কেন্দ্ৰত ক'ভাক্সিনৰ দ্বিতীয় পালি দিব পৰা নাই স্বাস্থ্য বিভাগে। এনে পৰিপ্ৰেক্ষিতত জিলাখনত পৰ্যাপ্ত পৰিমাণৰ ক'ভাক্সিনৰ যোগানৰ জৰিয়তে অপেক্ষাৰত লোকসকলক দ্বিতীয় পালি প্ৰদান কৰিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনাইছে ভুক্তভোগী ৰাইজে।



*হোজাইৰ উদালীত কৰ্তব্যৰত চিকিৎসকৰ ওপৰত হোৱা আক্ৰমণত জড়িতসকলক কৰায়ত্ত কৰি কঠোৰ শাস্তি বিহাৰ দাবীত যোৰহাট জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ প্ৰতিবাদী কাৰ্যসূচী*




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালতততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি